'চিৰ চেনেহী মোৰ ভাষা জননী'

চকুৰাখনা শাখা সাহিত্য সভাৰ মুখপত্ৰ

# খোজ

অৰুনোদই দিৱসৰ বিশেষ সংখ্যা

২০২৫-২০২৬ বৰ্ষ

সম্পাদকদ্বয়
ড° জিতু কুমাৰ চমুৱা
ৰমেন দাস

মুখ্য সম্পাদক
তোলন চন্দ্ৰ দত্ত

# 'খোজ'ৰ সম্পাদনা সমিতি, ২০২৫-২০২৬ বৰ্ষ


ডিম্বেশ্বৰ গগৈ
উপদেষ্টা


পৰমানন্দ ফুকন
উপদেষ্টা


[illegible] নিকা
উপদেষ্টা


পদ্মা বৰা
উপদেষ্টা


লিখন চন্দ্ৰ বুঢ়াগোহাঁই
উপদেষ্টা


নবনীতা গগৈ
উপদেষ্টা


বিদ্যাবতী শইকীয়া
উপদেষ্টা


সৰ্বেশ্বৰী পেগু
সভাপতি


তোলন চন্দ্ৰ দত্ত
মুখ্য সম্পাদক


ড° জিতুকুমাৰ চমুৱা
সম্পাদক


ৰমেন দাস
সম্পাদক


ৰাজীৱ বৰুৱা
সহঃ সম্পাদক


ৰাজেন্দ্ৰ প্ৰসাদ গগৈ
সহঃ সম্পাদক


ময়ূৰকৃষ্ণা বড়া
সহঃ সম্পাদিকা


কাব্যশ্ৰী গগৈ
সদস্যা


স্বৰ্ণলতা গগৈ চমুৱা
সদস্যা


অমৰজ্যোতি ঘোষ
সদস্য


ৰাজু চুতীয়া
সদস্য


কমল চন্দ্ৰ দাস
সদস্য


ৰিংকুমণি ফুকন
সদস্যা

।। চিৰ চেনেহী মোৰ ভাষা জননী ।।

# খোজ

ঢকুৱাখনা শাখা সাহিত্য সভাৰ মুখপত্ৰ

(বিশেষ সংখ্যা)

পঞ্চম সংখ্যা ঃ ২০২৫-২৬বৰ্ষ

'অৰুনোদই দিৱস' উদ্‌যাপন

তাৰিখ ঃ ১ জানুৱাৰী, ২০২৬

স্থান ঃ ঢকুৱাখনা বালিকা জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়


তোলন চন্দ্ৰ দত্ত

মুখ্য সম্পাদক

ড° জিতু কুমাৰ চমুৱা

ৰমেন দাস

সম্পাদকদ্বয়

**KHOJ, VOL. V :** *A souvenir of Dhakuakhana Sakha Sahitya Sabha(2025-2026), edited by Tulan Ch. Dutta (Chief Editor), Dr. Jitu Kr. Chamuah & Ramen Das, published by Dhakuakhana Sakha Sahitya Sabha.*
*Printed at P.K. Commercial & Offset Printers, Dhakuakhana.* *Rs. 100/-*

# সম্পাদনা সমিতি

**উপদেষ্টা ঃ**

ডিম্বেশ্বৰ গগৈ, লিখন চন্দ্ৰ বুঢ়াগোহাঞি, পদ্মা বড়া, পৰমানন্দ ফুকন,
জয়চন্দ্ৰ হাজৰিকা, বিদ্যাবতী শইকীয়া, নৱনীতা গগৈ

**সভাপতি ঃ**

সৰ্বেশ্বৰী পেগু

**মুখ্য সম্পাদক ঃ**

তোলন চন্দ্ৰ দত্ত

**সম্পাদক ঃ**

ড° জিতু কুমাৰ চমুৱা

ৰমেন দাস

**সহঃ সম্পাদক ঃ**

ৰাজীৱ বৰুৱা

ৰাজেন্দ্ৰ প্ৰসাদ গগৈ

ময়ূৰকৃষ্ণ বৰা কোঁৱৰ

**সদস্য/ সদস্যা ঃ**

অমৰজ্যোতি ঘোষ, কমল চন্দ্ৰ দাস, ৰাজু চুতীয়া,
কাব্যশ্ৰী গগৈ, ৰিংকুমণি ফুকন

**প্ৰকাশক ঃ**

ঢকুৱাখনা শাখা সাহিত্য সভা

**প্ৰকাশ কাল ঃ**

১ জানুৱাৰী, ২০২৬

**বেটুপাত পৰিকল্পনা ঃ**

সম্পাদনা সমিতি

**অক্ষৰ বিন্যাস ঃ** লিডু গোহাঁই, দিপাংকৰ দুৱৰা

**মুদ্ৰণ ঃ**

পি, কে, কমাৰ্চিয়েল এণ্ড অফছেট প্ৰিন্টাৰ্ছ, ঢকুৱাখনা

মূল্য ঃ ১০০.০০ টকা

# শ্ৰদ্ধাঞ্জলি

অসমীয়াৰ হিয়াৰ আমঠু, প্ৰাণৰ শিল্পী জুবিন গাৰ্গ, বিশিষ্ট বাঁহীবাদক দীপক শৰ্মা,
বিশিষ্ট গীতিকাৰ, সুৰকাৰ চৈয়দ ছাদুল্লা, ছাত্ৰনেতা স্বৰাজ শঙ্কৰ গগৈ,
সাংবাদিক অতুল বৰুৱা, পশ্চিম ঢকুৱাখনা শাখা সাহিত্য সভাৰ সভাপতি
ভবেন চন্দ্ৰ কলিতা, ঢকুৱাখনা শাখা সাহিত্য সভাৰ সক্ৰিয় কৰ্মী শোভ দাস
আৰু অসমীয়া ভাষা-সাহিত্যলৈ সেৱা আগবঢ়াই পৰলোকলৈ
গতি কৰা সকলোজনলৈ আমাৰ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিছোঁ।

- সম্পাদনা সমিতি

ড° বসন্ত কুমাৰ গোস্বামী
সভাপতি

# অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় : চন্দ্ৰকান্ত হাণ্ডিকী ভৱন, যোৰহাট-৭৮৫০০১
গুৱাহাটী কাৰ্যালয় : ভবানীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-৭৮১০০১

[illegible]

পত্ৰাংক নং : [illegible]

তাৰিখ : ২২-১২-২০২৫

## শুভেচ্ছা বাৰ্তা

লক্ষীমপুৰ জিলা সাহিত্য সভাৰ উদ্যোগত আৰু ঢকুৱাখনা শাখা সাহিত্য সভাৰ সহযোগত ১ জানুৱাৰি, ২০২৬ খ্ৰীষ্টাব্দ তাৰিখে 'অৰুণোদয় দিৱস'ৰ আয়োজন কৰাৰ খবৰত আনন্দিত হৈছোঁ। এই উপলক্ষে 'থোক' নামৰ মুখপত্ৰখনি প্ৰকাশৰ দিহা কৰাটো সন্তোষৰ কথা।

১৮৪৬ খ্ৰীষ্টাব্দত অসমীয়া ভাষাৰ প্ৰথমখন সংবাদপত্ৰ অৰুণোদয়ে (পূৰ্ণ নাম অৰুণোদই) অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসত এক নতুন যুগৰ সূচনা কৰিছিল। সেই স্মৃতি উজ্জ্বলাই ৰখাৰ বাবে অসম সাহিত্য সভাই প্ৰতিবছৰে ১ জানুৱাৰিৰ দিনটো 'অৰুণোদয় দিৱস' হিচাপে পালন কৰি আহিছে। খ্ৰীষ্টান মিছনেৰীসকলৰ প্ৰচেষ্টাত শিৱসাগৰ মিছনেৰী প্ৰেছৰ পৰা প্ৰকাশ পোৱা এই সংবাদপত্ৰই অসমীয়া ভাষাৰ এক সুকীয়া পৰিচয় প্ৰদান কৰিলে আৰু এজাক বুদ্ধিদীপ্ত সাহিত্যসেৱীক আত্মপ্ৰকাশৰ বাবে এখন সাজু ক্ষেত্ৰ প্ৰদান কৰিলে।

লক্ষীমপুৰ জিলা সাহিত্য সভাৰ উদ্যোগত, ঢকুৱাখনা শাখা সাহিত্য সভাৰ সহযোগত আয়োজিত 'অৰুণোদয় দিৱস'ৰ মুখপত্ৰখনিয়ে অসমীয়া ভাষা-সাহিত্যলৈ অৰুণোদয় কাকতৰ বহুমাত্ৰিক অৱদানক প্ৰতিফলিত কৰিব আৰু ভৱিষ্যতৰ সাধকসকলক ভাষা জননীৰ সেৱা কৰি যাবলৈ প্ৰেৰণা দিব— সেই আশাৰে শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

(ড° বসন্তকুমাৰ গোস্বামী)
সভাপতি, অসম সাহিত্য সভা

ঘৰৰ ঠিকনা : [illegible], ভ্ৰাম্যভাষ : [illegible]
ই-মেইল : drbkgoswami3@gmail.co

**Naba Kumar Doley**
MLA, 77 -Dhakuakhana(ST) LAC

RESIDENCE : Konwargaon, Ward No. 3, Dhakuakhana, Lakhimpur, Pin-787055, Assam
Flat No G-5 Block G, Dispur Guwahati-781006, Assam
Mobile : 9864011117
e-mail : mydkc112@gmail.com



# শুভেচ্ছাবাণী

লখিমপুৰ জিলা সাহিত্য সভাৰ উদ্যোগত তথা ঢকুৱাখনা শাখা সাহিত্য সভাৰ সহযোগত অহা ৯ জানুৱাৰী, ২০২৬ তাৰিখে "অৰুণোদয়" দিৱসৰ আয়োজন কৰা হৈছে বুলি জানিবলৈ পাই আনন্দিত হৈছোঁ। "অৰুণোদয়" দিৱসৰ সকলো কাৰ্যসূচীৰ সৰ্বতোপ্ৰকাৰ সাফল্য কামনাৰে লখিমপুৰ জিলা সাহিত্য সভা আৰু ঢকুৱাখনা শাখা সাহিত্য সভালৈ আমাৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। এই অনুষ্ঠানটিৰ সকল আয়োজনে অসমীয়া ভাষা-সাহিত্যৰ উত্তৰণৰ হকে আত্মনিয়োগ কৰিবলৈ আমাৰ উঠি অহা প্ৰজন্মক নিশ্চয়কৈ অনুপ্ৰাণিত কৰিব।

অনুষ্ঠানটিৰ সৈতে সংগতি ৰাখি "খোজ" নামেৰে এখন মুখপত্ৰ প্ৰকাশ পাব বুলি জানিব পাৰিছোঁ। মুখপত্ৰখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ হওক, তাৰেই কামনাৰে শুভেচ্ছা জনালোঁ।

নৱ কুমাৰ দলে
(নৱ কুমাৰ দলে)

"চিৰ চেনেহী মোৰ ভাষা জননী"

# লক্ষীমপুৰ জিলা সাহিত্য সভা

লক্ষীবিলাস শইকীয়া ভৱন, মৈদমীয়া, উত্তৰ লক্ষীমপুৰ।
লক্ষীমপুৰ, অসম। সূচাংক - ৭৮৭০৩২
স্থাপিত ঃ ১৯৮২ চন।

সঞ্জীৱ উপাধ্যায়
সভাপতি
ফোন ঃ ৭০০২১৩০৬৬০

প্ৰসঙ্গঃ লঃজিঃসাঃসঃ ৫৩/২৫

দিনাঙ্ক ঃ- ১৭/১২/২০২৫

## শুভেচ্ছা বাৰ্তা

লক্ষীমপুৰ জিলা সাহিত্য সভাৰ অন্তৰ্গত এক অন্যতম সক্ৰিয় শাখা হৈছে 'ঢকুৱাখনা শাখা সাহিত্য সভা'। এই শাখাই জন্ম লগ্নৰে পৰা ভাষা-সাহিত্য আৰু সংস্কৃতিৰ উত্তৰণত উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰি আহিছে। ঢকুৱাখনা শাখা সাহিত্য সভাই নিয়মীয়াকৈ প্ৰকাশ কৰি অহা শাখাৰ মুখপত্ৰ 'খোজ' অহা ১ জানুৱাৰী ২০২৬ তাৰিখে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ উদ্যোগত আৰু ঢকুৱাখনা শাখা সাহিত্য সভাৰ আতিথ্যত অনুষ্ঠিত হ'ব লগা 'অৰুণোদয় দিৱস'ত মুখপত্ৰখনি প্ৰকাশ পাব বুলি জানিবলৈ পাই নথৈ সুখী হৈছোঁ। কিয়নো স্মৃতিগ্ৰন্থ, স্মাৰক গ্ৰন্থ আৰু মুখপত্ৰ হ'ল লেখক-পাঠক সৃষ্টিৰ এক গুৰুত্বপূৰ্ণ মঞ্চ। 'খোজ' মুখপত্ৰখনি সাহিত্যিক, সাংস্কৃতিক আৰু সামাজিক বিষয়ৰ ৰচনাৰাজিৰে সমৃদ্ধ হৈ এখন সৰ্বাঙ্গসুন্দৰ মুখপত্ৰ হওক বুলি শুভ কামনা জনালোঁ।

(সঞ্জীৱ উপাধ্যায়)
সভাপতি
লক্ষীমপুৰ জিলা সাহিত্য সভা।

# মুখ্য সম্পাদকৰ একলম

অসমৰ জাতীয় জীৱনৰ সন্ধিক্ষণত ৰচনা কৰা বৈষ্ণৱ সাহিত্যই অসমীয়া জাতিৰ নতুন প্ৰাণৰ সঞ্চাৰ কৰি সৰ্বভাৰতীয় মহাজাতীয় চৈতন্যৰ লগত ইয়াৰ ঐক্যভাব স্থাপন কৰে। সত্ৰ আৰু নামঘৰেৰে শ্ৰীমন্ত শংকৰদেৱে এনেদৰে অসমীয়া সমাজত শৃংখলা স্থাপন কৰিলে-ধৰ্মেৰে যেনেদৰে শ্ৰেণীভেদৰ ব্যৱধান দূৰ কৰি সকলোকে একে ডোলেৰে বান্ধিলে-তেনেদৰে কাব্য, গীত আৰু নাট ৰচনা কৰি অসমীয়া সাহিত্যৰ স্বৰ্ণসৌধ নিৰ্মাণ কৰিলে। অসমীয়া ভাষা, সাহিত্য, সংগীত, কলা, ধৰ্ম-জীৱন, সামাজিক জীৱন আদিৰ ওপৰত শংকৰদেৱৰ প্ৰভুত প্ৰভাৱ। তেৰাৰ হাতত 'অসমীয়া জাতি আৰু অসমীয়া সংস্কৃতিয়ে' এক নিৰ্দ্দিষ্ট গঢ় ল'লে। অসমীয়া জাতিৰ যদি এটা প্ৰাণ আছে তেন্তে সেই প্ৰাণ হৈছে শ্ৰীমন্ত শংকৰ দেৱ। তেৰাৰ ৰচনাৱলী অসমীয়া সাহিত্যৰ 'শিৰোভূষণ স্বৰূপ'। মুঠৰ ওপৰত সাহিত্যৰ গুৰু শঙ্কৰ, সাহিত্য ৰাজ্যৰ ৰজা শংকৰ, সমাজ গঢ়োতা শংকৰ, সমাজৰ নেতা শঙ্কৰ।" এই তাৎপৰ্য্যপূৰ্ণ মন্তব্য হৈছে ভাষাতত্ত্ববিদ ড° বাণীকান্ত কাকতি দেৱৰ। গতিকে নিঃসন্দেহে পোন্ধৰ-যোল্ল শতিকাতেই শ্ৰীমন্ত শংকৰদেৱে অসমীয়া সাহিত্যৰ স্বৰ্ণসৌধ নিমাৰ্ণ কৰিছিল। আৰু এই ক্ষেত্ৰত হাত-উজান দিছিল তেৰাৰ প্ৰিয় শিষ্য মাধৱদেৱে।

শংকৰ-মাধৱৰ মহাপ্ৰয়াণৰ পিচতে কালক্ৰমত অসমীয়া ভাষা, সাহিত্য, কলা-সংস্কৃতি, ধৰ্ম-জীৱন, সামাজিক-জীৱন আদি লাহে লাহে কলীয়া ডাৱৰে ছানি ধৰিছিল। ধৰ্মীয় গুৰুসকলৰ মাজত আঁৰিয়া-আঁৰি, বিভিন্ন জনগোষ্ঠী সমূহৰ মাজত দ্বন্দ্ব-কাজিয়া, যুদ্ধ-বিগ্ৰহ, মোগল বাদশ্বাহৰ ১৭ বাৰকৈ অসম আক্ৰমণ, আহোম ৰাজত্বৰ শেষৰ ফালে স্বৰ্গদেউ সকলৰ দুৰ্ব্বল নেতৃত্ব, ব্ৰহ্মদেশৰ মানসকলে তিনিবাৰকৈ অসম আক্ৰমণৰ অছিলাৰে অসমীয়া জাতিক তচনচ্ কৰি অসমৰ আকাশত বেলি মাৰ যোৱাৰ উপক্ৰম কৰিছিল। তাৰ ফলশ্ৰুতিতে ১৮২৬ চনত ইয়ান্দাবু সন্ধিৰ জড়িয়তে অসমত আৰম্ভ হৈছিল ব্ৰিটিছৰ ৰাজত্ব। অন্ধকাৰ যুগলৈ গতি কৰিছিল-অসম।

ব্ৰিটিছৰ লগতে বিভিন্ন প্ৰশাসনিক, বেপাৰ-বাণিজ্য, শিক্ষা সম্পৰ্কীয় কাৰ্যত সহায়ৰ কাৰণে অসমলৈ আগমণ ঘটিছিল বঙালী সকলৰ। সেই চতুৰ বঙালী সকলে ইংৰাজ সকলক পতিয়ন যোৱাকৈ বুজাই দিছিল যে অসমীয়া সকলৰ নিজৰ কোনো ভাষা নাই, তেওঁলোকে দোবানহে ব্যৱহাৰ কৰে। অসমীয়া ভাষাৰ নিজস্ব লিপি নাই বুলি ব্ৰিটিছ সকলক বুজনি দিছিল। ফল স্বৰূপে ১৮৩৫ চনৰ পৰা ১৮৭২ চনলৈ অসমত বঙালী ভাষাক চৰকাৰী ভাষাৰূপে জাপি দিছিল ইংৰাজ সকলে। দুৰ্যোগ নামি আহিছিল অসমীয়া ভাষা-সাহিত্য, কলা-সংস্কৃতি, ধৰ্মীয় আৰু সমাজ জীৱনলৈ....।

ব্ৰিটিছ সকলৰ লগত অসমত খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰৰ উদ্দেশ্যে অহা ব্যাপ্টিছ মিচনেৰী সকলে সহজ-সৰল অসমীয়াৰ মাজত যীশুখ্ৰীষ্টৰ বাইবেলৰ বাণীসমূহ প্ৰচাৰৰ লক্ষ্যৰে ড°

নাথান ব্ৰাউনৰ সম্পাদনাত ১৮৪৬ চনত শিৱসাগৰ পৰা প্ৰথম অসমীয়া সংবাদপত্ৰ আৰু আলোচনী অৰুণোদই ছপা কৰি উলিয়াইছিল। অৱশ্যে ধৰ্মীয় দিশতে সীমাবদ্ধ নেথাকি কাকতখনে অন্যান্য বুৰঞ্জী, ভূগোল অসমৰ সমাজ-সংস্কৃতি, দেশ-বিদেশৰ লগতে স্থানীয় বাতৰি পৰিৱেশন, ভাষা-সাহিত্য চৰ্চ্চা, সাজ-সজ্জা, সাধাৰণ-জ্ঞান-বিজ্ঞানৰ লেখনিৰ যোগেদি পঢ়ুৱৈ সকলৰ মনৰ খোৰাক যোগান ধৰিবলৈও প্ৰয়াস কৰিছিল। এই অৰুণোদই যোগেদি আনন্দৰাম ঢেকীয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, লম্বোদৰ বৰা, কমলাকান্ত ভট্টাচাৰ্য, ৰত্নেশ্বৰ মহন্ত, নিধিৰাম ফুকন আদি দৰে একাংশ লেখকৰ লেখনিৰে অসমীয়া ভাষা পুনৰ্জীৱিত কৰাত, প্ৰচাৰ আৰু প্ৰসাৰত ড° নাথান ব্ৰাউনৰ বৰঙণি আমি শ্ৰদ্ধাৰে স্মৰণ কৰিবই লাগিব।

পৰাধীন ভাৰতৰ লগতে অসমতো স্বাধীনতা আন্দোলনৰ মাজতো অসমীয়া ভাষা ৰক্ষাৰ স্বাৰ্থত "চিৰচেনেহী মোৰ ভাষা জননী"-মন্ত্ৰৰে ১৯১৭ চনত শিৱসাগৰত সাহিত্যকাণ্ডাৰী পদ্মনাথ গোহাঁইবৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হৈছিল অসম সাহিত্য সভাৰ প্ৰথমখন অধিৱেশন।

তাৰ লগে লগে ঢকুৱাখনাতো স্বনামধন্য চন্দ্ৰশেখৰ দাস, কুলনাথ গগৈ, বংশীধৰ কোঁৱৰ, কীৰ্তিনাথ ফুকন, ত্ৰৈলোক্যদাস, ৰুক্মনাথ গগৈ, ভুৱাম বৰুৱা, গণনাথ গোহাঁই, চন্দ্ৰধৰ বৰগোহাঁই, অৰুণবালা দাস, ফণীধৰ বৰগোহাঞি আদিৰ দৰে উদ্যোগী সকলৰ প্ৰচেষ্টাত গঢ়ি উঠা - "ঢকুৱাখনা লিটাৰেৰী এছোচিয়েশ্বন"-পিছত ১৯২০ চনৰ ১৭ এপ্ৰিল তাৰিখে "ঢকুৱাখনা শাখা সাহিত্য সভা" হিচাপে গঠন কৰা হৈছিল। চন্দ্ৰশেখৰ দাসৰ আহল বহল চোতালখনত আৰু কেতিয়াবা চ'ৰাঘৰতে সেই তাহানিৰ দিনতে "পূৰ্ণিমা নিশাৰ সাহিত্য আলোচনা" দৰে মহৎ চেষ্টা অতি প্ৰশংসনীয় পদক্ষেপ আছিল ঢকুৱাখনা সাহিত্যানুৰাগী সকলৰ।

বয়সৰ লেখেৰে ঢকুৱাখনা শাখা সাহিত্য সভাই বৰ্তমান ১০৫ বছৰ অতিক্ৰম কৰিলে। ২০১০ বৰ্ষৰ পাছৰ পৰা শাখাটিৰ কৰ্মৰাজীৰ পতিয়ান আৰু উদীয়মান সাহিত্য কৰ্মী সকলৰ মননশীল ভাববোধক ধৰি ৰাখিবলৈ 'খোজ' নামৰ এখনি মুখপত্ৰ প্ৰকাশৰ দিহা কৰি অহা হৈছে। এইবাৰ লখিমপুৰ জিলা সাহিত্য সভাৰ উদ্যোগত আৰু ঢকুৱাখনা শাখা সাহিত্য সভাৰ সহযোগত "অৰুণোদই দিৱস" উদ্‌যাপনৰ লগত সংগতি ৰাখি অতি খৰধৰ কৈ "খোজ" বিশেষ সংখ্যাটি প্ৰকাশৰ প্ৰস্তুতি চলোৱাত সংখ্যাটিত প্ৰকাশৰ বাবে যথেষ্ট পৰিমানে লেখনি আমি বুটলিব নোৱাৰিলো। অৰ্থ ব্যয়ৰ তাগিদাত কলেবৰ সীমিত ৰখা হ'ল। আমাৰ আবেদনক সন্মান জনাই যিসকল স্বনামধন্য লোকে তেখেত সকলৰ লেখনি দি মুখপত্ৰখনি প্ৰকাশত হাত উজান দিলে সদৌটিলৈকে সম্পাদনা সমিতিৰ হৈ শ্ৰদ্ধা নিবেদিছোঁ।

অসমৰ সংগীত জগতৰ 'হৃটি থ্ৰ'ব' জুবিন গাৰ্গ, গীতিকাৰ-গায়ক চৈয়দ ছাদুল্লা, বিশিষ্ট বাঁহী বাদক দীপক শৰ্মা, ঢকুৱাখনাৰ ছাত্ৰ নেতা স্বৰাজ শংকৰ গগৈ, সাংবাদিক অতুল বৰুৱা, ঢকুৱাখনা শাখা সাহিত্য সভাৰ সকলো স্বৰ্গগত আজীৱন সভ্য/সদস্যৰ প্ৰতি আন্তৰিক শ্ৰদ্ধাঞ্জলি যাঁচিলো।

২০২৫ বৰ্ষত ঢকুৱাখনাৰ সাহিত্য ক্ষেত্ৰখনক অধিক জীপাল কৰি ঢকুৱাখনাৰ ২২ গৰাকী যুৱ লেখক-লেখিকাই অসম চৰকাৰৰ 'যুৱ-লেখক'ৰ বঁটা লাভ কৰিবলৈ সক্ষম হোৱাটো আমাৰ কাৰণে অতিশয় আনন্দ আৰু গৌৰৱৰ বিষয়। এই সকল প্ৰতিশ্ৰুতি সম্পন্ন যুৱ-লেখক-লেখিকাক শুভ কামনা আৰু কৃতজ্ঞতা জনাইছোঁ। তাৰোপৰি ঢকুৱাখনাৰ লেখক-কবি-সাংবাদিক তোলন চন্দ্ৰ দত্তই অলপতে "আমাৰ গৌৰৱ' বঁটা আৰু কবি কাব্যশ্ৰী গগৈয়ে অসম ভিত্তিত আয়োজন কৰা কবিতা প্ৰতিযোগিতাত বঁটা লাভ কৰি ঢকুৱাখনা সাহিত্যৰ পথাৰখনক অধিক উৰ্ব্বৰা কৰিছে।

মুখপত্ৰ 'খোজ'ৰ বিশেষ সংখ্যাটি প্ৰকাশৰ

বেলিকা ছপাশালত যাবতীয় কাম কাজত সহায়-সহযোগ কৰা সম্পাদনা সমিতিৰ উপদেষ্টামণ্ডলী, সভাপতি, সম্পাদকদ্বয়, সম্পাদনা সমিতিৰ সমূহ সদস্যবৃন্দ, শাখাৰ সম্পাদক ৰাজেন্দ্ৰ প্ৰসাদ গগৈৰ আশাশুধীয়া প্ৰচেষ্টাক শলাগ ল'লো। ছপাশালৰ মুদ্ৰণত কৰ্মকৰ্তা প্ৰমুখ্যে পি. কে. কৰ্মাচিয়েলৰ স্বত্বাধিকাৰীক মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ।

ঢকুৱাখনা শাখা সাহিত্য সভাই দিয়া এনে এটি গুৰু দায়িত্ব পালন কৰোতে হোৱা অজানিত ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছে। বেয়াখিনি নিজে কান্ধপাতি লৈ ভালখিনি ৰাইজলৈ আগবঢ়াই দিলো।

সদৌ শেষত ইংৰাজী নৱবৰ্ষ-২০২৬ৰ শুভকামনা লগতে ভোগালী বিহুৰ ওলগ সকলোকে যাঁচিলো আৰু আমাৰ মুখ্য সম্পাকৰ একলম ইমানতে সামৰিলোঁ।

"চিৰ চেনেহী মোৰ ভাষা জননী"

"জয়তু ঢকুৱাখনা শাখা সাহিত্য সভা"

তোলন চন্দ্ৰ দত্ত

মুখ্য-সম্পাদক

"খোজ"

*বিঃ দ্ৰঃ - লেখাসমূহৰ স্বকীয়তাৰ বাবে লিখকসকল সম্পূৰ্ণৰূপে দায়বদ্ধ। কোনো ধৰণৰ বিতৰ্কৰ কাৰণে সম্পাদনা সমিতি জগৰীয়া নহয়।*

# সাম্প্ৰতিক অসমীয়া চুটিগল্পৰ গতিধাৰা

✍ জয়ন্ত মাধৱ বৰা

১৮৯২ চনৰ "জোনাকী"ৰ চতুৰ্থ ভাগৰ চতুৰ্থ সংখ্যাত প্ৰকাশিত বেজবৰুৱাৰ "সেউতী"য়েই অসমীয়া সাহিত্যৰ প্ৰথম চুটিগল্প। ইয়াত দ্বিমত আছে বহুতৰে, কিন্তু সৰহ সংখ্যক সাহিত্য সমালোচকে "সেউতী"য়েই প্ৰথম চুটি গল্প বুলি মানিও লৈছে। সেই অনুসৰি অসমীয়া চুটিগল্পৰ বয়স এতিয়া ১২৩ বছৰ। এই ১২৩ বছৰত বিষয়বস্তু, আংগিক আনকি সংখ্যাৰ ফালৰ পৰাও অসমীয়া চুটিগল্প বহু দিশেৰে সমৃদ্ধ হৈছে। যিহেতু অসমীয়া আলোচনীৰ ইতিহাসেই অসমীয়া সাহিত্যৰো ইতিহাস, সেই অনুসৰি অসমীয়া চুটিগল্পৰ তিনিটা কালপৰ্বৰ খুব সঘন আলোচনা হয়। (১) জোনাকী যুগৰ গল্প (২) আৱাহনৰ গল্প (৩) ৰামধেনুৰ গল্প। ইয়াৰ মাজত বিজুলী, বাঁহী, উষা, চেতনা, জয়ন্তী আদি আলোচনীবোৰ আছিলেই। প্ৰত্যেকখন যুগ সৃষ্টিকাৰী আলোচনী আছিল প্ৰতিটো যুগৰ নিঃশ্বাসৰ বাহক। এই নিঃশ্বাসে কঢ়িয়াই আনিছিল এটা এটা যুগৰ নিৰ্যাস। এই নিঃশ্বাস আৰু নিৰ্যাসে পাঠকৰ হৃদয় এনেদৰে আলোড়িত কৰি ৰাখিছিল যে আজিও জোনাকী যুগৰ, আৱাহনৰ, ৰামধেনুৰ গল্পৰ কথা কোৱা হয়, আলোচনা কৰা হয়।

তাৰপিছত আহিল "আমাৰ প্ৰতিনিধি", "নতুন প্ৰতিনিধি", "মনিদীপ", "নৱযুগ"। সমান্তৰালভাৱে প্ৰকাশ পাইছিল "নতুন পৃথিৱী", "নতুন পদাতিক" আদি প্ৰগতিশীল আৰু বামপন্থী চিন্তাধাৰাৰ আলোচনী সমূহ। প্ৰশ্ন হয়, এই আলোচনী সমূহে অসমীয়া চুটিগল্পৰ এটা ধাৰা সৃষ্টি কৰিব পৰা নাছিলনেকি? নতুন দিগন্তৰ স্বপ্ন দেখা এচাম গল্পকাৰৰ সৃষ্টি কৰিব পৰা নাছিলনেকি? কাৰণ এই আলোচনী সমূহৰ গল্প সমূহ এটা পৃথক ধাৰা হিচাপে ক'তো আলোচনা হোৱা দেখা নাই। অতি সাম্প্ৰতিকত "প্ৰান্তিক", "গৰীয়সী", "প্ৰকাশ", "সাতসৰী" এই আলোচনী সমূহে অসমীয়া চুটিগল্পৰ ১২৩ বছৰীয়া ধাৰাটোক আগুৱাই নি আছে। ইয়াৰ মাজত লিটল মেগাজিন কিছুমান আগতেও আছিল, এতিয়াও চলি আছে। গল্প আৰু গল্পকাৰৰ সৃষ্টিত এই লিটল মেগাজিনবোৰৰ অৰিহনাও কম নহয়। ইয়াত কিন্তু ১২৩ বছৰৰ অভিজ্ঞতাৰে সমৃদ্ধ অসমীয়া চুটিগল্পৰ গতিপথৰ বিষয়ে আলোচনা কৰিছো দুটা দিশৰ ওপৰত ভিত্তি কৰি।

প্ৰথম, আজিকালি অসমীয়া প্ৰকাশক সকলে গল্প সংকলন প্ৰকাশ কৰিবলৈ দ্বিধাবোধ কৰে। স্পষ্টভাৱে কৈ দিয়ে গল্প সংকলন বিক্ৰি নহয়। তাৰ অৰ্থ, গল্পৰ কাষৰ পৰা পাঠক সমাজ আঁতৰি গৈছে নেকি? এটা সময়ত প্ৰায় ঘোষণাই কৰা হৈছিল, যান্ত্ৰিক পৃথিৱীৰ মহাব্যস্ততাপূৰ্ণ জীৱনৰ পৰা উপন্যাসে চিৰকালৰ বাবে বিদায় ল'ব। প্ৰতিযোগিতাৰ পৃথিৱীত নিগনি চঞ্চল দৌৰৰ মাজত বৃহৎ উপন্যাস পঢ়াৰ কাৰো সময় নাই। তাৰ ঠাই ল'ব চুটিগল্পই। কিন্তু সেই ঘোষণা সম্পূৰ্ণ ৰূপে নসাৎ কৰি আজিৰ পাঠকে ব্যস্ততাপূৰ্ণ জীৱনৰ মাজতো বৃহৎ

আকাৰৰ উপন্যাস পঢ়িবলৈ লৈছে। ইয়াৰ অৰ্থ এনেকুৱা নেকি, সাম্প্ৰতিক অসমীয়া চুটিগল্পৰ আবেদনে পাঠকক ধৰি ৰাখিব পৰা নাই? অৱশ্যে বজাৰৰ জৰিয়তে সাহিত্যৰ মাপকাঠি জোখাটো যদিও এক নেতিবাচক প্ৰক্ৰিয়া, তত্ৰাচ মানুহৰ বাবেই যিহেতু সাহিত্য, পাঠকৰ আদৰতহে সাহিত্যৰ বিকাশ হয়, গতিকে যি সাহিত্যই ৰচিত নহওঁক, সেয়া সাধাৰণ পাঠকৰ বাবে সুখপাঠ্য আৰু আত্মাক জোকাৰি যোৱা হ'বই লাগিব। বিভিন্ন আলোচনাত এইটো প্ৰতীয়মান হৈছে, আধুনিক মানুহে আকৌ আত্মাৰ অনুসন্ধান কৰিবলৈ আৰম্ভ কৰিছে। বৰ্তমানৰ পাঠকে যেতিয়া গল্পক আদৰি নোলোৱা হৈছে, তাৰ মানে পাঠকে বিচাৰি ফুৰা আত্মাৰ সন্ধান সাম্প্ৰতিক চুটিগল্পত বিচাৰি পোৱা নাই নেকি?

দ্বিতীয়তে, অসমৰ কেউখন বহুল প্ৰচাৰিত আৰু জনপ্ৰিয় আলোচনীয়েই নতুন গল্প আৰু নতুন গল্পকাৰৰ জন্ম দিয়াৰ প্ৰচেষ্টা নিৰন্তৰ চলাই আহিছে। "গৰীয়সী" আলোচনীৰ উদ্যোগত যোৱা পাঁচ বছৰ ধৰি সদৌ অসম ভিত্তিত চন্দ্ৰপ্ৰসাদ শইকীয়া সোঁৱৰণী গল্প প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে কেৱল নতুন গল্পকাৰৰ সৃষ্টিৰ বাবেই। যোৱা পাঁচটা বছৰত প্ৰথম, দ্বিতীয়, তৃতীয় হিচাপে ১৫ জন নতুন গল্পকাৰক পুৰস্কৃত কৰা হ'ল। ১৫ জন নতুন গল্পকাৰ, সংখ্যাটো কিন্তু একেবাৰে সৰু নহয়। দুৰ্ভাগ্যৰ কথা, যোৱা পাঁচ বছৰৰ সেই পোন্ধৰজন গল্পকাৰৰ সৰহ সংখ্যকৰে দ্বিতীয়তো গল্প আমাৰ চকুত নপৰিল। কিয়? সন্মানীয় মঞ্চ এখনত স্বীকৃত হোৱাৰ পিছতো স্বীকৃত গল্পকাৰে গল্প লিখিব পৰা নাই কিয়? দুই এজনে লিখিছে, দুই এজন সমালোচকে তেওঁলোকৰ গল্প ভাল বুলি মন্তব্যও দিছে, কিন্তু তাৰপিছতো দেখা গৈছে তেওঁলোকৰ গল্পই সাধাৰণ পাঠকক মোহাৱিষ্ট কৰি ৰাখিব পৰা নাই। গল্পকাৰে কাৰ কাৰণে গল্প লিখে? পাঠকৰ বাবে নে সমালোচকৰ বাবে? অসমৰ কেউখন বহুল প্ৰচাৰিত আলোচনীৰ সম্পাদক সকলে প্ৰায়েই তেখেত সকলৰ এটা অসন্তুষ্টি লাভ কৰে — ভাল গল্প এটা প্ৰকাশ কৰিবলৈ পোৱা নাই বুলি। নতুন গল্পকাৰ সকলে নিলিখেই। পুৰণি সকলেই লিখি থাকিব লগীয়া হৈছে। একেখিনি গল্পকাৰৰ গল্পবোৰ একঘেয়ামী আৰু গতানুগতিক ভাৱ মাজতে সীমাবদ্ধ হৈ আছে নেকি? আৰু সেই কাৰণেই পাঠক সমাজ চুটিগল্পৰ পৰা আঁতৰি গৈছে নেকি ?

মুখ্যত এই দুটা দিশৰ ওপৰত ভিত্তি কৰিয়েই সাম্প্ৰতিক অসমীয়া চুটিগল্পৰ গতিপথ সম্পৰ্কে আলোচনা কৰিব লগা হ'ল। আৰু তাৰবাবেই বিগত এটা বছৰ ধৰি "গৰীয়সী", "প্ৰান্তিক", "সাতসৰী", "প্ৰকাশ" (যিহেতু অসমীয়া আলোচনীৰ ধাৰাই অসমীয়া সাহিত্যৰো ধাৰা) এই চাৰিওখন আলোচনীত প্ৰকাশ পোৱা আৰু উৎসৱ উপলক্ষ্যে প্ৰকাশ পোৱা সাহিত্য সম্ভাৰৰ গল্পবোৰত চকু ফুৰোৱা হ'ল। আমাৰ দৃষ্টিত দেখা দিলে কেইটামান পৰিবৰ্তন—

(১) সাম্প্ৰতিক অসমীয়া চুটিগল্পবোৰ একেবাৰে চুটি হ'ল। উৎসৱৰ সাহিত্যৰ আলোচনী সমূহত প্ৰকাশ পোৱা একোখন উপন্যাসৰ দৈৰ্ঘ্য পূৰ্বৰ বৰেণ্য কথাশিল্পী সকলে লিখা একো একোটা গল্পতকৈও চুটি হ'ল আৰু চুটি গল্পবোৰ হ'ল দুই তিনি পৃষ্ঠাৰ। দৈৰ্ঘ্য কম হোৱাৰ বাবেই যে চুটিগল্প এটা বেয়া হ'ব সেই কথা ক'ব বিচৰা নাই। পৃথিৱীৰ কথা বাদেই, অসমৰো কেইবাজনো শক্তিশালী গল্পকাৰৰ কম পৰিসৰত লিখা গল্পই পাঠকক আলোড়িত কৰি ৰাখিছিল আৰু এতিয়া ৰাখি আছে। সেইবুলি সকলো গল্পকাৰৰ গল্পই সেই পৰ্যায়লৈ উঠা নাই। বৰঞ্চ কম পৰিসৰৰ মাজত লিখা গল্পটোৱে কিনো ক'বলৈ গৈছে সেইটোকে অস্পষ্ট হৈ পৰিছে। হয়তো এই অস্পষ্টতাৰ কাৰণে পাঠকে আমনি পায় আজিৰ গল্প পঢ়ি। আকৌ অনাহক বৰ্ণনাৰে ভৰা এটা দীঘল গল্পইও পাঠকক আমনি দিছে। অৰ্থাৎ এটা নিটোল গল্পৰ অভাৱ পাঠকে অনুভৱ কৰা হৈছে।

(২) সাধাৰণ পাঠকে বুজিব পৰা,সাধাৰণ পাঠকৰ হৃদয় আলোড়িত কৰিব পৰা শক্তিশালী বৌদ্ধিক বক্তব্যৰে পুষ্ট সুখপাঠ্য গল্পই এটা ভাল গল্পৰ এটা প্ৰধান চৰ্ত বুলি মই ভাবো। সাম্প্ৰতিক কালৰ গল্পৰ সৰলতা আৰু ঋজুতা হেৰাই যোৱা কাৰণেও গল্পৰ প্ৰতি পাঠকৰ অনীহা আহিছে নেকি? অৱশ্যে কিছুমান জনপ্ৰিয় বা সুখপাঠ্য গল্পই বৌদ্ধিক শূন্যতাৰো জন্ম দিয়ে। আমি সেই গল্পৰ কথা ইয়াত আলোচনা কৰা নাই।

(৩) অসমীয়া ভাষাৰ যি কালিকা, যি মাধুৰ্য্য, সেয়া সাম্পতিক গল্পত হেৰাই গৈছে বুলি বহুতে অভিযোগ কৰে। নতুন গল্পকাৰ সকলৰ গল্পত এই অভিযোগ খুব বেছি।

(৪) ভাল গল্পৰ সৃষ্টিৰ বাবে যেনে ধৰণৰ অধ্যয়নৰ প্ৰয়োজন, যি সাধনা, যি পৰিশ্ৰমৰ প্ৰয়োজন, তাৰ অভাৱ গল্পটোত প্ৰকট হৈ পৰে। এনে দৈন্যতাৰ বাবেই পাঠকে বোধহয় সেই গল্পক আদৰি নোলোৱা হৈছে।

(৫) সম্প্ৰতি আৰু এটা দোষ নতুন গল্পবোৰত দেখিবলৈ পোৱা গৈছে। সেইটো হ'ল সহজ অনুকৰণ। এটা বুদ্ধিদীপ্ত নিটোল কাহিনী সৰল ভাবে, সাৱলীল ভাষাৰে গল্পৰ ৰূপ নিদি, এনেদৰে সহজ অনুকৰণেৰে দুৰ্বোধ্যতাৰে উপস্থাপন কৰে, গল্পৰ যি কাহিনী কোৱাৰ কৌশল সি যেন হেৰাই যায় ক'ৰবাত।

(৬) নতুন গল্পকাৰ সকলৰ আৰু এটা কাৰ্যই গল্পৰ প্ৰতি পাঠকৰ অনীহা আনিছে বুলি ভবাৰ থল আছে। বহু নতুন গল্পকাৰে মান বিশিষ্ট আলোচনীত প্ৰকাশ নোপোৱা বহু গল্প কোনো কাকতৰ দেওবৰীয়া চ'ৰালৈ পঠায় আৰু কিবা কাৰণত (বহুত কাৰণ আছে, সেইবোৰ আলোচনা কৰিলেও নতুন এটা প্ৰবন্ধ হ'ব) সেই গল্পসমূহ সেই কাকত সমূহত প্ৰকাশ পায়। তেতিয়া সেই গল্পকাৰজনে তেওঁৰ গল্পৰ মানদণ্ড বিচাৰ নকৰি উচাত্মিকা মনোভাৱত এটা ধাৰণা লয়। সেইটো হ'ল—তেওঁ ভাল গল্প লিখে, কিন্তু মানবিশিষ্ট আলোচনী সমূহে তেওঁলোকৰ গল্প প্ৰকাশ নকৰেহে। তেনেদৰে কেইটামান গল্প লিখাৰ পিছতে তেওঁ নিজৰ জেপৰ ধন খৰচ কৰি এখন গল্প সংকলন প্ৰকাশ কৰে আৰু সেইখন নিজেই বিক্ৰি কৰি ফুৰে। বাধ্যত পৰি এজন পাঠকে সেইখন ক্ৰয় কৰি পঢ়াৰ পিছত অসমীয়া গল্পৰ তুলুঙা অৱস্থাটো তেওঁৰ দৃষ্টিত প্ৰকট হৈ পৰে আৰু তাৰফলত ভাল গল্পও তেওঁ নপঢ়া হয়।

(৭) সুস্থ সমালোচনাৰ অভাৱেও গল্পক পাঠকৰ ওচৰ চপাই নিব পৰা নাই বুলি ভবাৰ থল আছে। বহু ক্ষেত্ৰত দেখা যায় সমালোচকজনে বা আলোচক জনে কেতিয়াবাই পঢ়া গল্প কেইটামানকে আলোচনা কৰি থাকে। নতুনৰ গল্প একেবাৰে নপঢ়েই। তেওঁলোকে নিজে ভাল পোৱা গল্প কেইটামানকে ভাল গল্প বুলি চাব একোটা মাৰি দিয়ে। সমালোচকে চাব মাৰি দিয়া গল্পই যেতিয়া হৃদয় চুই যাব নোৱাৰে, পঢ়ি আমনি পায়, তেতিয়াই সাধাৰণ পাঠকে গল্পৰ প্ৰতি অনীহা দেখুৱায়।

ইয়াৰ মাজতো গল্পৰ সৃষ্টি হৈ আছে। চাৰিখন বহুল প্ৰচাৰিত আলোচনী, লিটল মেগাজিন, উৎসৱ উপলক্ষ্যে উলিওৱা সাহিত্য সম্ভাৰ সকলো মিলি কেইবাশ অসমীয়া চুটি গল্প প্ৰতি বছৰে প্ৰকাশিত হৈ আছে। কেউখন আলোচনীয়ে নতুন গল্পকাৰৰ সৃষ্টিক বিশেষ লক্ষ্য কৰি লোৱা দেখা গৈছে। "জোনাকী"য়ে চুটি গল্পৰ যি পৰম্পৰা সৃষ্টি কৰিলে, তাৰ পিছৰ আলোচনী সমূহেও অসমীয়া চুটি গল্পৰ ঐতিহ্য বজাই ৰাখিছে। আৱাহনৰ গল্পবোৰ ৰোমান্টিক প্ৰেমক কেন্দ্ৰ কৰি সৃষ্টি হোৱা সমস্যা,আৰ্থিক বৈষম্যই সৃষ্টি কৰা সমস্যা, ইয়াৰ আধাৰতে লিখা হৈছিল। "ৰামধেনু"য়ে অসমীয়া সাহিত্যৰ ভঁৰাল যথেষ্ট শক্তিশালী কৰি গ'ল। দ্বিতীয় মহাযুদ্ধৰ প্ৰভাৱ, মাৰ্ক্সীয় প্ৰভাৱ, মানুহৰ নৈতিক স্খলন, মূল্যবোধৰ পৰিবৰ্তন, এই সমস্যা সমূহক লৈ "ৰামধেনু"ৰ পাতত উন্নতমানৰ গল্প

সৃষ্টি হ'ল। তাৰপিছত অসমীয়া চুটিগল্পৰ বিষয়বস্তুলৈ আহিল ছাত্ৰীয়া অসম আন্দোলন আৰু সমসাময়িক ভাবে এদল যুবকৰ সশস্ত্ৰ আন্দোলন। সন্ত্ৰাসবাদৰ বিপক্ষে বহু সংখ্যক সাৰ্থক অসমীয়া চুটি গল্প সৃষ্টি হৈছে। কল্প বিজ্ঞান, জনজাতীয় জীৱন অথবা জীৱ-জন্তুকেন্দ্ৰীকো বহু গল্পৰ সৃষ্টি হৈছে। সেই দিশৰ পৰা ক'বলৈ গ'লে সাম্প্ৰতিক কালৰ গল্পই বিষয়বস্তুৰ ভিন্নতা আৰু জটিল মনঃস্তত্ত্ব আৰু আত্মাৰ সন্ধানত গতি কৰিছে বুলি ক'ব পাৰি। গভীৰ মননশীলতাৰে জীৱনৰ সমস্যা সমূহ চোৱাৰ প্ৰয়াস চলাইছে। তাৰপিছতো কিন্তু সাম্প্ৰতিক কালৰ গল্পৰ প্ৰতি অভিযোগ সততে উত্থাপন হৈ থাকে—নতুন লেখকৰ গল্পত বক্তৃতাধৰ্মী বৰ্ণনা। গল্প নিৰ্মানৰ কৌশলৰ ব্যাখ্যাত বাধাগ্ৰস্ত হয় গল্পৰ কাহিনীৰ ৰসগ্ৰহণ। বিশেষকৈ আশীৰ দশকৰ পিছত আংগিকৰ ক্ষেত্ৰত অসমীয়া চুটি গল্পত ইমান পৰীক্ষা-নিৰীক্ষা চলিল, কেইজনমান শক্তিশালী লেখকৰ হাতত ই এটা নতুন ধাৰাৰ সূচনা কৰিলে হয়, কিছু চমক সৃষ্টি কৰিলে হয়, কিন্তু কিছুমান গল্পই হেৰুৱাই পেলালে গল্পৰ স্বকীয় মাধুৰ্য।

শেষত কওঁ, প্ৰতি বছৰে শ ৰো অধিক গল্প সৃষ্টি হৈছে অসমীয়া সাহিত্যত। কিন্তু সাধাৰণ পাঠকে বুজিব পৰা,সাধাৰণ পাঠকৰ হৃদয় আলোড়িত কৰিব পৰা শক্তিশালী বৌদ্ধিক বক্তব্যৰে পুষ্ট সুখপাঠ্য গল্পৰ অবিৰত সৃষ্টিয়েহে অসমীয়া গল্পক পাঠক সমাজৰ ওচৰ চপাই নিব।

◆

# ‘অৰুনোদই’ৰ পোহৰত উত্তৰপাৰ ঃ এক দৃষ্টিপাত

✍ ডিম্বেশ্বৰ গগৈ

অৰুনোদই সম্বাদপত্র অসমীয়া ভাষাৰ প্ৰথম বাতৰি কাকত আৰু প্ৰথম আলোচনীও। খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ বাবে আমেৰিকান বেপ্তিষ্ট মিছনেৰীসকলৰ দ্বাৰা শিৱসাগৰ মিচন প্ৰেছৰ পৰা প্ৰকাশিত হৈছিল। ডাঙৰ চাৰিপিঠিয়া সম্বাদপত্ৰখন আৰু দীঘে ১২ আঙুল আৰু পথালিয়ে ৭ আঙুল জোখৰ ১৬ পিঠিৰে মেগজিন আকাৰৰ অৰুণোদই জ্ঞান ভাণ্ডাৰ ৰূপত প্ৰকাশিত হৈছিল। কাকতখন মাহেকীয়া আছিল। বাৰ্ষিক বৰঙণি আগতীয়াকৈ দিলে ১ টকা আৰু বছৰৰ শেষত দিলে ডেৰ টকা। অৱশ্যে ১৮৫৫ চনৰ পৰা ডাঙৰ আকাৰৰ কাকতখন উলিওৱা বন্ধ হৈছিল।

অৰুনোদইৰ প্ৰথম নটা বছৰৰ সম্পাদক আছিল বহুভাষাবিদ ড° নাথান ব্ৰাউন। ১৮৪৬ চনৰ পৰা ১৮৫৪ চনলৈকে তেওঁৰ সম্পাদনাতে প্ৰকাশিত হৈছিল। সেই ন বছৰৰ একত্ৰ সংকলন ড° মহেশ্বৰ নেওগৰ দ্বাৰা পুনঃসম্পাদিত হৈ অসম প্ৰকাশন পৰিষদে ১৯৮৩ চনত প্ৰকাশ কৰি উলিয়াইছে। খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ আদৰ্শ আগত ৰাখি কাকতখন প্ৰকাশ কৰিছিল যদিও মিছনেৰীসকলে অসমৰ সমাজ, সংস্কৃতি, ধৰ্মীয়, বৌৰঞ্জিক, ভাষা চৰ্চা সম্পৰ্কীয় আলোচনাৰ উপৰিও দেশ বিদেশৰ আৰু স্থানীয় বা-বাতৰি পৰিৱেশন কৰিছিল। ভূগোল, বিভিন্ন দেশ বিদেশৰ খাদ্যাভাস, সাজ-পাৰ, সাধাৰণ জ্ঞান-বিজ্ঞানৰ দ্বাৰাও পঢ়ুৱৈসকলক সমৃদ্ধ কৰিবলৈ প্ৰয়াস কৰিছিল। সঁচাকৈ অসমীয়া ভাষা পুনৰ্জীৱিত কৰাত, প্ৰচাৰ আৰু প্ৰসাৰত তেওঁলোকৰ বৰঙণি শ্ৰদ্ধাৰে সোঁৱৰিবলগীয়া।

আমাৰ আলোচিত বিষয়টো হৈছে- অসমৰ প্ৰথমখন বাতৰি কাকতত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ বৰ্তমান লখিমপুৰ-ধেমাজি জিলাৰ কি কি তথ্য বা বা-বাতৰি সন্নিবিষ্ট ঘটিছিল। অসমৰ ভিতৰত শিৱসাগৰ জিলাৰ স্থানীয় বাতৰিয়েই বেছি আছিল। তেনেকৈ ভাৰতবৰ্ষৰ ভিতৰত কলিকতাৰ (আজিকালি কলকাতা) বৰ্ণনাই অধিক। নক'লেও হ'ব মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণত উত্তৰপৰীয়া এই অঞ্চলটোৱেই আটাইতকৈ জুৰুলা হৈ পৰিছিল। জনবসতি গুচি এৰাবাৰী হৈছিল। বৃটিছ আগমনৰ লগে লগেহে অ'ত ত'ত দুই এঘৰকৈ মানুহবোৰ সংস্থাপিত হৈছিল। লখিমপুৰ জিলাৰ এখন ঠাইৰ নামৰ লগত মিল থকা বাতৰি এটা প্ৰকাশিত হৈছিল অৰুনোদইৰ ১৮৪৮ চনৰ চেপ্তেম্বৰ সংখ্যাত। ঠাইখনৰ নাম নাৰায়ণপুৰ। হত্যা-লুণ্ঠনৰ এটা লোমহৰ্ষক বাতৰি। বৰ্ণনা এনেধৰণৰ- ‘নাৰায়নপুৰত ১৪ আগষ্ট তাৰিখত কালি মোহন মুকুৰজি নামে ডাৰোগাৰ ঘৰত ২৫ ডকাইত ৰাতি আহি সোমাই ধন ক'ত আছে বুলি সোধাত নো কোৱা হেতুকে দাৰোগাৰ গাত জোঁৰেৰে জুই দিলে আৰু তেওঁৰ মূৰত জাঠিএৰে খুচি, হাত কুঠাৰেৰে টঙনিয়াই মূৰ্চিত কৰিলে। পাচে ঘৰ

লুট কৰি জুই দি পুৰিলে। দৰোগা ১০ ঘণ্টামান থাকি মৰিল।'

সংবাদটি লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ হয়নে নে নহয় সঠিককৈ ক'ব নোৱাৰি। নিহত দাৰোগাজনৰ নামটোৰ পৰা অনুমান কৰিব পাৰি তেওঁ হয় বাঙালী সম্প্ৰদায়ৰ, নহয় হিন্দুস্থানী লোক। কিছু সংখ্যক বাঙালী-হিন্দুস্থানী লোক ইষ্ট ইণ্ডিয়া কোম্পানীৰ আমোলত চিৰস্তাদাৰ, মৌজাদাৰ আৰু দাৰোগা আদি বিষয়ত মকৰল হৈছিল। কিন্তু বাতৰিটো পৰিবেশন ৰীতিৰ লগত মিলাই চালে আমাৰ লখিমপুৰ জিলাৰ নহয় বুলি সন্দেহ হয়। কাৰণ অৰুনোদইৰ অনেক দেসৰ সম্বাদ শিৰোনামত যিবোৰ খণ্ডীয়া খুচৰীয়া খবৰ-বাতৰি পৰিবেশন কৰিছিল তাৰ প্ৰথম অংশত স্থানীয় বাতৰি, তাৰ পিছত ভাৰতবৰ্ষৰ বাতৰি আৰু তাৰ পিছতহে বিদেশৰ বাতৰি পৰিবেশন কৰা হৈছিল। উল্লিখিত নাৰায়ণপুৰৰ বাতৰিটো স্থানীয় বাতৰিৰ কাষত নাই; আছে ভাৰতবৰ্ষ আৰু বিদেশৰ বাতৰিৰ মাজত। ওপৰত স্থান পোৱা বাতৰিটো পাবনা গাঁৱৰ ওচৰত থকা জমিদাৰীৰ দুজনী তিৰোতাই কাষত থকা নীলকুঠিৰ এজন বৃটিছ চাহাবৰ লগত ভূমি সম্পৰ্কীয় কাজিয়াত লিপ্ত হৈ এহেজাৰমান মানুহ গোটাই চাহাবৰ ঘৰত লুটপাত কৰাৰ কথা বৰ্ণিত হৈছে। পাবনা তাহানিৰ অবিভক্ত বংগদেশৰ আৰু বৰ্তমান বাংলাদেশৰ উত্তৰ পশ্চিম অংশৰ এখন ঠাই। এতিয়া এখন জিলাৰ নাম। অসমৰ পশ্চিমফালে বংগ, বিহাৰ, উত্তৰ প্ৰদেশ আদি ৰাজ্যত ভালেমান ঠাইৰ নাম নাৰায়ণপুৰ। আজিকালি সত্তীছগড় ৰাজ্যৰ এখন জিলাৰ নাম নাৰায়ণপুৰ। পশ্চিমবংগৰ বীৰভূম জিলা, জলপাইগুৰি, মালদাতো নাৰায়ণপুৰ নামৰ ঠাই আছে। উত্তৰ প্ৰদেশৰ মীৰ্জাপুৰত নাৰায়ণপুৰ নামৰ এখন চহৰ আছে। অৰুনোদইত বৰ্ণিত নাৰায়ণপুৰ বংগদেশৰ হ'ব পাৰে। অৰুনোদইত লখিমপুৰ জিলাৰ অন্তৰ্গত দুখন ঠাইৰ নাম প্ৰথম উল্লেখ পাওঁ-'আ'ৰ (আনন্দৰাম ঢেকিয়াল ফুকন) দ্বাৰা লিখিত আবৰ, বৰ আবৰ, মিৰি আৰু ডফলাৰ বিবৰণ শীৰ্ষক লেখাত। প্ৰবন্ধটো প্ৰকাশিত হৈছিল ১৮৪৮ চনৰ নবেম্বৰ সংখ্যাত। তেতিয়া সৰহ সংখ্যক লেখকেই সম্পূৰ্ণ নাম নিদি সংক্ষিপ্ত নাম বা ছদ্মনাম ব্যৱহাৰ কৰিছিল। আনন্দৰাম ঢেকিয়াল ফুকনে সম্পূৰ্ণ নাম নিলিখি লেখাৰ শেষত 'আ' হে দিছিল।

জনগোষ্ঠীয় পৰিচয়জ্ঞাপক লেখাটোত মিৰি (মিচিং) সকলৰ আদিম ঠাই সম্পৰ্কে লিখোঁতে এনেদৰে লিখিছিল- লখিমপুৰ আৰু বাচকটাৰ উত্তৰে জি সৰু সৰু পৰ্বত বিলাক আচে সেয়েই মিৰিহঁতৰ আদি ঠাই বুলি কই, আৰু তাৰে পৰা ভয়ামত আহি লাহে লাহে বহিচে। ১৮৩২ চনৰ জানুৱাৰী মাহত ইষ্ট ইণ্ডিয়া কোম্পানীৰ এজন এজেন্ট হিচাপে উজনি অসমৰ বৰ্তমান লখিমপুৰ জিলাৰ পশ্চিম অঞ্চলত ভ্ৰমণ কৰা কেপ্তেইন জেনকিন্সৰ ডায়েৰীৰ পৰা জানিব পৰা হৈছে, বাচকটা নামৰ ঠাইখন বৰ্তমান উত্তৰ লখিমপুৰৰ কাষৰীয়া উত্তৰ পশ্চিম দিশৰ মৰনৈ আৰু হেলচী বা ৰঙানৈৰ মাজৰ ঠাই। পাহাৰীয়া ডফলাসকলৰ (বৰ্তমান নিচিসকল) নামনিত থকা, আহোম ৰাজ্যৰ ভিতৰুৱা। বাচকটীয়া বৰবৰুৱাৰ তত্বাৱধানত আছিল। ডফলাসকলে ভৈয়ামত অত্যাচাৰ লুণ্ঠন কৰাৰ কাৰণে ৰজাই তেওঁলোকক বৰাবৰ কাৰণে ভালেমান বহতীয়া গাঁও বহুৱাইছিল বুলি জনা যায়। আচলতে ডফলাৰ সীমাৰ পৰা লখিমপুৰলৈকে গোটেই ভূখণ্ড বুজাবলৈ লখিমপুৰ-বাচকটা এই ঐতিহ্যৰ অন্বেষণ। ঢকুৱাখনা যুৰীয়া শব্দ ব্যৱহাৰ কৰিছিল। কোম্পানীৰ আমোলত ৰাজহৰ নিমিত্তে বাচকটা আৰু লখিমপুৰ দুটা মৌজা সৃষ্টি কৰা হৈছিল। আনন্দৰাম ঢেকিয়াল ফুকনৰ নৃ-গোষ্ঠীয় পৰিচয়সূচক প্ৰবন্ধটোত (বৰ্তমান মিচিং) সকলৰ পূৰ্ব বাসস্থান লখিমপুৰ-বাচকটাৰ উত্তৰৰ পাহাৰ অঞ্চল বুলি অনুমানহে কৰিছে। সেই অনুমান শুদ্ধ নাছিল। আনকি উইলিয়াম ৰবিঞ্চনেও Descrip-

tive Account of Assam গ্ৰন্থত মিৰিসকল বাচকটা আৰু লখিমপুৰৰ উত্তৰফালে অনুচ্চ পাহাৰ আৰু ভৈয়ামত বাস কৰা বুলি লিখি গৈছে। সেই সময়ত অসম তথা অৰুণাচলৰ জনগোষ্ঠীসকলৰ বিষয়ে বিশদ অধ্যয়ন হোৱা নাছিল। আধুনিক গৱেষকসকলে দেখুৱাইছে আচলতে মিৰি (মিচিং) সকল অৰুণাচলৰ চিয়াং আৰু দিবাং উপত্যকাৰ আবৰ পৰ্বতৰ পৰাহে ভৈয়ামলৈ প্ৰবজন ঘটিছিল।

লখিমপুৰ-ধেমাজি জিলা তথা উত্তৰ পাৰৰ পৰা সন্দেহাতীত ভাৱে যি প্ৰথমটো বাতৰিয়ে অৰুণোদইৰ পৃষ্ঠা শুৱনি কৰিছিল সেইটো ঢকুৱাখনাৰ বাতৰি। ১৮৪৯ চনৰ মাৰ্চ মাহৰ সংখ্যাৰ প্ৰথম পৃষ্ঠাত অনেক দেসৰ সম্বাদ শিতানত তিনিটা অসম ৰাজ্যৰ বাতৰি পৰিবেশন কৰাৰ পিছতেই ঢকুৱাখনাৰ বাতৰিটিয়ে ঠাই পাইছে। বাতৰিটো এনেধৰণে পৰিৱেশন কৰিছে— ঢকুৱাখনাৰ পৰা এজন মানুহে অৰুণোদইত চাপিবলৈ এই কথা লিখি পঠাইচে বোলে, জোআ বচৰৰ ২১ আগষ্ট মাহৰ ঢকুৱাখনা মৌজাৰ বালিগাঁৱত ৰাতি এজনি মাইকিএ বাজলৈ জাওঁতে বাঘে নিলে; কিন্তু তাইৰ লগত জোআ এজনি চোআলিএ এন্ধাৰৰ কাৰনে বাঘে নিচে বুলি নে জানিলে, তেও কিহবাই নিলে বুলি আঁটকাল পাই ঘৰত আহি কলে; তাতে ঘৰৰ মানুহে মাইকিজনিক বিচাৰি তাইৰ গাৰ ৰিহাখন তেজে সৈতে পৰি থকা দেখি, কান্দি, ওচৰৰ মানুহক মাতিলত অনেক মানুহ আহি বাঘে নিয়া মানুহজনি বিচাৰি পাই, কথা বাত্ৰা হওঁতেই, বাঘে আৰু এটাৰ ঘৰত সোমাই গোহালিৰ গৰু এজনি মাৰিলে, তাৰ পৰা আৰু কিছু দিনৰ পাচত এটা মগনিয়াৰে মুকলি ঘৰত সুই থাকোঁতে তাকো সেই বাঘেই খালে। আৰু তাৰ ৮ দিন মানৰ মুৰত আৰু এঘৰৰ ঢেঁউৰি মহ এজনি জাকৰ পৰা নিলে। এই সকলো কথা দেখি চাৰি পাঁচজন মানুহে গোটখাই সেই বাঘটো কঁৰিয়াই মৰালোঁ; কিন্তু সেই দিনাৰ পৰা বৰকৈ বৰখুন হোআত মৰা বাঘক বিচাৰিব নোআৰাত কতুবাত পৰি মৰিল; সেই নিমিতে বাঘ মৰা কাঁৰিক কম্পানি বাহাদুৰে তাৰ বেচ নিদিলে; কিন্তু আমি দুই তিনিজনে গোটখাই তাক ধন অলপমান দিলোঁ। 'অৰুনোদই'ৰ সম্পাদনা বিভাগে নক্সা কটা লোকৰ সহায়েৰে এটা দুৰ্দান্ত বাঘে এজনী তিৰোতাক ধৰাশায়ী কৰি ডিঙিত কামুৰি থকা শিহৰণকাৰী ছবি অংকন কৰাইছে। তলত লিখিছে- বাঘে কামুৰি থকা মানুহৰ নকচা ওপৰে পহ্য সাৰিত আছে। নিঃসন্দেহে এইটোৱেই উত্তৰ পাৰৰ এই জিলা দুখনৰ ভিতৰত প্ৰথম সংবাদ। সংবাদটোৰ প্ৰেৰকৰ নাম উল্লেখ নাই। এইটো বাতৰিয়ে পৰা 'গোস্পদে নভোমণ্ডল' দেখাৰ দৰে তৎকালীন ঢকুৱাখনা অঞ্চলৰ কেইবাটাও দিশ উন্মোচিত কৰিছে। প্ৰশ্ন হয় ঢকুৱাখনাৰ পৰা কোনে এই হৃদয় বিদাৰক বাৰ্তাটি প্ৰেৰণ কৰিছিল? তদুপৰি বাতৰি কাকত আলোচনীৰ লগত সম্পৰ্ক থকা মানুহনো কিমানজন আছিল? লিখা-পঢ়া জনাই বা কিমান আছিল? যোৱা ২০১০ চনত লখিমপুৰ জিলাৰ সাংবাদিক সংস্থাৰ প্ৰথম দ্বি-বাৰ্ষিক অধিবেশন ঢকুৱাখনাত অনুষ্ঠিত হৈছিল। সেই উপলক্ষ্যত আয়োজক সমিতি ঢকুৱাখনা প্ৰেছ গীল্ডৰ দ্বাৰা প্ৰকাশিত স্মৃতিগ্ৰন্থ 'জটায়ু'ত এই টোকা লেখকেই বিষয়টোৰ সন্দৰ্ভত সম্পাদকীয় লেখাটোত কিছু উপস্থাপন কৰিছিলোঁ। তাৰ কিয়দংশ এনে ধৰণৰ- এই লেখকে বহু বছৰৰ আগতে লিখা এটা প্ৰবন্ধত সংবাদ প্ৰেৰকজন বৃটিছ চাহাব নে নেটিভ এই বিষয়ে সন্দিহান হৈছিলোঁ। ঘটনাত বৰ্ণিত ঢকুৱাখনা মৌজাৰ বালিগাঁৱৰ তিৰোতা গৰাকীনো বৰ্তমান বালিগাঁৱত বাস কৰা কোনটো পৰিয়ালৰ আছিল? বাঘে নিয়াৰ পিছত তেওঁক জীৱিত নে মৃত অৱস্থাত পাইছিল? গাৰ ৰিহাখন তেজেৰে সৈতে পৰি থকাৰ পৰা অনুমান হয়, তেওঁক জীৱিত অৱস্থাত পোৱা নাছিল। মগনিয়াৰজন দেহি? গৰু-ম'হৰো একে গতি হ'ল। বাতৰিটোত প্ৰচ্ছন্ন হৈ আছে ঢকুৱাখনাৰ এৰি অহা সমাজ জীৱন,

যাতায়াত, যোগাযোগ ব্যৱস্থা। গো মহিষ আৰু তিৰিৰুধী সেই দৌৰাত্ম্যকাৰী বাঘটোক বন্দুকেৰে মৰা নাই, মৰাইছে পৰম্পৰাগত অস্ত্ৰ ধনু-কাঁড়েৰে। তাতোকৈ মন কৰিবলগীয়া কথাটো হ'ল- বাতৰিটো প্ৰকাশ হৈছে ঘটনাটো হোৱাৰ প্ৰায় সাত মাহৰ পিছত। বাতৰিটোত সংবাদদাতাজনৰ এক কৰ্তৃত্বসুলভ সুৰ ব্যক্তিত হৈ আছে। তেওঁ নিজে উদ্যোগ লৈ পেছাদাৰী কাঁড়ীৰ হতুৱাই মৰাইছে। কোম্পানী বাহাদুৰ ওৰফে বৃটিছ শাসকৰ প্ৰতিও এটা খোঁচ মাৰিছে। বৰষুণ বেছি হোৱাৰ কাৰণে বন-জংঘলৰ মাজৰ পৰা মৃত বাঘটোক দেখুৱাব নোৱৰাত বাঘ মৰা কাঁড়ীক কম্পানি বাহাদুৰে বেচ নিদিলে যদিও সমাজৰ প্ৰতি দায়িত্বশীল লোকজনে কেইজনমান লোকক গোট খুৱাই চান্দা তুলি কাঁড়ীক অলপ ধন দিলে। গতিকে এনে এজন সংবাদদাতা বৃটিছ চাহাব হ'বই নোৱাৰে। তেতিয়াৰ দিনতেই লিখিব পৰা, অৰুনোদই সম্বাদ পত্ৰৰ লগত চিনাকি থকা সেইজননো কোন দায়িত্বশীল নেটিভ হ'ব পাৰে? আমাৰ বদ্ধমূল ধাৰণা প্ৰবাদ প্ৰতীম পুৰুষজন- সেই সময়ৰ ঢকুৱাখনা মৌজাৰ প্ৰথম মৌজাদাৰ চাৰু চন্দ্ৰ গগৈৰ বাহিৰে আন কোনো হ'ব নোৱাৰে। আহোম ৰাজত্বত বিষয়-বাব খোৱা, ৰেমত দৈয়ঙীয়া চাওৰক বংশৰ চাৰু চন্দ্ৰ গগৈয়ে গোলাঘাটৰ কাকডোঙা মৌজাৰ হাঁহপানী গাঁৱৰ পৰা সপৰিয়ালে উত্তৰ পাৰৰ ঢকুৱাখনালৈ উঠি আহি বৃটিছ আমোলৰ প্ৰথম কালছোৱাতে ঢকুৱাখনা মৌজাৰ মৌজাদাৰ বিষয় লাভ কৰে।

পাঠকসকলক জনাব বিচাৰো- ঢকুৱাখনাৰে নহয় অবিভক্ত লখিমপুৰ জিলাৰ প্ৰথম গ্ৰেজুৱেট কণক চন্দ্ৰ গগৈৰ পিতৃ হৈছে চাৰু চন্দ্ৰ গগৈ। কবি-নাট্যকাৰ গণেশ চন্দ্ৰ গগৈ কনক চন্দ্ৰ গগৈৰ জ্যেষ্ঠ পুত্ৰ। চাৰু চন্দ্ৰ গগৈৰ পূৰ্বপুৰুষ সকলক চাউৰক আৰু লিকচন অৰ্থাৎ শিক্ষক ৰূপেও জনা যায়। গতিকে লেখা-পঢ়াৰ পৰম্পৰা পূৰ্বৰে পৰা চাৰু চন্দ্ৰৰ তেজত আছিল। মিলছৰ 'ৰিপৰ্ট অন দ্য প্ৰভিন্স অব আছাম'ত উল্লেখ আছে ১৮৪৮-৫১ সময়ছোৱাত চাৰু চন্দ্ৰ মৌজাদাৰৰ অধীনত ১৪ খন গাঁও আছিল। মুঠ জনসংখ্যা ৩১২৭। বাতৰিত বৰ্ণিত বালিগাঁওখনো তেওঁৰ মৌজাৰ অন্তৰ্গত আছিল। চাৰু চন্দ্ৰ গগৈ আধুনিক ঢকুৱাখনা নিৰ্মাণৰ আদিপুৰুষ। তেওঁৰ নেতৃত্বতেই ১৮৫২-৫৩ চনত ঢকুৱাখনা স্কুল স্থাপিত হৈছিল। ঢকুৱাখনাৰ প্ৰথমজন বাতৰি যোগানিয়াৰ বা সাংবাদিকো। উল্লেখযোগ্য যে আমাৰ বিশ্লেষণত পতিয়ন গৈ গুণীজনক সন্মান দিবলৈ সদা তৎপৰ লখিমপুৰ জিলা সাংবাদিক সংস্থাই চাৰু চন্দ্ৰ গগৈক জিলাখনৰ প্ৰথমজন সাংবাদিক বুলি স্বীকৃতি দিছে।

১৮৫০ চনৰ জানুৱাৰী সংখ্যাত লখিমপুৰৰ আন এটা বাতৰি ছপা হৈছিল। তাত লিখিছে- লখিমপুৰ জিলাৰ শ্ৰীযুত ডক্তৰ কেম্বেল চাহাবৰ সৰু জিএক এজনি চাহাব মেম চাহাব বাজত কিবা কৰি থাকোঁতে ভিতৰত জুয়ে পুৰি মাৰিলে। ডক্তৰ কেম্বেল চাহাবৰ বিষয়ে সবিশেষ নাজানিলেও তেওঁ যে জিলাখনত চিকিৎসক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল সেইটো কথা জানিব পাৰি। উক্ত বাতৰিৰ ডেৰ বছৰৰ পিছত ১৮৫১, জুলাই সংখ্যাতো আন এটা মৰ্মন্তুদ ঘটনাৰ বাতৰি প্ৰকাশিত হৈছিল। সেইটো বাতৰি লখিমপুৰৰ পৰা কোনো লোকে চিঠি লিখি জনাইছিল। সেই গৰাকী লোকো সমাজ সচেতক আৰু শিক্ষিত লোক আছিল বুলি ক'ব পাৰি। 'লখিমপুৰৰ পৰা এই কথা পত্ৰত লিখিচে এই বছৰৰ জেঠ মাহত বাটো গাঁৱৰ এটা মানুহে ধান নিৰাবলৈ জাওঁতে বাটত এটা বনৰিয়া মহে কৰঙ্গনে খোঁচ মাৰি তপিলালৈকে মঙ্গহ ডোখৰ ওভোটাই পেলালে আৰু সিটো ভৰিৰ গোৰোআই দি সিঙ্গ সুমাই আঁঠুলৈকে মঙহ ডোখৰ সিঙ্গতে নিলে। মুৰৰ পোনে ২/৩ খোঁচ মাৰিলে, গালে দি সিঙ্গ মাৰি মুখে উলিয়ালে; পাচে দুদিনৰ মূৰত মৰিল। সেই মহটো জিলাৰ শ্ৰীযুত হলৰইদ চাহাবে গুলিয়াই মাৰিলে। ঘটনাত বৰ্ণিত হলৰইদ

চাহাবে শিৱসাগৰ জিলাতো কাৰ্যনিৰ্বাহ কৰিছিল। বিহুগীতত তেওঁক 'হালকন চাহাব' বুলি উল্লেখ পোৱা যায়। নগাৰ চাঙে চাঙে ফুৰিলি হালকন, নগাৰ কচু টেপু খাই। সম্পূৰ্ণ নাম কেপ্টেইন চি হলৰইদ। ঘটনাটো সংঘটিত হোৱা কেইবা মাহৰ পিছতহে কাকতখনত প্ৰকাশিত হৈছে। বৰ্তমান ধেমাজি জিলাৰ আন এখন প্ৰধান ঠাই মাছখোৱা। গুৱাহাটীতো মাছখোৱা নামৰ এটা অঞ্চল আছে। ১৮৫২ চনৰ নবেম্বৰ সংখ্যাত মাছখোৱাৰ এটা বাতৰি প্ৰকাশিত হৈছিল। নবেম্বৰ মাহৰ ১ তাৰিখত মাচখোআ মৌজাৰ গৰিয়া এঘৰত এটা কুকুৰা চৰাইৰ পোআলি জগিল; সেই পোআলিৰ মূৰ দুটা, এটা গা, ভেউকা দুখন, ভৰি দুখন, চকু চাইটা; এনে আচৰিত ৰূপে জগি এবেলা মান থাকি মৰি গ'ল।' পৃঃ ৮৬৩ বাতৰিটো পঢ়ি ধাৰণা হয় এইটো ধেমাজি জিলাৰ মাছখোৱাৰ নহয়। এই ঠাইত গৰীয়াসকলৰ বসতিৰ কথা জনা নাযায়। তদুপৰি এই বাতৰিৰ লগত সংলগ্ন তলে ওপৰে দুয়োটা গুৱাহাটীৰ বাতৰি। গতিকে গুৱাহাটীৰ মাছখোৱাৰ বুলি ঠাৱৰ কৰিব পাৰি। ১৮৫৩ চনৰ ফেব্ৰুৱাৰী মাহৰ সংখ্যাত দয়াৰাম চেটিয়া নামৰ এজন অসমীয়া কবিয়ে চাপাখানাৰ বিবৰন নামৰ এটি পদ্য লিখিছিল। পদ্যটোৰ শেষত পুৰণি কবিসকলে দিয়াৰ দৰে সামান্য আত্মপৰিচয় দিছিল।

মোৰ জানা নিজ গ্ৰাম উত্তৰ পাৰত, জন্ম ধৰি আচো, মই আহোম কুলত। উত্তৰ পাৰৰ পৰা শিৱসাগৰলৈ গৈ ছপাশাল দেখি আশ্চৰ্য-চকিত হৈ বিৱৰণ দিয়া কবিজন উত্তৰ পাৰৰ যদিও লখিমপুৰ জিলাৰ নহয়। সাহিত্যৰ বুৰঞ্জীকাৰসকলে কয়- তেওঁ বৰ্তমান শোণিতপুৰ জিলাৰ পূৰ্ব অংশৰহে লোক আছিল। অৰুনোদইৰ জুন ১৮৫৪ চনৰ সংখ্যাত কাকত-আলোচনীখনৰ আৰম্ভণিৰে পৰা ১৮৫৪ চনলৈকে এই নবছৰৰ অৰুণোদইৰ গ্ৰাহকসকলৰ সংখ্যা জিলা অনুসৰি প্ৰকাশ কৰিছিল। লখিমপুৰ জিলাৰ বিদেশী চাহাব গ্ৰাহকৰ সংখ্যা ১৮৪৬ চনৰ পৰা ১৮৫১ চনলৈকে ৫ জনকৈ আৰু ১৮৫২ চনৰ পৰা ১৮৫৪ লৈকে সেই সংখ্যা কমি গৈ ২ জনকৈহে থাকিল। ইফালে দেসী (দেশীয়) গ্ৰাহক ১৮৪৬ চনৰ পৰা ১৮৪৭ এই দুবছৰ ২৩ জনকৈ আছিল। তেতিয়া যোৰহাট আৰু গোৱালপাৰা জিলাৰ স্থানীয় গ্ৰাহক ১ জনকৈহে আছিল। কিন্তু ১৮৪৮ চনৰ পৰা ১৮৫৪ চনলৈকে লখিমপুৰ জিলাৰ গ্ৰাহকৰ সংখ্যা শূন্য দেখুৱাইছে? ইয়াৰ কাৰণ কি জানিব পৰা নাই। তেতিয়া কাকতখনৰ বাৰ্ষিক মূল্য আছিল ১ টকা। ১৮৫৪ চনৰ জুলাই সংখ্যাৰ পৰা প্ৰথমে বিদেশৰ সংবাদবোৰ দিয়াৰ পিছতহে স্থানীয় সংবাদ দিয়াৰ নিয়ম কৰে।১৮৫৪ চনৰ ডিচেম্বৰ সংখ্যাত অৰুনোদইৰ ১৮৫৫ চনৰ অগ্ৰিম গ্ৰাহক ভুক্তিৰ বাবে ১ টকীয়া বাৰ্ষিক বৰঙণি দিওঁতাসকলৰ এখন তালিকা প্ৰকাশ কৰিছিল। সেই তালিকাত কেইবাজনো লখিমপুৰীয়া গ্ৰাহকৰ নাম-ঠিকনা মুদ্ৰিত হৈছে। সেইসকলৰ ভিতৰত হাবিৰাম মজুমদাৰ বৰুআ, সদৰ আমিন; কেসিৰাম বৰুআ, পেস্কাৰ; জিউৰাম শৰ্মা, পেস্কাৰ; সেখ পঞ্চম আলি ওৰফে পদেস্বৰ মহৰি; ভকতৰাম দাৰোগা ইত্যাদি।

অৰুনোদইৰ তৎকালীন উত্তৰপৰীয়া গ্ৰাহক, সংবাদদাতা, পঢ়ুৱৈসকল আধুনিক শিক্ষাৰ বাটকটীয়া আৰু আমাৰ শ্ৰদ্ধেয়। সেইসকলৰ বিষয়ে বিস্তৃত গৱেষণা হোৱা উচিত। ◆

(পূৰ্বে প্ৰকাশিত)

**তথ্যৰ উৎসঃ**

১মহেশ্বৰ নেওগ (সম্পাদিত): অৰুনোদই, অসম প্ৰকাশন পৰিষদ,
চেপ্তেম্বৰ ২০০৮
২ এ.জে. মফট মিলছঃ অসম প্ৰদেশৰ প্ৰতিবেদন। Publication Board, অসম।
৩ ডিম্বেশ্বৰ গগৈ (সম্পাদিত)ঃ জটায়ু, স্মৰণিকা, লখিমপুৰ জিলা সাংবাদিক সংস্থা, প্ৰথম দ্বিবাৰ্ষিক অধিবেশন, এপ্ৰিল ২০১০

* ধেনুখনা বালক উচ্চ মাধ্যমিক আৰু মধ্য ইংৰাজী বিদ্যালয়ৰ সোণালী জয়ন্তীৰ (জানুৱাৰী ২০১৫) স্মাৰক গ্ৰন্থ সোণালী সুবাসত প্ৰকাশিত।

# খুলীয়া ভাওনা ঃ দৰঙী লোকসংস্কৃতিৰ এক অনিন্দকান্তি সুৰাগমণি

অশ্বিনী কলিতা
ৰেচম অধীক্ষক, ঢকুৱাখনা

লোকনাট্যক সূত্ৰায়িত কৰা অতিশয় দুৰূহ যদিও স্থানীয় পৰিচয় আৰু থলুৱা কৃষ্টি-সংস্কৃতিৰ আৱেশেৰে সংপৃক্ত নৃত্য, সংগীত আৰু সংলাপৰ সংমিশ্ৰত পৰিৱেশ্য কলাকেই লোকসংস্কৃতিবিদ সকলে মোটা মুটি ভাবে লোকনাট্য বুলি অভিহিত কৰিছে। অইন অইন পৰিৱেশ্য কলাৰ দৰে লোকনাট্যৰ ইতিহাসো অতি সু-প্ৰাচীন। আদিম মানব সমাজে প্ৰকৃতিক জয় কৰাৰ অৰ্থে জীৱন সংগ্ৰামৰ অংশস্বৰূপে কৰা ক্ৰীয়া-কৰ্ম সমূহত যিদৰে নাচ-গান, চিত্ৰ-কলা আদিৰ অংকুৰ নিহিত হৈ আছিল, ঠিক সেইদৰেই লোকনাট্যৰ অংকুৰো নিহিত হৈ আছিল। গবেষক ড° প্ৰফুল্ল দত্ত গোস্বামীয়েও তেখেতৰ 'Assamese Drama' নামৰ গ্ৰন্থখনিত বিভিন্ন জনজাতিৰ লোক-নৃত্য সমূহত নাটকৰ উপাদান লুকাই থকাৰ কথা উল্লেখ কৰিছে।

ভৰত মুণিৰ 'নাট্য শাস্ত্ৰ'ৰ যোগেদি নাটক আৰু নাট্যকলাই সংহত আৰু সুত্ৰায়িত ৰূপ লাভকৰাৰ আগলৈকে বিভিন্ন ৰূপৰ লোকনাট্যই আছিল নাট্যচৰ্চাৰ মুখ্যজ্যোতি। পৰৱৰ্তী সময়ত লোকনাট্যৰ শিথিল ৰূপটোক ক্ৰমশঃ স্তিমিত কৰি কঠোৰ বান্ধোন আৰু স্বকীয় শৈলিৰে সমৃদ্ধ অনেক সংস্কৃত নাটকৰ জন্ম হৈছিল সঁচা, সংস্কৃত ভাষাত ৰচিত হোৱাৰ বাবেই উচ্চ সাহিত্য মৰ্যদাসম্পন্ন হোৱা সত্বেও এই নাটক সমূহে কিন্তু লোক- জীৱনৰ হিয়াৰ আমঠু চুবলৈ সক্ষম হোৱা নাছিল। ইয়াৰ কাৰণ আছিল ভাষাগত ব্যৱধান। সংস্কৃত আছিল লোক জীৱনৰ বাবে দুৰ্বোধ্য ভাষা। নাট্যচৰ্চাৰ এক সংহত আৰু সুত্ৰায়িত বৌদ্ধিক বুনিয়াদ গঢ়ি উঠাৰ পিচতো ভাষিক দুৰ্বোধ্যতা আৰু কঠোৰ বান্ধোনে সৃষ্টি কৰা যুগপৎ হেঙাৰৰ বাবেই সংস্কৃত ভাষাত ৰচিত নাটক সমূহৰ প্ৰসাৰ আৰু প্ৰচাৰ লাহে লাহে সংকুচিত হৈছিল আৰু বিভিন্ন আঞ্চলিক ভাষাত অংকুৰিত হৈছিল সহজ সৰল ৰূপৰ বৰ্ণিল আৰু বিচিত্ৰ অনেক লোকনাট্য সম্ভাৰ। কোৱা বাহুল্য যে আংগিক আৰু বিষয়বস্তুৰ সৰলতা লোকনাট্যৰ অন্যতম বৈশিষ্ট। সকলোৱে বুজিব পৰা ভাষা আৰু স্থানীয় সাংস্কৃতিক উপাদানৰ সমাহাৰে এনে নাট্যানুষ্ঠান বোৰক অত্যন্ত জনপ্ৰিয় কৰি তুলিছিল। বিষয়বস্তুৰ বিবিধতাৰে সমৃদ্ধ হোৱা বাবেই লোকনাট্য সমূহক নাট্যবিদ সকলে ধৰ্মীয় আখ্যানকেন্দ্ৰিক আৰু ধৰ্ম নিৰপেক্ষ- এই দুটি শ্ৰেণীত বিভক্ত কৰিছে। ভক্তি ধৰ্মৰ প্ৰসাৰ আৰু প্ৰচাৰৰ উদ্দেশ্যে মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা 'অংকীয়া নাট' সমূহ, উত্তৰ প্ৰদেশৰ 'ৰাম লীলা', মহাৰাষ্ট্ৰৰ 'ললিতা', বংগৰ প্ৰাৰম্ভিক কালৰ 'যাত্ৰা', কৰ্ণাটকৰ 'যক্ষগান' আৰু 'দোদ্দতা', অন্ধ্ৰৰ 'কুচিপুড়ি', ইত্যাদি লোকনাট্য সমূহ যথাৰ্থতেই ধৰ্মীয় আখ্যানকেন্দ্ৰিক নাট্যানুষ্ঠান । এই নাট্যধাৰাৰ সমান্তৰালকৈ এনে কিছু ধৰ্ম নিৰপেক্ষ লোক নাট্যানুষ্ঠানো গঢ়ি উঠিছিল- যাৰ উদ্দেশ্য আছিল কেৱল মাঁথো লোক ৰঞ্জন কৰা। উৰিষ্যাৰ 'দন্ড

নাট', 'মোগল তামাচা', উত্তৰ ভাৰতৰ 'নউটাংকি', পাঞ্জাব আৰু কাশ্মীৰৰ 'ভান্দ' দল, ছত্তীশগড়ৰ 'নাচা', গুজৰাটৰ 'ভাবাই', অসমৰ 'টুলীয়া নাট' - আদি লোক নাট্যৰ অনুষ্ঠান সমূহত লোক ৰজনৰ শৈল্পিক প্ৰয়াস স্ফটিক স্বচ্ছ ৰূপত ভাস্বৰিত হয়।

অসমক লোকনাট্য আৰু অৰ্ধ নাটকীয় পৰিৱেশ্য কলা সমূহৰ প্ৰাচুৰ্য্য ক্ষেত্ৰ হিচাবে গণ্য কৰা হয়। অসমৰ নাট্য পৰম্পৰাৰ ইতিহাস অতি প্ৰাচীন। খ্ৰীষ্টি পূৰ্ব ১ম শতিকাৰ আগতেই ৰচিত ভৰত মুণিৰ নাট্য শাস্ত্ৰতো প্ৰাগজ্যোতিষত (অসমত) বিশেষ নাট্যচৰ্চাৰ পৰম্পৰাৰ কথা উল্লেখ আছে। দৰাচলতে ভৰত মুণিৰ নাট্য শাস্ত্ৰত ভাষা, শৈলী, আৰু ৰুচিৰ ভিন্নতাৰ ভিত্তিত ভাৰতীয় লোকনাট্য পৰম্পৰাক **'দাক্ষিণাত্য', 'অৱন্তী', 'ওড্ৰা-মাগধী' আৰু 'পঞ্চালমধ্যম'**- এই চাৰিটা প্ৰভিত্তিত ভাগ কৰিছে। পূৰ্ব-প্ৰান্তৰৰ দেশ অংগ, বংগ, কলিংগ, ওড্ৰা, মগধ, নেপাল আৰু প্ৰাগজ্যোতিষৰ নাট্য পৰম্পৰা ওড্ৰা-মাগধী প্ৰভিত্তি শ্ৰেণীভূত। (তথ্য উৎসঃ ঘোষ, এম, সম্পাদিত: ভাৰত মুনিৰ নাট্যশাস্ত্ৰ, দ্য এছিয়াটিক ছ'চাইটি, ১৯৫০)। প্ৰাগজ্যোতিষ-কামৰূপত প্ৰাচীন কালৰ পৰা নৃত্য, সংগীত আৰু অভিনয়ৰ প্ৰাদুৰ্ভাৱৰ উল্লেখও নাট্যবিদ নন্দিকেশ্বৰ প্ৰণীত 'অভিনয় দৰ্পণ' নামৰ গ্ৰন্থ খনিত আছে। চীন পৰিব্ৰাজক হিউৱেন-ছিয়াঙেও কামৰূপৰ নৃত্য, সংগীত আৰু নাটকৰ শক্তিশালী পৰম্পৰাৰ বিষয়ে বৰ্ণনা কৰিছিল।

তাহানিৰ স্বৰ্ণপীঠৰ অন্তৰ্ভুক্ত আৰু **'দৰঙ্গ দেশ'** নামেৰে পৰিচিতি লাভ কৰা বৃহত্তৰ দৰং অঞ্চলটি অসমৰ লোক নাট্য পৰম্পৰাৰ এক সুকীয়া প্ৰাচুৰ্য ক্ষেত্ৰ (Hot spot)। ওজাপালি, পুতলা নাচ, জালি পুতলা ভাউৰীয়া, বৰ ঢুলীয়া, ঢেপা ঢুলীয়া, ইত্যাদি দৰঙী কৃষ্টিয়ে অসমৰ লোক সংস্কৃতিক ভীষণ চহকী কৰিছে। খুলীয়া ভাউৰীয়া বা খুলীয়া ভাওনা দৰঙী লোক নাট্যৰ এটি অন্যতম দ্যোতনা। প্ৰাচীন কালৰে পৰা প্ৰবাহমান হৈ অহা এই লোক নাট্যানুষ্ঠানটি পৰিৱেশন পদ্ধতি, সাজ সজ্জা, বচন, হাস্য-ৰেংগ, বাদ্য যন্ত্ৰ, ৰীতি-নীতি ইত্যাদি স্থিতিমাপৰ (parameters) বিচাৰত এক অনন্য-অতুল্য লোক নাট্য শৈলী। লোক সংস্কৃতিবিদ ৰাম গোস্বামীয়ে তেখেতৰ **'অসমৰ লোকনাট্য'** নামৰ গ্ৰন্থখনিত খুলীয়া ভাওনাক 'দৰঙী সংস্কৃতিৰ একক প্ৰতিনিধিত্বমূলক লোকধৰ্মী অনুষ্ঠান' বুলি উল্লেখ কৰিছে।

খুলীয়া ভাউৰীয়া বাক্যাংশৰ বুৎপত্তিৰ মূলাধাৰ হল 'খুলীয়া' (খোল বজাওতা) আৰু 'ভাৱৰীয়া' (ভাও দিয়োতা) শব্দযুগল। 'খোল' খুলীয়া ভাওনাৰ মুখ্য বাদ্য। চাৰিৰ পৰা ছয়জনীয়া খুলীয়াৰ দলে খোলৰ ছেৱৰ জড়িয়তে নাটকৰ কাহিনীৰ প্ৰবাহ-বিন্যাস, বিস্তাৰ, অগ্ৰগতি আৰু সামৰণিক অৰ্থবহ কৰি তোলে। খোলৰ ওপৰত গুৰুত্ব আৰু ভাউৰীয়াৰ অন্যতম ভূমিকাৰ বাবে এই লোক-নাট্যানুষ্ঠানক 'খুলীয়া ভাউৰীয়া' বোলা হয়। দৰঙত ভাউৰীয়া পদেৰেই ভাওনাক বুজোৱা হয়। সেইবাবেই দৰঙীয়া বাগধাৰাত 'খুলীয়া ভাওনা'ৰ সলনি 'খুলীয়া ভাউৰীয়া' বাক্যাংশৰে আলোচ্য লোক-নাট্যানুষ্ঠানটিক সূচীত কৰা হয়।

অংকীয়া নাট্যানুষ্ঠানৰ দৰে খুলীয়া ভাউৰীয়া বা খুলীয়া ভাওনা এক পৰিপূৰ্ণ নাট্যানুষ্ঠান। অংকীয়া নাটকৰ কিছু বহিৰংগ আংগিকৰ লগত খুলীয়া ভাওনাৰ সাদৃশ্য পৰিলক্ষিত হয়। অংকীয়া ভাওনাৰ বৰ ধেমালি-সৰু ধেমালিৰ দৰে খুলীয়া ভাওনা আৰম্ভ হয় 'খোল ঘাটেনী'ৰে। 'ওজা' আৰু 'পালি'ৰ সংযোজন খুলীয়া ভাওনাৰ অন্য এক লক্ষ্যনীয় বৈশিষ্ট। খুলীয়াৰ দৰেই ওজা আৰু পালিয়ো এইবিধ ভাওনা সংস্কৃতিৰ অবিচ্ছেদ্য উপকৰণ। অংকীয়া ভাওনাৰ সূত্ৰধাৰৰ লগত খুলীয়া ভাউৰীয়াৰ ওজাৰ সাজুয্যতা মন কৰিবলগীয়া। খোল ঘাটেনী পৰ্ব সমাপন হোৱাৰ পিছতেই সোঁহাতেৰে চোঁৱৰ আৰু বাঁও হাতেৰে ৰুমাল নচুৱাই বিভিন্ন নৃত্য ভংগীমাৰে

অভিনয় স্থলীত ওজাই প্ৰৱেশ কৰি বন্দনা গীত গায় আৰু পালি সকলে সেই গীত দোহাৰে। ওজাৰ পদৰ তালে তালে খুলীয়া আৰু তালুৱৈয়ে বাদ্য সংগত কৰে। সাজ সজ্জা, গীত মাত, নৃত্য ভংগীমা ইত্যাদি সকলো দিশৰ পৰাই সমগ্ৰ ভাওনাখনৰে আকৰ্ষণীয় চৰিত্ৰটো হ'ল ওজা বা সূত্ৰধাৰ। খুলীয়া ভাওনাৰ ওজাৰ পোচাক ব্যাসৰ ওজাৰ পোচাকৰ লগত মিল থকা। পাৰ্থক্য মাঁথো এইয়াই যে ব্যাসৰ ওজাই শিৰবস্ত্ৰ হিচাবে পাগুৰী পৰিধান কৰাৰ বিপৰীতে খুলীয়া ভাওনাৰ ওজাই মুৰত নানান ৰঙীন কাপোৰ, মণি মুকুতাৰে সুসজ্জিত কৰি বাঁহৰ দৈ আৰু ডাঠ কাগজৰে তৈয়াৰ কৰা এটি নৌকাকৃতিৰ টুপী পিন্ধে। টুপীটোৰ পিছফালে গলধনটো আগুৰিব পৰাকৈ টুপীটোৰ লগত খাপ খুৱাই এডোখৰ কাপোৰ অলপকৈ ওলোমাই লয়। খুলীয়া ভাওনাৰ ওজাই পৰিধান কৰে ব্যাসৰ ওজাৰ চাপকন চোলাৰ দৰে এটি হাত দীঘল চোলা আৰু নিম্নবস্ত্ৰ হিচাবে থাকে ঘূৰিজামা। চোলাটো দীঘল যদিও কঁকাললৈকেহে দেখা পায়, বাকী অংশ তলত পিন্ধা ঘূৰিজামাটোৰ তলত সুমুৱাই লয়। ওজাৰ ডিঙিৰ শোভাবৰ্ধন কৰে মণিৰে গুন্থিত ঢোল মাদলি সংলগ্ন এচাৰি মালা। হাতৰ গামখাৰু নাইবা ৰূপৰ দুপতীয়া খাৰু আৰু কাণত পৰিধান কৰা সুশোভন কেৰুৰ লগতে ওজাৰ কপালৰ বগা ফোটটিয়ে সঁচা অৰ্থতেই ওজাৰ ৰূপসজ্জাক এক অনিন্দ্যকান্তি প্ৰদান কৰে।

খুলীয়া ভাওনাৰ এটি লক্ষ্যনীয় বৈশিষ্ট এই যে এই ভাওনাৰ ওজাই পদেৰে নাটকৰ কাহিনীভাগৰ আগজাননী, চলন্ত বিবৰণী, নাটকীয় চৰিত্ৰৰ দোষ-গুণৰ ওপৰত স্ব-অভিমত আগবঢ়োৱাৰ উপৰিও প্ৰয়োজন সাপেক্ষে কোনো চৰিত্ৰ অথবা বহুৱাৰ সৈতে সংলাপ প্ৰয়োগো কৰে। এই দিশেৰে চাবলৈ গ'লে খুলীয়া ভাওনাৰ ওজাই কেৱল মাঁথো নাটকৰ চৰিত্ৰ আৰু দৰ্শকৰ মাজত যোগসূত্ৰই স্থাপন নকৰে, ওজা নিজেই যেন এটি নাটকীয় মুখ্য চৰিত্ৰ। পালিসকলে সাধাৰণতে দৰ্শকৰ আগলৈ নোলায়। সেয়েহে তেওঁলোকৰ সাজ সজ্জাও সাধাৰণ ধুতি-কুৰ্তাহে।

বগা ধুতি-কুৰ্তাৰে সুশোভিত বাদ্যশিল্পী সকলৰো মূৰত পাগুৰি থাকে আৰু কপালত ওজাৰ দৰে বগা তিলক থাকে।

'বহুৱা' খুলীয়া ভাউৰীয়াৰ এনে এক উল্লেখযোগ্য চৰিত্ৰ, যিয়ে খুলীয়া ভাওনা নামৰ লোকনাট্য বিধক লোকৰঞ্জনৰ মাধ্যম হিচাপে এক ব্যতিক্ৰমী মাত্ৰা প্ৰদান কৰে। এক কথাত ক'বলৈ হ'লে বহুৱা খুলীয়া ভাওনাৰ অন্যতম আকৰ্ষণ। নাটকৰ কাহিনীৰ অৰ্ন্তগত নহয় যদিও খুলীয়া ভাওনাত বহুৱাৰ ভূমিকা অতিশয় গুৰুত্বপূৰ্ণ। হাস্য ৰসৰ সঞ্চাৰ কৰি লোকৰঞ্জন কৰাটোৱেই বহুৱাৰ মুখ্য কাম যদিও সামাজিক সমস্যা, বিসংগতি, সামাজিক বিকাৰ- বিকৃতি ইত্যাদিক ভাওনাৰ নাট্য প্ৰবাহৰ মাজলৈ কৌতুকপূৰ্ণভাৱে টানি আনি আখ্যান উপাখ্যানৰ কাহিনীত বিলিন হৈ থকা দৰ্শকৰ মনোজগতক সমকালৰ সৈতে এক প্ৰকাৰ সেতুবন্ধন কৰায় বহুৱাৰ বহুৱালীয়ে। বহুৱাই হাস্যৰসৰ উন্মেষ ঘটাবলৈ ঘাইকৈ কিছুমান প্ৰাসংগিক আৰু উল্লেখযোগ্য ঘটনাক বাচি লয়, যিবোৰৰ মূল নাটকৰ লগত কোনো সম্পৰ্ক নাথাকে। বহুৱাৰ সাজ-সজ্জাও কৌতুকধৰ্মী। ভিন্নৰঙী চোলা, নকল আৰু দৃষ্টিকটু দাড়ি-গোঁফ, নকল চশমা, নকল দাঁত, মুখত বিসদৃশ আৰু দৃষ্টিকটু ৰং বিৰঙী ৰূপসজ্জাইও দৰ্শকক আনন্দ যোগায়। কোনো কোনো বহুৱাই হাতত একাধিক ভাঁজযুক্ত লাখুটি লৈ ধেমেলীয়া গীত গাই গীতৰ তালে তালে নৃত্য কৰিয়ো দৰ্শকক আমোদ দিয়ে।

ওড্ৰা মাগধী প্ৰভৃতিৰ অন্তৰ্গত খুলীয়া ভাওনা নামৰ লোক নাট্য বিধৰ নাটকৰ কথাবস্তুৰ প্ৰেক্ষাপট সাধাৰণতে পৌৰাণিক। অৱশ্যে দুই এটি দলে সামাজিক আৰু ঐতিহাসিক নাটকো পৰিবেশন কৰে। ৰামায়ণ-মহাভাৰতৰ কিছুমান মুখ্য চৰিত্ৰ আৰু সংশ্লিষ্ট কাহিনীক উপজীব্য কৰি লোক

জীৱনৰ বোধগম্য হোৱাকৈ নাটসমূহ ৰচিত যদিও ধুৰা ভাওনাৰ নাটকৰ দৰে বধ কাব্যসমূহৰ আধাৰত ৰচিত কাহিনীকো খুলীয়া ভাউৰীয়াই নট্যৰূপত পৰিবেশন কৰে। নৃত্য-ভংগীত যুদ্ধ দৰ্শকৰ অন্যতম আকৰ্ষণ। বধ কাব্যৰ কাহিনী সমূহ যিহেতু সৎ-অসতৰ মাজত সংঘটিত হোৱা যুদ্ধৰে সংপৃক্ত, সেই বাবেই বধ কাব্যৰ কাহিনী আশ্ৰিত নাটককো খুলীয়া ভাউৰীয়াৰ দলে ৰূপায়িত কৰে। প্ৰাৰম্ভিক পৰ্যায়ত খুলীয়া ভাউৰীয়াৰ নাটক সমূহ মৌখিক ভাবে প্ৰচলিত আছিল যদিও বৰ্তমানে নাট সমূহে লিখিত ৰূপ পৰিগ্ৰহণ কৰিছে। খোল- তালৰ চেৰে চেৰে কাহিনীৰ দাবী অনুযায়ী নাটকীয় চৰিত্ৰৰ মাজত যুদ্ধৰ পৰিবেশন খুলীয়া ভাউৰীয়াৰ যেন অন্য এক অপৰিহাৰ্য উপাংগ। পয়াৰ অথবা বিলাপো এই অনুষ্ঠানৰ গুৰুত্বপূৰ্ণ অংগ।

নাটকৰ কাহিনীৰ ওপৰত নিৰ্ভৰ কৰে খুলীয়া ভাওনাৰ চৰিত্ৰৰ সংখ্যা। নাটকসমূহ যিহেতু আখ্যান-পুৰাণৰ কাহিনী নিৰ্ভৰ, সেয়েহে খুলীয়া ভাউৰীয়াৰ কুশীলবৰ সাজ-সজ্জা, বেশ-ভুষাও কাহিনীৰ দাবী অনুযায়ী হয়। ৰজা মহাৰজাৰ চৰিত্ৰ বাবে ৰাজকীয় আভূষণ, ঋষি-তপস্বীৰ বাবে ৰুদ্ৰাক্ষৰ মালা, গেৰুৱা পৰিধেয়, দৈত্য- দানবৰ যথাৰীতি সাজ-সজ্জাৰে খুলীয়া ভাউৰীয়াৰ কুশীলবই নাটকীয় চৰিত্ৰ সমূহ ৰূপায়িত কৰে। কাহিনীৰ প্ৰয়োজনত ৰাৱণ, হনুমান, জাম্বৱন্ত, জটায়ু, শূৰ্পণখা, ভালুক, বান্দৰ, ৰাক্ষক-ৰাক্ষসী আদি চৰিত্ৰ চিত্ৰণৰ স্বাৰ্থত অংকীয়া নাট ভাওনাৰ দৰেই খুলীয়া ভাওনাতো মুখাৰ ব্যৱহাৰ হয়। খুলীয়া ভাওনাত সহ অভিনয় অদ্যাপি প্ৰচলিত হোৱা নাই, নাটকৰ স্ত্ৰী চৰিত্ৰসমূহো পুৰুষ সকলেই ৰূপায়িত কৰে। কেৱল মহিলাৰ দ্বাৰা অভিনীত খুলীয়া ভাউৰীয়াৰ দলো নথকা নহয়। দৰঙৰ 'বৰপুখুৰী আঞ্চলিক মহিলা খুলীয়া ভাউৰীয়াৰ' দল তেনে এটি দলৰ উদাহৰণ।

খুলীয়া ভাউৰীয়াৰ বাবে কোনো ধৰণৰ মঞ্চৰ ব্যৱহাৰ কৰা নহয়। ৰাজহুৱা ঠাইত অস্থায়ী ভাৱে দিয়া ৰভাৰ তলত ভাৱৰীয়াসকলে ভাওনা প্ৰদৰ্শন কৰে, যাক 'আচাৰ খোলা' বুলি কোৱা হয়। কাছৰ পিঠিৰ আকৃতিৰ এই ৰভাখন পূবা পশ্চিমাকৈ সজা হয়। ৰভাখনৰ উপৰিভাগ কলপাত, চাও পাত, টকৌ পাত আদিৰে শুৱনিকৈ সজোৱা হয়। ৰভাৰ আকৃতি আয়তাকাৰ কিম্বা বৰ্গাকাৰ। ৰভাৰ তিনিটা কাষ অনাবৃত। এই অনাবৃত তিনিটা কাষত নাট উপভোগৰ বাবে দৰ্শক বহাৰ ব্যৱস্থা থাকে। এটা কাষৰ কিছু অংশত এখন আঁৰ কাপোৰ থাকে। এই আঁৰ কাপোৰৰ কাষেৰেই প্ৰৱেশ কৰে। দৰ্শক বহাৰ কোনো এফালেৰে ভাৱৰীয়াসকলৰ প্ৰস্থানৰ বাবে বাঁহৰ বেৰেৰে নিৰ্ধাৰিত কৰা বাট থাকে। ৰভাৰ দক্ষিণ-উশ্চিম কোণত ছোঁ ঘৰ থাকে, য'ত ভাৱৰীয়াসকলে সাজ-সজ্জা কৰে। ওজাই নৃত্য কৰাৰ সময়ত পালিসকল, ভাওনা প্ৰদৰ্শিত হৈ থকা সময়ত ওজা, পালি তথা আন ভাৱৰীয়াসকল এই কাপোৰৰ আঁৰতেই থাকে। খুলীয়া ভাওনাত ব্যৱহাৰ কৰে। নৃত্য-ভংগীৰে খুলীয়া ভাউৰীয়াৰ চৰিত্ৰসমূহে প্ৰৱেশ-প্ৰস্থান কৰে আৰু চৰিত্ৰসমূহে পদ্যধৰ্মী সংলাপ নাট ৰূপায়ণৰ শেষত সদৌটি কলা-কুশলীয়ে আচাৰ খোলালৈ আহি 'অপৰাধ বিনাশন' পদ গাই সমবেত দৰ্শকৰ সমুখত আঠু লৈ অনুষ্ঠান সামৰে। দৰঙী পৰিভাষাত খুলিয়া ভাওনা ৰূপায়ণ কৰা কাৰ্য্যক **'ভাউৰীয়াৰ উঠা'** বুলি কয়। ৰাতি ন-দহ বজাত আৰম্ভ হোৱা ভাওনা গোটেই নিশা জুৰি চলি থকে। অৱশ্যে কোনো কোনো ঠাইত দিনৰ ভাগতো **ভাউৰীয়াৰ উঠে।**

খোল আৰু তালৰ বাহিৰে আন বাদ্য যন্ত্ৰৰ ব্যৱহাৰ নোহোৱাটো খুলীয়া ভাউৰীয়াৰ এটি মন কৰিবলগীয়া বৈশিষ্ট। খুলীয়া ভাউৰীয়াত খুলীয়াৰ সংখ্যা দুইৰ পৰা ছজনলৈ আৰু তালুৱৈৰ সংখ্যা সাধাৰণতে দুজন। ওজাই গীত- পদ গাই নৃত্য কৰাৰ সময়ত খুলীয়াই খোল আৰু তালুৱৈয়ে খুটি তাল সংগত কৰাৰ উপৰিও যুদ্ধ-বিগ্ৰহৰ নাটকীয় মুহূৰ্ত

বোৰতো বাদ্য সংগত কৰে।

প্ৰাক শংকৰী যুগতেই জন্ম লাভ কৰা খুলীয়া ভাওনা দৰঙীয়া সাংস্কৃতিক ঐতিহ্যৰ এটি প্ৰোজ্জ্বল প্ৰতীতি। সংস্কৃতিৰ জন্ম, লোক নাট্যৰ বিকাশ ও বিবৰ্তন, ঐতিহাসিক প্ৰেক্ষাপট, ভিন্নতা-ইত্যাদি পৰিমাপৰ অধ্যয়ণৰ প্ৰেক্ষিতত সঁচা অৰ্থতেই খুলীয়া ভাওনা এটি প্ৰতিনিধিত্বমূলক লোক-নাট্যানুষ্ঠান। গৱেষক সকলে দেখুৱাইছে যে খুলীয়া ভাউৰীয়াত ইয়াৰ পূৰ্বৱৰ্তী লোকনাট্যানুষ্ঠান বিয়াহ গোৱা ওজা পালি (ব্যাসৰ ওজা), পুতলা নাচ, ঢুলীয়া ভাওনা ইত্যাদিৰ প্ৰভাৱ স্পষ্ট। এনে প্ৰভাৱৰ বাবেই খুলীয়া ভাওনাৰ মুখ্যজ্যোতি ধৰ্মীয় যদিও পাৰ্শ্বজ্যোতিৰ বহুৱাৰ চৰিত্ৰ ধৰ্ম নিৰপেক্ষ। এই বিচাৰেৰে চাবলৈ গ'লে খুলীয়া ভাওনা লোকনাট্যৰ ধৰ্মীয় আৰু ধৰ্ম নিৰপেক্ষ ধাৰা দুটিৰ সমন্বিত ৰূপ বুলি অভিহিত কৰিব পৰা যায়। কৃষিজীৱি- শ্ৰমজীৱি মানুহৰ সাংস্কৃতিক আবেগ আৰু ঐতিহ্য প্ৰীতিয়ে খুলীয়া ভাওনা বা খুলীয়া ভাউৰীয়াক সংকুচিত ৰূপত হ'লেও অদ্যপি জাৰীই ৰাখিছে। একালত দৰঙৰ প্ৰায়বোৰ গাঁৱতে একোটিকৈ হলেও খুলীয়া ভাৱৰীয়াৰ দল আছিল যদিও বৰ্তমানে এনে নাট্যানুষ্ঠানবোৰৰ চৰ্চাৰ ক্ষেত্ৰখন সংকুচিত হৈ আহিছে। দৰাচলতে বিশ্বায়নবাদী আধিপত্যকামী সাংস্কৃতিক আগ্ৰাসনে লোকনাট্যকে ধৰি সমস্ত কৃষ্টি-সংস্কৃতিলৈ কঢ়িয়াই আনিছে সংকটৰ অশনি সংকেট। বিশ্বায়ন সংস্কৃতিৰ গড্ডলিকা প্ৰবাহত উটি খুলীয়া ভাওনাৰ দৰে নাট্যানুষ্ঠান বোৰৰ চৰ্চা সাংস্কৃতিক অনগ্ৰসৰতাৰ চিহ্ন বুলি একাংশৰ মনত ইতিমধ্যে দানা বান্ধিছে। এই কথাও স্বীকাৰ্য যে সামাজিক প্ৰেক্ষাপটৰ পৰিবৰ্তন, সমাজ-সংস্কৃতিৰ বিবৰ্তন, উৎপাদন ব্যৱস্থাৰ পৰিবৰ্তনৰ ফলত লোক জীৱনৰ গণ জীৱন অভিমুখী উত্তৰণ, প্ৰযুক্তিৰ বিকাশ ইত্যাদি কাৰকৰ প্ৰভাৱত লোক পৰিৱেশ্য কলা সমূহৰো বিবৰ্তন সাধিত হয় আৰু নতুন ধাৰাৰ সৃষ্টিৰে সংস্কৃতিৰ ক্ষেত্ৰখনক বিশেষ গতিময়তা প্ৰদান কৰে। কিন্তু জন্ম, বিকাশ আৰু বিবৰ্তনৰ হেজাৰ বছৰীয়া পৰিক্ৰমাৰে স্বকীয়তা লাভ কৰা কোনো পৰিৱেশ্য কলাকেই পুৰাতন-অনগ্ৰসৰ বুলি, যুগপোযোগী নহয় বুলি চৰ্চাৰ অভাৱত কাল বলুকাত পোতন খাই যাবলৈ দিয়াটোও জাতি এটাৰ বাবে হঠকাৰী। আশাব্যঞ্জক কথা এই যে হবিব তনবীৰ, গিৰীশ কাৰ্ণাড, সকলৰ লগতে অনেক খ্যাত-শম্ভু মিত্ৰ, ৰতন থিয়েম, অদুৰ গোপালাকৃষ্ণণ, আদি পথপ্ৰদ্ৰষ্টা সকলৰ লগতে খ্যাত-অখ্যাত নাট্যকৰ্মীয়ে এক স্বকীয় ভাৰতীয় নাট্য শৈলীক বিকশাই তোলাৰ লক্ষ্যৰে আধুনিক নাট্যধাৰাৰ লগত জনজীৱনৰ নাড়ীৰ স্পন্দন অনুভূত প্ৰাচীন ভাৰতীয় লোকনাট্যসমূহৰ সমন্বয় সাধন কৰাৰ প্ৰয়াসো অব্যাহত ৰাখিছে। অসমতো এচাম শিল্পীয়ে এনে প্ৰয়াস অব্যাহত ৰাখিছে।

◆


সহায়ক গ্ৰন্থঃ

১) Assamese Drama ড° প্ৰফুল্ল দত্ত গোস্বামী

২) অসমৰ লোকনাট্য - ৰাম গোস্বামী

৩) অসমৰ লোক সংস্কৃতিৰ আভাস-ড° নবীন চন্দ্ৰ শৰ্মা

৪) দৰঙী পৰিৱেশ্য কলাঃ খুলীয়া ভাওনা -ড° মোহিনী গোস্বামী, ই-আলোচনী নীলা চৰাই

# 'অৰুণোদই' আৰু আজিৰ বাতৰি কাকত

মিহিৰ চেতিয়া

গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যম হৈছে গণতান্ত্ৰিক দেশৰ সদা জাগ্ৰত প্ৰহৰী। দেশৰ সকলো খবৰ তথা সকলো পৰিস্থিতিতে ডাঁৱৰ বাতৰি ডাঁৱে ৰাইজক জনোৱাতো বাতৰি কাকতৰ প্ৰধান কৰ্ত্তব্য।

ভাৰতত বৰ্ত্তমান প্ৰায় ৯ হাজাৰ বিভিন্ন শ্ৰেণীৰ বাতৰি কাকত প্ৰকাশিত হৈ আছে। অসমতো আজিৰ দিনত দৈনিক বাতৰি কাকত, তিনিদিনীয়া বাতৰি কাকত, সাপ্তাহিক বাতৰি কাকত, পষেকীয়া-মাহেকীয়া আলোচনীৰ যি চাহিদা, এই চাহিদাৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় যে পঢুৱৈ আৰু কাকতৰ মাজত এক নিবিড় সম্পৰ্ক বিৰাজমান। অসমৰ বাতৰি কাকতে কিন্তু আজিৰ অৱস্থা পাবলৈ এক দীঘলীয়া পথ পৰিক্ৰমা অতিক্ৰম কৰিবলগীয়া হৈছিল। প্ৰায় ১৭৯ বছৰীয়া এই পথত বহু কাকত-আলোচনী প্ৰকাশ হ'ল আৰু বন্ধ হ'ল।

ইংৰাজ আমোলত খ্ৰীষ্টান মিছনেৰীসকল অসমলৈ আহিছিল খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰৰ সেতু। কিন্তু তেওঁলোকেই অসমৰ শিক্ষা আৰু সংস্কৃতিৰ বিকাশত বিশেষ ভূমিকা পালন কৰিছিল। আমেৰিকান ব্যাপ্টিষ্ট মিছনাৰী ড০ নাথান ব্ৰাউনে ১৮৪৬ চনৰ জানুৱাৰী মাহত শিৱসাগৰৰ পৰা প্ৰকাশ কৰিছিল 'অৰুণোদই'। মাহেকীয়া আলোচনী ৰূপত প্ৰকাশ পোৱা অৰুণোদই আছিল অসমৰ প্ৰথমখন সংবাদপত্ৰ। সাংবাদিকতা, সাহিত্য আৰু জ্ঞান-বিজ্ঞানৰ প্ৰসাৰত এক যুগান্তকাৰী ভূমিকা লৈছিল অৰুণোদই কাকতে।

১৮৪৬ চনৰ পৰা ১৮৮৮ চনলৈকে প্ৰকাশ হৈ থকা অৰুণোদই কাকতৰ সময়ছোৱাকে অৰুণোদয় যুগ বুলি অভিহিত কৰা হয়। অৰুণোদয় যুগতে অসমীয়া ভাষাৰ আধুনিকীকৰণ, আধুনিক গদ্য সাহিত্যৰ জন্ম, অসমীয়া ভাষা-সাহিত্য আৰু সামাজিক বিকাশৰ ভেটি স্থাপন হৈছিল। আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, লম্বোদৰ বৰা, কমলাকান্ত ভট্টাচাৰ্য, ৰত্নেশ্বৰ মহন্ত, নিধিৰাম ফুকন আদি লেখকসকলে অসমীয়া ভাষাক এক নতুন মাত্ৰা দিছিল। অৰুণোদই কাকতেই অসমীয়া মানুহৰ মাজত এক নৱ চেতনাৰ উন্মেষ ঘটাইছিল। অৰুণোদই কেৱল এখন সংবাদপত্ৰ নাছিল, ই আছিল অসমীয়া ভাষা আৰু সংস্কৃতিৰ এক নতুন যুগৰ সূচনা। এই সূচনাৰেই ফল হৈছে— পৰৱৰ্ত্তী কালত প্ৰকাশ পোৱা অসম বান্ধৱ, আসাম বিলাসিনী, মৌ, বাঁহী, জোনাকী, জয়ন্তী, আৱাহন, ৰামধেনু, পচোৱা, অৰুণ, অকণ, দীপক, বিহলঙনী, মহাজাতি, নৱযুগ, আমাৰ প্ৰতিনিধি, সাদিনীয়া অসমীয়া, সাদিনীয়া জনমভূমি, দৈনিক অসম, দৈনিক জনমভূমি, দৈনিক অগ্ৰদূত, দৈনিক জনসাধাৰণ, আজি, অসম বাণী, নতুন দিন, নতুন দৈনিক, নিয়মীয়া বাৰ্তা, আজিৰ অসম, আমাৰ অসম, অসমীয়া প্ৰতিদিন, অসমীয়া খবৰ, সাদিন, প্ৰান্তিক, গৰীয়সী, স্বাস্থ্যচিন্তা, বিস্ময়, ৰসহ্য, ত্ৰিশূল, মায়া, হিয়া, নন্দিনী, প্ৰিয়সখী, আইনা, আসাম ট্ৰিবিউন, আসাম এক্সপ্ৰেছ, দ্যা চেণ্টিনেল, দ্যা নৰ্থ ইষ্ট

টেইমচ আদি।

কিন্তু দুখৰ বিষয় যে পঢ়ুৱৈ আৰু উপযুক্ত বিপণন ব্যৱস্থাৰ অভাৱত ইয়াৰে বহু কাকত-আলোচনীৰ মৃত্যু ঘটিছে। সেয়েহে পঢ়ুৱৈসমাজ অধিক সচেতন নহ'লে সংবাদপত্ৰ অধুনালুপ্ত হোৱাটো স্বাভাৱিক।

অৱশ্যে বহু বাতৰি কাকত আৰু আলোচনীৰ মৃত্যু হোৱাৰ অন্তৰালতো অন্য কাৰক আছে। কিছুসংখ্যক বাতৰি কাকত আৰু আলোচনী চলিহে আছে পঢ়ুৱৈৰ সংখ্যা কিন্তু হ্ৰাস পাইছে। ইয়াৰ কাৰকবোৰ হৈছে — ইলেকট্ৰনিক মিডিয়া (ডিজিটেল মাধ্যম) ৰ প্ৰসাৰ, সামাজিক মাধ্যমৰ প্ৰতি গৰিষ্ঠসংখ্যকৰ অহেতুক প্ৰীতি, কাকতসমূহৰ মাজত চলি থকা শীতল যুদ্ধৰ পৰিণতিত হালধীয়া সাংবাদিকতা আৰু মূল বিষয়বোৰক গুৰুত্ব নিদিয়া।

প্ৰথম কথা, ডিজিটেল মাধ্যমে ৰাইজক অধিক আকৰ্ষিত কৰিবলৈ সমৰ্থ হোৱাত বাতৰিকাকতৰ প্ৰতি ৰাইজৰ স্পৃহা কমি গৈছে।

দ্বিতীয়তে, হাতত লৈ থকা এনড্ৰইড ম'বাইলটো খুলিলেই বিশ্বখন পাব পাৰি। গতিকে বাতৰি কাকতৰ প্ৰতি অৱহেলা অহাটো স্বাভাৱিক।

তৃতীয়তে, বাতৰি কাকতসমূহৰ মাজত থকা পাৰস্পৰিক ঈৰ্শাৰ বাবেই হালধীয়া সাংবাদিকতা কৰা দেখা যায় কিছুসংখ্যক বাতৰি কাকতৰ ক্ষেত্ৰত। চাঞ্চল্য সৃষ্টিকাৰী, মুখৰোচক কেলেংকাৰী আৰু আনলৈ বোকা ছটিওৱাৰ বাতৰি প্ৰকাশেৰে ৰাইজৰ মাজত উত্তেজনা সৃষ্টি কৰি TRP (টাৰ্গেট ৰেটিং পইন্ট) বঢ়াবলৈ চেষ্টা কৰা দেখা যায়। সাংবাদিকতাৰ দৰে পবিত্ৰ বৃত্তিত এনে নৈতিকতাহীন কৰ্ম অপৰাধ হিচাপে গণ্য হোৱা উচিত। এনে কাৰণতে পঢ়ুৱৈ অতিষ্ঠ হৈ পৰে আৰু বাতৰি কাকত পঢ়াত অনিহা আহে।

চতুৰ্থতে, প্ৰচলিত সমাজ ব্যৱস্থাত সাম্ৰাজ্যবাদী শোষক-শাসকসকলে অপসংস্কৃতিৰ আগ্ৰাসনেৰে অসমীয়া সংস্কৃতিক মৰাসুঁতিত পৰিণত কৰিছে। সংস্কৃতিক পণ্য সামগ্ৰীলৈ ৰূপান্তৰ কৰা বৃহৎ পুঁজিপতি গোষ্ঠীটোৱে অসমত বিউটি কনটেষ্ট, ফেশ্বন শ্ব', মডেলিং শ্ব'ৰ দৰে অপসংস্কৃতিৰ পোহাৰ মেলি, মেছেজ পালাৰ, নাইট ক্লাবৰ দৰে প্ৰতিষ্ঠান খুলি যুৱ উশ্বৃংখলতা সৃষ্টি কৰাৰ লগতে অসমীয়া সমাজখনক এক পূতিগন্ধময় অৱস্থালৈ ঠেলি দিছে আৰু অসমীয়া যুৱ চামটোক বিধ্বস্ত মানসিকতাৰে গঢ়ি তুলিব বিচাৰিছে। এই দিশত কিন্তু মাত মতাৰ পৰা সাংবাদিক সকলে প্ৰায়ে নিৰৱতা অৱলম্বন কৰা দেখা যায়। কাঠফুলাৰ দৰে গজি উঠা সুৰাৰ বিপণীয়ে সুৰামত্ত সমাজ গঢ়াৰ বিৰুদ্ধেও সততে মাত মতা দেখা নাযায়। ইয়াৰ বিপৰীতে এনে কিছুমান বাতৰিক তিলটোকে তালটো কৰি প্ৰচাৰ কৰে যে পঢ়ুৱৈ অতিষ্ঠ হৈ পৰে।

গতিকে এনে ক্ষেত্ৰত সংবাদপত্ৰসমূহে যদি গুৰুত্ব নিদিয়ে আৰু আঁসোৱাহবোৰ নিবাৰণৰ চেষ্টা নকৰে, তেন্তে সংবাদপত্ৰৰ ভৱিষ্যত ধূসৰ।

আমি নিবিচাৰো যে সংবাদপত্ৰসমূহৰ নাম ভৱিষ্যত প্ৰজন্মৰ বাবে কিতাপৰ পাতত লিপিবদ্ধ থাকক বা সংগ্ৰাহলয়ত সংৰক্ষিত হৈ থাকক। ◆

# হাবুং

✍ লিখন চন্দ্ৰ বুঢ়াগোহাঞি

হাবুং এখন পুৰণি প্ৰসিদ্ধ ঐতিহ্য মণ্ডিত ঠাই। ইতিহাসবিদসকলৰ মতে অতীতত হাবুং নামে এখন পুৰণি ৰাজ্য আছিল আৰু ই কছাৰী আৰু চুতীয়া ৰজা সকলৰ দখলত আছিল। প্ৰত্নতত্ত্ববিদ ৰাজা ৰামমোহন ৰায়ে হাবুং এখন বহল সমান ঠাই বুলি উল্লেখ কৰিছে (হা মানে বহল, বুং মানে ঠাই)। পুৰণি হাবুঙৰ পৰিসীমা পশ্চিমে সোৱণশিৰি নদীৰ পৰা পূৰে চিচি নদী আৰু উত্তৰে চামপৰা নদীৰ পৰা দক্ষিণে ব্ৰহ্মপুত্ৰ নদীলৈকে।

বুৰঞ্জীবিদ সৰ্বেশ্বৰ বৰুৱাৰ মতে কামৰূপৰ উত্তৰ পাৰত ৰাজ্য প্ৰতিষ্ঠা কৰি থকা কলিতা সকলে হাবুঙলৈ আহি কছাৰী জাতিক আক্ৰমণ কৰি পূবলৈ খেদি পঠায় আৰু কছাৰী সকলৰ এটা ঠালে শদিয়াত চুতীয়া ৰাজ্য পাতিছিলগৈ। ৰজা আৰিমত্ত কলিতা ৰাজবংশৰ লোক আছিল আৰু তেওঁ হাবুং শাসন কৰিছিল। পাছলৈ তেওঁৰে মন্ত্ৰী সমুদ্ৰই হাবুং শাসন কৰিছিল বুলি জনা যায়। আহোমৰ দিনত হাবুঙত বাস কৰা লোকসকলক হাবুঙীয়া বুলিছিল। এই হাবুঙতে এজন বামুণৰ ঘৰত স্বৰ্গদেউ চুডাংফা বাল্য কালত ডাঙৰ দীঘল হোৱা বাবে তেওঁক বামুণী কোঁৱৰ বোলা হৈছিল। আহোমৰ সপ্তমজন স্বৰ্গদেউ ত্যাওখামথিৰ মৃত্যুৰ পাছত (১৩৮৯) প্ৰায় ৯ বছৰ কাল আহোম ৰাজ্যত ৰজা নোহোৱাকৈ ৰাজ বিষয়াসকলে শাসন চলাইছিল। স্বৰ্গদেউ ত্যাওখামথিৰ পুত্ৰ থাকিও অপুত্ৰক হ'ব লগা হৈছিল। ত্যাওখামথিৰ দুগৰাকী পত্নী আছিল। বৰ কুঁৱৰীৰ কুমন্ত্ৰণাৰ বলি হৈ সগৰ্ভা সৰু কুঁৱৰী প্ৰাণদণ্ডৰে দণ্ডিত হৈছিল। পিছে বুঢ়াগোহাঁই ডাঙৰীয়াৰ দয়া পৰশত সগৰ্ভা সৰু কুঁৱৰীক হত্যা নকৰি কৌশলেৰে ভুঁৰত তুলি দিহিং নৈত উটুৱাই দিছিল। কুঁৱৰী উটি আহি ব্ৰহ্মপুত্ৰইদি হাবুং পায়। তাতে এজন হাবুঙীয়া ব্ৰাহ্মণে সৰু কুঁৱৰীক আশ্ৰয় প্ৰদান কৰে। যথা সময়ত এটি পুত্ৰ সন্তান জন্ম দি প্ৰসূতিজণিত ৰোগত সৰু কুঁৱৰীৰ মৃত্যু হয়। বুৰঞ্জীৰ মতে যোৰকটাৰ ৰজাবাৰীত বামুণী কোঁৱৰক বুঢ়াগোহাঁইয়ে ৰাজ কাৰ্যৰ প্ৰশিক্ষণ দিছিল। পৰৱৰ্তী সময়ত (১৩৯৮ খ্ৰীঃত) বামুণী কোঁৱৰক চৰাইদেউলৈ নি আহোম বিধিমতে চুডাংফা নাম দি ৰাজপাটত বহুৱা হয়। চুডাংফাই পাছত মাক ঘুগু কুঁৱৰীৰ (সৰু কুঁৱৰী) স্মৃতিত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে থকা ঘুগুহাত ঘুগুহা দৌল নিৰ্মাণ কৰে।

চাওলুং ছ্যুকাফাই সুদূৰ ব্ৰহ্মদেশৰ ম্যু মাউলুং (ম্যানমাৰ)ৰ পৰা পাটকাই পৰ্বত অতিক্ৰমি ১২২৮ খ্ৰীঃত সৈন্য সামন্তসহ সৌমাৰ পীঠত প্ৰৱেশ কৰিয়েই প্ৰথমে সৰু-সুৰা ৰাজ্যবোৰ অধিকাৰ কৰি নামৰূপত থাকিবলৈ লয়। নামৰূপৰ পৰা টিপামলৈ যায়। টিপামৰ পৰা অভয়পুৰত প্ৰথমে ৰাজধানী পাতি কেইবছৰমান থাকে। অভয়পুৰ পানীয়ে প্লাৱিত কৰাত সেই ঠাই এৰি ব্ৰহ্মপুত্ৰ পাৰ হৈ ১২৪০ খ্ৰীঃত হাবুঙত উপস্থিত হৈ স্বৰ্গদেউ ছ্যুকাফাই ওখ ঠাই দেখি তাতে ৰাজধানী পাতে। ইতিহাসবিদ স্বৰ্গীয় সৰ্বানন্দ ৰাজকুমাৰদেৱে তেখেতৰ "ইতিহাসে গৰকা ছশটা বছৰ" নামৰ গ্ৰন্থত হাবুঙৰ বিষয়ে উল্লেখ কৰিছে এনেদৰে- কাটিকুচিৰ (বৰ্তমান গোহাঁই মৌজাৰেই অতীতৰ কাটিকুচি) দক্ষিণ-পশ্চিমে নৱোৱা আৰু সোৱণশিৰি, পূবে লুইতৰ উত্তৰে থকা ভূ-খণ্ডকে হাবুং বোলা হৈছে। অতীতৰ পৰাই এই ঠাই দ'। স্বৰ্গদেউ ছ্যুকাফাই বানপানী উঠা বাবে সেই ঠাই ত্যাগ কৰিছিল। স্বৰ্গদেউ বামুণী কোঁৱৰ এই হাবুঙতে ডাঙৰ হৈছিল। ১৫৬২ খ্ৰীঃত স্বৰ্গদেউ খুৰাৰজাই হাবুঙৰ মানুহক লগুণ পিন্ধাই, গৰুত তুলি চিলাৰায়ৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ

পঠাইছিল। একেই গ্ৰন্থৰ চতুৰ্থ খণ্ডত চ্যুকাফাৰ ৰাজধানী সম্পৰ্কে উল্লেখ কৰিছে এনেদৰে- স্বৰ্গদেউ চ্যুকাফাই ১২২৮ খ্ৰীঃত সৌমাৰত প্ৰবেশ কৰি নানান অঞ্চল ঘূৰি অৱশেষত- (১) মুং-ক্লাং-ছেখ্ৰুত ৰাজধানী স্থাপন কৰিছিল। মুং-ক্লাং-ছেখ্ৰুক অসমীয়াত অভয়পুৰ বোলে। এই স্থান শিৱসাগৰ মহকুমাত। তাত মানুহৰ সংখ্যা পাতল আৰু বানপানী উঠাত স্বৰ্গদেউৱে সেই স্থান পৰিত্যাগ কৰি- (২) হাবুঙত ৰাজধানী পাতিলে। হাবুঙতো বানপানী হোৱাত তেওঁ দিখৌ নৈয়েদি উজাই ১২৪৪ খ্ৰীঃত- (৩) লিগিৰি গাঁৱত ৰাজধানী পাতিলে। তাত দুবছৰ থাকি ১২৪৬ খ্ৰীঃত স্বৰ্গদেউৱে পুনৰ- (৪) শিমলুগুৰিলৈ ৰাজধানী স্থানান্তৰিত কৰিলে। সৰ্বশেষত- (৫) চে-তাম-ডয়ত ১২৫৩ খ্ৰীঃত স্থায়ী ৰাজধানী স্থাপন কৰে। চে-তাম-ডয় পাছত 'চৰাইদেউ' নামে জনাজাত হয়।

বুৰঞ্জীয়ে কয় ১২২৮ খ্ৰীঃত হাবুং দিহিং নদী আৰু ব্ৰহ্মপুত্ৰ নদীৰ মাজত অৱস্থিত আছিল। আহোম শাসকবৰ্গই মৰাণসকলক হাবুঙীয়া বুলিছিল। চ্যুকাফাক হাবুঙত সম্ভৱতঃ দিহিং আৰু ব্ৰহ্মপুত্ৰৰ বানপানীয়ে ব্যতিব্যস্ত কৰিছিল। হাবুং এটা কছাৰী বা বড়োমূলীয় শব্দ। হাবুং নদী কাষৰীয়া, বানে গৰকা, পিতনি যুক্ত, হাবিতলীয়া ঠাই বা অঞ্চল। প্ৰাকৃতিক দুৰ্যোগত হাবুঙে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত স্থিতি ল'লে নেকি বাৰু?

বৰ্তমান সময়ত হাবুং বুলিলে উত্তৰে সৰু আজোহা গাঁও আৰু আজোহা মিচিং গাঁও, দক্ষিণে কড়ানদী আৰু মধুপুৰ চাহবাগান, পূবে কুলি গাঁও আৰু বিস্তীৰ্ণ পথাৰ আৰু পশ্চিমে ২ নং বুঢ়াভকত গাঁও, কলাকটা, কাৰৈমাৰী গাঁও আৰু ঘুগুহালৈ যোৱা পথ। এই চাৰিসীমাৰ মাজৰ ভূ-খণ্ডই বৰ্তমানৰ হাবুং। ইয়াৰ মাটি কালি ২৮৫ বিঘা। এই হাবুঙক সুৰক্ষিত কৰিছে চাৰিসীমাত নিৰ্মিত বাহিৰ গড়টোৱে যদিওবা ইয়াৰ নামমাত্ৰ অৱস্থিতিহে আছে। চাৰিসীমা ভিতৰত অৱস্থিত ভিতৰ গড়টোৰ কিছু অংশ আজিও দেখা যায়। উক্ত গড় দুটাৰ উপৰিও শ-ধোৱা পুখুৰী, পানী থকা এটা পুখুৰী (হাবুং পৰিচালনা সমিতিয়ে বৰ্তমান পুখুৰীটো দ' কৈ খান্দি মাছ পোহা ব্যৱস্থা কৰিছে), পানী নথকা দুটা ডাঙৰ পুখুৰী আৰু কেইটামান মৈডামৰ চিহ্ন দেখা যায়। সাম্প্ৰতিক সময়ত বাহিৰ গড়টো বাইজে বিভিন্ন ঠাইলৈ অহা-যোৱা কৰা পথ হিচাপে ব্যৱহাৰ কৰি আছে।

মধ্যযুগত ধেমাজী ঠাইখন হাবুং নামেৰে জনাজাত আছিল। ধেমাজী জিলা ঘোষণা হয় ১৯৮৯ চনৰ ১৪ অক্টোবৰত। ১৯৯০ চনত ধেমাজী জিলালৈ প্ৰশাসনীয় বিষয়া হিচাবে অহা স্বনামধন্য ব্যক্তি চাও নগেন হাজৰিকাদেৱ আছিল অতিৰিক্ত উপায়ুক্ত, মাটিৰ হাকিম। তেখেতে ধেমাজী জিলাৰ পৰা প্ৰায় ১৫ কিঃমিঃ দক্ষিণ-পশ্চিমে থকা কড়ানদীৰ উত্তৰ-পশ্চিম পাৰত অৱস্থিত হাবি-জংঘলেৰে ভৰা এই ২৮৫ বিঘাৰ বৃহৎ অঞ্চলটো স্থানীয় নেতৃস্থানীয় ব্যক্তিৰ সহযোগত উদ্ধাৰ কৰে। এই অঞ্চলটোৱেই হাবুং বুলি চিনাক্ত কৰে আৰু ইয়ে হৈছে আহোমৰ দ্বিতীয় ৰাজধানী। এই ৰাজধানীৰ কেন্দ্ৰস্থলত অৱস্থিত আহোম মন্দিৰ (চাও-চেং-ৰেণ)ত তাই আহোম সকলে নিজস্ব ধৰ্মীয় ৰীতি-নীতিৰে পূজা-সেৱা আগবঢ়ায়।

বৰ্তমান উত্তৰ পাৰত থকা হাবুঙৰ সামগ্ৰিক অৱস্থা ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত সেই সময়ত থকা হাবুঙতকৈ নিশ্চয় উচ্চ। স্বৰ্গদেউ চ্যুকাফাই ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ আহি ৰাজধানীৰ বাবে স্থান নিৰ্দ্ধাৰিণ কৰোঁতে বহু দিশ চালি-জাৰি চাই দূৰদৰ্শী ব্যক্তিজনাই হাবুঙতে ৰাজধানী পতাৰ সিদ্ধান্ত লোৱা এইটো এক কাৰণ হ'ব পাৰে। হাবুং অঞ্চলটো ব্ৰহ্মপুত্ৰৰ উজনি অংশৰ উত্তৰপৰীয়া শাখা নৈ সমূহৰ অৱবাহিকা অঞ্চল, দ' ঠাই। হাবুঙৰ সম্পৰ্কত পৰিব্ৰাজক ইবন বটুতাই তেওঁৰ 'চফল নামা'ত উল্লেখ কৰা মতে স্বৰ্ণশ্ৰী (সোৱণশিৰি)ৰ দুয়োপাৰে হাবুং নামৰ সমৃদ্ধিশালী আৰু উচ্চ স্তৰৰ এখন নগৰ আছিল আৰু ইয়াৰ সভ্যতা-সংস্কৃতি উচ্চ স্তৰৰ। ইয়াক পুনঃ উদ্ধাৰ বৰ্তমান সমাজৰ দায়িত্ব আৰু কৰ্তব্য। হাবুং ঠাইখনৰ জৰীপ আৰু বিশ্লেষণাত্মিক চিন্তাৰ প্ৰয়োজন।

হাবুঙৰ অতীত ইতিহাসলৈ লক্ষ্য কৰিলে স্বৰ্গদেউ চুহুংমুঙৰ ৰাজ্য সম্প্ৰসাৰণৰ

দিশটো প্ৰথমেই আমাৰ চকুলৈ আহে। ১২২৮ খ্ৰীঃত স্বৰ্গদেউ চুকাফাই আহোম ৰাজ্য প্ৰতিষ্ঠা কৰাৰ পূৰ্বেই ৬৬৪ খ্ৰীঃৰ পৰা ১০১৬ খ্ৰীঃ পৰ্যন্ত চুতীয়া সকলে হাবুঙত ৰাজত্ব কৰিছিল। পৰৱৰ্তী সময়ত চুকাফাই হাবুঙত ৰাজধানী পতাৰ পাছতো হাবুঙত প্ৰায় ৩০০ বছৰলৈ বাৰভূঞা আৰু চুতীয়াসকলৰ শাসন অব্যাহত আছিল। পিছে চুহুংমুঙে ১৫২২ খ্ৰীঃৰ পৰা দুবছৰমানৰ ভিতৰতে বাৰভূঞা আৰু চুতীয়া ৰাজ্য নিজৰ দখললৈ আনে। চুতীয়াসকলৰ আদিৰাজধানী মাজুলীৰ ৰত্নপুৰ (বৰ্তমানৰ ৰতনপুৰ) আছিল। পিছত সত্যনাৰায়ণ ৰজাৰ দিনত হাবুঙৰ সধয়াপুৰীত ৰাজধানী পাতিছিল। চুতীয়া ৰজা সত্যনাৰায়ণ, লক্ষ্মীনাৰায়ণ আদি ৰজায়ে ডুলিমেৰ, পশ্চিম ধেমাজী, ঢকুৱাখনা, মাছখোৱা, ঘিলামৰাত ব্ৰাহ্মণক মাটি-বৃত্তি দি বহুৱাইছিল। সম্ভৱতঃ ১৫২৬ খ্ৰীঃত চুহুংমুঙ দিহিঙ্গীয়া ৰজাই হাবুং দখল কৰিছিল আৰু তাৰ কিছুবছৰৰ আগৰে পৰা (১৪৯৭-১৫৩৯ ৰ ভিতৰত) তাই আহোমসকলৰ হাবুঙলৈ প্ৰব্ৰজন ঘটে। চুতীয়া আৰু ভূঞাসকলে একগোট হৈ আহোমৰ বিৰুদ্ধে যাতে বিদ্ৰোহ কৰিব নোৱাৰে তাৰ বাবে চুহুংমুঙ ৰজাই য'লৈ-ত'লৈ নি তেওঁলোকক বহুৱাইছিল।

১৬০৩ খ্ৰীঃত আহোম যুগৰ অতি বিচক্ষণ আৰু দূৰদৰ্শী স্বৰ্গদেউ প্ৰতাপসিংহই আহোম ৰাজসিংহাসন আৰোহণ কৰে। এইজনা স্বৰ্গদেউৱে উত্তৰ পাৰৰ হাবুঙত বহুতো জনকল্যাণমূলক কাম কৰিছিল। ১৬৩৩ খ্ৰীঃত স্বৰ্গনাৰায়ণখ্যাত প্ৰতাপসিংহ স্বৰ্গদেউৱে উজনি মাজুলীৰ চৰাইচোঙত প্ৰথম ৰাজকীয় পক্ষী উদ্যান প্ৰতিষ্ঠা কৰে। এইখনেই হৈছে সমগ্ৰ এছিয়াৰ ভিতৰত প্ৰথম ৰাজকীয় পক্ষী উদ্যান। পৰৱৰ্তী সময়ত ৰাজবিষয়া সকলে চৰাইচোঙৰ পৰাই কিছুলোকৰ হতুৱাই শেন চৰাই ধৰাই নি প্ৰশিক্ষণৰত চৰাইবোৰক যুঁজত অৱতীৰ্ণ কৰোৱাইছিল যি শেন চৰাই যুঁজ বিহু আৰু উৎসৱ-পাৰ্বণত স্বৰ্গদেউসকলে উপভোগ কৰি আনন্দ লভিছিল। এই শেন চৰাই ধৰা আৰু প্ৰশিক্ষণ দিয়া লোকসকলক শেনচোৱা নামেৰে জনা হৈছিল। এই ইতিহাসৰ সাক্ষীস্বৰূপে মাজুলীৰ শেনচোৱা গাঁওখনে আজিও ঐতিহ্য বহন কৰি আছে।

স্বৰ্গদেউ প্ৰতাপসিংহ খুবেই চতুৰ, দূৰদৰ্শী আৰু দক্ষ প্ৰশাসক আছিল। লগতে সক্ৰিয় সমাজসংগঠকো আছিল। তেওঁ আহোম ৰাজ্য সম্প্ৰসাৰণৰ লগতে ৰাজ্যখন সংগঠিত কৰিছিল। প্ৰজাৰ কল্যাণ আৰু সুৰক্ষাৰ বাবে অসংখ্য বাট-পথ, পুখুৰী, গড়, গাঁও-নগৰ আৰু দৌল-দেৱালয় নিৰ্মাণ কৰিছিল। তেওঁ মাজুলী পৰ্যন্ত আহোম ৰাজ্য বিস্তাৰৰ লগতে আহোম ৰাজ্যৰ ভৌগোলিক সুৰক্ষা, প্ৰশাসনিক সংস্কাৰ, লোকপিয়ল, নগৰ পৰিকল্পনা আৰু সংযুক্ত প্ৰতিৰোধ আদি ক্ষেত্ৰ সমূহতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। তেওঁ আছিল আহোমৰ অন্যতম শ্ৰেষ্ঠ ৰজা।

স্বৰ্গদেউ জয়ধ্বজ সিংহৰ ৰাজত্বকালত মাজুলীৰ আউনীআটী সত্ৰ, দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ আৰু গোপালপুৰ সত্ৰ প্ৰতিষ্ঠা হৈছিল। স্বৰ্গদেউ জয়ধ্বজ সিংহই আৰ্য হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ ফলত তেওঁৰ ওপৰত ব্ৰাহ্মণ পণ্ডিতসকলৰ প্ৰভাৱ পৰিছিল। ইয়াৰে আউনীআটী সংগ্ৰহালয়ত আহোমযুগৰ লাচিতৰ হেংদাং, গদাধৰ সিংহই ব্যৱহাৰ কৰা খোৱা বাচন-বৰ্তন, হাতীদাঁতৰ ফুলাম চকী, হাতী দাঁতৰ মেজ, হাতী দাঁতৰ লাখুটি, খৰম, পাটি, দবা আদি পোৱা যায়। দক্ষিণপাট সত্ৰতো প্ৰাক্ আহোম যুগৰ বিগ্ৰহ, শিলাখণ্ড, আহোমযুগৰ তামৰ ফলি, বৰটোপ, হেংদাং, সোণৰ লাখুটি, মাইহাং, বানবাতি, বানকাঁহি, ৰূপৰ বৰ শৰাই আদি সংৰক্ষিত। একেদৰে গড়মূৰ সত্ৰতো আহোম যুগৰ বৰটোপ, হাতী গাড়ীৰ চকা, কাঠত কটা ঐতিহাসিক মূৰ্ত্তি, হাতী দাঁত, ম'হৰ শিং আদি সংৰক্ষিত। এইবোৰ সংগ্ৰহালয়ে মাজুলীক বৰ্তমান সময়ত পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তুলিছে।

সাম্প্ৰতিক সময়ত হাবুঙত প্ৰতিদিনে শতাধিক দৰ্শনাৰ্থীয়ে ভিৰ কৰে। অথচ হাবুং এতিয়াও পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ় লৈ উঠা নাই। হাবুঙক পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাটো হাবুং পৰিচালনা সমিতি আৰু ৰাইজৰ দায়িত্ব আৰু কৰ্তব্য। ◆

# কলা-কৃষ্টিৰ সাধক বিষ্ণুপ্ৰসাদ ৰাভা আৰু বৰ্তমান সময়ত ইয়াৰ প্ৰাসঙ্গিকতা

প্ৰতিমা চেতিয়া

যি ব্যক্তিৰ গুণাবলীৰ সৈতে ব্যক্তিগৰাকীৰ সততা, ত্যাগ, ন্যায়নিষ্ঠা আদি মানবীয় গুণৰ সমাহাৰ ঘটে, তেনে ব্যক্তিৰ ব্যক্তিত্বহে আদৰ্শনীয়। এনে আদৰ্শনীয় ব্যক্তিত্বক যাইকে সত্যাশ্ৰয়ী আৰু সৃজনীশীল এই দুটা ভাগত বিভক্ত কৰিব পাৰি। যি ব্যক্তিয়ে সততা আৰু ন্যায়নিষ্ঠাৰে জীৱন-যাপন কৰে আৰু কোনো ব্যক্তি বিশেষক বা সমাজৰ কোনো ক্ষতি নকৰাকৈ যিকোনো কাম সৎভাৱে সম্পন্ন কৰে তেনেধৰণৰ মানুহ সমাজত প্ৰভাৱশালী হৈ পৰে আৰু এনে ব্যক্তিত্বকে সত্যাশ্ৰয়ী ব্যক্তিত্ব বুলি কোৱা হয়। অন্যহাতে দ্বিতীয়বিধ অৰ্থাৎ সৃজনীশীল ব্যক্তিত্বৰ পৰিসৰ প্ৰথম বিধতকৈ যথেষ্ট বিস্তৃত বুলি ক'ব পাৰি। এই শ্ৰেণীৰ ব্যক্তিত্ব গঢ় লৈ উঠে যাইকৈ অধ্যয়নপুষ্ট জ্ঞানৰ বিশালতা, চিন্তাচেতনাৰ গভীৰতা,দৃষ্টিভংগীৰ সুদূৰ প্ৰসাৰিতা, মানৱজাতিৰ মঙ্গলাৰ্থে আত্মোৎসৰ্গা আৰু বিবিধ প্ৰকাৰ স্বকীয় সৃজনীশীলতা আদি গুণবোৰৰ সমাহাৰত। বিষ্ণুপ্ৰসাদ ৰাভা উল্লিখিত গুণসমূহৰ সমন্বিত এক অনন্য প্ৰতিভাৰ আকৰ স্বৰূপ।

অসমৰ জন-জীৱনৰ ইতিহাসত বিষ্ণুপ্ৰসাদ ৰাভা এক উজ্জ্বল নক্ষত্ৰস্বৰূপ বুলি ক'ব পাৰি। যুগনায়ক মহাপুৰুষ শংকৰদেৱৰ পিছতে অসমীয়া সাহিত্য-সংস্কৃতিৰ ইতিহাসত জ্যোতি-বিষ্ণু আৰু ফণী শৰ্মাৰ নাম সোণালী আখৰেৰে খোদিত হৈ আছে। হৰি নামৰ অমিয়া ৰসেৰে আধ্যাত্মিক চেতনা বোৱাই ঐক্য সম্প্ৰীতিৰ ডোলেৰে শংকৰদেৱে যিদৰে অসমৰ সংস্কৃতিৰ বৰভেটি নিৰ্মাণ কৰি থৈ গ'ল, সেই ভেটিত তেওঁলোকে ন-চিন্তা-চেতনাৰে আটকধুনীয়া কৰি সোণত সোৱগা চৰাই অতি মোহনীয় কৰি থৈ গ'ল। গুণ আৰু কৰ্মৰ জোখেৰে বিষ্ণুপ্ৰসাদ ৰাভাক এক অনন্য প্ৰতিভাৰ অধিকাৰী বুলি ক'ব পাৰি। তেওঁ কলা-কৃষ্টিৰ সাধনাৰে, ত্যাগৰ মহিমাৰে অসমক যি দি গ'ল সি সঁচাকৈ আশ্চৰ্যকৰ।

বিষ্ণুপ্ৰসাদ ৰাভা আছিল একাধাৰে গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ, গল্পকাৰ, কবি, বুৰঞ্জীবিদ, নৃত্যশিল্পী, অভিনেতা, মঞ্চ পৰিচালক, চিত্ৰ পৰিচালক, সমাজ সংগঠক, খেলুৱৈ, সুবক্তা আৰু এজন দাৰ্শনিক। একেজন ব্যক্তিৰ মাজত ইমানবোৰ গুণৰ সমাহাৰ অতি আশ্চৰ্যকৰ বিষয়। মহাপুৰুষ শংকৰদেৱৰ দৰেই অসমৰ জন-জীৱনলৈ বিষ্ণুপ্ৰসাদ ৰাভাৰ অৱদান কোনো গুণে কম নহয় বুলি ক'ব পাৰি। সেয়ে তেওঁৰ জীৱন আৰু কৃতিত্বত গৱেষণাৰ অনেক থল থকাৰ লগতে বৰ্তমান সময়ত ইয়াৰ প্ৰাসঙ্গিকতাও বিদ্যমান।

সাম্প্ৰতিক সময়ত সমাজৰ সকলো দিশতে ঘূণে ধৰা পৰিলক্ষিত হৈছে। ধৰ্ম, সমাজ, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতিকে ধৰি সকলো দিশতে ব্যক্তি জীৱনৰ পৰা সমাজ জীৱনলৈ এক প্ৰত্যাহ্বান আহি পৰিছে। এনে প্ৰত্যাহ্বানৰ পৰিপ্ৰেক্ষিতত বিষ্ণুপ্ৰসাদ ৰাভাৰ গুণ, কৰ্ম, ত্যাগ আৰু নীতি আদৰ্শই আমাক সকিয়াই দিয়ে শান্তি-শৃংখলাপূৰ্ণ সমাজৰ সবল নাগৰিক

হ'বলৈ। সেয়ে বৰ্তমান সময়ত বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱনাদৰ্শৰ বিষয়ে অধ্যয়ন কৰাৰ গুৰুত্ব আহি পৰিছে। সেই গুৰুত্বলৈ লক্ষ্য ৰাখি এই আলোচনাটিত বিষ্ণু প্ৰসাদ ৰাভাৰ জীৱনৰ গুণ আৰু কৰ্মই মানৱ সমাজলৈ কেনে বাৰ্তা প্ৰেৰণ কৰিছে আৰু বৰ্তমান সময়ত কিদৰে ইয়াৰ প্ৰাসঙ্গিকতা আহি পৰিছে সেই বিষয়ে চমু আলোকপাত কৰাই এই অধ্যয়নৰ মূল উদ্দেশ্য।

কলা-কৃষ্টিৰ সাধনাৰে অশেষ ত্যাগ আৰু কঠোৰ পৰিশ্ৰমেৰে বিষ্ণুপ্ৰসাদ ৰাভাই অসমৰ জনজীৱনলৈ যি দি গ'ল, সেই কাৰ্যক্ৰমণিকাৰ মাজত যিবোৰ গুণৰ প্ৰকাশ ঘটিছে তাৰ ভিতৰত অধ্যয়নপুষ্ট জ্ঞানৰ বিশালতা দিশটো আটাইতকৈ গুৰুত্বপূৰ্ণ। কাৰণ যিকোনো কাৰ্য বা কথাৰ বিষয়ে যদি অধ্যয়ন বা অভিজ্ঞতা নাথাকে, তেন্তে সেই কৰ্ম কেতিয়াও নিপুণ আৰু নিখুঁত হ'ব নোৱাৰে। অধ্যয়নপুষ্ট জ্ঞানৰ দ্বাৰাহে সকলো কাম নিখুঁত তথা সফল হৈ উঠে। বিষ্ণু ৰাভা আছিল প্ৰকৃতাৰ্থত এজন নিপুণ কলাকাৰ আৰু সেই কলাৰ অধিকাৰী হ'ব পাৰিছিল তেওঁৰ অধ্যয়নপুষ্ট জ্ঞানৰ বিশালতাৰে। বিষ্ণুপ্ৰসাদ ৰাভা আৰু আন আন শিল্পীৰ মাজত এক পাৰ্থক্য বিৰাজমান। কাৰণ তেওঁ কেৱল নৰ্তক, গায়ক, অভিনেতা বা অনেক গুণৰ অধিকাৰীয়েই নাছিল, তেওঁ নৃত্য, গীত, নাটক, অভিনয় আদি কলাৰ তাত্ত্বিক কথাবোৰো অধ্যয়ন কৰি আয়ত্ত কৰিছিল। তেওঁ নৃত্য বিষয়ক গ্ৰন্থ অধ্যয়ন কৰি নৃত্যৰ ব্যাকৰণবোৰো যে আয়ত্ত কৰিছিল, সেই কথাৰ প্ৰমাণ পোৱা যায়, তেওঁ শিৱৰ তাণ্ডৱ নৃত্য প্ৰদৰ্শন কৰোঁতে এশ আঠ ধৰণেৰে প্ৰদৰ্শন কৰা কাৰ্যৰ যোগেদি। তদুপৰি বিপ্লৱী ভূমিকাৰে ভ্ৰাম্যমান জীৱন যাপন কৰা ৰাভাই ওদালগুৰিৰ এখন জনসভাৰ ভাষণত ৰুদ্ৰৰ এঘাৰটা ৰূপৰ তাত্ত্বিক ব্যাখ্যা দাঙি ধৰিছিল। অজৈকপাছ, অহিব্ৰধ, বিৰূপাক্ষ, সুৰেশ্বৰ, জয়ন্ত, বহুৰূপ, ত্ৰ্যম্বক, অপৰাজিত, সবিত্ৰ, হৰ শিৱ আৰু ৰুদ্ৰৰ এই এঘাৰটা ৰূপৰ তাত্ত্বিক ব্যাখ্যা দাঙি ধৰিব পৰা কথাযাৰতে প্ৰমাণ কৰিব পাৰি যে তেওঁ নৃত্য, গীত, বাদ্য, নাটক, অভিনয় আদি কলাৰ বৈয়াকৰণিক বা তত্ত্ব কথাবোৰো অধ্যয়ন কৰি সেই জ্ঞানেৰে পৰিপুষ্ট হৈছিল। তদুপৰি তেওঁ সকলো দিশৰ গ্ৰন্থ অধ্যয়ন কৰিছিল। তিলক দাসৰ— "বিষ্ণুৰাভা এতিয়া কিমান ৰাতি" গ্ৰন্থখনৰ দুবাৰডলিত গাঁথি দিয়া ৰাভাৰ চিঠিখনৰ পৰাই তেখেতৰ অধ্যয়নৰ পৰিসৰ কিমান বিস্তৃত সেই কথা অনুধাৱন কৰিব পাৰি। বিষ্ণুৰাভাৰ ৰচনা সম্ভাৰত সন্নিবিষ্ট ভাৰতীয় সংগীত, নাটক আৰু থিয়েটাৰ, ভাৰতীয় নাট্যকলা, নৃত্যকলা, নৃত্যৰ অভিনয়, হৰগৌৰী নৃত্য বা অৰ্দ্ধনাৰীশ্বৰ তন্ত্ৰশাস্ত্ৰ আদি প্ৰবন্ধৰাজিৰ যোগেদি অধ্যয়নশীল ৰাভাৰ পৰিচয় পোৱা যায়। তদুপৰি মানৱজাতি, অতীত অসম, অসমীয়া কৃষ্টি, বজ্ঞানৰ বিলুপ্তি কাহিনী আদি প্ৰবন্ধৰ দ্বাৰা বিষ্ণুপ্ৰসাদ ৰাভাৰ গৱেষক আৰু পণ্ডিত মনৰ প্ৰকাশ ঘটিছে। কেৱল ইমানে নহয়, সৰ্বানন্দ সিংহ, ৰাঘৱ সিংহ, মায়ামৰীয়া বিদ্ৰোহ আদি প্ৰবন্ধৰ মাজত বিষ্ণুপ্ৰসাদ ৰাভাক বুৰঞ্জীবিদ হিচাপেও পাব পাৰি। লগতে ৰাজনৈতিক বিষয় সম্বলিত প্ৰবন্ধও ৰাভাই লিখিছিল। ইমানবোৰ বিষয়ত দখল থকা বিষ্ণুৰাভা যে এজন জ্ঞানান্বেষী অধ্যয়নপিপাসু মনৰ লোক আছিল সেই কথা সহজে অনুমেয়। সাগৰ সদৃশ বিশাল অধ্যয়নৰে জ্ঞানপুষ্ট বিষ্ণুৰাভাৰ ব্যক্তিত্ব সেয়ে সৌন্দৰ্যশালী হৈ পৰিছিল আৰু সেইবাবেই তেওঁ এক অনন্য প্ৰতিভাৰ অধিকাৰী।

কিন্তু বৰ্তমান সময়ত কি ধৰ্ম, সমাজ, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি সকলো ক্ষেত্ৰতে অধ্যয়নৰহিত অনভিজ্ঞ লোকেও সামাজিক ক্ষেত্ৰত দপ্‌দপাই থকা পৰিলক্ষিত হয়। ভণ্ড ধৰ্মগুৰুৰ ভণ্ডামি, সামাজিক দিশত অনভিজ্ঞ লোকৰ নেতৃত্ব বহন, পাবত গজা শিল্পী, কোনো ঐতিহাসিক জ্ঞান নথকা স্বাৰ্থন্বেষী ৰাজনীতিবিদৰ ক্ষমতাকে ধৰি অৰ্থনীতিৰ দিশতো জ্ঞানৰ

পৰিপুষ্টতা থকা ব্যক্তিৰ অভাৱ পৰিলক্ষিত হয়। আনকি আধুনিক প্ৰযুক্তিবিদ্যাৰ নিত্য নতুন উদ্ভাৱনৰ অৱদানে উঠি অহা নৱপ্ৰজন্মক অধ্যয়নবিমুখ কৰি তোলা পৰিলক্ষিত হয়। প্ৰকৃত অধ্যয়ন আৰু সাধনাৰ অবিহনেও বহুতো অৰ্হতা সম্পন্ন মানৱ সম্পদৰ সৃষ্টি হৈছে। এই ধৰণৰ মানৱ সম্পদে ভৱিষ্যতে যে সমাজৰ সকলো দিশলৈ ভাবুকি কঢ়িয়াই আনিছে সেই কথা অনস্বীকাৰ্য। ফলস্বৰূপে মানৱ সমাজ যে অন্ধকাৰ গৰাহলৈ অৱনমিত হ'ব সি ধ্ৰুৱপ। এনে প্ৰেক্ষাপটত সমাজৰ প্ৰতিজন ব্যক্তিয়ে বিষ্ণুৰাভাৰ অধ্যয়নপুষ্ট জ্ঞান আৰু কৰ্মক জীৱনৰ আদৰ্শ হিচাপে গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয় বুলি ক'ব পাৰি।

বিষ্ণুৰাভাৰ জীৱন আদৰ্শস্বৰূপ হোৱাৰ আন এটা গুণ হ'ল- তেওঁৰ চিন্তাচেতনা। এজন ব্যক্তিৰ চিন্তা-চেতনাৰ ৰং আৰু ৰূপ অনুসৰি ব্যক্তিজনৰ বহিৰ্জীৱনৰ প্ৰকাশ ঘটে। অৰ্থাৎ ব্যক্তিজনৰ কৰ্মত তেওঁৰ চিন্তা-চেতনা প্ৰতিফলন ঘটে। ষাঠী বছৰীয়া জীৱন কালত বিষ্ণুৰাভাই যিমানবোৰ কৰ্ম কৰিলে তাৰ মাজত নিজস্ব চিন্তা-চেতনা বৈচিত্ৰ্যপূৰ্ণভাৱে প্ৰকাশ ঘটিছে। সেয়ে বিষ্ণুৰাভা দৰ্শন বুলি এক স্বতন্ত্ৰ দৰ্শন এটা গঢ় লৈ উঠিল। এজন শিল্পীৰ এক স্বতন্ত্ৰ দৰ্শন গঢ়ি উঠিবলৈ হ'লে শিল্পীগৰাকীৰ প্ৰতিভাৰ বিশালতাৰ লগতে তেওঁৰ দায়বদ্ধ চেতনাও থাকিব লাগিব। বিষ্ণুৰাভা যে সেই গুণেৰে গুণান্বিত তাত সন্দেহ নাই। তেওঁ দায়বদ্ধ চেতনাৰে উদ্বুদ্ধ আছিল বাবেই বৃত্তিধাৰী শিল্পী নাছিল। বৰঞ্চ তেওঁ অশেষ কষ্টৰে জনতাৰ মাজত থাকি জনতাৰ সুখ-দুখৰ সমভাগী হৈছিল। জনতাৰ মঙ্গলৰ কথা চিন্তা কৰিয়েই তেওঁ গাইছিল আৰু লিখিছিল। সেয়ে তেওঁ ক'ব পাৰিছিল যে- ৰাইজৰ অন্তৰ ফুলনিৰ ফুলে ফুলে উৰি উৰি পৰি পৰি মৌ গুটি ভোমোৰাৰ দৰে ৰস শুহি শুহি তেওঁ তেওঁৰ হৃদয়ত মৌ কোঁহ ৰচনা কৰে। সেই ৰাইজৰেই মৌ তেওঁ ৰাইজক বিলায়। সেই কথা ব্যক্ত কৰি তেওঁ কৈছিল সেইটো হৈছে শিল্পীৰ ধৰ্ম আৰু তেওঁ সেই ধৰ্ম পালন কৰিছে। তেওঁ এজন নিঃস্বাৰ্থ শিল্পী আৰু সেৱক। চৰকাৰী পঁটাবাহন, চৰকাৰী পদবী, চৰকাৰী অনুগ্ৰহণ প্ৰতিও যে তেওঁ অনাসক্ত আছিল সেই কথাৰ উমান পাব পাৰি চৰকাৰে যাচি দিয়া ডি. এচ. পি. পদবীৰ দৰে চাকৰি গ্ৰহণ নকৰা কাৰ্যৰ দ্বাৰা। জনতাৰ মুক্তি যে শাসক শ্ৰেণীটোৰ দ্বাৰা সম্ভৱ নহয়, সাধাৰণ জনতাইহে নিজৰ মুক্তি নিজে কৰিব পাৰে সেই কথা বিষ্ণুৰাভাই হৃদয়ঙ্গম কৰিব পাৰিছিল আৰু সেই উদ্দেশ্যেৰে সাধাৰণ জনতাক জাগৃত কৰি তুলিবলৈ কৈছিল যে- আমি মুকুতি দেউল বান্ধিব লাগিব, আৰু মুকুতিৰ দেউলৰ বৰ চোতালত নিপীড়িত অৰ্ধহাৰী, অনাহাৰী, পিষ্টক্লিষ্ট জনতাই ৰংঘৰ কাৰেংঘৰ সাজিব লাগিব। তদুপৰি বিষ্ণুৰাভাই ইতিহাস প্ৰমাণিত উপলব্ধিৰে কোৱা আৰু এষাৰ কথাৰ পৰা তেওঁৰ চিন্তাৰ গভীৰতা আৰু স্পষ্টভাৱে উমান পাব পাৰি। তেওঁ কৈছিল যে- যিবিলাক ধনী, জমিদাৰ, হাকিম, পুঁজিপতি, চাহ বাগিচাৰ মালিক, তেওঁলোকে বাপতিসাহোনীয়া সম্পত্তি অসমৰ কৃষ্টি-সংস্কৃতি উপহাৰ আৰু আমোদৰ উপকৰণ বুলি ইতিকিং কৰি নিষ্ঠুৰ আনন্দ লভে। তথাকথিত শিল্পীৰ পৰা নিলগত থাকি গণচেতনাৰ গভীৰতা আৰু স্পষ্টতাৰ আৰু অনেক উদাহৰণ আছে যদিও এই দুটা উদাহৰণেই যথেষ্ট বুলি ক'ব পাৰি।

দৃষ্টিভংগীৰ সুদূৰ প্ৰসাৰিতা বিষ্ণুপ্ৰসাদ ৰাভাৰ অনন্য প্ৰতিভাৰ স্বাক্ষৰস্বৰূপ। ৰাভাৰ দৃষ্টিত মানুহৰ জীৱনে ধৰা দিছিল বিশাল আৰু সু-গভীৰ ৰূপত। যিজন বিষ্ণু ৰাভাই অসমক মৰিবলৈ নিদিওঁ, অসমীয়া সংস্কৃতিক লুপ্ত হ'বলৈ নিদিওঁ বুলি উদাত্তকণ্ঠে ঘোষণা কৰিছিল, সেইজন ৰাভাই অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীসমূহকো সমানে মৰ্যদা দিছিল। জাতীয়তাবাদী চিন্তাৰে উদ্ভাসিত একেজন বিষ্ণুৰাভাই কিন্তু দেশ কালৰ উৰ্দ্ধলৈ গৈ সমগ্ৰ মানৱ জাতিৰ মঙ্গলৰ হকে

নিজকে উছৰ্গা কৰিছিল। তেওঁ জনতাৰ সৈতে একাত্মভাৱে থাকি জনতাৰ মনৰ কথা প্ৰকাশ কৰিবলৈ গল্প, কবিতা, নাটক, উপন্যাস আদি লিখিছিল। দৃষ্টিভংগীৰ সুদূৰপ্ৰসাৰিতাৰ বাবেই তেওঁ মানৱৰ মঙ্গল সাধনৰ বাবে ত্যাগ আৰু বিপ্লৱ কৰি সাধাৰণ জনতাকো সেই ভাবেৰে উদ্বুদ্ধ কৰাৰ উদ্দেশ্যেৰে উদাত্ত কণ্ঠেৰে আহ্বান জনাই কৈছিল যে-ৰাইজসকল, হতশ্ৰী হোৱা, দুৰ্কপলীয়া, হালোৱা হজুৱা বনুৱা ভাইসকল: যেতিয়ালৈকে ধনীৰ আইনৰ বৰপেৰাটো আপোনালোকে ভাঙি নেপেলায় তেতিয়ালৈকে সুখ, শান্তি আৰু মুক্তি নহয়, সেই পেৰা যন্ত্ৰটো নাশ কৰিবৰ বাবেই বিপ্লৱ কৰিব লাগে।

ব্যক্তিজীৱন, জাতীয় জীৱন আৰু সামগ্ৰিক মানৱৰ কল্যাণ আৰু মুক্তিৰ বাবে গভীৰ দায়বদ্ধ চেতনা আৰু প্ৰেৰণাৰে যিখন হাতেৰে ৰাভাই লিখিছিল, সেই একেখন হাতেৰে আকৌ তেওঁ প্ৰয়োজন সাপেক্ষে ষ্টেণ্ডগানৰ দৰে মাৰণাস্ত্ৰ তুলি ল'বও পাৰিছিল। হিংসা বৃত্তিক চৰিতাৰ্থ কৰাৰ মানসেৰে তেওঁ ষ্টেণ্ডগান হাতত লোৱা নাছিল, মানুহৰ মৌলিক অধিকাৰ স্বাধীনতা বা মুক্তিক প্ৰতিহত কৰা সমাজৰ শাসক, শোষক শ্ৰেণীক নিঃশেষ কৰি মানৱৰ মুক্তিৰ কথা চিন্তা কৰিহে তেওঁ হাতত ষ্টেণ্ডগান তুলি লৈছিল। সমগ্ৰ বিশ্বৰ জনতাৰ মুক্তিৰ আকাংক্ষাৰে ৰাভাই যি কৈছিল, যি লিখিছিল, যি গাইছিল আৰু জীৱনজুৰি ত্যাগ স্বীকাৰ কৰিছিল তাৰ বাবেই তেওঁ অনন্য প্ৰতিভাৰ অধিকাৰী হিচাপে আৰু এজন সাধক হিচাপে স্বীকৃত। জনতাৰ কল্যাণৰ বাবে আত্মোৎসৰ্গ কৰা গুণৰ বাবেই বিষ্ণুৰাভা যুগজয়ী বা কালজয়ী শিল্পী হিচাপে পৰিগণিত হ'ল। দুহেজাৰ বিঘা মাটিৰ মালিক হৈয়ো সেই মাটিৰ মোহ ত্যাগ কৰি জনকল্যাণৰ হকে যাযাবৰী জীৱন অতিবাহিত কৰা এই কিংবদন্তী পুৰুষজনে ওৰেটো জীৱন যি কৰিলে জনতাৰ বাবেই কৰিলে। মাটিয়েই আছিল তেওঁৰ আশ্ৰয় স্থল আৰু জনতাই আছিল তেওঁৰ আত্মা-এই আদৰ্শ শিৰত লৈ ৰাভাই ওৰেটো জীৱন সাধাৰণ জনতাৰ মুক্তিৰ বাবে ঘৰে ঘৰে গৈ বিপ্লৱৰ বাণী প্ৰচাৰ কৰি কেইবাটাও সংগঠন গঢ়ি তুলিলে। তেওঁক আটক কৰিবলৈ জনতাৰ শত্ৰু শাসক শ্ৰেণীটোৱে বিচাৰি ফুৰা সময়ছোৱাত তেওঁ জনতাৰ মাজতে আত্মগোপন কৰি থাকিল আৰু সেই সময়তে তেওঁ 'মুক্তি ফৌজ', 'নাৰী মুক্তি সংঘ' আৰু 'কৃষক বনুৱা পঞ্চায়ত' নামৰ সংগঠনৰ গঢ় দি গাঁৱৰ সাধাৰণ জনতাৰ মাজত এক জনজাগৰণৰ সৃষ্টি কৰিছিল। তেওঁ কেৱল জনতাৰ অন্ন-বস্ত্ৰৰ কথা চিন্তা কৰিয়েই ক্ষান্ত নাছিল, তেওঁ অসমৰ কলা সম্পদসমূহ তথা সামগ্ৰিকভাৱে অসমৰ সাংস্কৃতিক বিকাশৰ কথাও চিন্তা কৰি সেইবোৰৰ চৰ্চা আৰু গৱেষণামূলক অধ্যয়নৰ বাবে 'প্ৰাগজ্যোতিষ কলা পৰিষদ' নামৰ এক অনুষ্ঠানৰ জন্ম দিছিল। লগতে সেই অনুষ্ঠান জীয়াই ৰাখিবলৈ তেওঁ এখন বাস্তৱধৰ্মী আঁচনি তৈয়াৰ কৰি চৰকাৰৰ হাতত অৰ্পণ কৰিছিল।

অসমৰ চিনেমা শিল্প বিকাশৰ বাবে তেওঁ জ্যোতিপ্ৰসাদৰ নিৰ্ভৰযোগ্য সহকৰ্মী হিচাপে আত্মনিয়োগ কৰিছিল। তেওঁ আনকি জেলৰ কয়দী সকলাকো সঙ্গীত আৰু অভিনয় কলাৰ শিক্ষা প্ৰদান কৰিছিল। মুঠৰ ওপৰত তেওঁ আছিল এজন অক্লান্ত কৰ্মযোগী মহান সাধক। তেওঁৰ কৰ্মক্ষেত্ৰ আছিল জনতা, কৰ্মৰ লক্ষ্য আৰু উদ্দেশ্যও আছিল জনতা আৰু অমৰত্বও লাভ কৰিলে জনতাৰ হকে আত্মত্যাগৰ মহিমাৰে। বিষ্ণুপ্ৰসাদ ৰাভাৰ আন এক প্ৰতিভা হ'ল মৌলিক সৃজনীশীলতা। ঢাকাত জন্মগ্ৰহণ কৰা ৰাভাই ৯ বছৰ বসয়তে এখন উৰ্দুভাষাৰ নাটকত অভিনয় প্ৰদৰ্শন কৰি দৰ্শকক চমৎকৃত কৰি তুলিছিল। সমগ্ৰ জীৱন শিল্প সাধনাৰে অতিবাহিত কৰা ৰাভাই এফালে গণ-মুক্তিৰ চেতনা আৰু সমান্তৰালকৈ কলা সাধনা কৰা এই দুই বিপৰীতধৰ্মী কাৰ্য সফলভাৱে ৰূপায়ণ কৰা কাৰ্য সাধাৰণতে অসাধাৰণ ব্যক্তিৰ ক্ষেত্ৰতহে সম্ভৱ। তেওঁ আছিল এজন মুৰ্ত্তিশিল্পী। ৰংপুৰৰ

কাৰমাইকেল কলেজৰ ছাত্ৰ হৈ থাকোঁতেই তেওঁ অৰিয়েণ্টেল ঠাঁচত সৰস্বতীৰ মূৰ্ত্তি এখন নিৰ্মাণ কৰি সকলোকে বিস্ময়বিমুগ্ধ কৰি তুলিছিল। তেওঁৰ কলাত্মক বিচিত্ৰতাৰ নিদৰ্শন পোৱা যায়- এবাৰ কলিকতাৰ মেচুৱা বজাৰত অনুষ্ঠিত এখন প্ৰদৰ্শনীত বিষ্ণুৰাভাই ভিক্টৰ হুগোৰ Hunsback of Noterdom চৰিত্ৰৰ ভাও দিছিল আৰু এই চৰিত্ৰটোৰ ভাও দিওঁতে তেওঁ নিজৰ মেকআপ নিজে কৰিছিল। লক্ষণীয় কথা হ'ল ৰাভাৰ সেই কিম্ভূত কিমাকাৰ মেক-আপ দেখি দৰ্শক মণ্ডলীৰ বহুতে ভয়ত বিতত হৈ চিঞৰি উঠিছিল। তেওঁ সৃজনী প্ৰতিভাৰ আন এক উদাহৰণ হ'ল তেওঁ যিকোনো ভাষাৰ গীত নিৰ্দিষ্ট ভাষাত নিৰ্দিষ্ট সুৰত পৰিবেশন কৰিব পাৰিছিল। শান্তি নিকেতনৰ বিশ্ব ভাৰতীত গীত পৰিবেশন কৰি দৰ্শক আৰু শ্ৰোতামণ্ডলীৰ পৰা বিপুল সমাদৰ লাভ কৰিবলৈ সমৰ্থ হোৱাৰ লগতে সকলোকে আচৰিতো কৰি তুলিছিল।

যি কি নহওক উল্লিখিত কথাখিনিৰ পৰাই বিষ্ণুৰাভাৰ ব্যক্তিত্বৰ কথা একেযাৰে ক'ব পাৰি যে- তেওঁ এজন আজীৱন শিল্পসাধনা কৰা ব্যতিক্ৰমী শিল্পী, সৰ্বদিশৰ তত্ত্বজ্ঞ জ্ঞানী পুৰুষ, ওৰেটো জীৱন জনগণৰ মঙ্গলাৰ্থে আত্মোৎসৰ্গ কৰা আজীৱন মানৱ প্ৰেমিক, নিপুণ কলাকাৰ, আনহাতে গণমুক্তিৰ চিন্তাৰে উদ্বুদ্ধ হৈ হাতত ষ্টেণ্ডগান তুলি ল'ব পৰা সঁচা অৰ্থত বিপ্লৱী মনীষাৰ অসাধাৰণ সত্তা।

বৰ্তমান সময়ত সকলো ক্ষেত্ৰতে মানৱীয় মূল্যবোধৰ অৱক্ষয়ে সমাজখনক কলুষিত কৰি তোলাৰ লগতে বহুক্ষেত্ৰত অগ্নিগৰ্ভা পৰিস্থিতিৰো সৃষ্টি হৈছে। এনে প্ৰেক্ষাপটত ঘুণে ধৰা সমাজখন সৰ্বাঙ্গসুন্দৰ ৰূপত গঢ়ি তুলিবলৈ আজি যেন এজন বিষ্ণুৰাভাৰ প্ৰয়োজন হৈছে। সেয়ে উঠি অহা নৱপ্ৰজন্মৰ মাজত বিষ্ণুৰাভাৰ নীতি-আদৰ্শক বহুল প্ৰচাৰিত কৰি তেওঁৰ আদৰ্শৰে অনুপ্ৰাণিত কৰি তুলিব পাৰিলে অদূৰ ভৱিষ্যতে নিশ্চয়কৈ এখন সুস্থ সবল সমাজৰ আশা কৰিব পাৰি। বৰ্তমান সময়ত অধ্যয়ন বিমুখিতাক অধ্যয়নশীল কৰি তুলিব পাৰিলে সুদূৰ প্ৰসাৰী চিন্তা চেতনাৰ গভীৰতাই গা কৰি উঠিব। তেতিয়াহে হেৰাই যোৱা মানৱীয় মূল্যবোধ পুনৰ ঘূৰি আহিব আৰু মানৱজাতিৰ মঙ্গলাৰ্থে সকলো সচেষ্ট হৈ উঠিব বুলি আশা কৰিব পাৰি। তদুপৰি উঠি অহা নৱপ্ৰজন্মক যদি সৃজনীশীল কামত আত্মনিয়োগ কৰিবলৈ চেষ্টা কৰা হয়, তেতিয়া বৰ্তমান সময়ৰ বিষাক্ত আৱহাৱাই তেওঁলোকক বিপথে পৰিচালিত কৰি উশৃংখলতাৰ পৰা দূৰত ৰাখিব। সেয়ে বিষ্ণুৰাভাৰ দৰে সাধক শিল্পীৰ আদৰ্শ বৰ্তমান সময়ত প্ৰাসংগিকতা বিদ্যমান। তেওঁৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ সমাজখনৰ সৰ্বাঙ্গীন উন্নতিৰ হকে কাম কৰিবলৈ আমি প্ৰত্যেকজন ব্যক্তিয়ে অহোপুৰুষাৰ্থ কৰা উচিত, সেই আহ্বানেৰে কওঁ-

"মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ
আমিও কৰিব পাৰো জীৱন গঢ়িত।"

◆

(পূৰ্ব প্ৰকাশিত)

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


দাস, তিলক ঃ বিষ্ণুৰাভা এতিয়া কিমান ৰাতি, প্ৰকাশক: শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মা, চন্দ্ৰ প্ৰকাশ, পাণবজাৰ গুৱাহাটী-১, পঞ্চম প্ৰকাশ, জুন, ১৯৯৭।

বৰুৱা, দিলীপ কুমাৰঃ আমাৰ শিল্পী বিষ্ণুপ্ৰসাদ ৰাভা, প্ৰকাশক ঃ পৃথিতীৰ্থ প্ৰকাশন, গোলাঘাট-৭৮৫৬২১, অসম, প্ৰথম প্ৰকাশ, মাৰ্চ, ১৯৯৮।

# হোমেন বৰগোহাঞিঃ ন্যাস এক অৱলোকন

হেমন্ত কুমাৰ বৰুৱা

হোমেন বৰগোহাঞিঃ, কেৱল এজন ব্যক্তিৰ নাম নহয়,এক সত্বা, স্বাভিমান ,এটা বিশাল অনুষ্ঠান। অসমৰ বৌদ্ধিক জগতৰ মুকুট বিহীন সম্ৰাট স্বৰূপ এই যুগদ্ৰষ্টা মহীৰুহৰ ১৯৩২ চনৰ ৭ ডিচেম্বৰত ঢকুৱাখনাৰ বালিগাঁৱৰত জন্ম হৈছিল। ২০১১ চন পৰ্যন্ত যাতায়াত -যোগাযোগৰ দৃষ্টিৰে এক প্ৰকাৰ কলিয়াপানী সদৃশ ঢকুৱাখনাত প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰিয়েই জীৱন গঢ়াৰ বাবে ওপজা ঠাইখন এৰিছিল। আকাশৰ দৰে বিশাল ব্যক্তিত্বৰ অধিকাৰী একেধাৰে আপোচবিহীন সাংবাদিক, সম্পাদক, ঔপন্যাসিক, গল্পকাৰ, নিবন্ধকাৰ অদ্বিতীয় কথাশিল্পী,অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অসমীয়া বিশ্বকোষৰ স্ৰষ্টা হোমেন বৰগোহাঞিৰ অনুপম ৰচনা সম্ভাৰৰ সংৰক্ষণ, সৃষ্টিশীল কৰ্মৰাজিৰ প্ৰচাৰ আৰু প্ৰয়োগৰ উদ্দেশ্যে হোমেন বৰগোহাঞিক অৱগত কৰিয়েই ঢকুৱাখনাত ২০১২ চনৰ ১৫ জুনত 'হোমেন বৰগোহাঞি ন্যাস' গঠন কৰা হৈছিল । ঢকুৱাখনা নগৰৰ মাজমজিয়াত সাহিত্যিকজনে ল'ৰালি কালত সাঁতুৰি-নাদুৰি কটোৱা তেওঁৰ অতিকৈ প্ৰিয় নৈ চাৰিকড়ীয়াৰ পাৰৰ ডেৰ বিঘা মাটিত স্থায়ীভাৱে নিৰ্মাণ কৰা হৈছে হোমেন বৰগোহাঞি ন্যাস। অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু স্থানীয় বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী নব কুমাৰ দলেই হোমেন বৰগোহাঞিৰ প্ৰতি থকা শ্ৰদ্ধা, সদিচ্ছা তথা কৃতজ্ঞতাৰ চিনস্বৰূপে তেওঁলোকৰ পৃষ্ঠপোষকতা আৰু ন্যাসৰক্ষীসকলৰ কঠোৰ পৰিশ্ৰম, ত্যাগৰ ফলশ্ৰুতিত নিৰ্মাণ কৰা হৈছে ৪৫০০ বৰ্গ ফুটৰ দুমহলীয়া সুন্দৰ ভৱন। ন্যাস প্ৰাংগণত ২০২৫ চনৰ ৭ ডিচেম্বৰত ঢকুৱাখনাৰ স্বাভিমানৰ প্ৰতীক বৰগোহাঞিৰ ব্ৰঞ্জৰে নিৰ্মিত ভূমিৰ পৰা ২১ ফুট উচ্চতাৰ এক সুন্দৰ প্ৰতিমূৰ্ত্তি। নব কুমাৰ দলেই পৃষ্ঠপোষকতাত ভাস্কৰ্য শিল্পী বীৰেণ সিংহই নিৰ্মাণ কৰা প্ৰতিমূৰ্ত্তিটো উন্মোচন কৰে বিধায়ক দলেই। উক্ত গৌৰৱময় অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সেৱানিবৃত্ত উপাচাৰ্য ডঃ অমৰজ্যোতি চৌধুৰী। সেই স্বৰ্ণীল মুহুৰ্তৰ সাক্ষী হৈ ৰয় সাংসদ প্ৰদান বৰুৱা, বিশিষ্ট লেখক, ডাঃ অঞ্জনজ্যোতি চৌধুৰী আৰু কবি অনুপমা বসুমতাৰীকে প্ৰমুখ্যে বহু গণ্যমান্য ব্যক্তি। উল্লেখ্য যে হোমেন বৰগোহাঞি ন্যাস প্ৰতিষ্ঠাৰ পিছত প্ৰশংসা আৰু তোষামোদত সদাবিৰক্ত সহিত্যিকজন তিনিবাৰ উপস্থিত হৈ আনন্দ অনুভৱ কৰা পৰিলক্ষিত হৈছিল। তেওঁ ন্যাসৰ পুথিভঁৰাললৈ তিনি সহস্ৰাধিক গ্ৰন্থ আগবঢ়াই থৈ গৈছিল। তাৰোপৰি পূৰ্বাঞ্চল প্ৰকাশ স্বত্বাধিকাৰ 'কটন কলেজ' উপন্যাসৰ ঔপন্যাসিক নবীন বৰুৱায়ো এক লাখ টকা মূল্যৰ গ্ৰন্থ ন্যাসৰ পুথিভঁৰাললৈ দান কৰিছে। উল্লেখ্য যে হোমেন বৰগোহাঞি ন্যাসে প্ৰতি দুবছৰৰ মূৰে মূৰে সৃজনীমূলক গদ্য সাহিত্যৰ ক্ষেত্ৰখনলৈ উল্লেখনীয় অৱদান আগবঢ়োৱা লেখক (৪০ বছৰ অনুৰ্ধৰ)লৈ ৰাজ্যিক ভিত্তিত 'হোমেন বৰগোহাঞি সাহিত্য বঁটা' আৰু প্ৰকৃতি সংৰক্ষণৰ হকে বিশেষভাৱে কাম কৰি অহা ব্যক্তিলৈ "হোমেন বৰগোহাঞি প্ৰকৃতি বঁটা" আগবঢ়াই আহিছে।

ইয়াৰোপৰি বৰগোহাঞিদেৱৰ নামত এটি পুথিভঁৰাল প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। আনহাতে হোমেন বৰগোহাঞিৰ মৃত্যু তিথি শ্ৰদ্ধাৰ্ঘ্য হিচাপে প্ৰথম ১৫ দিন 'প্ৰেৰণাৰ এপখেক' নামৰ এক বিশেষ কাৰ্যসূচী ন্যাসে পালন কৰি আহিছে। চকুবাশনা মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ সহযোগত ন্যাসে বিভিন্ন স্কুল- কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতি বছৰে হোমেন বৰগোহাঞিৰ জীৱন আৰু সাহিত্যকৰ্ম সম্পৰ্কে আলোচনা-সমালোচনাৰ পোন্ধৰটা অনুষ্ঠান পাতি আহিছে । একেদৰে এই পখেকটোত ন্যাসৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীৰ মাজত আৰ্ট অৱ লিভিং , কুইজ, ৰচনা প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা হয় । বিগত বৰ্ষৰ পৰা ন্যাস আৰু 'শ্ৰুতিমালা সৰগম'ৰ যুটীয়া প্ৰচেষ্টাত গ্ৰীষ্ম বন্ধৰ সময়ছোৱাত এক সাংস্কৃতিক কৰ্মশালাৰো আৰম্ভ কৰা হৈছে যাৰ জৰিয়তে শিশু আৰু কিশোৰসকলে সাংস্কৃতিক দিশত বিশেষ অনুশীলনৰ যোগেদি আগুৱাই যোৱাৰ সুবিধা লাভ কৰিব পাৰে। এটা দশক ধৰি ন্যাসৰ এটা আহল-বহল কোঠাত বিনামূলীয়া যোগ চৰ্চা চলিয়েই আছে । উল্লেখযোগ্য যে এই চৰ্চা কেন্দ্ৰ সকলো বয়সৰ লোকৰ বাবেই উপলব্ধ।

'হোমেন বৰগোহাঞি ন্যাস'ৰ এই বিনম্ৰ প্ৰচেষ্টাক সফল কৰি তুলিবলৈ সমগ্ৰ অসমবাসীৰে সহায় সহযোগিতা আৰু আশীৰ্বাদৰ প্ৰয়োজন বুলি আমি বিনীতভাৱে স্বীকাৰ কৰোঁ । ◆



# অসমৰ প্ৰথম সংবাদ আলোচনী অৰুণোদয় ওপৰত একলম

✍ নন্দ চুতীয়া

বছৰছেৰেক হ'ল। এখন অসমীয়া দৈনিক কাকতত অৰুণোদয় সংবাদ আলোচনীখনৰ ওপৰত লিখা এজন লিখকৰ এটা লিখা পঢ়িছিলো। কাকতখনৰ নাম আৰু লিখকৰ নাম এতিয়া আৰু মনত নপৰে। কিন্তু লিখকজন যে নামনি অসমৰ ফালৰ মানুহ হ'ব ই খাটাং। লিখকজনে লিখাটোত এনেকৈ উল্লেখ কৰিছিল— বেপটিচ মিছনেৰী সকলে ১৮৪৬ চনত শিৱসাগৰত ছপাশাল বহোৱাই উজনি অসমৰ ভাষাটোকেই ব্যৱহাৰ কৰি প্ৰথম অসমীয়া সংবাদ পত্ৰ অৰুণোদয় প্ৰকাশ কৰি প্ৰচাৰ কৰা কাৰণেই উজনি অসমৰ ভাষাটোৱেই অসমীয়া জাতিৰ ভাষা হিচাবে স্বীকৃতি পালে। যদি বৃটিছ মিছনেৰী সকলে শিৱসাগৰ এৰি নামনি অসমত থিতাপি লৈ অৰুণোদয়খন প্ৰকাশ কৰিলেহেঁতেন তেন্তে নামনি অসমৰ ভাষাটোকে ব্যৱহাৰ কৰি নামনি অসমৰ ভাষাটোৱেই অসমৰ ৰাজ্যিক ভাষা বুলি স্বীকৃত হ'লহেঁতেন ই ধ্ৰুৱপ। লিখক জনৰ সচা মিছা এই ধাৰণাৰ ওপৰত এতিয়া আৰু যুক্তি তৰ্ক দিবলৈ আৱশ্যক নাই। কিন্তু এটা কথা ধ্ৰুৱ সত্য যে বৃটিছ মিছনেৰী সকলে অৰুণোদয়খন অসমীয়া ভাষাত ছপা কৰি বঙালী ভাষাৰ গ্ৰাসৰ পৰা অসমীয়া ভাষাটোক ৰক্ষা কৰিবলৈ প্ৰভূত বৰঙণী যোগাইছিল সেয়া আকাশত জোন বেলি ওলোৱাৰ দৰেই সত্য কথা। বৃটিছ ৰাজত্বত চতুৰ বঙালী সকলে অসমীয়া ভাষাটো বঙালী ভাষাকেই উপভাষা বুলি বৃটিছক কৌশলে পতিয়ন নিয়াই অসমৰ স্কুল কলেজত বঙালী ভাষাটো জাপি দিছিল। আখৰৰ আকৃতি একে হ'লেও অসমীয়া ভাষাটো বঙালী ভাষাৰ লগত সম্পূৰ্ণ অমিল, বৃটিছ মিছনেৰী সকলে অৰুণোদয়খন অসমীয়া জাতিৰ মনীষা সকলে অনেক যুক্তিদি অনেক তথ্য দৰ্শাই অনেক যুঁজ বাগৰ কৰি অসমীয়া ভাষাটো চৰকাৰী ভাৱে ৰাজ্যিক ভাষা ৰূপে মৰ্যদা পাবলৈ বিংশ শতাব্দীৰ মাজভাগলৈকে অসমীয়াই আন্দোলন কৰিব লগা হৈছিল আনকি শ্বহীদ পৰ্যন্ত হ'ব লগা হৈছিল সেই আন্দোলনটো শ্বহীদ হৈছিল কেইবাজনো। অৱশেষত যেনিবা অসমী আই অমিয়া ভাষাটো ঈশ্বৰৰ কৃপাত অসমীয়া জাতিৰ নিজস্ব ভাষা বুলি ৰক্ষা পৰিল আৰু ভাৰতীয় জাতি গণৰ মাজত তিষ্ঠি ৰ'লগৈ। ১৮৪৬ চনত ব্যাপটিছ মিছনেৰী সকলে প্ৰকাশ কৰা অৰুণোদয়খনে অসমীয়া ভাষা সাহিত্য সভাৰ পূৰ্ণ সহযোগত 'অৰুণোদয় দিৱস' উদযাপন কৰি মহৎ চিন্তাৰ পৰিচয় দিছে। তাৰ বাবে সাহিত্য সংস্কৃতিৰ লগত জড়িত দুয়োটা অনুষ্ঠানৰ উদ্যোক্তা সকলক শ্ৰদ্ধা জনাইছো, শলাগ লৈছো আৰু ধন্যবাদ জ্ঞাপন কৰি ইমানতে লিখাটো ইতি দিছো। ◆

# অসমীয়া ভাষাৰ জয়যাত্ৰা

✍ সঞ্জীৱ উপাধ্যায়

অসমবাসীৰ বাবে ২০২৪ চনৰ তিনি অক্টোবৰ তাৰিখটো অতি উল্লেখযোগ্য দিন ভাষা হিচাপে চিহ্নিত হৈ ৰ'ব। অসম সাহিত্য সভাই তিনি অক্টোবৰ দিনটো ধ্ৰুপদী ভাষা স্বীকৃতি দিন হিচাপে উদযাপন কৰাৰ মনস্থ কৰিছে। অসমবাসীৰ বাবে অতি গৌৰৱ আৰু আনন্দৰ দিন বুলি ক'বই লাগিব। কিয়নো অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ সকলো অৰ্হতা পূৰণ কৰি সৰ্বভাৰতীয় পৰ্যায়ত স্বীকৃতি হোবাৰ লগতে ইউনিকডত স্থান পোৱাৰো যোগ্যতা পালে। ভাষা গবেষণা কেন্দ্ৰ আৰু ভাৰতৰ সকলো কেন্দ্ৰীয় বিশ্ববিদ্যালয় পৰ্যায়ত অসমীয়া ভাষাৰ আসন সুনিশ্চিত হ'ব। এই ক্ষেত্ৰত অসম সাহিত্য সভা আৰু অসম প্ৰকাশন পৰিষদে বহু প্ৰচেষ্টাৰ দ্বাৰা প্ৰায় তিনিশ পৃষ্ঠাৰ প্ৰতিবেদন প্ৰস্তুত কৰি অসম চৰকাৰক প্ৰদান কৰিলে। অসম চৰকাৰেও যথেষ্ট গুৰুত্ব দি কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰিলে। ভাৰত চৰকাৰৰ কেবিনেটে অসমীয়া ভাষাৰ লগতে মাৰাঠী, বেংগলী, পালি আৰু প্ৰাকৃত ভাষাক স্বীকৃতি প্ৰদান কৰি ভাষা সেনানী সকলক সন্মান প্ৰদৰ্শন কৰিলে।

ধ্ৰুপদী শব্দৰ অৰ্থ হৈছে এ৯ন বৎ অথবা নপদ। বেদত ধ্ৰুব শব্দৰ অৰ্থ হৈছে শাশ্বত, স্থিৰ, উৎকৃষ্ট, অপৰিবৰ্তনীয় ইত্যাদি। ভাৰতৰ ধ্ৰুপদী ভাষা, শাস্ত্ৰীয় ভাষা নতুবা ক্লাচিকেল ভাষা বুলিলে প্ৰাচীন, মূল্যবান মৌলিক আৰু সুকীয়া সাহিত্যিক ঐতিহ্য থকা ভাৰতীয় ভাষাসমূহক বুজায়। বৰ্তমানলৈকে ভাৰত চৰকাৰে এঘাৰটা ভাষাক ভাৰতৰ ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰিছে। ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ে ভাষাৰ অৰ্হতা চাই ধ্ৰুপদী ভাষাৰ মৰ্যাদাত অনুমোদন জনোৱাৰ পাছত ভাৰত চৰকাৰে কেবিনেট বৈঠক অনুষ্ঠিত কৰি অনুমোদন জনায়। ২০০৪ চনত ভাৰত চৰকাৰে ঘোষণা কৰে যে কিছুমান কঠোৰ মানদণ্ড পূৰণ কৰা ভাষাসমূহক ভাৰতৰ ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়া হ'ব। ২০০৪ চনৰ পাঁচ ফেব্ৰুৱাৰীত কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰী মহাৰাণী চন্দ্ৰেশ কুমাৰী কাটোচে ৰাজ্যসভাত ধ্ৰুপদী ভাষাৰ এই আধাৰ নীতি ঘোষণা কৰিছিল। এদল তামিল ভাষাপ্ৰেমী পণ্ডিত আৰু ভাষাবিদৰ শতাধিক বছৰীয়া নিৰন্তৰ দাবীত তথা তদানীন্তন ৰাষ্ট্ৰপতি ড°এ.পি.জে. আব্দুল কালামৰ বিশেষ আগ্ৰহত কেন্দ্ৰীয় চৰকাৰে সেইনীতি আৰু চৰ্তাৱলীৰ আধাৰত ২০০৪ চনৰ ১৭ ছেপ্তেম্বৰত তামিল ভাষাক প্ৰথমবাৰৰ বাবে ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰে। পৰৱৰ্তী সময়ত আৰ্যমূলীয়া ভাষা (খ্ৰীষ্টপূৰ্ব ১৫০০ শ বছৰৰ আগৰ) সংস্কৃত ভাষাক ২০০৫ চনত, দ্ৰাবিড়মূলীয় কন্নড় আৰু তেলেগু ভাষাক ২০০৮ চনত, দ্ৰাবিড়মূলীয় ভাষা মালায়ালম ভাষাক ২০১৩ চনত, আৰ্যমূলীয় ভাষা উড়িয়া ভাষাক ২০১৪ চনত আৰু ২০২৪ চনত আৰ্যমূলীয় ব্ৰাহ্মী লিপিৰ উৎসৰ অসমীয়া, বেংগলী, মাৰাঠী, পালি আৰু প্ৰাকৃত ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰি ভাষা-সাহিত্যৰ প্ৰতি আনুগত্য প্ৰকাশ কৰে।

অ আ ই ঈ উ ঊ ঋ এ ঐ ও ঔ

ক, খ, গ, ঘ, ঙ　চ, ছ, জ, ঝ, ঞ

ট, ঠ, ড, ঢ, ণ　ত, থ, দ, ধ, ন　প, ফ, ব, ভ, ম

য, ৰ, ল, ৱ　শ, ষ, স, হ　ক্ষ, ড়, ঢ়, য়

সাংস্কৃতিক মন্ত্ৰণালয়ে বান্ধি দিয়া অৰ্হতাসমূহ চমুকৈ তলত উল্লেখ কৰা হ'ল-

১) প্ৰাচীন উৎপত্তিঃ- এই ভাষাৰ ইতিহাস ১০০০ বছৰৰ পৰা ২৫০০ বছৰ আগৰ হ'ব লাগিব।

২) সাহিত্যিক তাৎপৰ্যঃ- ভাষাটোবে উল্লেখযোগ্য সাহিত্যিক ৰচনা উৎপন্ন কৰিব লাগিব। ভাষাৰ বক্তাসকল সংস্কৃতি আৰু পৰিচয় গঢ় দিয়াত প্ৰভাৱশালী থাকিব লাগিব।

৩) আনুষ্ঠানিক ব্যাকৰণ আৰু বাক্য গঠনত শব্দভাণ্ডাৰ নিৰ্দিষ্ট হ'ব লাগিব।

৪) আইকনিক মৰ্যাদাঃ- ভাষাটোৱে প্ৰতীকী গুৰুত্ব পাবলৈ ইয়াৰ বক্তাসকলৰ সাংস্কৃতিক ঐতিহ্যক প্ৰতিনিধিত্ব কৰিব লাগিব।

৫) চিৰস্থায়ী প্ৰভাৱঃ-আধুনিক ভাষা-সাহিত্যৰ চিন্তাধাৰাত ভাষাই প্ৰভাৱ বিস্তাৰ অব্যাহত ৰাখিব লাগিব।

৬) শিলালিপি, তাম্ৰলিপি আৰু মুদ্ৰাত উল্লেখিত বিষয়বোৰ স্পষ্ট হোৱা হ'ব লাগিব। এই অৰ্হতাসমূহৰ কিছুমান সুবিধা আছে। সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ কৰে, ভাষিক বৈচিত্ৰ্যক প্ৰসাৰিত কৰে, ভাষা শিক্ষাত সহায় কৰে, সাংস্কৃতিক আৰু বুজাবুজিৰ পোষকতা কৰে। লগতে ভাষাক অৰিহণা যোগোৱা কাৰকসমূহ হৈছে- ঐতিহাসিক তাৎপৰ্য, সাংস্কৃতিক গুৰুত্ব, সাহিত্যিক অৱদান, ভাষিক স্বকীয়তা আৰু ধাৰাবাহিক পৰম্পৰা।

বহু সংগ্ৰাম আৰু ভাষাবিদসকলৰ অশেষ চেষ্টাৰ ফলত আজি অসমীয়া ভাষাই এই সন্মান লাভ কৰিলে। আমি পাহৰিব নালাগে ১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈ অসমত অসমীয়া ভাষাৰ যি সংকটকালীন অৱস্থা হৈছিল, সেই সংকট দূৰ কৰিবলৈ অথবা অসমীয়া ভাষাক পুনৰুদ্ধাৰৰ বাবে যি মহান ব্যক্তিসকলে চেষ্টা চলাইছিল সেইসকলৰ ভিতৰত নাম ল'ব পাৰি- হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম শৰ্মা ডেকাবৰুৱা, আনন্দৰাম ঢেকীয়াল ফুকন আৰু বহুতো ভাষাপ্ৰেমীয়ে বঙালী ভাষাৰ পৰিবৰ্তে পুনৰ অসমীয়া ভাষাক শিক্ষাৰ মাধ্যম কৰি তুলিলে। পিছলৈ লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, আনন্দচন্দ্ৰ আগৰৱালা, নলিনীবালা দেৱী, জ্যোতিপ্ৰসাদ আগৰৱালা, পদ্মনাথ গোহাঞিবৰুৱা আদি বহুতো লেখক-সাহিত্যিকে অসমীয়া ভাষা উদ্ধাৰৰ প্ৰচেষ্টা কৰিছিল। ১৮৪৬ চনত অৰুণোদয়, ১৮৮৯ চনত বাঁহী আৰু সেইদৰে বিজুলী, জোনাকী আদি বহুতো আলোচনী প্ৰকাশেৰে মনৰ ভাৱ, সামাজিক অৱস্থা আৰু পৰিৱেশ সম্বন্ধীয় লেখা ৰচনা প্ৰকাশ কৰি জনসাধাৰণক একত্ৰিত কৰাত সুবিধা কৰি দিছিল আৰু নিজেও বহুতো ৰচনা লিখি ভাষা আৰু স্বদেশপ্ৰেমত জাগ্ৰত কৰিছিল।

গতিকে আমি অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি পালে বুলি জয়গান গাই থাকিলে নহ'ব। এই ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰত সকলোৱে গুৰুত্ব দিব লাগিব। মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহ সুৰক্ষাৰ বাবে চৰকাৰেও চিন্তা কৰিব লাগিব। ইংৰাজী মাধ্যমত পঢ়িলেও যাতে অসমীয়া ভাষা শিকিব পাৰি তাৰ ব্যৱস্থা ল'ব লাগিব। লগতে আন্টি, আংকেল, ডেডি, মামী, পাপা আদি শব্দ শুধৰাব হ'ল। আমি বিদ্যালয় অৱস্থাৰ পৰাই অসমীয়া ভাষা নতুবা মাতৃভাষা শুদ্ধকৈ কওঁ আৰু লিখিবৰ বাবে সংকল্প ল'ব লাগিব আৰু অভিভাৱকসকলেও ঘৰত শুদ্ধ ভাষা প্ৰয়োগ কৰাত গুৰুত্ব দিব লাগিব। লগতে ছাত্ৰ-ছাত্ৰীক অসমীয়া কিতাপৰ লগত সম্বন্ধ কৰাব লাগিব আৰু সাহিত্য সৃষ্টিৰাজি সৃজনত সহায় কৰিব লাগিব। তেহে অসমীয়া ভাষা অনাদি কাললৈ জীয়াই থাকিব।

◆

# আহোম ৰাজত্ব কালৰ সেনাপতি হাবুঙীয়া বীৰ পিকচাই চেতিয়া বৰফুকন

ৰাজীৱ বৰুৱা

অসমত প্ৰায় ছশ বছৰ ৰাজত্ব কৰা আহোম স্বৰ্গদেউসকলে তেখেতসকলৰ শাসনকালত পূৰ্বৰে পৰা ৰাজ্যখনত থকা বিভিন্ন জাতি-জনগোষ্ঠীৰ সৈতে সম্প্ৰীতি ৰক্ষা কৰি চলিছিল। আহোমৰ বাহিৰেও বেলেগ জাতি-জনগোষ্ঠীৰ বল-বিক্ৰম বা বুদ্ধি-বৃত্তিত পাকৈত লোকক আহোম ৰাজ প্ৰশাসনত বিভিন্ন সাধাৰণ বিষয়-বাব দিয়াৰ উপৰি মুখ্য সেনাপতি বা বৰফুকন পাতিছিল। ১০২২ খ্ৰীষ্টাব্দতে পাল ৰাজবংশই ৰাজত্ব কৰা এই হাবুং নগৰৰ বহুকেইজন লোকে এসময়ত আহোম ৰাজ্যৰ প্ৰশাসনত বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়-বাব পাইছিল। গড়গঞা দিহিঙীয়া ৰজাৰ বৰপুত্ৰ-চুখাম্‌ফা খোৰা ৰজাৰ দিনত আহোম সৈন্যই চুতীয়া ৰাজ্য আক্ৰমণ কৰাৰ সময়ত কিছুমান সৈন্য ধৰি আনি হাবুঙত পাতিছিলহি। এনে এজন সৈন্য আছিল থাও-ৰতুৰ-চুতীয়া। এই থাও-ৰতুৰ-চুতীয়াৰে এজন পুত্ৰ-পিকচাইক চুখাম্‌ফা খোৰা ৰজাই হাজৰিকা পাতিছিল। এইজনা আহোম স্বৰ্গদেউ চুখাম্‌ফা খোৰাৰজাৰ দিনতে পুনৰ কোঁচ ৰাজ্যৰ সেনাপতি চুচু কুতুৱ আৰু টেপুৰে উজাই আহি সলা পালেহি। আহোম সৈন্যইও সলাত কোঠ দিলে। বাধা পায় দুই কোঁচ সেনাপতি লুইতে উজাই দিখৌমুখ পালেগৈ। এই খবৰ পোৱাৰ পিছতে চাৰিং ৰজা, বৰগোঁহাই, আৰু বৰপাত্ৰ গোঁহাইয়ে ৰাজমন্ত্ৰী ত্যৱাইখেক বুঢ়াগোহাঁইৰ সৈতে আলোচনা কৰি লুইতে ভটিয়াই গ'ল কোঁচৰ দুই সেনাপতিক ভেটিবলৈ। চুচু কুতুৱ আৰু টেপুৰে গধূলি সময়ত উজাই গৈ ৰাতি লুইতে ভটিয়াই আহোম সৈন্যলৈ হিলৈ মাৰিলে। দুই-চাৰি জনৰ গাত গুলি লগাৰ বাবেই আহোম সৈন্য সেই ঠাইৰ পৰা পলাল। সেই সুযোগতে দুই কোঁচ সেনাপতি লুইতে ভটিয়াই গৈ উত্তৰ পাৰৰ হাবুঙৰ সাৰ্হিমুখ (হাৰ্হিমুখ) ৰ চাপৰিত ৰ'লহি। পিছত আহোম সৈন্যই খেদি গৈ সাৰ্হিমুখৰ চাপৰিত যুদ্ধ কৰিলেগৈ। কোঁচ আৰু আহোমৰ মাজৰ এইখন যুদ্ধতে আহোম সৈন্যৰ পালি সেনাপতি-ত্যাওমুংচং, লাপেত থাওমুং আৰু হাবুঙৰ পিকচাই হাজৰিকা তিনিওজন পৰিল। কোঁচ সৈন্যই আহোম সেনাৰ এগৰাকী বিষয়া চেওখামৰ নাতিয়েকক ধৰি নিলে। (পৃ-৩৩/দে:অ:বু:সু:ভূ:)

যুদ্ধ জয়ৰ খবৰ পায় কোঁচ ৰজা লুইতে উজাই আহি দিখৌমুখৰ পোনত উত্তৰ পাৰত হাবুঙৰ দক্ষিণ সীমান্তত বাহৰ পাতি ৰ'লহি। আহোমে সন্ধিৰ প্ৰস্তাৱ আগবঢ়োৱাত সেই যুদ্ধ স্থগিত হয়, আৰু কোঁচ ৰজা সৈন্য সহ হাবুঙৰ সীমান্তৰ মাজুলীৰ পৰা ওলটি যায়। চুখাম্‌ফা ৰজাৰ বিয়োগৰ পিছত তেওঁৰ পুত্ৰ বুঢ়া ৰজা প্ৰতাপসিংহৰ দিনত এইজন পিকচাই

হাজৰিকাই নিজৰ বুদ্ধি-বিক্রমৰ বলত এসময়ত বৰফুকনৰ বিষয়বাব লাভ কৰিবলৈ সক্ষম হৈছিল। বৰ্তমানৰ ঢকুৱাখনা (হাবুং) ৰ লোক বুলি চৰ্চিত এইগৰাকী হাবুঙৰ লোক পিকচাই হাজৰিকাকে স্বৰ্গদেউ প্ৰতাপসিংহই প্ৰথমে লুইতৰ দক্ষিণে কাজলীমুখ আৰু উত্তৰে ভৰলী সীমা কৰি হাতীমুৰা পাহাৰৰ ওচৰত কোঠ মাৰি থাকিবলৈ দিছিল। পিকচাইক সহযোগৰ বাবে লগত-ৰণক পানীফুকন, ফংপিং পানীফুকন আৰু মদনখোৰা পানীফুকন নামৰ ৩ জন নৌ যুদ্ধত দক্ষ বিষয়াও দিছিল হাতীমুৰাত থাকিবলৈ। পিকচাইয়ে নিজৰ দায়িত্ব সুচাৰুভাৱে পালন কৰা হেতু ক্রমান্বয়ে বুঢ়াৰজা প্ৰতাপসিংহৰ বিশ্বাসী বিষয়া হৈ পৰিছিল। পিকচাই আৰু তিনি পানীফুকনে হাতীমুৰাত থাকোতেই বঙালৰ সেনাপতি সত্ৰাজিতে বৃহৎ সৈন্য বাহিনী লৈ আহি অতৰ্কিতে আহোম সৈন্যৰ শিবিৰত আক্ৰমণ চলায়। পৰ্যাপ্ত সৈন্য আৰু যুদ্ধাস্ত্ৰ মজুত নথকাৰ বাবেই হঠাৎ হোৱা এই আক্ৰমণ প্ৰতিহত কৰিব নোৱাৰি পিকচাই সহ তিনিও পানীফুকন পিচুৱাই আহাত বঙাল সৈন্য আগুৱাই আহি হাতীমুৰা পাৰ হৈ উজাই বিশ্বনাথ পাইছিলহি। হাতীমুৰাৰ আহোম সৈন্যৰ শিবিৰত যি যেনেকৈ পালে সকলো সামগ্ৰী লুটি নিছিল। তাৰপিছত তিনি দিন বিশ্বনাথত থাকি বিশ্বনাথ দেৱালয়ৰ গোসাঁই (মূৰ্ত্তি) ৰ অলংকাৰ আৰু সেই দেৱালয়ত থকা তিনিজনী নটিনী (নাচনী) ছোৱালীও বঙালে ধৰি লৈ গৈছিল। ইয়াৰ পৰবৰ্তী সময়ত পিকচাইকে প্ৰমুখ্যে কৰি তিনিজন গোহাঁই আৰু দাঁতিয়লীয়া ৰজাসকলে যুদ্ধৰ কৌশল প্ৰস্তুত কৰি আগবাঢ়ি গৈ ভৰলীৰ ওচৰত বঙালৰ শিবিৰত আক্ৰমণ চলালেগৈ। সেই অতৰ্কিত আক্ৰমণত বঙালো ভাগি-ভুহৰি পলাল। বহু বঙালক আহোম সৈন্যই কচু কটা দিলে। আহোম সৈন্যই ভৰলীৰ ওচৰতে এটা খাগৰি গড় বান্ধি ৰাখিলে। সেই যুদ্ধতে আহোম সৈন্যৰ কিছুমান প্ৰধান বীৰ-শ্ৰীফল বৰা, লেচাম বৰা, লেচাম সন্দিকৈ বৰফুকন, চিনিং দাং আদি লোক মৰিল। বঙালৰ গজদেৱ ৰজাও মৰিল। বঙালৰ সেনাপতি সত্ৰাজিতৰ পুতেক এটাক নাৱত ধৰি নি কামাখ্যাত বলী দিয়া হ'ল। এইদৰে আহোম সৈন্য আগুৱাই গৈ হাবুঙীয়া পিকচাইৰ নেতৃত্বত এইবাৰ কাজলীমুখত কোঠ দি ৰ'লগৈ-১৫৩৮ শকত। (পৃ-৪৯-৫০/সু:ভু:অ:বু:) বঙাল আৰু আহোম এই যুদ্ধৰপূৰ্বেই বঙাল দেশৰ ৰতন্ চা(ৰতন শ্বাহ) নামৰ এটা চৰ্দাৰে শিঙৰিত আহি আগৰ কাঠৰ বেহা চলাই আছিল। এদিন হাবুঙীয়া পিকচাইয়ে সেই বঙাল চৰ্দাৰক লগ পায়- 'কোঁচ ৰাজ্য দখল কৰি বৰ আসৈ পালি; সেইদৰে আমাৰ ৰাজ্য দখলৰো কৌশল কৰ;পুনৰবাৰ ইয়াত পালে তোক নেৰিম'বুলি ধমক দি বঙাল চৰ্দাৰৰ আগৰকাঠ কাঢ়ি ৰখি থৈছিল। বঙালৰ এই ৰতন্ চা'(শ্বাহ)ক খেদাৰ বাবে শুৱালকুচিৰ ওচৰত বাহৰ পাতি থকা; বঙাল সৈন্যৰ সেনাপতি সত্ৰাজিতে ৬০ বাচৰু নাওৰে কলঙে উজাই আহি চলা (বৰচলা)ত আক্ৰমণ কৰিছিলহি।(পৃ-৮১/বাঁহগৰীয়া বু:গো:বুৰঞ্জী:সু:ভু:)

উল্লেখ্য যে এইজন পিকচাই কাজলীমুখ চকীত থকা সময়তে কছাৰী ৰজা ভীমবলে আহোম ৰাজ্যৰ ঘাঘৰগাঁও দখল কৰি মৰঙিত বাহৰ পাতিছিলহি। স্বৰ্গদেৱ প্ৰতাপসিংহই পিকচাইক কাজলীমুখৰ পৰা ততালিকে মতাই নি-'কছাৰী আহি যে আমাৰ ৰাজ্য পালেহি; আমাৰ মৰঙিখোৱাইনো কি চকী ৰাখিছে।' বুলি মন্তব্য কৰি কছাৰীক মৰঙীৰ পৰা খেদিবলৈ পঠিয়াইছিল। কিছুদিনৰ পিছতে পুনৰ বঙালে অগিয়াঠুটিত বাহৰ পাতি আহোম ৰাজ্যত আক্ৰমণৰ বাবে যো-জা চলায়। সেইবাৰ লাচিৎ বৰফুকনৰ পিতৃ মোমাই তামুলী বৰবৰুৱা আৰু লান্ মাখুৰু নেওগ বৰফুকনৰ নেতৃত্বত বঙালৰ বিৰুদ্ধে যুদ্ধ হ'য়। এই যুদ্ধত বঙাল হাৰি পিছুৱাই গ'ল। যুদ্ধত বন্দী হোৱা বঙালৰ কিছুমান সৈন্যৰ লগতে সিহঁতৰ শিবিৰৰ পৰা আহোম সৈন্যই লুটি অনা আটাইবোৰ বস্তু নি স্বৰ্গদেউ প্ৰতাপসিংহৰ ওৰত

চেতিয়া হৈছিল। বন্দী হৈ থোৱা চতুৰ বঙালকেইটামানে স্বৰ্গদেৱৰ আগত ক'লে যে- 'আমাৰ পৰা লুটি অনা সকলো বস্তু বৰফুকনইঁতে আপোনালৈ পঠিওৱা নাই।' সেই সময়ত গুৱালকুচিত থকা লান্ মাখুৰু নেওগ বৰফুকনক মতাই আনি স্বৰ্গদেৱে কথাটো হয়নে নহয় সুধিলে। তেতিয়া বৰফুকনে-তেওঁ একো বস্তু ৰখা নাই; বঙালইঁতে মিছা মাতিলে বুলি কলে।' পিছে এই উত্তৰত স্বৰ্গদেৱ সন্তোষ্ট নহ'ল। সেয়ে লান্ মাখুৰু নেওগক বৰফুকন পদৰ পৰা আঁতৰাই স্বৰ্গদেউ প্ৰতাপসিংহই ক্ৰমে তেওঁৰ বিশ্বাসভাজন হৈ উঠা হাবুঙীয়া বীৰ-যোদ্ধা পিকচাই চেতিয়াক বৰফুকনৰ পদত অধিষ্ঠিত কৰিলে। পিকচাই চেতিয়া বৰফুকন হৈ গুৱাহাটীত থকাৰ সময়তে-ৰত্ন কন্দলী,মাধৱ কন্দলী আৰু বিৰিণা নামৰ এই তিনি কটকীয়ে গৈ কিছুমান সা-সুবিধা বিচাৰিছিল। কিন্তু পিকচাই চেতিয়া বৰফুকনে সেইবোৰ দিবলৈ অপাৰগতা প্ৰকাশ কৰিলে। সেয়ে তিনিও কটকী গৈ স্বৰ্গদেৱক বৰফুকনৰ বিৰুদ্ধে কথা লগালে- "পিকচাই চেতিয়া বৰফুকনে কি ৰাজ্যৰ সমস্যাক লৈ চিন্তা কৰিব;ঘৰৰ কন্দলত লাগি থাকোঁতে বঙ্গালে দেশ ছাৰখাৰ কৰিবলৈ ধৰিছে। তথাপিও তেওঁৰ ৰণ কৰিবলৈ যাবলৈ অলপো সময় নাই।" তিনি কটকীৰ কথাক গুৰুত্ব দি ৰজাই পিকচাই চেতিয়া বৰফুকনক ৰাজধানীলৈ মতাই আনিলে। গড়ৰ কাষৰ হাতীশালত লোৰা লগাই বন্দী কৰি থ'লে। পিকচাই চেতিয়া বৰফুকনৰ সলনি পূৰ্বৰ বুঢ়াগোহাঁই ফৈদৰ সৰু চকুৰা গোহাঁইক বৰফুকন পাতি ৰজাই পাণ্ডু কোঠত গৈ থাকিবলৈ দিলে। (পৃ-৫৯অ:বু:সু:ভু:)

প্ৰবাদ অনুসৰি পিকচাই চেতিয়া বৰফুকনৰ পত্নী দুগৰাকী আছিল। দুইগৰাকী সতিনীয়ে স্বামীৰ পদবীৰ কথা নেভাবি পুৱা-গধুলি প্ৰায়েই কজিয়া লাগি থাকে। তাৰ বাবে ঘৰত অশান্তিৰ পৰিৱেশ সৃষ্টি হোৱাত পিকচাইয়ে ৰাজ কাৰ্যত যিধৰনেৰে গুৰুত্ব দিব লাগে; তেনেকৈ গুৰুত্ব নিদিয়াত ৰজাও অলপ নাৰাজ হৈছিল। আৰু তিনি কটকীয়েও কথা লগোৱাত বিচাৰ নকৰি পিকচাই চেতিয়া বৰফুকনক বন্দী কৰি থলে ৰজাই। হাবুঙীয়া পিকচাই চেতিয়া বৰফুকন বৰ নম্ৰ স্বভাৱৰ আছিল বাবে ৰাণীৰো প্ৰিয়পাত্ৰ হৈ উঠিছিল। সেয়ে এইজন পিকচাইক বন্দীশালত ৰখাৰ খবৰ পাই স্বৰ্গদেৱৰ ৰাণী বন্দীশালত উলালগৈ। পিকচাইক বন্দীশালত চাবলৈ স্বৰ্গদেৱৰ পৰা অনুমতি লোৱাৰ সময়ত; স্বৰ্গদেৱে ক'লে- 'ঘৈণীয়েকইঁতৰ কাজিয়া ভাঙোতে ভাঙোতে পিকচাইৰ মাতবোল বন্ধ হৈছে। কেতিয়া কাক কি বেয়াকৈ কয় ঠিক নাই। গতিকে তাক তুমি একো নুসুধিবা।' পিছে ৰাণীয়ে স্বৰ্গদেৱৰ কথা শলাগিলে যদিও বন্দীশালত গৈ পিকচাইক দেখি একো নুসুধাকৈ থাকিব নোৱাৰিলে। এজন বীৰ পিকচাই চেতিয়া বৰফুকন জুপুকা মাৰি বহি আছে! ৰাণীয়ে পিকচাইক সুধিলে- "কি কৰিছা পিকচাই ?" খঙে, দুখে ক্ষুব্ধ পিকচাইয়ে ৰাণীৰ ফালে কেৰাহীকৈও নোচোৱাকৈ টান সুৰেৰে উত্তৰ দিলে- "পৈয়েৰে থৈছে ঠিক চাই।"লগত যোৱা লগুৱা-লিকচৌ সেনা বিষয়াসকলৰ আগত ৰাণীয়ে বৰ লাজ পালে। সেয়ে ৰাণীয়ে আহি ৰজাক পিকচাইৰ এই উত্তৰৰ কথা ক'লেহি। ৰজাই তেতিয়া পূৰ্বৰ হক-বচন মনত পেলাই দি ৰাণীক ক'লে- 'মই তোমাক তেতিয়াই নকৈছিলোঁ নে বোলো তাক একো নুবুলিবা।' পিছে সতিনীৰ প্ৰতাপত ৰাজকাৰ্য অবহেলা কৰি বন্দীশালত থকা পিকচাই বৰফুকনলৈ ৰাণীৰ বেয়াহে লাগিল। সেয়ে তেওঁ ৰজাক খাটনি ধৰিলে। ৰজাই ৰাণীৰ কথা পেলাব নোৱাৰি পিকচাইক লোৰা কাটি মুকলি কৰি দি নিজৰ ঘৰলৈ পঠিয়ালে। পিকচাই কিছুদিন ঘৰতে আমন-জিমনকৈ থাকিল। সেই সময়তে বুঢ়াৰজা প্ৰতাপ সিংহৰ দিনত সৰু চকুৰা গোহাঁই বৰফুকনৰ নেতৃত্বত বঙালৰ সৈতে যুদ্ধ হ'ল পাণ্ডুত। বহু বঙাল সৈন্য আহি বাট ভেটি ধৰি বেৰি লৈ সৰু চকুৰা বৰফুকনক হত্যা কৰিলে। (পৃ-১৩৯/আ:দি:হি:ব:ব:)

বৰফুকন নোহোৱাত সেনা পৰিচালনাত অসুবিধা হোৱাত বুঢ়া ৰজাই কটকীৰ জৰিয়তে পিকচাই চেতিয়াক মতাই আনি পুনৰাৰ বৰফুকনৰ পদ দিলে। পিকচাই চেতিয়া বৰফুকনে স্বৰ্গদেৱৰ কথামতেই সৈন্যদল সাজু কৰি বঙালক ভেটিবলৈ গ'ল। ৰজাই লোকৰ কথা শুনি তেওঁক ইমান লঘু-লাঞ্চনা কৰা সত্বেও একমাত্ৰ স্বদেশপ্ৰেমৰ বাবেই, পূৰ্বৰ সকলো কথা পাহৰি সৈন্য-অস্ত্ৰ সাজু কৰি পাণ্ডুলৈ ৰাওনা হৈছিল পিকচাই চেতিয়া বৰফুকন। দেশৰ সুৰক্ষাৰ বাবে নিজৰ ব্যক্তিগত আক্ষেপ-ক্ষোভ আদি পৰিহাৰ কৰিছিল। এইজন হাবুঙীয়া পিকচাই চেতিয়া বৰফুকনৰ এনে মহৎ গুণ মনত ৰাখিব লগীয়া। বঙালৰ বিশাল সৈন্যৰ আক্ৰমণ প্ৰতিহত কৰিব নোৱাৰি অসহায় হৈ সেই সময়ত মলখুবছা কাড়িবোৰো পলাই আহিছিল যুদ্ধস্থলীৰ পৰা। ইফালে বহুতো আহোম সৈন্যই কাজলীমুখৰ কোঠ এৰি থৈ গৈ কলিয়াবৰ পাইছিলগৈ। পিকচাই চেতিয়া বৰফুকন গৈ পোৱাৰ আগতেই গোহাঁই চেতিয়াকে প্ৰমুখ্যে গোহাঁইবোৰে কলঙেদি গৈ বঙালৰ সৈতে যুদ্ধ কৰিলেগৈ। পিছে বঙালৰ বৃহৎ সৈন্যৰ সন্মুখত গোহাঁইবোৰো তিষ্ঠিব নোৱাৰি পলাই আহিল। ৰজাই পলাই অহা কিছুমানক পায় ধৰি লৈ কাটিবলৈ দিলে। ইয়াৰ পিছত আহোমে চামধৰা গড় বান্ধিবলৈ আৰম্ভ কৰিলে। এই গড় বান্ধি নোহোৱা পৰ্যন্ত বঙালৰ তালৈ পিকচাই চেতিয়া বৰফুকনৰ লগুৱা-মনাই বৰা, অভয়াপুৰীয়াৰ সনাতন, তিপমীয়াৰ চলা এই ৩ কটকীক পঠিয়াই বিভিন্ন কথাৰ আদান,প্ৰদান কৰি সময় নিয়াই থাকিল যদিও যুদ্ধ নকৰিলে। সেই সময়তে আহোম সৈন্যৰ নাৱৰ এটা বৈছা হেৰাল। বিষয়াবোৰে বিচাৰ খোচাৰ কৰিও তাক নেপালে। বৈছাটোক বঙালে পায় ধৰি লৈ গ'ল। বঙালে এই বৈছাটোৰ পৰাই চামধৰা গড় বন্ধোৱাৰ লগতে আহোম সৈন্যৰ ৰণ কৌশলৰ কিছু কথা গম পালে। সেয়ে বঙাল সৈন্য আহি হঠাৎ চামধৰা গড়ত যুদ্ধ কৰিলে। গোহাঁইবোৰক খেদাই নি বঙাল দুইমুনিশিলাত উপস্থিত হৈছিল।

বঙালৰ বৃহৎ সৈন্যবলৰ মুখামুখি হৈ হাৰিম বুলি পিকচাই চেতিয়া বৰফুকন কিছু হতাশ হৈছিল যদিও মোমাই তামুলী বৰবৰুৱাই প্ৰবল পৰাক্ৰমেৰে বঙালক মাৰি-কাটি খেদি নিয়া দেখি মনত বল পায় তিনিও গোহাঁই আৰু পিকচাই চেতিয়া বৰফুকনে প্ৰাণতাকি যুদ্ধ কৰিলে। আহোম সৈন্যক বলে নোৱাৰিলে। ফলত গুৱাহাটীত আলিয়াৰ খাঁক থৈ বাকীবোৰ বঙাল সৈন্য নিজৰ দেশলৈ উলটি গৈছিল। আহোম সৈন্যই পুনৰ কাজলীমুখ চকীত কোঠ দিছিল। সেই সময়ত পিকচাই চেতিয়া বৰফুকনে নজনাকৈ চকীয়াল দৰিকিয়াল হাজৰিকাৰ সৈতে মিলি-জুলি মোমাই তামুলী বৰবৰুৱাই- আগৰ কাঠ, হাতী দাঁত, পিপলি, ভালুক আদি দ্ৰব্যৰ ব্যৱসায় কৰিছিল বঙালৰ চকীয়ালৰ সৈতে। এদিন আহোমৰ চকীয়াল দৰিকিয়াল হাজৰিকাই বঙালৰ চকীয়ালক কলে যে-পিকচাই চেতিয়া বৰফুকনে এই বেপাৰৰ কথা গম পালে তোক কাটিব। সেয়ে আলিয়াৰ খাঁক এই কথা জনাই বঙাল আৰু আহোম দেশৰ মাজত বেহাবেপাৰ বাধাপ্ৰাপ্ত নহ'বলৈ পিকচাই চেতিয়া বৰফুকনলৈ দুটা ঘোঁৰা দিলে। বৰফুকনে ভেলাইক দুৱৰীয়া পাতি বেহাবেপাৰৰ বাবে সাউদৰ টোলত এখন হাট বহোৱালে। এইজনা হাবুঙীয়া স্বদেশপ্ৰেমী বীৰ সেনাপতি পিকচাই চেতিয়া বৰফুকনেই অসুৰ আলি আৰু বৰুনদীক অসম আৰু বঙাল দেশৰ সীমা নিৰুপণ কৰিছিল। (পৃ-১৪৪/ আ:দি:হি:ব:ব:) ১৫৬১ শকত পাণ্ডুৰ দুৱৰীয়া ভেলাই গৈ বৰফুকনে গম নোপোৱাকৈ স্বৰ্গদেৱৰ ওচৰ পালেগৈ।স্বৰ্গদেৱৰ আগত আলিয়াৰ খাঁৰ কটকীয়ে দিয়া মুকুতা কিছুমান দেখুৱাই কলে যে- 'ইয়াৰ বিনিময়ত বঙালে হাতী বিচাৰিছে।' স্বৰ্গদেৱে তেতিয়া ভেলাইক সুধিলে-বৰফুকনক দেখাইছিলি নে নাই ? নাই দেখুওৱা বুলিলত স্বৰ্গদেৱে কলে- এইবোৰ বৰফুকনক নি দেখুৱাবিগৈ; তেওঁ যি

কৰিবলৈ ভয় তাকে কৰিবি। বঢ়াৰজা প্ৰতাপসিংহৰ এনে বক্তব্যই প্ৰমাণ কৰে যে-হাবুঙৰ সন্তান বীৰ-যোদ্ধা মুখ্য সেনাপতি পিকচাই চেতিয়া বৰফুকন ৰজাৰ কিমান আস্থাভাজন আছিল। ৰজাৰ পৰা একো আস্থা নেপায় ভেলাইয়ে গৈ বৰফুকনক মুকুতাবোৰ দেখুৱালত তেওঁ খং কৰি না'কৈ দাৰে গদিয়াই মাৰধৰ কৰিলে। পাঁচ দিন মানৰ পিছতহে ভেলাই সুস্থ হ'ল। অৱশেষত খং সামৰি বৰফুকনে ভেলাইক মাতি আনি বুজাই বঙালৰ কটকীক মুকুতাবোৰ উভটাই দিবলৈ ক'লে। যদি বঙালে উভটাই দিয়াৰ কাৰণ সুধে তেন্তে কবি- "আমাৰ দেশৰ ডাঙৰীয়াৰ ল'ৰাৰ ভৰিত যি মুকুতা পিন্ধাইছে; ইয়াতকৈ ভাল। এই মুকুতা সৰু গতিকে লাজতে নেদেখুৱালোঁ।' লগতে আৰু কবি- 'স্বৰ্গমহাৰাজৰ দেশত হাতী ধৰে; কোনো দেশত ভাল হাতী পালে কিনিও আনে। হাতী বেছিবলৈ হ'লে; তাক নাৱত তোলে, যিমান নাও বহে তাত চিন দিয়ে। সেই চিন বহালৈকে ধন-ধান দমাই পালেহে তাৰ মূল্যত হাতী বিক্ৰী কৰে।" দুৰৰীয়া ভেলাই গৈ বঙালৰ কটকীক মুকুতাবোৰ উভটাই দি আহিল।বঙালৰ কটকীৰ ফালৰ পৰা আৰু হাতী কিনাৰ প্ৰস্তাৱ নাহিল। বঙালে যুদ্ধ নকৰাকৈ কিছুদিন প্ৰীতিৰে থাকিল।

সেই সময়তে বুঢাৰজা প্ৰতাপসিংহই উত্তৰ পাৰৰ-হাবুং, পানবাৰী,আৰু মণিপুৰ এই তিনি নগৰৰ বাৰ ভূঞাবোৰক ভাগ ভাগ কৰি লৈ গৈ দক্ষিণ পাৰত গাওঁ পাতিবলৈ দিলে। এই কাৰ্যত পিকচাই চেতিয়া বৰফুকন বিশেষভাৱে জড়িত আছিল। ইফালে উল্লিখিত তিনিওখন নগৰত তিনিখন বিলাত পাতি দিয়াতো বৰফুকনে আগভাগ লৈছিল। ইয়াৰে এখন বিলাতৰ অধিকাৰী পাতিছিল বঢ়াগোহাঁইক, এখন বিলাতৰ বৰগোঁহাইক আৰু আনখন বিলাতৰ অধিকাৰী পাতিছিল বৰপাত্ৰ গোঁহাইক। এই হাবুং অঞ্চলটো বুঢ়াগোহাঁই বিলাতৰ ভিতৰত অন্তৰ্ভুক্ত হোৱাত; লাহে লাহে হাবুং নামটো পাহৰণিৰ গৰ্ভত হেৰাই গৈছিল।বৃটিছৰ আমোলতো হাবুং অঞ্চলটোৰ গাওঁ, মাটি-বাৰীবোৰ বুঢ়াগোহাঁইৰ বিলাতৰ অধীনতে আছিল। এই বিলাতৰ চিনস্বৰূপে ঢকুৱাখনা সমজিলাৰ সোৱণশিৰি ৰাজহ চক্ৰত এতিয়াও 'গোহাঁই মৌজা' বুলি এটা বৃহৎ মৌজা আছে। ২০০০ চন মানলৈকে দক্ষিণ গোহাঁই গাওঁ পঞ্চায়ত বুলি এখন ডাঙৰ পঞ্চায়তো আছিল। যিখন পঞ্চায়তৰ ৰায়ত ভাগ হৈ এতিয়া ৫ খন নতুন গাওঁ পঞ্চায়ত গঠন হ'ল। আহোম ৰাজত্বৰ কালত সদিয়াখোৱা গোঁহাইৰ বিলাতৰ পশ্চিম দিশৰ পৰা উত্তৰ পাৰে উত্তৰ লখিমপুৰ মহকুমাৰ গেৰেলুৱা নৈ'লৈকে লুইত আৰু ৰাজগড়ৰ মাজৰ ভূখণ্ডই আছিল বুঢ়াগোহাঁইৰ বিলাত। এই বিলাতৰ প্ৰধান নগৰকেইখন আছিল-কটিকুচি, নৰোৱা, হাবুং, মণিপুৰ, তেলাহি, গাগলডুবি, গজলুং, ফুকনৰহাট, মুৰিভগা, কটিকুৰি আৰু লোণপানী। অন্যহাতে প্ৰধান নদীকেইখন আছিল-চামপৰা, সোৱণশিৰি, সোমদিৰি, পাভ, আৰু ৰাহ (বৰ্তমান নাই)। (পৃ-২৬১/ ই:সৌ:ছ:ব:স:ৰা:কু:)

হাবুঙৰ লোক পিকচাই চেতিয়া বৰফুকনৰ ধৈৰ্য্য আৰু সহ্য গুণ অনুকৰণীয় আছিল। চাবলৈ গ'লে তেওঁ প্ৰকৃততে এলা-পেচা মানুহ নাছিল। বৰফুকনৰ বিষয়-বাব হেৰুৱাই পোৱা অপমান আৰু বন্দীশালত কটাই শাস্তি ভোগ কৰাৰ পিছতো তেওঁ ৰজাৰ বিৰুদ্ধে অন্য কিছুমান আহোম বিষয়াৰ দৰে বিদ্ৰোহ কৰা নাছিল। তেওঁ নিজৰ ধৈৰ্য্য আৰু একাগ্ৰতাৰ বলত আহোম ৰাজ্যৰ প্ৰশাসনত বৰফুকনৰ দৰে গুৰুত্বপূৰ্ণ পদত কাৰ্যনিৰ্বাহ কৰিবলৈ সক্ষম হৈছিল। উল্লেখ্য যে-মহাবীৰ লাচিত বৰফুকনৰ পিতৃ-মোমাই তামুলী বৰবৰুৱাৰ সোঁ হাতস্বৰূপ আছিল এইজন হাবুঙীয়া বীৰ পিকচাই চেতিয়া বৰফুকন। কলিয়াবৰৰ দক্ষিণে মোমাই তামুলী বৰবৰুৱাক আহোম সৈন্যৰ প্ৰধানসেনাপতি পতাৰ বিপৰীতে উত্তৰে পিকচাই চেতিয়া বৰফুকনক আহোমৰ প্ৰধান সেনাপতি আছিল। মুছলমান (বঙাল) ৰ সেনাপতি আলিয়াৰ খাঁৰ

লগত আহোমৰ সন্ধিৰ সময়ত পিকচাই চেতিয়া বৰফুকনে মোমাই তামুলী বৰবৰুবাৰ দৰে গুৰুত্বপুৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। স্বৰ্গদেউ প্ৰতাপসিংহৰ দিনত উত্তৰ পাৰৰ মুখ্য সেনাপতিৰ পদত অধিস্থিত হৈ থকা হাবুঙৰ লোক পিকচাই চেতিয়া বৰফুকনৰ ১৫৭০ শক(১৬৪৮ চন)ত মৃত্যু হয়।

উল্লেখ্য যে-হাবুঙৰ পিকচাই চেতিয়া বৰফুকনৰ পৰিয়ালৰ অতীত সম্পৰ্কত হিতেশ্বৰ বৰবৰুৱাৰ- "আহোমৰ দিন" গ্ৰন্থত উল্লেখ আছে এইদৰে- "পূৰ্ব্বে চুতীয়া ৰাজ্য সদিয়া জয় কৰি ধৰি অনা থাও-ৰতুৰ- চুতীয়াৰ পৰিনাতিক স্বৰ্গদেউ বুঢ়াৰজা প্ৰতাপসিংহই কাম-কাজত ভাল পায়- "পিকচাই চেতিয়া" বুলি এটা খেলৰ সৃষ্টি কৰিলে। আৰু থাও-ৰতুৰ-চুতীয়াৰ ভায়েকৰ পুতেকহঁত পাচনিৰ খাটনিয়াৰ হ'ল। সেয়ে এই ফৈদটোকে স্বৰ্গদেৱে- "বিহপৰুৱা চেতিয়া" বুলিলে ।চুতিংফা নৰিয়া ৰজাৰ দিনত এইজন পিকচাই তেতিয়া বৰফুকনৰ পুতেকক পিকচাই চেতিয়াৰ বাব দিয়া হৈছিল। এসময়ত বুঢ়া ঘোৰাকোঁৱৰৰ বিষয়বাবো পাইছিল। তেতিয়া চুভিং(ডফলা)ৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ গৈছিল নাৰায়ণপুৰলৈ। বুৰঞ্জীত পিকচাই চেতিয়া ফৈদৰ বুঢ়া ঘোৰাকোঁৱৰে চুভিৰ গাওঁ আক্ৰমণ কৰাৰ বিষয়ে এইদৰে উল্লেখ পোৱা যায়- "বৰুজেদি (বুৰৈ) গৈ চুভিৰ ঘৰ দুৱাৰ ভাঙি ধান,আলু,কচু কাটি বিভিন্ন সামগ্ৰী লুটি আনি পানবাৰীত ৰৈছিলহি।" ইফালে ল'ৰা ৰজাৰ দিনত আহোম ৰাজ্যৰ ভাটিৰ ডেকা ফুকন পদত কাৰ্যনিৰ্বাহ কৰিছিল পিকচাই চেতিয়া ফৈদৰ এজন লোকে। ইয়াৰ পিছতেই গদাপাণিৰ দিনত পিকচাই চেতিয়াৰ নাতিয়েকৰ পুতেক অধিস্থিত হৈছিল-চিংৰাই ফুকনৰ পদত। পিকচাই চেতিয়াৰ দদায়েক 'বিহপৰুৱা চেতিয়া'ৰ ফৈদৰ এজন লোকক নি ৰজা গদাপানীয়ে-নামডঙীয়া ৰাজখোৱা পাতিছিল। এইজনা স্বৰ্গদেউ গদাপাণনী ৰজাৰ দিনতে হাবুঙত দীঘলা নামেৰে এজন লোক বুঢ়াগোহাঁই হৈছিল। তেওঁৰ নামেৰেই ঢকুৱাখনাৰ 'দীঘলা গাঁও' নামটো হোৱা বুলি জনা যায়। ১৬০২ শকত আহোম ৰাজাৰ বিষয়াৰ পদ সালসলনিৰ সময়ত 'বিহপুৰুৱা চেতিয়া' ফৈদৰ এজন লোক নেওগ ফুকন হৈছিলগৈ। এই পিকচাই চেতিয়া ফৈলৰে পিকচাই চেতিয়া ফুকনে তুংখুঙীয়া কোঁৱৰক তিপাম ৰজা পতাত সহায় কৰিছিল। ১৬০৩ শকত পিকচাইৰ চেতিয়াৰ নাতি হলৌ 'ফুকন'ৰ পদত অধিস্থিত হৈছিল। পিছলৈ এওঁ গৈ 'ডেকুফুকন'ৰ বিষয়-বাবো পাইছিল। তেতিয়া তেওঁ লুইতৰ উত্তৰ পাৰৰ বাঁহবাৰী কোঠৰ সৈন্যাধ্যক্ষ আছিল। তদুপৰি এইজন হলৌ ডেকাফুকনে দক্ষিণ শৰণীয়া পাহাৰৰ আগত দক্ষিণ দিশত এটা গড় বান্ধিছিল। ইটাখুলি আৰু চামধৰা গড়ৰ কোঠতো হলৌ ডেকাফুকন আছিল। কিন্তু তেওঁ সেই সময়ত বৰফুকনৰ কথামতে নচলাত 'ডেকাফুকন' ভাঙি লৈ লাহনৰ ঘৰৰ ৰাজ নেওগক এই ডেকা ফুকনৰ পদ দিছিল।(পৃ-২০/তু:অ:বু:সু:ভূ:) ইফালে পিকচাই চেতিয়া বৰফুকনৰ নাতি হলৌ ফুকনৰ ঘৰৰ লখনক তামুলী পাতিছিল ৰজা গদাধৰ সিংহই। এইজনা হলৌ ডেকা ফুকনেই-হলৌ ফুকনৰ আলি, খঁৰা দ'ল,খঁৰা গড় আৰু ৰাজধানী চৰাইদেউত দ'ল-পুখুৰী আদি খন্ধোৱাৰ কামতো জড়িত আছিল। তদুপৰি হলৌ ডেকাফুকন সৈন্যাধ্যক্ষ হৈ থাকোতে সদিয়া মিৰিৰ বিৰুদ্ধে যুদ্ধতো জড়িত হৈছিল। ইফালে জয়ধ্বজ সিংহ স্বৰ্গদেৱৰ দিনতো এই পিকচাই চেতিয়া ফৈদৰে-চেতিয়া ফুকনে ১৫৮০ শকত গৈ পাণ্ডু আৰু শৰাইঘাটত ৰজাশহুৰ বাদুলি বৰফুকনৰ সৈতে কোঠ দি আছিল। তদুপৰি পিকচাই চেতিয়া ফুকন আৰু ৰজাশহুৰ বৰফুকনক লগত দুজন ফুকন দি ধুবুৰীত থাকি কোঠ ৰক্ষাৰো দায়িত্ব দিছিল ৰজাই।(পৃ-৫৪৪/ ই:সৌ:ছ:ব:স:ৰা:কু)

উল্লেখ্য যে বড়া ৰজা প্ৰতাপসিংহৰ

দিনত হাবুঙীয়া বীৰ যোদ্ধা পিকচাই চেতিয়া বৰফুকনেই উত্তৰ পাৰে-গড় মাৰি হাতীধৰা কাম কৰিছিল। স্বৰ্গদেৱৰ নিৰ্দেশ অনুসৰি উত্তৰ পাৰৰ ভূঞাবোৰক নি দক্ষিণ পাৰত পাতিছিল। আহোম ৰাজ্যৰ প্ৰশাসনিক ব্যৱস্থাত সংস্কাৰ ঘটাই এইজন বৰফুকনেই উত্তৰ পাৰত তিনিখন বিলাত পাতি দিয়াৰ কামত আগভাগ লৈছিল। উপৰোক্ত আলোচনাৰ পৰা এটা কথা কব পাৰি যে অতীজৰ হাবুং নগৰ আৰু বৰ্তমানৰ ঢকুৱাখনা অঞ্চলৰ 'পিকচাই চেতিয়া' ফৈদে আহোম ৰাজ্যৰ প্ৰশাসনত কেইবাটাও গুৰুত্বপূৰ্ণ পদত কাৰ্যনিৰ্বাহ কৰিছিল। এই ফৈদৰ অৱদান হাবুঙীয়া হিচাপে আমি সদায় মনত ৰখা উচিত। পিকচাই চেতিয়াৰ বাসস্থান ঢকুৱাখনা অঞ্চলৰ কোন ঠাইত আছিল; তাক সঠিককৈ নিৰূপণ কৰাটো টান। বুৰঞ্জীত এই বিষয়ে নিৰ্দিষ্ট গাঁৱৰ নাম উল্লেখ পাবলৈ নাই। কিন্তু ঢকুৱাখনা অঞ্চলৰ দীঘলা গাঁৱৰ পিছফালে-সতিনী বিল নামে তিনিখন পুৰণি বিল আছে। এই বিল তিনিখনৰ দুখন হাবুঙীয়া পিকচাই চেতিয়া বৰফুকনে দুইপত্নীৰ অৰ্থাৎ দুই সতিনীৰ বাবে আৰু এখন সাধাৰণ প্ৰজাৰ বাবে খন্দাইছিল যেন অনুমান হয়। কাৰণ এই বিল তিনিখন বহু পুৰণি ৰজাদিনীয়া বিল। এই দিশৰ পৰা চাবলৈ গ'লে-বৰ্তমানৰ ঢকুৱাখনা নগৰৰ উত্তৰ-পশ্চিমাঞ্চলতেই নিশ্চয় পিকচাই চেতিয়া ফৈদৰ পূৰ্বৰ বাসস্থান আছিল। আৰু এটা কথা উল্লেখ কৰা প্ৰয়োজন যে-হাবুঙীয়া বীৰ পিকচাই মৈদাম ঢকুৱাখনা অঞ্চলতে থকাৰ সম্ভাৱনা ব্যক্ত কৰিছে বুৰঞ্জীৰ গৱেষক বিশ্বনাথ কলেজৰ অৱসৰী অধ্যক্ষ ডঃ নিত্যানন্দ গগৈয়ে তেখেতে- "হাবুং দৰ্পণ" নামৰ এখন স্মৃতিগ্ৰন্থত লেখা- 'কড়া উপত্যকাৰ ঐতিহ্য' শীৰ্ষক এটা প্ৰবন্ধত- '...হাবুঙীয়া পিকচাই চেতিয়া আছিল আমাৰ অনুমানে ঢকুৱাখনা চেতিয়া গাঁৱৰ আৰু সেই গাঁৱত থকা আধা কঠা মাটিৰে ৩ মিটাৰ মান ওখ পৰিত্যক্ত মৈদামটো তেওঁৰ হোবাটো সম্ভৱ।' এই বুলি মত প্ৰকাশ কৰিছে। (পৃ-৭/হাঃদঃসঃমৌঃহাঃবঃ) ঢকুৱাখনাৰ চেতিয়া গাঁওখন যে বহুদিনীয়া পুৰণি গাওঁ তাৰ প্ৰমাণ দিছে গাওঁখনৰ ওচৰে-পাজৰে থকা পুৰণি পুখুৰী, ওখ ওখ ভেটি আৰু এটা পুৰণি পথৰ চিগা-ভগা অংশবোৰে। এই-গাঁৱৰ মিলন চেতিয়া নামৰ লোকজনৰ বাসগৃহৰ দক্ষিণ-পুব কোনত অৱস্থিত মৈদামটো আহোম যুগৰ বুলি অনুমান হ'য় যদিও পিকচাই মৈদাম বুলি মানি ল'বলৈ টান। কড়াঘাটৰ সমীপত উদ্ধাৰ হোবা মৈদাম সদৃশ ভেটিটোৰ কাষত- ২০২৪ চনত মাটি কাটোতে এখন-'নাকৈ'দা পাইছিল মাজ জালভাৰীৰ অনিল দত্ত নামৰ এজনলোকে বৰ্তমান নাকৈ দা খন তেওঁ সংৰক্ষণ কৰি ৰাখিছে। অন্যহাতে পূৰ্বেও সেই ভেটিটোৰ আশে-পাশে কিছুমান পুৰণি সামগ্ৰী উদ্ধাৰ হোবাৰ তথ্য আমাৰ ক্ষেত্ৰ অধ্যয়নৰ কালত কেইবাজনো স্থানীয়লোকে জনাইছিল। তদুপৰি এই ঠাইৰ পৰা কিছুদূৰ নিলগতে থকা কিনামতীয়াত যুদ্ধত ব্যৱহৃত এটা আহোম যুগৰ হিলৈৰ ভগা অংশও ১৯২০ চনতে উদ্ধাৰ হৈছিল। এই হিলৈৰ ভগা অংশটো এতিয়াও মাজ জালভাৰীৰ চৈধ্য প্ৰসংগীয়া মহাপুৰুষীয়া নামঘৰত সংৰক্ষিত হৈ আছে। উল্লিখিত তথ্যবোৰৰ লগতে; কড়া পৰীয়া সভ্যতাৰ ভৌগোলিক অৱস্থান লক্ষ্য কৰি কড়াঘাটৰ সমীপৰ ভেটিটোৱে হাবুঙীয়া বীৰ পিকচাই হাজৰিকাৰ মৈদাম হ'ব পাৰে বুলি আমি অনুমান কৰিছোঁ।

অন্যহাতে কড়াঘাটৰ পৰা পুবলৈ বাগিছা গাঁৱৰ উত্তৰ-পশ্চিমত থকা শিঙিয়া দলনি পথাৰত বহুকেইটা ৰজাদিনীয়া পুখুৰী,আৰু ওখ ওখ বৃহৎ ভেটি আছে। এই ঠাইতে ২০১৯ চনত এটা ৰজাদিনীয়া পুৰণি ভেটিৰ মাটি কাটোতে আহোম ৰাজত্ব কালৰ স্বাক্ষৰ বহন কৰা এটেকেলি ৰূপৰ মুদ্ৰা উদ্ধাৰ হৈছিল। ইয়াৰে কিছুমান মুদ্ৰা উদ্ধাৰ কৰি নি অসম ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষণ কৰি ৰখা হৈছে। মুদ্ৰা উদ্ধাৰ হোবাৰ স্থানৰ পৰা উত্তৰ-

পশ্চিম কোণত প্ৰায় ৩ শ মিটাৰমান দূৰত্বত এটা পুৰণি পুখুৰী আছে। পুখুৰীটোৰ উত্তৰ পাৰটোৰ বাদ বাকী তিনিওটা পাৰতেই মৈদাম সদৃশ একাধিক ওখ ভেটি আছে। স্থানীয়লোকে এই ভেটিবোৰ ৰজাদিনীয়া মৈদাম আছিল বুলিয়ে ক'ব খোজে। আমি পিকচাই হাজৰিকাৰ মৈদাম ভেটি হ'ব পাৰে বুলি অনুমান কৰা ভেটিটোৰ একেটা শাৰীতে আছে এই বাপিছাগাঁৱৰ মৈদাম সদৃশ ভেটিকেইটা। ঢকুৱাখনা অঞ্চলত উদ্ধাৰ হোৱা মৈদাম সদৃশ পুৰণি ভেটিবোৰৰ ওপৰত অধ্যয়ন আৰু গৱেষণাৰ বাবে যোৱা- ১২ ডিচেম্বৰ,২০২৫ তাৰিখে সদৌ অসম আহোম সভাৰ লখিমপুৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক সুৰজ বৰুৱা আৰু আমাৰ অনুৰোধৰ প্ৰতি সহাৰি জনাই বিশ্বনাথ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা বুৰঞ্জীবিদ, গৱেষক ডঃ নিত্যানন্দ গগৈ আহি কিছু চৰজমীন অধ্যয়ন কৰি গৈছে। পৰৱৰ্তীসময়ত আৰু অধিক অনুসন্ধান আৰু গৱেষণাৰ দ্বাৰা নিশ্চয় সঠিক তথ্যবোৰ আমাৰ দৃষ্টি গোচৰ হ'ব। ◆



# বৰ অসমৰ কিছু পাহাৰীয়া জনজাতি সাজ-পাৰ

নবনীতা গগৈ

সেউজীয়া গিৰিমালাৰে বেষ্টিত প্ৰকৃতিৰ ৰাণী বৰ অসম। প্ৰকৃতি ৰাণীৰ সন্তান সকলে পৰ্বতে পৰ্বতে প্ৰকৃতিতেই বিলীন হৈ থকাৰ দৰে থাকে। তেওঁলোকৰ মাজত কোনো কৃত্ৰিমতা নাই। সকলো প্ৰয়োজনীয় জীৱন যাত্ৰাৰ আহিলা প্ৰকৃতিৰ পৰাই আহৰণ কৰি আহিছে। কৃত্ৰিমতাই হাত বোলাব নোৱাৰা তেওঁলোকৰ খাদ্য, থকা ঘৰ, সাজ-পাৰৰ জীৱন যাত্ৰা সকলো আহিলাই সকলোকে আকৰ্ষণ কৰে। তেওঁলোকৰ ব্যৱহাৰ্য চিত্ৰ-বিচিত্ৰ কাপোৰ, ৰংচঙীয়া মণি, প্ৰকৃতিৰ বুকুত পোৱা কড়ি, ফুল, পাত-লতা, বেত-বাঁহৰ অলংকাৰ কাৰুকাৰ্য খচিত ছালৰ সোনা, কামলি, টুপী, কাপোৰ, দা খোৱা ফাঁক, কাঁহ-পিতল ৰূপৰ আ-অলংকাৰ আদিত তেওঁলোকৰ শিল্পী মনৰ পৰিচয় পোৱা যায়। বাঁহ-বেতৰ কামত তেওঁলোক সুক্ষ্ম কাৰুকাৰ্যৰ নিখুঁত উমান পোৱা যায়। কঁকালত বন্ধা তাঁতশালত এৰী সূতাৰ পৰাও তেওঁলোকে কাপোৰ বৈ লয়। তেওঁলোক পৰিশ্ৰমী আৰু কষ্ট সহিষ্ণু। তেওঁলোকৰ সাজপাৰত প্ৰতিভাৰ উৎকৃষ্ট চানেকি পোৱা যায়। গছৰ বাকলিৰ পৰা ৰং প্ৰস্তুত কৰি তেওঁলোকৰ সাজ-পাৰবোৰ ৰঙীণ কৰি লয়। ৰং সংমিশ্ৰণ কৰি বিভিন্ন ৰং প্ৰস্তুত কৰা কামটো মন কৰিবলগীয়া। হাতত দা বা কঁকালত দা ওলোমাই লোৱা কাষলতিত মোনা লৈ ফুৰাটো তেওঁলোকৰ যুগজয়ী অভ্যাস। আঁচু সূতাৰে তেওঁলোকে দীঘ-বাণিৰে বৈ মোনাও প্ৰস্তুত কৰি লয়। ৰংচঙীয়া সাজ-পোছাকেৰে তেওঁলোকৰ বাবেৰহণীয়া সাংস্কৃতিক জীৱনৰ লগতে সৌন্দৰ্য-প্ৰীতিৰ পৰিচয় দিয়ে।

**আঁকা ঃ** তেজপুৰৰ উত্তৰে বেলশিৰী আৰু ভৰলী নৈৰ মাজৰ পাহাৰত অকাঁ বিলাকৰ বসতি। অকা বিলাকে নিজকে হ্ৰুছ (Hrusso) বোলে। শ্ৰী স্বৰিকা দাসে সপ্তম সংখ্যাৰ আহ্বানত প্ৰকাশ কৰা 'অকাঁ' নামৰ প্ৰবন্ধৰ পৰা চমুকৈ দিয়া হ'ল। "আঁকা বিলাকে জাৰকালি ওঁঠ নাফাটিবলৈ সৰল গছৰ আঠা ঘঁহি ওঁঠ ক'লা কৰি লয়। সেই কাৰণে শ্বেৰদুক্‌পেন ভুটীয়াই আঁকাক 'খাগেৰ খনৈক' অৰ্থাৎ কলীয়াওঠীয়া বুলি কয়। আঁকাবিলাকে কপালৰ পৰা নাকৰ ওপৰলৈ আৰু প্ৰায়েই কোৱাৰিৰ পৰা কানৰ লতিৰ তললৈকে একোডাল সেউজীয়া আঁচ মৰাই লয়। এনে কাৰণতে অসমীয়াই এওঁলোকক আঁকা বোলে।" আঁকাবিলাক মঙ্গোলীয় আকৃতিৰ পীত বৰণীয়া, তেওঁলোকৰ মুখৰ গঢ় চেপেটা, চুলি পোন আৰু ক'লা। আঁকা বিলাক কেইবাটাও খেলত বিভক্ত। আঁকা বিলাক ইন্দোমঙ্গোলীয় নৃগোষ্ঠীয় লোক।

**আঁকা তিৰোতাৰ সাজ-পাৰ ঃ** তিৰোতাবিলাকে সৰু গাঠিলৈকে ওলোমাই মতা মানুহবিলাকৰ দৰেই কাপোৰ পিন্ধে। এই কাপোৰ অসমীয়াৰ এৰী কাপোৰৰ দৰেই। ভৰিত তিৰোতা বিলাকে

মতা মানুহৰ দৰে কাপোৰ মেৰিয়াই লয়। তিৰোতা বিলাকে পিছফালে খোপা বান্ধি ৰূপৰ চেলা ওথা অলংকাৰ পিন্ধে, কাণত ধতুৰা ফুলৰ আকৃতিৰ ৰূপৰ কেৰু, ডিঙিত নানা বৰণৰ মণি, অসমীয়া মাদলী, জোনবিৰি আদি হাতত অসমীয়াই বা তিব্বতীয় ৰূপৰ খাৰু, আঙুলিত ৰূপৰ আঙুঠি পিন্ধে। খোপাত লেংচি আৰু কাষত তিব্বতীয় গৌ লয় (Tibetin charm box)।

**পুৰুষৰ সাজ-পাৰ ঃ** মতা মানুহ বিলাকে খহতা বহল কাপোৰৰ এখন, কান্ধত বাঁহৰ শলামাৰি, আঠুৰ ওপৰলৈকে ওলোমাই লয়। কঁকালত এখন গামোছা মাৰে। এই কাপোৰৰ ওপৰত হাত খঁৰা বা হাত লগা এটা চোলা টিকালৈকে পৰাকৈ নাইবা এখন কাপোৰ ঘাগৰিগটিয়াকৈ বান্ধি লয়। মূৰত তিনি আঙুলিমান বহল আৰু পাতল ক'লা বাঁহ এছটা মেৰিয়াই টুপীৰ দৰে পিন্ধে। এই টুপীৰ আগফালে কুকুৰাৰ নেজৰ পাখি বা বাঁহৰ পাত এটা লগাই লয়। ভৰিত আঠুৰ তলৰ পৰা সৰু গাঠিৰ ওপৰলৈকে কাপোৰ মেৰাই লয় আৰু তাৰ ওপৰত আঠুৰ তলত একোধাৰ সেউজীয়া মণি বান্ধে। কঁকালত কমৰ বান্ধৰ পৰা ওলমি থকাকৈ দীঘল দা, পিঠিত কাঁড় চুঙা আৰু ধেনু, কাষত তামোল-পান, পাইপ, ধঁপাত, টিঙ্গিৰি আদি থ'বলৈ এটা ছালৰ মোনা আৰু তিব্বতীয় গৌ লয় (Tibetin charm box)।

**ডফলা (নিচি) ঃ** এওঁলোকক নিচি বোলা হয়। এওঁবিলাকক অসমীয়াই ডফলা বুলিছিল। শোণিতপুৰ জিলা, উত্তৰ লখিমপুৰ জিলা, নদুবাৰ আৰু ছয়দুবাৰ উত্তৰে থকা পৰ্ব্বত শ্ৰেণী বৰলী নৈ আৰু ৰঙ্গী নদীৰ মাজত নিচি বিলাকৰ বসতি। নিচি বিলাকে বসতি কৰা পৰ্ব্বতবোৰ ২০০০ ফুটৰ পৰা ৭০০০ ফুটলৈকে ওখ। নিচি বিলাকৰ বসতি পাতল। নিচি বিলাকৰ বহু খেল আছে। নিচি বিলাক তিব্বেতো বৰ্মান জাতিৰ মানুহ। নিচি বিলাক তিব্বত বৰ্মী শাখাৰ ভাষা গোষ্ঠীয় লোক। নিচি বিলাক চুটি-চাপৰ, শৰীৰৰ গঠন সুঠাম, মুখ বহল, কপাল বৰ্গাকৃতিৰ দৰে, গালৰ কাঙ্গ উঠা, চকু সৰু, নাক চেপেটা, ওঁঠ শকত, তলৰ ওঁঠ দীঘল, দাৰি গোফ নাই, গাৰ বৰণ পীটলকলীয়া। কিছুমান নিচিয়ে ওপৰ ওঁঠত যোগ চিন আঁকাই লয়। এইটো তেওঁলোকৰ জাতীয় ৰীতি নহয়।

**তিৰোতাৰ সাজ-পাৰ ঃ** পুৰুষৰ দৰে তিৰোতা বিলাকেও এখন কাপোৰ আঁঠুলৈকে পৰাকৈ পিন্ধে। আন এখন কাপোৰ দুভাঁজ কৰি পিঠিত পেলাই ডিঙিৰ গাঁঠি মাৰি লয়, কঁকালত চুটি কাপোৰ এডোখৰ বা গামোছা পিন্ধে। চুলি কাকৈৰে ফনিয়াই মূৰৰ সোঁমাজত সেওঁতা ফালে। প্ৰত্যেক ফালৰ চুলিবোৰ এলেহ্বাকৈ চেলা গাঁথে। পাছত ইফালৰ লেছেৰা সিফালৰ কাণৰ তললৈ আৰু সিফালৰ লেছেৰা ইফালৰ কাণৰ তললৈ টানে। তাৰ পৰা কাণৰ লেছেৰাবোৰ কপালৰ ওপৰলৈ টানি নিয়ে। পাছত সোঁফালৰ লেছেৰাৰ আগটো বাওঁফাললৈ আৰু বাওঁফালৰটো সোঁপাললৈ তললৈ নি পূৰ্বৰ মেৰোৱা লেছেৰাৰ কাষেদি টানি নি মূৰৰ ফালে থকা লেছেৰাৰ লগত মেৰাই থয়। পূজা আৰু উৎসৱত মূৰত চাৰিচুকীয়া আৰু চেপেটা চাকতি এধাৰ পিন্ধে। মতা মানুহৰ দৰে কাণত কেৰু আৰু ডিঙিত মণি পিন্ধে। কোনোৱে কেৰুত পিতলৰ ডাঙৰ আঙুঠি বা ফুটিমণি একোধাৰ ওলোমাই লয়। ভৰিৰ গাঁঠিত একোটা বেতৰ নগৰা পিন্ধে। সেই নগৰাবোৰ ইমান সৰু যে মঙহৰ ভিতৰত সোমাই যায়। কাষত ফাঁকেৰে সৈতে এখন মিট দা আৰু এটা ছালৰ মোনা লয়। কঁকালত বেতৰ নগৰা আৰু এপাত 'চাকতি' অলংকাৰ পিন্ধে। ওপৰফালে মুখ বহল ফুলৰ কুৰিৰ নিচিনা হোৱা এটাত ৰচী লগাই পিঠিত ভাৰ বৈ নিয়ে। (শ্ৰী দ্বাৰিকা দাসৰ প্ৰবন্ধৰ পৰা)

**পুৰুষৰ সাজ-পাৰ ঃ** পুৰুষে জোঁঠাসুতাৰ এৰীয়া কাপোৰৰ নিচিনা পদু নামেৰে এবিধ দুকঠীয়া কাপোৰ গাত মেৰাই কান্ধলতিৰ তলেদি ডিঙিত মেৰাই বুকুত বা পিঠিত গাঁঠি দি লয়। পুৰুষ বিলাকৰ এই কাপোৰ কৰঙনলৈকে পৰে আৰু তাৰ তলত কঁকালত বন্ধা ৰচীত লগাই এখন লেংটি মাৰে। আঁঠুৰ তলৰ আৰু কলাফুলৰ ওপৰত ক'লা বা

সেউজীয়া সূতা বান্ধে। সোঁহাতৰ গাঁঠিত কাঁড়ৰ গোটা হাৰ এপাত পিন্ধে। বাওঁহাতৰ গাঁঠিত চুলি বা নোম মেৰিয়াই লয়। কঁকালত বেতেৰে চেলা গুঠা ৰচী একোছা মেৰিয়াই লয়। ডিঙিত ফাকিৰ সৈতে ওলোমাই এখন দীঘল নলীয়া কটাৰী আৰু কামলতিৰ তলত ফাকেৰে সৈতে ওলোমাই এখন দীঘল দা লয়। দা আৰু কটাৰীৰ নালবিলাক চেপেটা বেতেৰে গুঠা আৰু অঁহিয়া। লগত সদায় এখন ধেনু, বাঁহৰ উকা কাঁড় আৰু লোৰ শলা লগাই কৰা কাঁড় ভৰাই থোৱা এটা সাঁফৰ লগা চুঙা থাকে। লো লগা কাঁড়ত বিহ দিয়া থাকে। ধেনুৰ গুণ টানকৈ লগায়। সোঁহাতৰ তলুৱাত খাৰুৰ দৰে বেতৰ এডাল চেপেটা শকত খাৰু পিন্ধে। পিঠিত এটা বেতৰ হোৰা থাকে আৰু হোৰাৰ মুখৰ কাষ দুটা বাউসিৰ পৰা ওলোমাই থয়। ইয়াৰ পৰা বস্তু পৰি যোৱাৰ ভয় নাথাকে। বাওঁ কামলতিৰ তলত এটা ছালৰ সৰু মোনা থাকে। তাত তেওঁলোকৰ ধঁপাত, টিঙিৰি, কপাহ আৰু তামোল-পানৰ টেমা থাকে। হাতত এপাত ৬'-৭ ফুট দীঘল বাঁঠী থাকে। ৰণলৈ যাওঁতে কঁকালৰ ওপৰত পেট, বুকু ঢাকিবলৈ গৰু বা মেঠোনৰ ছাল এডোখৰ মেৰিয়াই লয়। জাপিৰ পৰিবৰ্তে বাঁহৰ কাঠিৰে বোৱা চৰাৰ নিচিনা আৰু তাৰ সমানে এখন ঢাকনি সাজি লয়। মূৰৰ চুলি ৬ লেছেৰা মান কৰি পকাই পকাই কঁপালৰ ওপৰত খোপা বান্ধে। ল'ৰাবোৰে কঁপালৰ আগত আৰু মাজ মূৰত দুডাল টিকনি ৰাখে। খোপা নবন্ধা অৱস্থাত ডেকা বিলাকে এডাল ৰচী বা বেতেৰে চকু ঢাক নেখোৱাকৈ চুলি বান্ধি ৰাখে। খোপাটোৰ গুৰিত হালধীয়া সূতা এলেছা মেৰিয়াই লয়। খোপাটোত পথালিকৈ এডাল শলা মাৰে। তাত ৰচী মেৰিয়াই মূৰৰ পিছফালে ফেঁট উঠা এটা বেতৰ টুপী পিন্ধে। খোপাটোৰ ওপৰত এসোপা চুটি চুটি ক'লা পাখি বান্ধি লয়। বৰষুণ দিলে খোপাৰ ওপৰত পাত জাপি দিয়ে। টুপীটোৰ সোঁমাজত ধনেশ চৰাইৰ ঠোঁটৰ আগফালৰ এভাগ, নখ থকা কুকুৰাৰ ঠেং এখন, কিছুমান ঠাৰি, পাকৈ ধোৱা চৰাইৰ নেজৰ বগা পাখি আৰু ভীমৰাজ চৰাই নেজৰ দীঘল পাখি দুখন, বৰটোকোলা মিহি বগা পাখি এখন বান্ধি লয়। মূৰত এটা সিকিৰ সমান কিছুমান কাঁহৰ 'চাকতি' গাঁথি মেৰিয়াই পিন্ধে। কাণত বাঁহৰ বা কপৰ কেৰু পিন্ধে। কাণৰ বিন্ধাটো এটা পাতি পইচাৰ সমান ডাঙৰ হয়। ডিঙিত কেইবা পাৰৰ কেইবাধৰণৰ মণি পিন্ধে। (শ্ৰী দ্বাৰিকা দাসৰ প্ৰবন্ধৰ পৰা)

**নগা ঃ** অসম উপত্যকাৰ দক্ষিণে থকা পৰ্বত শ্ৰেণী, পশ্চিমে নগাওঁৰ কপিলী নৈৰ পৰা উত্তৰ-পূবে বুঢ়ীদিহিং আৰু চিংফৌ বিলাকৰ বসতিলৈকে বিভিন্ন নগা জাতিৰ বসতি। নগা বিলাকৰ বসতি দক্ষিণ ফালে কাছাৰ, মণিপুৰ আৰু পূব ফালে পাটকাই পৰ্বত পাৰ হৈ ব্ৰহ্মদেশৰ কিছু অংশ পৰ্যন্ত বিস্তৃত। নগালেণ্ডত বসবাস কৰা নগা সকল মূলতঃ ইন্দোমংগোলীয় নৃগোষ্ঠীয় ঠালৰ হ'লেও ভাষাৰ পিনৰ পৰা পৰস্পৰৰ অমিল লক্ষ্য কৰিবৰ লগীয়া। সেই বাবে নগালেণ্ড পাৰস্পৰিকভাৱে অবোধ্য বহুভাষীৰ ৰাজ্য। নগাৰ বহু উপজাতি আছে। নগাভূমিত বাস কৰা লোকসকলক সাধাৰণতে "নাগা" বুলি জনা গ'লেও প্ৰকৃত পক্ষে ই বহুতো নগা জনগোষ্ঠীৰ এটা সমূহীয়া নামহে। বিভিন্ন অঞ্চলত থুপ খাই থকা ইন্দোমঙ্গোলীয় নৃগোষ্ঠীয় এমুঠি মানুহৰ ঘাই ঘাই উপগোষ্ঠী বিলাক হ'ল কন্যাক, আও, চেমা, লোঠা, আঙ্গামী, চাখেচাঙ, ফোম, য়িমচুংগ্ৰি, ৰেংমা, চাঙ, চাংতাম, জেলিয়া পচুৰি, খেমুংগাৰ আদি। এইবোৰৰ ভিতৰত কন্যাকেই সংখ্যাগৰিষ্ঠ। এই চৈধ্যটা প্ৰধান জনগোষ্ঠীৰ মাজতো কিছুমান সৰু সৰু ঠাল পোৱা যায়।

**আওনগাৰ সাজ-পাৰ ঃ** আওনগা বিলাকে দৈয়াং নৈৰ পৰা দিখৌনৈৰ ভৈয়ামত নমা ভাঁজটোলৈকে অসম উপত্যকা আৰু দিখৌ নৈৰ মাজত থকা তিনিটা পৰ্বতত বাস কৰে। আওবিলাকে চুংলি আৰু মংচিন নামে দুই খেলত বিভক্ত। দুয়োখেলৰ সাজ-পাৰ একে ধৰণৰ। দুয়োখেলৰ তিৰোতাই আঁঠুৰ তলৰ পৰা সৰু গাঁঠিলৈকে আঁক লগাই লয় আৰু চুংলিবিলাকৰ কলাফুলত হীৰাৰ নক্সাৰে আৰু মংচিনবিলাকৰ কলাফুলত বৃত্ত আকাৰে চিন লগায়। দুয়ো খেলৰে আঁঠুৰ ফালে কাঁড়ৰ মূৰৰ

দৰে চিন দি থয়। আও তিৰোতা বিলাকে বৰ সাৱধানে ফুলৰ চাকিৰ দৰে পিচফালে খোপা বান্ধি তাত বগা কপাহৰ চেলা গুঠি ঘুৰণীয়াকৈ পকাই পিতলৰ পিন দি লগাই লয়। দুই ফালে ভাণ্ডৰ পিতলৰ কেৰুৰে ধৰি ৰাখে। এডাল বটী মূৰৰ ওপৰেদি লগাই খোপাটো যথাস্থানত ৰাখে।

আঙ্গামি আৰু আও নগা বিলাকৰ যুঁজৰ সাজ-পাৰ বৰ জাকজমক। তেওঁলোকে কঁকালৰ পৰা আঁঠুলৈকে পৰাকৈ নাইবা আগফালে আঁঠুলৈকে ওলমি পৰাকৈ কড়ি লগোৱা ক'লা কাপোৰ, বাহুত হাতী দাঁতৰ বা পিতলৰ বাজু, পিছফালে ভাণ্ডৰ কড়ি পিন্ধে। দা আৰু যাঁঠীত নানা তৰহৰ ৰং লগোৱা চুলি লগাই লয়। আও তিৰোতাই এখন দীঘল নীলা কাপোৰ গোটেই গা ঢাকি পিন্ধে। কিন্তু আঙ্গামি তিৰোতাই আঁক লগা চুটি মেখেলা পিন্ধে, ৰং লগোৱা এখন কাপোৰ লয়। তেওঁলোকে হাতত পিতলৰ খাৰু, ডিঙিত কড়িৰ মণি, ৰং লগোৱা নানা তৰহৰ মণি, বহুমূলীয়া পাথৰ পিন্ধে। চেমা আৰু ৰেংমাৰ সাজ-পাৰত বিশেষত্ব নাই। তেওঁলোকে অতি কম কাপোৰ পিন্ধে। ♦


অসমৰ সংস্কৃতি — ড' লীলা গগৈ

অসমৰ ভাষা — ড' ভীমকান্ত বৰুৱা

অসমীয়া ভাষা — ড' ভীমকান্ত বৰুৱা

ইতিহাস সোঁৱৰা ছশটা বছৰ — স্বৰ্গীয় সদানন্দ ৰাজকুমাৰ।




চকুবাখনা শাখা সাহিত্য সভা

চিত্ৰাংকণ, গীত, কবিতা আবৃত্তি প্ৰতিযোগিতা

# ঢকুৱাখনাৰ চৰাই বৈচিত্ৰ্য

✍ বিমান সন্দিকৈ

মনোৰম প্ৰাকৃতিক সৌন্দৰ্য, প্ৰকৃতিৰ বৈশিষ্ট্যপূৰ্ণ পৰিৱেশ আৰু সমৃদ্ধ জীৱ বৈচিত্ৰ্যৰে ভৰপূৰ লখিমপুৰ জিলাৰ প্ৰধান মহকুমা ঢকুৱাখনা। লখিমপুৰ জিলাৰ পূব প্ৰান্তত অৱস্থিত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ প্ৰধান উপনৈ সোৱণশিৰিৰ মাজৰ অংশত অৱস্থিত ঢকুৱাখনা ২৭-৬০ ৰ পৰা ২৭-৩৫ উত্তৰ অক্ষাংশ আৰু ৯৪-২৪ ৰ পৰা ৯৪ ৪২ পূৰ্ব দ্ৰাঘিমাংশৰ মাজত অৱস্থিত। ঢকুৱাখনাৰ পূবে মহাবাহু ব্ৰহ্মপুত্ৰ আৰু ধেমাজি, পশ্চিমে সোৱণশিৰি আৰু উত্তৰ লখিমপুৰ, উত্তৰে ধেমাজি আৰু দক্ষিণে ব্ৰহ্মপুত্ৰ আৰু মাজুলী জিলা অৱস্থিত। ঢকুৱাখনাৰ মাটিকালি ৬৫৯ বৰ্গকিলোমিটাৰ। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপ-নৈবোৰে বছৰৰ বেছিভাগ সময় প্লাবিত কৰি ৰখা তথা প্ৰাকৃতিক দুৰ্যোগৰ বাবে উপনৈ বোৰে সঘনাই গতিপথ সলাই থকাৰ বাবে খ্ৰীষ্টিয় কেইবাশতিকালৈকে ঢকুৱাখনা ঠাইডোখৰ স্থায়ীভাৱে বসবাসৰ অনুপযোগী আছিল। ১৭১৫ খ্ৰীষ্টাব্দৰ আগলৈকে ঢকুৱাখনাৰ সকলো ঠাইলৈ অহা-যোৱা কৰিব পৰা নাছিল। বৰ্তমান হাৰ্হি দেৱালয়ৰ কাষেৰে অঞ্চলটোৰ জনসাধাৰণৰ পৰা কৰ সংগ্ৰহৰ সুবিধাৰ্থে চাৰিকড়ীয়া আৰু কড়া নৈ সংলগ্ন কৰি উত্তৰমুৱাকৈ বৃহত্তৰ জামুগুৰি অঞ্চলৰ মাজেৰে প্ৰায় পাঁচ কিলোমিটাৰ দৈৰ্ঘৰ এটা জান আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ ৰাজত্ব কালত খন্দা হৈছিল। এই জানটো বৰ্তমান ঢকুৱাখনা নগৰৰ পূবত অৱস্থিত। এই জানটো খন্দাত জলপথৰ সুবিধা হোৱাৰ উপৰিও বানপানীৰ পৰা খেতি পথাৰ আৰু ঘৰ-বাৰী ৰক্ষা পৰিছিল। জানটো খন্দা মাটিখিনি পাচি খৰাহিৰ বাহিৰেও তামোলৰ ঢকুৱাৰে পাৰলৈ তোলা হৈছিল বাবে জানটোৰ নাম ঢকুৱাখনা জান হয় আৰু তেতিয়াৰ পৰা দুয়ো পাৰে থকা ঠাইডোখৰৰ নাম ঢকুৱাখনা নামেৰে জনাজাত হয়। ঢকুৱাখনাৰ মাজেৰে চামপৰা, কড়া, চাৰিকড়ীয়া আদি ব্ৰহ্মপুত্ৰৰ কেইবাখনো উপনৈ বৈ গৈছে।

অসমৰ চৰাই বৈচিত্ৰ্যৰ ক্ষেত্ৰত যিকেইখন সমৃদ্ধিশালী অঞ্চল আছে তাৰ ভিতৰত ঢকুৱাখনাই এক বিশেষ ভূমিকা পালন কৰি আহিছে। পৃথিৱীত দেখা পোৱা ৮৬০০ প্ৰজাতিৰ চৰাইৰ ভাৰতবৰ্ষত ১২০০ প্ৰজাতি , অসমত প্ৰায় ৯০০ প্ৰজাতি আৰু ঢকুৱাখনাত প্ৰায় ৩০০ প্ৰজাতিৰ চৰাই দেখা পোৱা যায় । ২০০৩ চনত IBCN গণনাৰ সময়ত কেৱল কোৱাবাৰী দলনিতে প্ৰায় ১১৮ টা প্ৰজাতিৰ চৰাই নথিভুক্ত হৈছিল । বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ বাবে, লগতে নতুন প্ৰজন্মৰ চৰাই পৰ্যবেক্ষকসকলে সক্ৰিয়ৰূপে কাম কৰাৰ বাবে প্ৰতিবছৰে নতুন নতুন চৰাইৰ প্ৰজাতিৰ তালিকা দীঘল হৈ গৈ আছে।

ঢকুৱাখনাৰ অৰণ্যৰ বিচিত্ৰতা, বিভিন্ন ধৰণৰ বাসস্থানৰ তাৰতম্য, খাদ্যৰ প্ৰাচুৰ্য আদিয়ে ঢকুৱাখনাৰ চৰাই বসবাসৰ অনুকূল পৰিৱেশ সৃষ্টি কৰিছে। ঢকুৱাখনাৰ জৈৱবৈচিত্ৰ্য আৰু আহাৰৰ

পুখুৰৰ বাবে প্ৰতিবছৰে ঢকুৱাখনালৈ হাজাৰ হাজাৰ পৰিভ্ৰমী চৰাইৰ আগমন ঘটে। ইয়ালৈ অহা এই চৰাইবোৰৰ অলপ দিন অতিবাহিত কৰে আৰু পৰিবেশ আৰু প্ৰকৃতিক অধিক সমৃদ্ধিশালী কৰি তোলে। ঢকুৱাখনাৰ চৰাই বৈচিত্ৰ্যত আকৃতিগত ... হয়। ঢকুৱাখনাৰ চৰাই বৈচিত্ৰ্যত আকৃতিগত ভিন্নতা যথেষ্ট পৰিমাণে দেখা যায়। ঢকুৱাখনাৰ প্ৰকৃতিত মাত্ৰ ১০ ছেন্টিমিটাৰ দৈৰ্ঘ্যৰ ফুটুকী টুনি (Spotted Munia)ৰ পৰা প্ৰায় ১২০ ছেন্টিমিটাৰ দৈৰ্ঘ্যৰ বৰটোকোলা চৰাই ( Lesser Adjutant) দেখিবলৈ পোৱা যায়। এই চৰাইবোৰৰ আকৃতিগত তাৰতম্যই চৰাই জগতত বৈচিত্ৰ্যৰ আভাস পোৱা যায়। বাসস্থলৰ ভিন্নতা ভেদে আমাৰ চৰাইবোৰক যেন প্ৰকৃতিয়ে সৃষ্টি কৰিছে, এই বাসস্থানৰ তাৰতম্যভেদে চৰাইবোৰৰ যি ভিন্নতা সেই কথাটো চৰাইবোৰৰ পৰস্পৰ নিৰ্ভৰশীলতা আৰু জীৱন ধাৰণৰ তাৰতম্যক প্ৰভাৱিত কৰিছে।

অসমৰ দ্বিতীয়খন পক্ষী উদ্যানৰূপে অসমৰ তদানীন্তন ৰাজ্যপালৰ গেজেট নটিফিকেচন এফ আৰ ডব্লিউ ১৫।৯৬।৩ এ মৰ্মে ১৯৯৬ চনৰ জুলাইত বৰদৈবাম বিলমুখক পক্ষী উদ্যান হিচাপে ঘোষণা কৰে। ঢকুৱাখনাত অৱস্থিত এই উদ্যানখনি উত্তৰ লখিমপুৰ-ঢকুৱাখনা সংযোগী পথৰ কাষতে আছে। বৰদৈবাম বিলমুখ পক্ষী উদ্যানখন পৰ্যটকৰ বাবে বিশেষ আকৰ্ষণীয় হ'ব পাৰে। বৰদৈবামত অনেক প্ৰজাতিৰ জলজ, স্থলজ জাতীয় আৰু তাইবিশেষে বৃক্ষ জাতীয় উদ্ভিদ আৰু জোপোহা হাবিয়নিও দেখা যায়। মেগামিক্স প্ৰকৃতি সংঘৰ জৰীপত ১৮৩ টা প্ৰজাতিৰ চৰাই উপস্থিতি পোৱা গৈছিল।

ঢকুৱাখনাৰ বাসুদেৱ থানৰ সমীপত হাজাৰ হাজাৰ শামুকভঙা চৰাইৰ এক আবাসস্থল গঢ়ি উঠিছে। থানখনৰ নৈসৰ্গিক সৌন্দৰ্যত শামুক ভঙা চৰায়ে আন এক মাত্ৰা প্ৰদান কৰিছে। ঢকুৱাখনা বাসুদেৱ থান সংযোগী পথটিৰ নিচেই কাষতে থকা কচ়াঘাট অঞ্চলত আজিৰ পৰা প্ৰায় ৩০ বছৰৰ আগৰে পৰা এজাক শগুণৰ আবাসস্থলে এক অনন্য মাত্ৰা প্ৰদান কৰাৰ লগতে পৰিবেশ কৰ্মী তথা পৰ্যটকক মুগ্ধ কৰি ৰাখিছে। বিশেষকৈ IUCNৰ ৰেড ডাটাৰ অন্তৰ্ভুক্ত সংঘাটিকভাৱে বিপন্ন ( Critically Endangered) বগা পিঠীয়া শগুণ বা পাতি শগুণৰ ( White Rumped Vulture) 4-5 টাকৈ বাহ আৰু লাহী ঠোঁটীয়া শগুণৰ ( Slender Billed Vulture) প্ৰতি বছৰে এটা বাহ দেখা পোৱা যায়। দুয়োবিধ শগুণ এবিধ অতি সংকটাপন্ন চৰাই। ভাৰতৰ বন্যপ্ৰাণী সংৰক্ষণ আইন ১৯৭২ ৰ মতে এই বিধ শগুণ এক নম্বৰ অনুসূচীৰ প্ৰাণী। কচ়াঘাট অঞ্চলটি চৰাইবৈচিত্ৰ্যৰ ক্ষেত্ৰত বিশেষভাৱে চহকী। কচ়ানদীৰ পাৰতেই অৱস্থিত অঞ্চলটিত কেৱল বগা পিঠীয়া শগুণ আৰু লাহী ঠোঁটীয়া শগুণৰে বাসস্থান তেনে নহয়। অসমত দেখা পোৱা স্থানীয় আৰু পৰিভ্ৰমী শগুণৰ প্ৰায় গোটেইকেইটা প্ৰজাতিয়েই বছৰৰ বিভিন্ন সময়ত দেখা পোৱা যায়। সাধাৰণতে শগুণে জাক পাতি বিভিন্ন প্ৰজাতিৰ শগুণৰ লগত ওখ গছত বহি খাদ্যৰ সন্ধানত থাকে। ঢকুৱাখনা এটি প্ৰধান পঞ্চায়ত হ'ল পশ্চিম ঢকুৱাখনা পঞ্চায়ত। কৃষিজীৱী লোকসকলে কৃষিকৰ্মৰ লগতে বিভিন্ন পশুধন যেনে-গৰু, ছাগলী, গাহৰি আদি পুহি জীৱন যাপন কৰি আছে। পশুধন মৃত্যুৰ পিছত মৰাশটো শগুণৰ খাদ্য হিচাপে অৰ্পণ কৰাৰ ফলত পৃথিৱীৰ পৰা প্ৰায় শেষ হ'বলৈ ধৰা শগুণৰ বাসস্থান ঢকুৱাখনাৰ পক্ষী বৈচিত্ৰ্যৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে।

ঢকুৱাখনা বিভিন্ন ধৰণৰ পক্ষীৰ বাসভূমি। ঢকুৱাখনাৰ চৰাই বৈচিত্ৰ্যত সচৰাচৰ দেখা পোৱা চৰাইসমূহ হৈছে - পানী কাউৰী, মনিয়ৰী, দৈকলা, বগ, কণামুচৰি, বাক চৰাই, নাক খেচখেচী, শামুকভঙা, বৰমুখী হাঁহ, কণুৱা, বৰটোকোলা, শৰালি, দেওবাজহাঁহ, দীঘলনেজী, মুগী হাঁহ, বগাচকুৱা হাঁহ, বামুণী হাঁহ, ঘিলা হাঁহ, চীনা হাঁহ, ক'লা চিলনী, বগা চিলনী, বৰি শেন, আলাসী

চিলনী, উকহ, ডোবা শেন,কুৰুবা, নিগনি খাঁতি শেন, নতা চৰাই, ভুকা [illegible], পানীয়া কুকুৰা, ৰাম চৰাই, ডাউক, দলপুঙা, কুটুম, নলচেকৰ, চেৰেকা, পালিগোৰা, গোনা গোচৰা, চহ, লৰিয়তী, ৰঙীণ চহা, গঙা চিলনী, ৰাম পাৰ, হাইঠা, হালখেদা, পাতিকপৌ, শিলকপৌ, মণিকপৌ, শ্বেত কপৌ, গলমণিকা, টিয়া ভাটো, মদনা ভাটো, কুকুহা, কেতেকী, লক্ষী ফেঁচা, কুৰ্লি ফেঁচা, হুদু, মাটি হুদু, দিনকণা, বতাহী, পখৰা মাছৰোকা, জিএৰাখাতী, হনুমন্ত মাছৰোকা, কাৰ্কেশিলা, বাটৈটোকা, কাউচৰাই, নল বাটৈটোকা, পাকৈধোৰা, ভৰত চৰাই, হেটুলুকা, বনডাকিনী, বাঁহতলী, তেলটুপী, চেট চেটী, সখিয়তী, ফেঁচু, ভীমৰাজ, চেকচেকী, কাণকুৰিকা, ঘৰ শালিকা, কাঠ শালিকা, চুতীয়া শালিকা, ঘৰচিৰিকা, মইনা, ঢোৰা কাউৰী, পাতি-কাউৰী, চেৰেকা, কলখাতী, টুনী, মৌপিয়া, বুলবুলি, বিহুৰতী, নিমাতী, ৰূপহী, সাতভনী, নাচনী, ঢাপলিকা, টিপচী, দহিকতৰা, ফুলচোহা আদি।

থলুৱা আৰু পৰিভ্ৰমী চৰাইৰ বিচৰণস্থলী ঢকুৱাখনাত লাহে লাহে চৰাইবোৰৰ বংশবৃদ্ধিৰ ক্ষেত্ৰত বাধা আহি পৰা দেখা গৈছে। প্ৰাকৃতিক কাৰকবোৰৰ উপৰিও মানবসৃষ্ট কিছুমান কাৰকৰ বাবে চৰাইৰ উপযুক্ত আবাসভূমি ঢকুৱাখনাৰ পূৰ্বৰ গৌৰৱ যেন কিছু কমি অহা দৃষ্টিগোচৰ হৈছে। ডাঙৰ চৰাইবোৰে ওখ গছৰ মুধত বাহ সাজি পোৱালি জগায় বংশবৃদ্ধি কৰে। কিন্তু দ্ৰুতগতিত এনে গছৰ সংখ্যা কমি আহিছে। ব্যক্তিগত প্ৰয়োজন নাইবা ব্যৱসায়িক প্ৰয়োজনত শগুণ, বৰটোকোলা, শামুকভঙা আদি ডাঙৰ চৰাইবোৰে বাহ সাজি বংশবৃদ্ধি কৰা গছবিলাক কাটি পেলোৱাত চৰাইবোৰৰ বংশবৃদ্ধিত বাধা আহি পৰিছে। ◆



# 'অৰুনোদই' অসমীয়া ভাষাৰ প্ৰথম বাৰ্তাবাহক

ড° জিতু কুমাৰ চমুৱা

"The News paper in the people's parliament always in session"

বিশাল বিশ্বৰ কোটি কোটি মানবৰ ভাৱধাৰাক বিভিন্ন সমাজৰ বিচিত্ৰ ৰীতি-নীতিক ঐক্যৰ এনাজৰীৰে বান্ধি 'বসুধৈব কুটুম্বকম' কৰি গঢ়ি তুলিব পৰাতেই বিশ্বমানৱৰ সাৰ্থকতা। বাতৰি কাকত হৈছে জাতিসমূহৰ মাজত যোগসূত্ৰ ৰক্ষা কৰি ওচৰ সম্বন্ধ গঢ়ি তোলাৰ মাধ্যম। পৃথিৱীৰ নিভৃততম নিবিড় কোণত সোমাই থকা লোকেও মনৰ সমাজৰ সংকীৰ্ণ সীমা অতিক্ৰম কৰি বিশ্বৰ উদাৰ, অসীম আকাশৰ তলত বিশাল জনসমুদ্ৰৰ মাজত ডুবগৈ বিশ্বভ্ৰাতৃত্বৰ বান্ধোনেৰে নিজকে বান্ধি পেলায়।

সৰ্বপ্ৰথম বাতৰি কাকতৰ উদ্ভাৱন হৈছিল চীনত। ছপাকল আবিষ্কাৰৰ অধিকাৰীও চীনেই। ইউৰোপত ইটালীৰ ভেনিচ নগৰত প্ৰথম বাতৰি কাকত উদ্ভাৱন; সেই বাতৰি কাকতৰ নাম আছিল 'গেজেটা'। ইয়াৰ পৰাই 'গেজেট' শব্দৰ উৎপত্তি হৈছে। ইংলেণ্ডত ৰাণী এলিজাবেথৰ দিনত বাতৰি কাকত প্ৰকাশিত হয়। ভাৰতত ইংৰাজ ৰাজত্বৰ আৰম্ভণিৰ পৰাই বাতৰি কাকতৰ প্ৰচলন হৈছিল। ভাৰতৰ প্ৰথম বাতৰি কাকতখনৰ নাম আছিল 'ইণ্ডিয়া গেজেট' -১৭৪৪ চন। ইয়াৰ পিছৰ পৰাই ইংৰাজী আৰু দেশীয় ভাষাত বাতৰি কাকত প্ৰকাশ পাবলৈ ধৰে। অসমত প্ৰথম বাতৰি কাকত প্ৰচলন কৰে খৃষ্টান মিছনেৰীসকলে আৰু সেই কাকতখন আছিল 'অৰুণোদই'। ই প্ৰকাশিত হয় ১৮৪৬ চনৰ জানুৱাৰী মাহত। 'অৰুনোদই' (ইংৰাজী Orunodoi) অসমৰ প্ৰথমখন অসমীয়া ভাষাৰ সংবাদপত্ৰ। শিৱসাগৰৰ মিছন প্ৰেছৰ পৰা প্ৰকাশ পোৱা 'অৰুনোদই' অসমীয়া ভাষাৰ বাটকটীয়া বুলিব পাৰি কাৰণ এই আলোচনীৰ দ্বাৰাই অসমীয়া সাহিত্যৰ ক্ষেত্ৰত এক নতুন যুগৰ সূচনা হ'ল। অৰুণোদইৰ পাততে আনন্দৰাম ঢেকিয়াল ফুকন, পণ্ডিত হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদি সাহিত্যিকে ভুমুকি মাৰিছিল। মূলতঃ খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ কাৰণে এই কাকত প্ৰকাশ কৰিছিল যদিও গদ্য-পদ্য, ভূগোল-বুৰঞ্জী, নীতি-কথা, দেশ-বিদেশৰ বতৰা, জীৱনী, কাহিনী আদি বিবিধ ৰচনা ইয়াত প্ৰকাশ পাইছিল। ১৮৮৩ চনত মিছন প্ৰেছ বন্ধ হোৱাৰ লগে লগে এই কাকতখনো বন্ধ হৈ পৰে।

ইংৰাজী ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধি অনুসৰি অসম ইংৰাজৰ শাসনাধীস্থ হোৱাৰ পাছত অসমৰ ৰাজনৈতিক-সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰত এক বিৰাট পৰিবৰ্তনৰ সূচনা হ'ল। সাহিত্যতো ইয়াৰ স্পষ্ট প্ৰভাৱ পৰিল। ১৮৩৬ চনত ইংৰাজে প্ৰশাসনীয় সুবিধাৰ দোহাই দি অসমৰ বিদ্যালয়-মহাবিদ্যালয় আদি চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানত অসমীয়া ভাষাৰ পৰিৱৰ্তে বাংলাভাষাৰ প্ৰচলন কৰে। ইয়াৰ কাৰণ আছিল ইংৰাজৰ শাসনত সহায় হোৱা। পশ্চিমবংগৰ পৰা অহা বঙালী কাৰ্যবাহীসকলৰ যাতে সুবিধা হয়, ইয়াৰ বাবে বঙালী কৰ্মচাৰীসকলে ইংৰাজ

চৰকাৰক হেচাঁ দিছিল। ইতিমধ্যে অসমৰ কমিছনাৰ কেপ্টেইন ফ্ৰেন্সিচ জেনকিন্সৰ আমন্ত্ৰণক্ৰমে অসমৰ শদিয়াত এটা খ্ৰীষ্টান মিছন পতাৰ উদ্দেশ্যৰে আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকল অসমলৈ আহে। ১৮৪৬ চনৰ জানুবাৰী মাহত তেওঁলোকৰ উদ্যোগতে আৰু ড° নাথান ব্ৰাউনৰ সম্পাদনাত মাহেকীয়াকৈ 'অৰুনোদই' আলোচনী ওলায়। 'অৰুনোদই'তে প্ৰথম 'দেওধাই অসম বুৰঞ্জী, কামৰূপ বুৰঞ্জী, গুণাভিৰাম বৰুৱাৰ আধুনিক নাট 'ৰাম নৱমী' প্ৰকাশ হৈছিল। এই মাহেকীয়া আলোচনীখনৰ সুদীৰ্ঘ ৩৭ বছৰ কালৰ সম্পাদকসকল আছিল - ড° নাথান ব্ৰাউন, এছ.এম হোৱাইটিং, ড° মাইলছ ব্ৰন্সন, মিছেছ বাৰ্ড, ৰেভাৰেণ্ড ক্লাৰ্ক আৰু এ.কে. গাৰ্নি। আলোচনীখনৰ বছৰেকীয়া বৰঙনি ক্ৰমে ১ টকা আৰু পাছলৈ ২ টকা হৈছিল। আলোচনীখনৰ সৰ্বোচ্চ গ্ৰাহকৰ সংখ্যা ৭০০ জন হৈছিলগৈ। মুখ্য কাৰ্যালয় শিৱসাগৰৰ পৰা প্ৰকাশ পোৱা আলোচনীখনৰ ভাষা আছিল অসমীয়া।

'অৰুনোদই' যুগৰ (১৮৪৬-১৮৮৩) মূল বৈশিষ্ট্যসমূহ হ'ল - ইয়াৰ সূচনা কৰিছিল 'অৰুনোদই' নামৰ প্ৰথম অসমীয়া আলোচনীয়ে, যিয়ে অসমীয়া ভাষাক আধুনিক ৰূপ দিছিল, নতুন সাহিত্যিক ধাৰাৰ জন্ম দিছিল, অসমীয়া ভাষাত বিজ্ঞান, ধৰ্ম আৰু সাধাৰণ জ্ঞানৰ প্ৰসাৰ ঘটাইছিল। অসমীয়া ভাষাত গদ্য সাহিত্য (যেনেঃ গল্প, প্ৰবন্ধ) ৰ বিকাশ ঘটাইছিল আৰু অসমীয়া সমাজ সংস্কৃতিৰ উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। যদিও বহুবছৰ আলোচনীখন জীয়াই নাথাকিল তথাপিও 'অৰুনোদই' কাকতে কেইবাটাও বিশেষ কাৰ্য সম্পাদন কৰি গ'ল। যথা- 'অৰুনোদই' আলোচনীয়ে অসমীয়া ভাষাক এক নতুন আধুনিক ৰূপৰ সৃষ্টি কৰিলে। দ্বিতীয়তে 'অৰুনোদই'য়ে সাহিত্যৰ বিকাশত সহায় কৰিছিল। তৃতীয়তে, এই যুগতে নতুন সাহিত্যিক ধাৰাৰ সূচনাৰে গল্প, প্ৰবন্ধৰ বিকাশ ঘটায়, যি অসমীয়া সাহিত্যিক সমৃদ্ধ কৰিছিল। চতুৰ্থতে, ধৰ্ম-বিজ্ঞান আৰু সাধাৰণ জ্ঞানৰ বিষয়সমূহ এই আলোচনীত প্ৰকাশ পাইছিল যাৰবাবে ই জ্ঞান বিজ্ঞানৰ প্ৰসাৰত সহায় কৰিছিল। পঞ্চমতে, অৰুনোদইয়ে অসমীয়া সাহিত্য-সংস্কৃতি আৰু সামাজিক জাগৰণত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল আৰু আটাইতকৈ প্ৰনিধানযোগ্য কথাটো হ'ল-বেপ্টিষ্ট মিছনেৰীসকলে এই আলোচনীত মুখ্য ভূমিকা পালন কৰিছিল, যাৰফলত অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰতি জনসাধাৰণৰ আগ্ৰহ বাঢ়িছিল।

◆

# অৰুণোদয় যুগৰ কবিতা

কাবাশ্ৰী গগৈ

'কবিতা'ৰ বং-ৰূপ অতি বিচিত্ৰ। কবিতাক প্ৰকৃততে কোনো সংজ্ঞাৰে বান্ধি ৰখা সহজ নহয়। কবিতা নিৰ্দিষ্ট ৰীতি অথবা সীমাৰ দ্বাৰা সীমাবদ্ধ নহয়। কবিতাৰ ৰূপ চিত্ৰিত থাকে সপোন আৰু দিঠকৰ, কল্পনা আৰু অভিজ্ঞতাৰ মিশ্ৰিত জিলিকনি। তথাপিও কবিতা সম্পৰ্কে প্ৰাচ্য-আৰু পাশ্চাত্যৰ পণ্ডিতসকলে বিভিন্ন দৃষ্টিৰে বিভিন্ন ৰূপত কবিতাৰ সংজ্ঞা আগবঢ়াইছে। উদাহৰণস্বৰূপে- ছেমুৱেলন জনছনৰ মতে- "ছন্দোবদ্ধ ৰচনাই কবিতা। কবিতা হ'ল আনন্দ আৰু সত্য, কল্পনা, যুক্তিৰ উপকৰণেৰে নিৰ্মাণ কৰা এবিধ কলা।" কবি ওৱৰ্ডচৱৰ্থৰ মতে- "নিৰলাত সোঁৱৰা হিয়াৰ আবেগেই কবিতা; কবিতা সকলো প্ৰকাৰ জ্ঞান বা বোধৰ আত্মা আৰু সৰ্বোত্তম শক্তি।" জেইমছ হেনৰী লী হাণ্টৰ মতে, "সৌন্দৰ্যৰ প্ৰতি অনুৰাগেই কবিতা, ইয়াৰ মুখ্য কাম হ'ল আনন্দ সৃষ্টি কৰা আৰু মন উন্নত কৰি পৰিশোধন কৰা।"

খ্ৰীষ্টীয় ষষ্ঠ শতিকাত আচাৰ্য ভামহে "কাব্যালংকাৰ" পুথিত উল্লেখ কৰিছিল "শব্দাৰ্থৌ সাহিতৌ কাব্যম।" অৰ্থাৎ শব্দ আৰু অৰ্থৰ মিলনেই কাব্য। সপ্তদশ শতিকাত বিশ্বনাথ কবিৰাজে সৰ্বকালৰ বাবে গ্ৰহণযোগ্য সিদ্ধান্ত আগবঢ়াই কৈছিল- "বাক্যম ৰসাত্মকম কাব্যম।" অৰ্থাৎ ৰসাত্মক বাক্যই কাব্য। কাব্য ৰসযুক্ত হ'বলৈ গুণযুক্ত শব্দ সম্ভাৰ, অৰ্থযুক্ত শব্দৰ ঐশ্বৰ্য, অলংকাৰৰ সহযোগিতা লাগিবই।

'অৰুণোদয় যুগ' (১৯৪৬-১৮৮৮) অসমীয়া ভাষা আৰু সাহিত্যৰ যুগান্তকাৰী সময়। এই যুগৰ মূল বৈশিষ্ট্য- আধুনিক অসমীয়া ভাষাৰ সূচনা। এই সময়ৰ 'অৰুণোদয়' আলোচনীয়ে নতুন সাহিত্য ধাৰাৰ বিকাশত বিশেষ গুৰুত্ব প্ৰদান কৰিছিল। সেইবাবেই অৰুণোদয় যুগক কোৱা হয় অসমীয়া জাতিৰ 'উষা কাল' বা 'সূৰ্যোদয়'। অৰুণোদয়ৰ প্ৰথম সম্পাদক আছিল ড' নাথান ব্ৰাউন আৰু প্ৰথম প্ৰকাশক আছিল অলিভাৰ টমাচ কটাৰ। এই কাকতেই আত্মবিস্মৃত অসমীয়া মানুহখিনিক দেশ-বিদেশৰ জ্ঞান ভাণ্ডাৰেৰে সমৃদ্ধ কৰি বাহিৰৰ জগতখনৰ লগত পৰিচয় কৰি দিয়ে। পাশ্চাত্য ধ্যান-ধাৰণাৰ সুবাসেৰে ই অসমীয়া মানসত আধুনিকতাৰ বীজ ৰোপন কৰিলে। পঢ়াশালি আৰু আদালতত চলা বঙলা ভাষাৰ বিৰোধিতা কৰি অসমীয়া ভাষাই ন্যায্য প্ৰাপ্য ঘূৰাই পোৱাত সহায় কৰিলে। এই কাকতেই আনন্দৰাম ঢেকীয়াল ফুকন নিধি লিবাই ফাৰোৱেল, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদিক সাহিত্য বিষয়ত দীক্ষিত কৰি সাহিত্য সৃষ্টিৰ প্ৰেৰণা যোগায়। আলোচনী আৰু বাতৰি কাকত অসমীয়া ভাষাত প্ৰৱৰ্তন কৰি সাহিত্য সাংবাদিকতাৰ সূচনা কৰাৰ লগতে অসমীয়া সমাজত এই উদ্যোগক লৈ ব্যৱসায়িক আদৰ্শ প্ৰতিষ্ঠা কৰে। অৰুণোদইৰ আদৰ্শত পৰৱৰ্তী কালত আসাম বিলাসিনী (১৮৭১-৮৩), আসাম মিহিৰ (১৮৭২-৭৩), আসাম দৰ্শন (১৮৭৪-৭৫) আদি আলোচনীৰ প্ৰকাশে অসমীয়া ভাষা সাহিত্যৰ বিকাশ আৰু প্ৰসাৰৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগায়। অৰুণোদয়ে হাবি কাটি বাট উলিয়াই নিদিয়াহেঁতেন অসমীয়া ভাষা সাহিত্যই আধুনিকতাৰ সঠিক স্থানত উপনীত হ'বলৈ বহু যুগ অপেক্ষা কৰিব লাগিলহেঁতেন।

অৰুণোদয়ে অন্য ভাষাৰ শব্দ ধাৰ নকৰি প্ৰয়োজন মতে অসমীয়া শব্দ সৃষ্টিৰ ধাৰা অনুসৰি নতুন শব্দ তৈয়াৰ কৰি লোৱাৰ আদৰ্শ প্ৰতিষ্ঠা কৰে।

অৰুণোদয় যুগৰ কবিতা হৈছে অসমীয়া সাহিত্যৰ গুৰুত্বপূৰ্ণ অধ্যায়, যি আমেৰিকান মিচনেৰী সকলৰ দ্বাৰা প্ৰকাশিত 'অৰুণোদয়' কাকতৰ জৰিয়তে অসমীয়া কবিতাক আধুনিক যুগলৈ লৈ গৈছিল। ইয়াত ৰমাকান্ত চৌধুৰীৰ 'অভিমন্যু বধ'ৰ দৰে প্ৰথম বৰ্ণনাত্মক কাব্য আৰু অন্যান্য আধুনিক কবিতাৰ জন্ম হৈছিল। যি সাহিত্যৰ নতুন দিশ উন্মোচন কৰিছিল। এই সময়ৰে পৰা আধুনিক কবিতাৰ জন্ম হৈছিল। যি সাহিত্যৰ নতুন দিশ উন্মোচন কৰিছিল। এই সময়ৰে পৰা আধুনিক অসমীয়া কবিতাৰ ধাৰাই ধৰ্মীয় বিষয়ৰ পৰা আৰম্ভ কৰি সামাজিক, ৰোমাণ্টিক, দেশপ্ৰেম মূলক বিষয়লৈকে কবিতাৰ বিষয়বস্তুৰ পৰিসৰ বৃদ্ধি কৰিছিল। যাৰ ফলত চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুঁৱৰী'ৰ দৰে প্ৰথম ৰোমাণ্টিক কবিতাৰ সৃষ্টি হৈছিল। এই কাকতৰ মূল উদ্দেশ্য আছিল জাতীয় জাগৰণ আৰু সমাজৰ উন্নতি সাধন।

অৰুণোদয় যুগৰ কবিতাৰ বৈশিষ্ট্য-

◆ আধুনিকতাৰ আৰম্ভ - 'অৰুণোয়'ত প্ৰকাশিত কবিতাসমূহে অসমীয়া কবিতাক নব্য শৈলী আৰু বিষয়বস্তুৰে নব্য মাত্ৰা প্ৰদানেৰে অসমীয়া ভাষাক আধুনিক ৰূপ দিছিল।

◆ বিষয় বস্তুৰ বৈচিত্ৰ্য- এই সময়ৰ পৰাই অসমীয়া কবিতাৰ বিষয়বস্তু বিস্তৃত হৈছিল, য'ত বিজ্ঞান, ইতিহাস, ভ্ৰমণ কাহিনী, আত্মজীৱনীমূলক লেখা, সামাজিক বিষয়-নাৰী শিক্ষা, বিধৱা বিবাহ আদিয়েও স্থান পাইছিল।

◆ জাতীয় জাগৰণ- এই যুগৰ কবিতাই অসমীয়া মানুহৰ মাজত জাতীয় চেতনা আৰু আত্ম সজাগতা জগাই তোলাত বিশেষ ভূমিকা পালন কৰিছিল।

◆ ৰোমাণ্টিকতাৰ প্ৰথম স্পৰ্শ- চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বন কুঁৱৰী'ৰ দৰে কবিতা এই যুগৰ বিশেষ সৃষ্টি, যি অসমীয়া ৰোমাণ্টিক কবিতাৰ ভেঁটি স্থাপন কৰিছিল।

এই সময়ৰ এজন প্ৰখ্যাত কবি লোকনাথ বৰুৱা। তেখেতে 'অৰুণোদই'ৰ পাতত 'ৰামায়ণ'ৰ কিছু অংশ অসমীয়া গদ্যত ভাঙি লিখিছিল। চন্দ্ৰকুমাৰ আগৰৱালা, গুণাভিৰাম বৰুৱা, ৰত্নকান্ত বৰকাকতি আদিয়ে নিজা সৃষ্টিৰে অসমীয়া সাহিত্যৰ কবিতাৰ ক্ষেত্ৰখনত অৱদান আগবঢ়াইছিল।

কমলাকান্ত ভট্টাচাৰ্য (অগ্নিকবি) এই যুগৰ অন্যতম শ্ৰেষ্ঠ কবি। দেশাত্মবোধক কবিতাৰে অসমীয়া সাহিত্যক তেখেতে সমৃদ্ধ কৰিছে। ৰমাকান্ত চৌধুৰীৰ 'অভিমনু বধ' আধুনিক অসমীয়া কাব্যৰ প্ৰথম বৰ্ণনাত্মক কাব্য। যি মধুসূদন দত্তৰ 'মেঘনাদ বধ' কাব্যৰ দ্বাৰা প্ৰভাৱিত আছিল। নাথান ব্ৰাউনেও সাহিত্যৰ প্ৰসাৰত অৱদান আগবঢ়াইছিল।

কবিসকলৰ উপৰিও আনন্দৰাম ঢেকীয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা (ব্যাকৰণ প্ৰণেতা) আদিয়েও সাহিত্যৰ ক্ষেত্ৰখনলৈ অসীম বৰঙণি আগবঢ়াইছিল।

বকিতা-সাহিত্যৰ এটা প্ৰধান শাখা। কবিতাৰ লগত পাঠকৰ সম্পৰ্ক অতি গভীৰ। পাঠক আৰু সমালোচকৰ সহযোগতহে কবিতাই লাভ কৰে কবিতাৰ ৰস গ্ৰহণৰ সঠিক দিশ। অৰুণোদয় যুগৰ পৰাই পৰিৱৰ্তন হ'বলৈ আৰম্ভ কৰা কবিতাৰ গতি-প্ৰকৃতিয়ে বৰ্তমান সময়ত এক ব্যাপক পৰিসৰ লাভ কৰিবলৈ সক্ষম হ'ল। সঁচাকৈয়ে কবিতা এক স্বয়ং সম্পূৰ্ণ কলা, য'ত সদায়ে বিয়পি থাকে কাব্য জিজ্ঞাসা।◆

**সহায়ক গ্ৰন্থ ঃ**

১। কবিতাৰ সৌৰভ- প্ৰহ্লাদ কুমাৰ বৰুৱা।

২। কবিতাৰ ৰূপছায়া- কৰবী ডেকা হাজৰিকা।

৩। অৰুণোদই যুগৰ সাহিত্য- বসন্ত কুমাৰ ভট্টাচাৰ্য।

৪। অসমীয়া কবিতা আৰু অন্যান্য বিষয়- নগেন শইকীয়া।

# আধ্যাত্মিক প্ৰেক্ষাপটত সাম্প্ৰতিক সময়ৰ মানৱতা

কমল দাস

আধ্যাত্মিক প্ৰেক্ষাপটত অৰ্থাৎ আত্মা সম্বন্ধীয়, আত্মাত আশ্ৰয় কৰা ব্ৰহ্ম বিষয়ক অথবা মংগলময় মানসিকতা আৰু জ্ঞান অন্বেষণৰ বাটত সম্প্ৰতি মানৱ সমাজৰ বহু সময়ত বহু ঠাইতে মানৱতা বিনষ্ট হৈছে আৰু মানৱতা অপচয় হোৱা দেখা গৈছে। ইয়াৰ কাৰণ হ'ল সমাজৰ এচাম পাতল মনৰ যুবকৰ পৰা আৰম্ভ কৰি জ্ঞান-বুদ্ধি দৰ্শনৰ প্ৰয়োগিক গুৰুত্ব দিব নোখোজা আত্মকেন্দ্ৰিক মানুহৰ কৰ্মসংস্কৃতি। সেই সকলে কেৱল নিজৰ স্বাৰ্থৰ কথা ভাবি কাম কৰে। সমাজৰ কল্যাণৰ বাবে, স্বদেশ-স্বজাতিৰ বাবে মুঠেই নাভাবে। এনে মনোভাবৰ লোকসকলৰ পৰা জন্ম হোৱা প্ৰজন্মই ভৱিষ্যতে সেই মানসিকতাৰেই সমাজ আৰু জাতীৰ স্বকীয়তা কলুষিত কৰিব বিচাৰে। মানুহে মানুহক যে গুৰুত্ব দিব লাগে তাৰ কাৰণেই পঞ্চদশ শতিকাত ইটালী আৰু ইউৰোপত ঈশ্বৰ তথা গ্ৰীৰ্জাতকৈ মানুহক অধিক গুৰুত্ব দিয়া তথা মানুহ সম্পৰ্কে উচ্চ ধাৰণা কৰাৰ এক মানৱতাবাদৰ আন্দোলন গঢ়ি উঠিছিল। অন্যহাতে সেই একে সময়তে অসমত শংকৰ-মাধৱ গুৰুদুজনাৰ লগতে গুৰু দুজনাৰ কৰ্ম-সংস্কৃতি পদানুসৰণ কৰা অনুগামী গুৰু সকলে যদিও আধ্যাত্মিকতাবাদৰ জৰিয়তে ঈশ্বৰ বিশ্বাস, একেশ্বৰবাদ অথবা ভাগৱতমুখী হ'বলৈ ধাৰণা দি ভক্তি আন্দোলনৰ পথ বাচি লৈছিল, তথাপি এই আন্দোলনৰ উদ্দেশ্যৰ লগত মানুহৰ মৰ্যদা, মানৱতা অক্ষুণ্ণ ৰক্ষা কথাও জৰিত হৈ আছিল। ইয়াৰ ওপৰি শংকৰী যুগৰ প্ৰাৰম্ভণীৰ পৰা শংকৰোত্তৰ কালৰ মধ্য দশকলৈকে ব্ৰাহ্মন্যবাদী ধৰ্মৰ নামত চলা কু-সংস্কাৰ, অন্ধবিশ্বাস, চক্ৰান্তকাৰী অভিসন্ধি আৰু আহোম ৰাজতন্ত্ৰই গোঁসাই মহন্ত সকলক কৰা অন্যায়-অনীতিৰ পৰিণতিত মানুহে মানুহক কৰা অত্যাচাৰৰ বিৰুদ্ধে মোৱামৰীয়া ওৰফে মায়ামৰাৰ যি গণ বিপ্লৱৰ সূচনা হৈছিল। সেই মানৱতা হত্যাৰ ইতিহাস প্ৰসিদ্ধ কথা সৰ্বজন বিদিত। এনেবোৰ পৰিস্থিতিৰ পৰা পোৱা শিক্ষা লৈ বহু মানুহে যুগে যুগে মানৱতা ৰক্ষা অথবা মানৱ সত্বাক জীয়াই ৰাখিবলৈ অহৰহ চেষ্টা কৰি আহিছে। শংকৰ-মাধৱ-হৰিদেৱ-দামোদৰদেৱ-গোপাল-অনিৰুদ্ধদেৱৰ ওপৰিও পৰৱৰ্তী কালত জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদ ৰাভা, ড° ভূপেন হাজৰিকাদেৱৰ অতুলনীয় সৃষ্টিৰ মাজেৰে মানৱতাবোধৰ ৰক্ষাৰ্থে কৰা আন্দোলনৰ গুৰুত্ব কোনজন অধ্যয়নশীল অসমীয়াই নাজানে?

কিন্তু আমি এচাম মানুহে আজি কোপতি কোনো আদৰ্শৰ পৰা একো শিক্ষা নল'লো, কোনো আধ্যাত্মিক জ্ঞানৰ শিক্ষা ল'লেও সেই শিক্ষা পালন কৰিব নোৱাৰিলো। এই একবিংশ শতিকাতো আমাৰ মন মগজু হিংসা, অহংকাৰ, অন্যায়-অনীতি, স্বাৰ্থপৰতাই ভৰি আছে। সেয়ে আধ্যাত্মিক প্ৰেক্ষাপটত মানৱতা অবক্ষয় হোৱা দেখা গৈছে। আধ্যাত্মিক ধ্যান ধাৰণা তথা ভাৱধাৰাৰ দ্বাৰা সন্তপুৰুষ সকলে পাকে প্ৰকাৰান্তে মানুহক ঈশ্বৰমুখী হ'বলৈ আহ্বান জনাই আহিছে। তেওঁলোকৰ মতে ঈশ্বৰৰ অস্তিত্ব মানি ল'লে মানুহ সভ্য হৈ থাকিব, সদা নমনীয় হ'ব আৰু জগতখন সদায় শান্তিময় হ'ব। এটা কথা ঠিক ঈশ্বৰক বিশ্বাস কৰোঁ বা নকৰোঁ ঈশ্বৰক পাবলৈ যাওঁতে কৰা সাধনাৰ দ্বাৰা মানুহ সদগুণৰ অধিকাৰী হয়। এতেকে আধ্যাত্মিক ভাৱধাৰাক আমি কোনো কালে নুই কৰিব নোৱাৰোঁ। সঁচা অৰ্থত আমি যদি ভাগৱতৰ কথালৈ লক্ষ্য কৰোঁ, ভাগৱতৰ মূল দৰ্শনটোৱেই হ'লে আত্ম সমালোচনা অথবা আত্মাৰ বিশ্লেষণ। সাধু-সন্তসকলে সত্ত্ব-ৰজ-তম তিনি গুণক দশহি দি সদায় সত্ত্ব গুণত থাকিবলৈ উপদেশ দিছে। আচলতে এই সত্ত্বগুণ কি? এই সত্ত্বগুণ হৈছে সৎ আচৰণ। সৎসংগত থাকিব লাগিব, সৎ ব্যৱহাৰ, সৎ আচৰণ কৰিব লাগিব, সত্ত্বগুণী আহাৰ খাব লাগিব, দয়া-মমতা, মৰম-চেনেহ, একতাৰে থাকি এখন শান্তিপ্ৰিয় সমাজ গঢ়িব লাগিব। আজি সংগীত, সাহিত্য, নাটক, খেলা-ধুলাই, সুকুমাৰ ক'লাই সেই কথাই অৱলম্বন কৰিবলৈ আমাক শিক্ষা দি আহিছে। এইবোৰ কথা অৱহেলা কৰা কাৰণেই আমি নিজে তাৰ পিছত আমাৰ ল'ৰা-ছোৱালী মানৱতা ৰক্ষা কৰাত ব্যৰ্থ হ'ব লগা হৈছে।

আমি পাতি আছোঁ শংকৰদেৱৰ জন্ম উৎসৱ। মুখত গাই আছো- "হৰিনামৰ ৰসে বৈকুণ্ঠ প্ৰকাশে, আমি পাতি আছোঁ জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদ ৰাভাৰ দিৱস। মুখত গাই আছোঁ- "কামৰূপা মোৰ সুবদী সুধীয়া অসমীয়া ভাষা জগত সভালৈ যাব, উজ্জ্বল-সুউজ্বল কহিনুৰ পিন্ধি হ'বি জ্যোতিৰূপা হ'ব।" ইফালে ভূপেনদাৰ "মানুহে-মানুহৰ বাবে যদিহে অকণো নাভাবে চিৰ সেউজ গীত আমাৰ মুখে মুখে ধ্বনিত হৈ আছে। কিন্তু পাতিছোঁ এই দিৱস, কিয় গাইছোঁ এই যাউতিযুগীয়া গান? আমি কোনোবা নিজকে জীৱনটো সুন্দৰকৈ সজাব নজনা, জীৱনক উদ্‌যাপন কৰাত ব্যৰ্থ হোৱা কেইজন অভিভাৱকে সন্তান সকলক এইবোৰ কথা শিকাইছেনে? য'ত সন্তানসকলে সু-সংস্কাৰিত হৈ জীৱনক উপলব্ধি কৰিব, পোহৰৰ, সুন্দৰৰ বাট দেখিব! বিশেষকৈ যুৱ প্ৰজন্মক, নৱ প্ৰজন্মক আমাৰ জ্ঞান বিজ্ঞসকলে সু-সংস্কাৰ নিশিকালে মনুষ্যত্ব লুপ্ত হ'ব, মানুহৰ সংজ্ঞা হেৰাব, আৰু আধ্যাত্মিক জ্ঞানৰ অভাৱত মানৱতা বিঘ্নিত হ'ব। সেয়েহে জীয়াই থকা দিনকেইটা ভাল কথা-ভাল মাত ভাল ব্যৱহাৰে ভালকৈ জীয়াই থাকোঁ আহক! মানুহ আপোন হ'বলৈ তেজৰ সম্পৰ্ক নালাগে। জ্ঞান, বুদ্ধিৰ দ্বাৰা সকলোৰে ওচৰত জনপ্ৰিয় হ'ব পাৰি।

প্ৰবন্ধ ভাগত আমি মানৱতাৰ বিয়োগাত্মক দিশটো যদিও বিশেষভাৱে উত্থাপন কৰিছোঁ ইয়াৰ প্ৰাসংগিকতা সময়োপযোগী হৈছে বুলি ধাৰণা কৰি। সেইবুলি পৃথিৱীৰ পৰা মানৱতা ৰক্ষাৰ গুৰি ধৰোঁতা মানুহ নোহোৱা নহয়। পৃথিৱীত ভাল মানুহ আছে কাৰণেই আমি কিছুমান সৰ্বসাধাৰণ মানুহ ব্ৰতী আছোঁ। হে' মোৰ জীৱ শ্ৰেষ্ঠ, হে' মোৰ সুধী সমাজ! আধ্যাত্মিক প্ৰেক্ষাপটত থিয় হৈ আমি নিজকে প্ৰশ্ন কৰোঁ আহক, মই কোন, মই পৃথিৱীলৈ কিয় আহিছিলোঁ, পৃথিৱীত মোৰ কাম কি আৰু মই কেৱল মোৰ বাবেইনে আনৰ বাবেও? কিছুমান বিজ্ঞ লোক অথবা মহৎ লোকে আমাৰ মাজতে থকা কিছুমান অজ্ঞলোকৰ বাবে এনে কিছুমান জ্ঞানমূলক কথা সদায় অৱগত কৰি আছে আমি তাক গুৰুত্ব দিয়া নাই। অৰ্জুনে ভগৱান শ্ৰীকৃষ্ণক সুধিছিল- কোনবোৰ মানুহক আপুনি হৃদয়েৰে আকোঁৱালি লয়? তেতিয়া ভগৱানে উত্তৰ দিছিল-

যি মানুহে প্ৰতিশোধ লোৱাৰ ক্ষমতা থাকিলেও আনক ক্ষমা কৰি দিয়ে সেই মানুহেই মোৰ সুহৃদ। আব্দুল কালামে কোৱা কথা- টকা, ক্ষমতা, পদবী একোৱেই স্থায়ী নহয়। কিন্তু ভদ্ৰতা, সন্মান, মৰম-দয়া চিৰদিনৰ বাবে। শাস্ত্ৰ ভাগৱতে কৈছে- কাম, ক্ৰোধ, লোভ, মোহ, মদ আৰু মাৎচৰ্যক বশ কৰি শোক, মোহ, ক্ষুধা, তৃষ্ণা, আতুৰ আৰু মৃত্যু এই ছয়কোৰা উৰ্মি বা জুইৰ পৰা বাচি থাকা। গতিকে এনেবোৰ জ্ঞানমূলক কথা জানিবৰ বাবে জ্ঞানবৰ্দ্ধক কিতাপ অধ্যয়ন কৰক। শাস্ত্ৰ ভাগৱতৰ শ্ৰৱণ-কীৰ্ত্তনতো অংশ লওঁক, সদ্ সংগত থাকি বিজ্ঞজনৰ পৰা মহৎ বাণী, মহৎ কথাও শিকি জীৱনক সুন্দৰতাই সজাই পৰাই উদ্‌যাপন কৰক বুলি সন্তসকলে আমাক কৈ আছে। সেয়েহে লেখা ভাগৰ যোগেদি সৰ্বজন আপোনাক আধ্যাত্মিক ধ্যান ধাৰণাৰে নিজৰ লগতে সমাজৰ কল্যাণ হোৱাকৈ মানৱতা সুৰক্ষা কৰিবৰ বাবে আহ্বান জনালোঁ আৰু সদা মহানুভৱতাৰে কৰ্ম সংস্কৃতিত আগবাঢ়িবলৈ অনুৰোধ জনালোঁ।

◆

# শিশু চৰিত্ৰ গঠন মাতৃ শিক্ষাৰ প্ৰয়োজনীয়তা

হিৰণ্য বৰফুকন

অতীজৰে পৰাই পৃথিৱীত ভূমিষ্ঠ হোৱা শিশুসকলক ভগৱানৰ স্বৰূপ বুলি জ্ঞান কৰি অহা হৈছে। সেই কাৰণেই শিশুক পৰম ব্ৰহ্মৰ ৰহস্যময় সৃষ্টিৰ দৈবিক সম্পত্তি বুলি কোৱা হয়। এটি শিশু গৰ্ভত স্থিতি লোৱাৰ পৰাই যিকোনো কথা শিকিবলৈ ধৰে। এইকথা আমি অৰ্জ্জুনৰ পুত্ৰ অভিমন্যুৰ পৰাই অনুমান কৰিব পাৰো। অভিমন্যু অৰ্জ্জুনৰ পত্নী সুভদ্ৰাৰ গৰ্ভত থাকোতে কৃষ্ণ আৰু অৰ্জ্জুৰ কথোপকথনত শ্ৰীকৃষ্ণই চক্ৰবেহুৰ কথা অৰ্জ্জুনক কৈ থকা সময়ত চক্ৰবেহুত কেনেকৈ প্ৰৱেশ কৰিব লাগে সেই কথা কৈ আছিল আৰু সুভদ্ৰাই শুনি আছিল কিন্তু চক্ৰবেহুৰ পৰা কেনেকৈ প্ৰস্থান কৰে বা বাহিৰ হব লাগে সেইখিনি কথা কোৱাৰ সময়ত সুভদ্ৰা নিদ্ৰা যোৱাত গৰ্ভত থকা অভিমন্যুৱে শুনা নাপালে। সেইবাবে অভিমন্যুৱে চক্ৰবেহুৰ পৰা প্ৰস্থান কৰা কৌশল নজনাৰ বাবে কুৰুক্ষেত্ৰ যুদ্ধত মৃত্যুবৰণ কৰিবলগা হ'ল। গতিকে এই কাহিনী ভাগৰ জৰিয়তে আমি জ্ঞাত যে সন্তানক জ্ঞান দিয়াৰ ক্ষেত্ৰত মাতৃ গৰাকী ভূমিকা কিমান ইয়াৰ পৰাই বুজিব পাৰি। বৰ্ত্তমান মূল সমস্যা হৈছে সমাজৰ শিশু সকলৰ মানসিক উৎকৰ্ষ সাধন কৰি কেনেদৰে সমাজত অগ্ৰসৰ হ'ব পাৰিছে। এটি শিশু জন্ম হোৱাৰ পাছৰ পৰাই আমি শিশু বুলি গণ্য কৰো। জন্ম হোৱাৰ পিছৰ পৰাই বতাহ পৃথিৱীৰ উষ্ম, পোহৰ আদি দেখা পোৱা পিছৰ পৰাই হাত-ভৰি মাৰিবলৈ আৰম্ভ কৰে। কান্দিবলৈ আৰম্ভ কৰা লগে লগে মুখ, চকু, নাক, জিভা আৰু দাঁতৰ আলুৰ মাজত সংঘৰ্ষ সৃষ্টি হৈ শব্দৰ উৎপত্তি হয়। অৰ্থাৎ শিশু জন্ম হৈয়ে কৰ্ম কৰিবলৈ আৰম্ভ কৰে। ক্ৰমাগতভাৱে দিনক দিনে শিশুটি ডাঙৰ-দীঘল হয়। শিশু এটি ক্ৰমাগতভাৱে সমাজৰ বা পৰিয়ালৰ দায়িত্বশীল সদস্য হয়। শিশুক বয়স অনুযায়ী শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হয়। সময়মতে পাঠ্যপুথিৰ শিক্ষা প্ৰদান কৰা লগতে নৈতিকতা, আধ্যাত্মিকতা, সামাজিক, স্বদেশ প্ৰেম আগত ৰাখি কাম ক্ৰোধ, লোভ মোহ, দম্ভ-দ্বেষ আদি ত্যাগ কৰি সংগ্ৰামী হৈ শ্ৰেণীহীন সমাজ ভাবাপন্ন হৈ জ্ঞান আয়ত্ব কৰিব পৰাকৈ শিশু তথা যুৱক যুৱতীক প্ৰত্যেকজন পিতৃ-মাতৃয়েই শিক্ষা প্ৰদান কৰা ব্যৱস্থা ল'ব লাগে। প্ৰথমে ঘৰখন তাৰ পিছত স্কুল কলেজ, নামঘৰ, সমাজ আদিৰ কথা আহে। মহামানৱ মহাত্মা গান্ধীৰ মতে শিশুৰ শাৰীৰিক, মানসিক, নৈতিক আৰু আধ্যাত্মিক এই চাৰিওটি দিশৰ বিকাশ সাধন হ'লেহে এটি শিশু মানুহ হৈ উঠে। শিশুৰ বিকাশ সাধন হ'বলৈ হ'লে উপযুক্ত খাদ্য, নিয়মিত খেলাধূলা, পৰিষ্কাৰ-পৰিচ্ছন্নতা পৰিৱেশ আদিৰ জৰিয়তে শাৰীৰিক শক্তিৰ বিকাশ সাধন হয়। এটি শিশুৰ মনৰ উৎকৰ্ষ সাধনৰ জৰিয়তে মানসিক বিকাশ হয়। ধৰ্মীয় শিক্ষাৰ যোগেদি আধ্যাত্মিক কথাবিলাক উপলব্ধিৰ ফলত সৎ চৰিত্ৰবান হয়। আমি জানো যে স্বাস্থ্যই সম্পদ। অৰ্থাৎ শাৰীৰিক, মানসিক,

সামাজিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনেই হৈছে স্বাস্থ্য। শিশুৰ স্বাস্থ্য ভাল কৰিবলৈ হ'লে মাতৃৰ গৰ্ভত স্থিতি লোৱাৰ দিন ধৰি জীৱনৰ শেষ মুহূৰ্ত পৰ্যন্ত ভাল খাদ্যৰ প্ৰয়োজন। এই খাদ্যৰ ওপৰতেই সমস্ত প্ৰাণীজগত নিৰ্ভৰ কৰে। খাদ্য মানুহৰ জীৱনী শক্তিৰ আধাৰ। মানুহৰ দেহত ৰস, তেজ, হাড়, মঙহ, চৰ্বি, মজ্জা আৰু শুক্ৰ এই সাতবিধ ধাতু প্ৰাণীৰ দেহত থাকি দেহটোক ৰক্ষা কৰি থাকে। খাদ্যৰ পৰা ৰস জন্মে, ৰসৰ পৰা তেজ, তেজৰ পৰা মঙহ, মঙহৰ পৰা চৰ্বি, চৰ্বিৰ পৰা হাড়, হাড়ৰ পৰা মজ্জা, মজ্জাৰ পৰা শুক্ৰ হয়। শুক্ৰই হ'ল শৰীৰৰ মূল পদাৰ্থ। এই মূল পদাৰ্থৰ পৰা গৰ্ভৰ উৎপত্তি হয়। এই শুক্ৰ ক্ষয় হ'লে দেহ দুৰ্বল হয়। শৰীৰ স্বাস্থ্য ভাল হবলৈ হলে ভাল আহাৰ, ভাল চিন্তা, মনত আনন্দ ভাব থাকিব লাগিব। চিন্তাচৰ্চা ভাল হ'লে কৰ্মও ভাল হয়। ভাল কৰ্ম কৰিলে ভাল ফল আশা কৰা হয়। আৰু শেষত ভাল ফল হ'লে আত্মা শুদ্ধি হয়। অৰ্থাৎ আহাৰ বা খাদ্য-পানী বতাহ শুদ্ধ হোৱাৰ লগে লগে মানুহৰ চিন্তা ও শুদ্ধ হয়। চিত্ত শুদ্ধ হ'লে মনটো শুদ্ধ হয়। মন শুদ্ধ হ'লে চিন্তা, ভাৱনা কৰ্ম আদি সকলো দিশ শুদ্ধ ৰূপত পাব পাৰি। আৰু সহজেই ঈশ্বৰ প্ৰাপ্তি হয়। শিশু আৰু মাতৃ যিয়েই নহওক সু-স্বাস্থ্য অবিহনে কোনো দিশতে আগবাঢ়ি যোৱাটো সম্ভৱ নহয়।

সেয়েহে এখন সুস্থ সবল সমাজ পাবলৈ হ'লে সন্তানে মাতৃৰ গৰ্ভত স্থিতি লোৱা পৰাই পৰিয়ালৰ সকলো সদস্যই মাতৃ গৰাকীৰ প্ৰতি যত্ন ল'ব লাগিব। মাতৃ গৰাকীৰ শাৰীৰিক, মানসিক অৱস্থা ভাল হ'লেহে জন্ম হ'ব লগা শিশুটিৰ অৱস্থা বা স্বাস্থ্য ভাল হ'ব। অন্যহাতে যদি মাতৃ গৰাকীৰ এই দিশ বিলাকৰ প্ৰতি পৰিয়ালৰ সদস্যসকলে গুৰুত্ব আৰোপ নকৰে তেন্তে মাতৃ গৰাকীৰ লগতে আহিব লগা শিশুটিও দুৰ্বল আৰু ৰুগীয়া হোৱাৰ সম্ভাৱনা বেছি। শিশুৰ জন্মৰ পাছতহে অন্নদাত্ৰী মাতৃ গৰাকীৰ মনটো সদায় নিকা পৱিত্ৰ আৰু আধ্যাত্মিক চিন্তা ধাৰা হোৱা উচিত। নৱজাতক শিশুটিক সদায় সময়মতে নিয়মীত ভাৱে খুউৱা গা-ধোৱা আৰু অমৃত মনেৰে, নয়নেৰে খুৱাই সজাগ দৃষ্টি ৰাখিব লাগে। শিশু অনুকৰণ প্ৰিয়। ঘৰখনৰ জেষ্ঠসকলৰ আচাৰ, ৰীতি-নীতি, কথাবাৰ্তা, চলন-ফুৰণ-পিন্ধন সকলো দিশত শিশুটিয়ে নিজেই নিজেই অনুকৰণ কৰে। সেয়েহে জোষ্ঠসকলে শিশুৰ প্ৰতি দৃষ্টি ৰাখি সকলো ক্ষেত্ৰতে সৰ্তক হ'ব লাগিব। বিশেষকৈ মাতৃগৰাকীয়ে শিশুটিৰ সকলো দিশত বিশেষ ভাৱে শৃংখলিত ভাৱে আগবাঢ়িব লাগিব। সময়মতে শুই উঠা, গা-পা ধোৱা, খোৱা বোৱা কৰা, পঢ়া-শুনা কৰা, খেলা-ধূলা কৰা, গীত-নাচ কৰা, সমাজৰ ব্যক্তিৰ লগত কথা-বাৰ্তা কৰা, সন্মান কৰা আদি প্ৰতিটো কাৰ্যৰ প্ৰতি চকু ৰাখি শৃংখলিত পৰিৱেশৰ মাজেৰে আগবঢ়াই নিব লাগিব।

এষাৰ অমৃতবাণী আছে যে মাতৃ গৰাকীয়েই হৈছে শিশুৰ উন্নতিৰ ঘাই খুঁটা। এইখিনিতে এটি ধৰ্মীয় দিশৰ কাহিনী আমাৰ মনলৈ আহিছে। দৈত্যপতি হিৰণ্যকশিপুৰ পুত্ৰ প্ৰহ্লাদ কথা। পুত্ৰ প্ৰহ্লাদক ৰজা হিৰণ্যকশিপুৱে বামানয় শাস্ত্ৰ অধ্যয়ন কৰিবলৈ গুৰু সণ্ডামৰ্ক গুৰু গৃহত থৈছিল। তেতিয়া দৈত্য গুৰুৱে প্ৰহলাদক বামানয় শাস্ত্ৰ অধ্যয়ন কৰা চেষ্টা কৰিছিল। তেতিয়া প্ৰহ্লাদে বামানয় শাস্ত্ৰ অধ্যয়ন কৰাতকৈ বৈষ্ণৱ জ্ঞান অৰ্জন কৰাতহে বেছি গুৰুত্ব দিছিল। তেতিয়া দৈত্য গুৰুৱে প্ৰহ্লাদক সুধিলে "তুমি এই জ্ঞান ক'ত পালা?" প্ৰহ্লাদে উত্তৰ দিলে-- এই জ্ঞান আমি দয়ালু নাৰদৰ পৰা পোৱা হ'ল বুলি উত্তৰ দিলে। প্ৰহ্লাদৰ মাতৃ কয়াধুক যেতিয়া দেৱতাই পলুৱাই নিয়াৰ পিছত নাৰদে কয়াধুক উদ্ধাৰ কৰি আনি নিজৰ আশ্ৰমত ৰাখি কন্যাৰ দৰে জ্ঞান কৰিছিল তেতিয়া কয়াধু গৰ্ভৱতী আছিল। গৰ্ভৱতী কয়াধু গৰ্ভত প্ৰহলাদ থাকোতেই নাৰদ আশ্ৰম নাৰদৰ মুখত বৈষ্ণৱ জ্ঞান আহৰণ কৰিছিল। ফলত প্ৰহলাদ দৈত্যকুলত জন্ম হৈও বিষ্ণুভক্ত হিচাবে ভগবান

কৃষ্ণৰ ভক্ত হৈ পৰিছিল। গতিকে শিশুৰ শাৰীৰিক, মানসিক, আধ্যাত্মিক আদি বিকাশৰ ক্ষেত্ৰত বহু পৰিমাণে নিৰ্ভৰ কৰে গৰ্ভৱতী হৈ থকা মাতৃ গৰাকীৰ চিন্তা-চৰ্চাৰ ওপৰত। আমি শাস্ত্ৰত পোৱা মতে মানুহৰ জীৱন পাবলৈ কিমান জন্মচক্ৰ অতিক্ৰম কৰিব লগা হয়। চৌৰাশী লক্ষবাৰ জন্মচক্ৰ অতিক্ৰম কৰিহে মানুহৰ দেহা পাই। প্ৰথমে শেলুৰে আৰু তৃণজাতীয় উদ্ভিদ হৈ বিশ লক্ষবাৰ জন্ম লোৱা পাছত, দ্বিতীয়তে মাছ জাতীয় প্ৰাণী হিচাবে জন্ম ন লক্ষবাৰ লয় তাৰ পাছত ক্ৰমে উভচৰ প্ৰাণী হিচাবে ত্ৰিশ লক্ষবাৰ। বান্দৰ জাতীয় প্ৰাণী হিচাবে চাৰি লক্ষবাৰ জন্ম লৈ শেষত হে মানুহ হিচাবে জন্ম লৈ উপযুক্ত কৰ্ম সাধন কৰে। জীৱৰ ভিতৰত মানুহেই জীৱশ্ৰেষ্ঠ বুলি কোৱা হয়। কাৰণ মানুহৰহে কেৱল ভাল বেয়া বিবেচনা কৰিব পৰা শক্তি আছে। অন্য জীৱৰ নাই। সমাজ এখনৰ এখন ঘৰৰ এটা পৰিয়াল একোখন গাওঁ বা অঞ্চলত এটা সামাজিক পৰিৱেশ নিৰ্ণয় হয়। এটা সামাজিক পৰিৱেশ সুন্দৰ ৰূপত এটা পৰিয়ালৰ এখন ঘৰৰ শান্তি সম্পূৰ্ণ নিৰ্ভৰ কৰে স্বামী-স্ত্ৰীৰ পৰিবাৰিক বুজাবুজি ওপৰত স্বামী-স্ত্ৰীৰ মধুৰ সম্পৰ্ক ই একোখন ঘৰক বা এটা পৰিয়ালক স্বৰ্গত পৰিণত কৰে। কোনো ক্ষেত্ৰত স্বামী-স্ত্ৰীৰ মতানৈক্যই ঘৰখনক নৰক কুণ্ডত পৰিণত কৰে। গৃহকন্দল ফলতেই এখন ঘৰ ধ্বংস হোৱা বহুত আমাৰ সমাজত আছে। স্বামী-স্ত্ৰীৰ মধুৰ সম্পৰ্ক নহৈ স্বামীয়ে স্ত্ৰী গৰাকীক কেৱল উপভোগৰ সামগ্ৰী হিচাপে গণ্যকৰি সন্তান জন্ম দিয়াৰ কামতেই ব্যৱহাৰ কৰে তেনে স্ত্ৰী কেতিয়াওঁ মানসিক শান্তিত থাকিব নোৱাৰে। আৰু তেনে পৰিৱেশত জন্ম দিয়া সন্তান কেতিয়াও সু-সন্তান আশা কৰিব নোৱাৰি।

প্ৰতিটো শিশুকে ভবিষ্যতে একোখন সমাজ দেশৰ সু-নাগৰিক, শিক্ষিত, আদৰ্শ ব্যক্তিত্ব অধিকাৰীহৈ সমাজ দেশৰ গুৰি ধৰোতা কৰি গঢ়ি তোলাৰ দায়িত্ব বিশেষকৈ পিতৃ মাতৃ আৰু সমাজৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে এটি শিশুক সকলো শিক্ষা গ্ৰহণ কৰা অৰ্থাৎ সমগ্ৰ শিক্ষা গ্ৰহণ কৰিবলৈ আমি সকলোৱেই অশেষ যত্নবান হ'লেহে শিশু তথা দেশৰ ভবিষ্যত উজ্জ্বল আশা কৰিব পৰা যাব। ◆

# মিচিং লোক-সংস্কৃতিৰ প্ৰাসংগিকতা

সৰ্বেশ্বৰী পেগু

মিচিং জনগোষ্ঠী হ'ল অসমৰ এক অনন্য জনগোষ্ঠী। নৃ-গোষ্ঠীয় বিচাৰ মতে মিচিংসকল
মংগোলীয় গোষ্ঠীৰ বুলি অভিহিত কৰিছে। ঐতিহাসিক কালছোৱাত অসম দেশৰ সকলো মংগোলীয়
গোষ্ঠীয়ে লোক-সমাজত উত্থান পতন ঘটিছিল। ইয়ে মানুহৰ জীৱনধাৰণ পদ্ধতিত প্ৰকৃত পৰিবৰ্তন
সাধিলে। এই ঘটনাপ্ৰবাহৰ মাজেদি মিচিং জনগোষ্ঠীৰ লোকসকলে নিজস্ব কৰ্মশক্তিৰে চিন্তাশীল জ্ঞান-
অভিজ্ঞতাৰ পৰা সমাজৰ শাসন ব্যৱস্থা, সমাজ ব্যৱস্থা, কৃষি পদ্ধতি, খাদ্যাভ্যাস, পোহনীয়া জীৱ-জন্তু,
শিল্পকলা, গৃহ নিৰ্মাণ পদ্ধতি, কৃষ্টি-সংস্কৃতি, অৰ্থনৈতিক ভেটি, ধৰ্মীয় বিশ্বাস আৰু বিভিন্ন আচাৰ-
অনুষ্ঠানৰ মাজেদি তেওঁলোকৰ জীৱন ধাৰা পৰিচালিত হৈ আহিছে। সুদূৰ অতীজৰে পৰা মিচিং লোক-
সমাজত লোক-সংস্কৃতিৰ মান মৰ্যাদা চলি আহিছে। মিচিং লোক সমাজত গঢ়ি উঠা আৰম্ভণিৰে পৰা
তেওঁলোকে পাৰিপাৰ্শ্বিক জগতখনৰ লগত নিজকে খাপ খুৱাই লোৱাৰ চেষ্টা চলাই আহিছে। লোক
সংস্কৃতিৰে ভৰা মিচিং লোকসমাজে প্ৰকৃতিৰ দৃশ্য আৰু জীৱনৰ বহিঃৰূপ আৰু তেওঁলোকৰ চাৰিওফালৰ
সৰু-সুৰা অনুষ্ঠানবোৰৰ প্ৰতি উৎসুকতাপূৰ্ণ হৈ আছিল। মিচিং লোকজীৱনৰ পূজা-অৰ্চনা, উৎসৱ-পাৰ্বণ
আদি বহু বস্তু ভৌগোলিক পৰিৱেশত জন্ম। হাবি জংঘলৰ মাজত গছ গছনিৰ তলত, বৌৱতী নদীৰ
দাঁতিত তেওঁলোকে পূজা-পাতল কৰা বৰ্তমান সময়তো দেখা পোৱা যায়। জনসাধাৰণৰ ধৰ্মৰ লগত
পশু-পক্ষীৰ পূজাও জৰিত আৰু পশুক কেন্দ্ৰ কৰিয়েই বহুতো বিশ্বাস আৰু সামাজিক প্ৰথাৰ উৎপত্তি
হৈছে। মিচিং জনজাতীয় লোকসকলৰ ধৰ্মমূলক আৰু সামাজিক অনুষ্ঠান উভয় ক্ষেত্ৰত গাহৰি, হাঁহ,
কুকুৰা বলি দিয়া অতি প্ৰয়োজনীয় প্ৰথা। মিচিং জনগোষ্ঠী সমাজত পূজা পাতলৰ প্ৰয়োজনীয় জীৱ
হ'ল- গাহৰি আৰু কুকুৰা। এই দুয়োটাৰে প্ৰাধান্য অধিক।

মিচিংসকলৰ জীৱনৰ লগত নিবিড়ভাবে সম্বন্ধ থকা সাহিত্যৰ ভিতৰত প্ৰধান হ'ল- নিচুকনি
গীত, সাধুকথা, অনুষ্ঠানৰ গীত, লোক ধৰ্ম সম্বন্ধীয় গীত, কাহিনী, উপ-কাহিনী, ফকৰা-যোজনা ইত্যাদি।
এইবোৰ মিচিং জনজাতীয় লোক পৰম্পৰা মুখে মুখে বাগৰি অহা জনজাতিটোৰ সমূহীয়া ব্যৱহাৰিক
অন্তৰঙ্গ সংগী। লোক সমাজৰ জ্ঞানৰ অমূল্য প্ৰবাদসমূহক বিভিন্ন শ্ৰেণীত ভাগ কৰি ঘৰুৱা আৰু গাঁৱলীয়া
জীৱনৰ এশ এটা এনেকুৱা প্ৰবাদ প্ৰবচন আছে।সামাজিক পৰিৱেশ সকলো জাতি-জনগোষ্ঠীৰ লোক-
সংস্কৃতি বেলেগ বেলেগ হ'ব পাৰে। জীৱন নিৰ্বাহৰ পদ্ধতিয়ে লোক-সংস্কৃতিৰ প্ৰভাৱ বিস্তাৰ কৰে।
মিচিং জনজাতিসকলৰ জীৱনৰ লগত প্ৰধানকৈ নিবিড়ভাবে সম্বন্ধ থকা গীত, নৃত্য আৰু বাদ্যযন্ত্ৰ এইবোৰ
প্ৰকৃতি আশ্ৰয়ী কৃষিভিত্তিক জীৱন ধাৰাতেই গঢ় লৈ উঠিছে।

মিচিংসকল বহুতো ৰঙীন কৃষ্টি-সংস্কৃতিৰে ভৰপূৰ হৈ থকা এটা বিশেষ জনগোষ্ঠী। মিচিং
সভ্যতা-সংস্কৃতি আৰম্ভণিৰে পৰা লোক-সংস্কৃতিৰ অনুকৰণত গীত, নৃত্য বাদ্যযন্ত্ৰবোৰ সৃষ্টি হৈছে বুলি
কোৱাৰ থল আছে। লোক সংগীতৰ বৈশিষ্ট্যৰ লগত সংগতি ৰাখি নৃত্য সম্বলিত নৃত্য প্ৰদৰ্শন কৰে।
গ্ৰামাঞ্চলৰ চহা মনৰ গীতিকাৰ সকলো অসাধাৰণ সৃজনী শক্তিৰ কাৰ্য-কৌশলৰ যোগেদি লোকগীত,
লোক নৃত্যৰ ক্ৰমোন্নতি ঘটোৱা দেখা যায়। অতীত জীৱনৰ পৰা মানুহৰ হৃদয়ত থকা লোকগীতবোৰ
জীৱনৰ এটা অঙ্গস্বৰূপ। লোকগীতবোৰ লৈ লোকনৃত্যবোৰ হৃদয়গ্ৰাহী কৰিবলৈ নৃত্যকাৰে শৰীৰৰ
প্ৰতিটো অংগ-প্ৰত্যংগ আৰু উপাংগ সঞ্চালনৰ জৰুৰীভাবে প্ৰচেষ্টা চলায় মিচিং সাংস্কৃতিক অনুষ্ঠানবোৰ
প্ৰাকৃতিক পৰিৱেশৰ লগত মুখামুখি হ'বলৈ অভিনৱ সৃষ্টিক সৌন্দৰ্যময়ী কৰি তোলাত প্ৰত্যেক জাতি
জনগোষ্ঠীয় লোকসকলৰ দীৰ্ঘ দিনৰ প্ৰয়োজন আছিল। পৰৱৰ্তী সময়ত লোক-সংস্কৃতিয়ে সামাজিকভাবে
সংঘবদ্ধ হৈ পুৰুষানুক্ৰমে বাস্তৱৰ সীমাৰেখা ভেদ কৰি লোক সমাজত জনপ্ৰিয় হৈ বিশ্ব দৰবাৰত স্থান
দখল কৰিবলৈ সক্ষম হৈছে। ◆

# কবিতা যদি হয়

(উচৰ্গা: কবি শিৱপ্ৰসাদ গগৈ আৰু যোগেন টাইড)

জয়চন্দ্ৰ হাজৰিকা

কবিতাৰ নামত মই এগছি শলিতা জ্বলাই ক'ম
অ'কবিতা,
তুমি যদি হোৱা পুৱাৰ ৰ'দৰ ৰং সনা
জিলমিল কপৌৰ কণজুন কুকুলি
মই তোমাৰ বাবে এটি শুভ ৰাতিপুৱা হ'ম।

কবিতা যদি হয়,
ৰান্ধনী বেলিৰ ফালে মুখ মেলি চোৱা
লোৱোণ ফুলৰ চাকি
মই তাতে জ্বলামগৈ হৃদয়ৰ এগছি শলিতা

কবিতা যদি হয়
বাখৰুৱা শব্দৰ কিনকিন বৰষুণ
তাতে মই জুকুলি জুপুৰিকৈ তিতিম ওৰে দিন ওৰে ৰাতি
ফাটবিহুলৈ অহা চাৰিকড়ীয়া পাৰৰ সকলো কবিতা প্ৰেমিককে
দিম বৰষুণত ধোওৱা কলবীয়া খৰিকাজাঁইৰ জুকুলি সুবাস

অ'কবিতা, তুমি যদি হোৱা সৰিয়হ ফুলৰ চাকি
মই সোৱণশিৰিৰ বালি চাপৰিত সৰিয়হ ৰখীয়া এজনী গাভৰু হ'ম
ঐনিতমৰ মিঠা ৰাগীত কবিতাৰ টঙী ৰখীয়াজনক পলুৱাই আনি পৰ' আপিন দিম
ইকৰা পাতৰ সুহুৰিৰে বিৰিণাৰ বুকুত টৌ খেলি খেলি
এটা মহৰ শিঙৰ পেঁপাৰ তিঁহিটি টল'ল' হ'ম
দুপৰীয়াটোক লেবেজান হোৱাকৈ নচুৱাম ম'হঘুলি চাপৰিত

বেলি ডুবিলে চাৰিকড়ীয়া পাৰ হৈ
খামন চাপৰিত নাচনীৰ সৈতে পলাই থাকিম
ভোৰতাল ঢুকৰ দেউৰী জিমচায়াৰ বিহুগীত শুনি
আকৌ ওলাই আহিম ফাটবিহুৰ তলিলৈ

সম্প্ৰীতিৰ বাৰ্তালৈ চৰ চাপৰিলৈ যাম
বড়ো, ৰাভা, মিছিঙৰ বুকুৰ কুটুম হ'ম
এনাজৰীৰে বান্ধিম সমন্বয়ৰ মেলাত

অ'কবিতা,
আকৌ আহা আমাৰ বুকুৰ খোৰোঙলৈ
বহলকৈ পাৰি থৈছোঁ পাটী
আমাৰ বঙহৰদেউ যোগেন আহিব
বাখৰুৱা শব্দৰ পোছাক পিন্ধি শিৱপ্ৰসাদ আহিব
ঢপলিয়াই আহিব এজাক গুণগুণ মৌমাখি
হাতে হাতে মুঠি মুঠি ফুলৰ থোপা
শব্দৰ শইছৰ এথোক
আমোলমোল সুৰভি

ৰ'দৰ বাট এটা কাটি নামি আহিব
কবিতাৰ জিলমিল অপেচৰীজনী। ◆

# চালুইনৰ পৰা লুইতৰ বাটেদি

ড° চন্দ্ৰধৰ চমুৱা

চালুইনৰ প্ৰাতঃস্নান কৰি
সূৰ্যাস্তৰ দেশলৈ
যাত্ৰা মোৰ অবিৰাম
এইফালেই নহয় জানো
বৈশালী জাহ্নবীৰ বাট
শ্ৰাৱস্তী গঙ্গাৰ ঘাট..
প্ৰজ্ঞাৰ গিৰি গহ্বৰত
কাৰ যেন প্ৰতিধ্বনি ঃ
বুদ্ধং শৰণং গচ্ছামি...
পথ মোৰ অক্লান্ত
অনিৰ্বাণ
অনিৰুদ্ধ
অম্লান...
এৰা বাটত ইৰাৱতীৰ উত্তাল লহৰত
কৌটি ফিৰিঙতি উফৰি পৰিল
জোনাকী পৰুৱাৰ নিশা
দীপাৱলী নিশা— এৰা বাটৰ নিশা
অহা বাটে মইটো নাযাওঁ ঘূৰি
বাটত তোমাৰ যেতিয়া
সুধিছিলো লগ পাই
মোৰ লগত যাবানে ভাই
তেতিয়া তুমি মিচিকাই
আগবঢ়াই দিছিলা
মিতিৰৰ হাত
হয়, মিতিৰৰ হাত মোৰ মনত আছে
মই জানো সুধিছিলো
তোমাৰ জাতনো কি
ঈশ্বৰ বা কি
থাকে ক'ত
কিবা খোৱা তুমি
নোখোৱানো কি
মাথোঁ মই জানিছিলো
তুমি তেওঁ মইৰে এটা
বিৰাট আমি...

যাত্ৰা আমাৰ সোণালী শইচৰ দেশ
আমাৰ চিনাকি পেটৰ ক্ষুধা
আৰু হৃদয়ৰ দাবী
আমি আহি আছো
নদীৰ বাটেদি
অন্তহীন যাত্ৰাৰ অভিযাত্ৰী
আহা আহা সহযাত্ৰী হোৱা ভাই
হয়, আমাৰ উদাৰ আহ্বান
প্ৰত্যাখ্যান কোনেওতো কৰা নাই...
অৰণ্য আৰু পথাৰ
পথাৰ আৰু অৰণ্য
গহ্বৰ আৰু পথাৰ
পথাৰ আৰু গহ্বৰ
নদী আৰু পথাৰ
পথাৰ আৰু নদী...
ঘামে জোঁ জোঁ চৌ চৌ দেহৰ
খন্তেক বিশ্ৰাম
আকৌ যাত্ৰা
অক্লান্ত
অম্লান
অনিৰ্বাণ
অনিৰুদ্ধ
বাংময়
স্বপ্নময়
ছন্দময়
কাব্যময়...
দুবাহুত তুলি ললো ভৰুণ পথাৰ
গাভৰু পথাৰ
সিৰাই সিৰাই সিৰলুত জানকীৰ জন্ম
অবিৰাম
কন্ঠত প্ৰেমৰ মালিতা...
আমি সপোন ৰচো
বাটৰ সম্বল জীৱনৰ স্বপ্ন, স্বপ্নইটো জীৱন
আমি মৰি মৰি ভূত কিম্বা দেৱতা

আকৌ মানুহ হওঁ
প্ৰেমৰে মানুহ
আকৌ যাত্ৰা আমাৰ
অনিৰ্বাণ অনিৰুদ্ধ...
বিস্ময়
সুধাময়
সুৰাময়
আমাৰ বাট নদীৰ বাট
আমাৰ বাট
অক্লান্ত
অম্লান
অন্তহীন... ◆

## দৌৰ

✍ ৰাজীৱ তামুলী

মইহে সৰল
জীৱন তই দেখোন বহুত জটিল
তথাপি আমাৰ মাজত ইমান মিল
নদীৰ ঢৌৰ দৰে অন্তহীন দৌৰ
কোন হাৰি'ল, কোন জিকিল।◆

## পাহৰণিৰ সুঁতি

✍ জ্যোতিনীলিমা গগৈ

সৌ সিদিনাৰ
ধান ফুলেৰে সুগঢ়ী হৈ পৰা পথাৰখন
কেনভাচত ওলমি থাকিল
শুকান পুখুৰীৰ পাৰত পোত গ'ল
পাটমাদৈৰ পাট
চাকিৰ পোহৰত দেখা গাঁৱলীয়া গধূলিৰ জাৰ
ঢকুৱাৰ বিচনীয়ে বিয়পোৱা দোলনচম্পাৰ সুৰভি
চোতালৰ ঢাৰিপাটীত মলঙিল
সাধুৰ বৰপেৰা

সৌ সিদিনা
জানৰ সাঁকোত বহি সূতা কটা ছোৱালীবোৰ
সন্ধিয়াৰ গো-বাটত উৰা গৰখীয়াৰ উকিবোৰ
নিৰণি ধানৰ মাজত বতাহে জোকাই যোৱা তিৰোতাবোৰ
নিৰন্তৰ কুঁৱলীত সকলো লীন গ'ল

বাৰীলুৰুকা ল'ৰাহঁত, পিছবাৰীৰ জপনা
পাৰৰ ৰুণ শুনি উদাস হোৱা দুপৰৰ নিৰ্জনতা
মৃধচৰ ঘৰচিৰিকা, ফুলনিৰ মৌপিয়া
গভীৰ গহ্বৰত জাহ যোৱা চাই চাই
আমি পুৰণি নিহালিৰ তলত সাৰে আছোঁ
তুলি আনিছোঁ বালিচৰ খাব্দি
মেটমৰা দিনৰ ইতিহাস
পূৰ্বজৰ তেজত উজ্জ্বলি গৈ ভৱিষ্যতলৈ গৈ থাকিব
পাহৰণিৰ এটি সুঁতি হৈ
ধোঁৱাময় মৰিচীকা হৈ... ◆

## দেহে-গৰকা

✍ তোলন চন্দ্ৰ দত্ত

শৰালি হৈ ল'ৰালিত
তুমি সাঁতোৰা নদীৰ সোঁত,
কাৰ যে কপালত তেজৰ ফোঁট।

মোৰ সুখ
মোৰ দুখ
মাত শিকা পোহনীয়া ভাটৌৰ ঠোঁট।।

লতা বগাই যোৱা
বগোৱা পৰী,
চেপি ধৰা এই শিথিল শৰীৰ।

আলফুল দেহৰ ভাঁজে ভাঁজে
কোনে উচুপে লাহে লাহে,
ঋতুৰো যদি হয় ভুল
তোমাৰ আশাৰেই ফুলক মাথোন
কনৰ এপাহি স্মিত ফুল।।◆

# ZG জিন্দাবাদ

✍ মৌচুমী হাতীবৰুৱা

তুমি গান হৈ গজিছিলা
মানুহৰ আত্মাত
তেজে তেজে শিপাইছিলা
বুকুৱে বুকুৱে বগাইছিলা
মেলি দিছিলা প্ৰেমৰ
প্ৰসাৰিত হাতবোৰ
হেঁপাহৰ আঙুলিবোৰ
কলিজাৰ গভীৰলৈ

এখন উত্তাল মহাসমুদ্ৰৰ
থৌকিবাথৌ ঢৌবোৰ তুমি
বুকুত সামৰিছিলা
আমি পাৰত থিয় হৈ থাকিও
তোমাৰ গভীৰতাৰ উমান ল'ব নোৱাৰিলোঁ

ইউক্লিপ্টাচ গছ এজোপাৰ দ্যোতনাৰে
তুমি ওখ হৈ গৈ আছিলা
আমি তলত থিয় হৈ থাকিও
তোমাৰ উচ্চতা চকুৰে মনিব পৰা নাছিলোঁ

তুমি আকাশ আছিলনে সূৰ্য ?
তুমি পাহাৰ আছিলা নে অৰণ্য ?

তুমি ৰ'দৰ নৈ এখনি হৈ বৈ আছিলা নে
বুকুৰ নিৰ্জন উপত্যকাত ?
নে পোহৰৰ চিলা হৈ উৰি ফুৰিছিলা বতাহত ??
নাই। এইবোৰ কথা আমি একোকে জনা নাছিলোঁ

আমি মাথোন তোমাৰ বিশালতাৰ
শীতল ছায়াত জিৰাইছিলোঁ
তোমাৰ পোহৰ আৰু উত্তাপত
জী উঠিছিলোঁ
তোমাৰ দৃঢ়তাত সাহসী হৈ পৰিছিলোঁ
তোমাৰ সেউজীয়াবোৰ ছবিত আঁকিছিলোঁ
তোমাৰ সুৰৰ নদীত সাতুৰিছিলোঁ
উচাহৰ বতাহত উৰিছিলোঁ

কি আছিল তোমাৰ কণ্ঠত ?
যি কণ্ঠই আমাক শোৱাইছিল
যি কণ্ঠই আমাক জগাইছিল
যি কণ্ঠই দুগালৰ লোতক মচি
আমাৰ নিচুকাইছিল
যি কণ্ঠই দুচকুত সপোনৰ ৰামধেনু আঁকি দিছিল
কি কণ্ঠ ?
কি কণ্ঠ আছিল সেয়া ??

চে গুৱেভাৰাৰ চিএৰটো শুনো তোমাৰ মাতত
বিপ্লৱভাৰ কাহানিও নুফুটা বন্দুকটোৰ গুলীৰ গৰ্জন শুনো
তোমাৰ গীটাৰৰ ঝংকাৰত
প'ল ৰবচনৰ সংগীতত বাজি থকা
মানৱতা বিজয়-বাৰ্তা শুনো
তোমাৰ সুৰীয়া কণ্ঠত
মকবুল ফিদাৰ পেইন্টিঙৰ
সাতোটা তেজাল ঘোঁৰা
হিহিয়াই জঁপিয়াই উঠা দেখো
তোমাৰ চিনেমাৰ শ্লোগানত

শিশুৰ দৰে সৰল হৈও
তুমি মিচৰীয় ফাৰাও
টুটেনখামেনৰ দৰে ৰহস্যময়

সীমাৰ মাজত আবদ্ধ হৈও
তুমি কাঞ্চনজংঘাৰ দৰে উন্মুক্ত

তুমি বিশেষ হৈও নিৰ্বিশেষ
অসাধাৰণ হৈও সাধাৰণ
তুমি কোন? কোন তুমি ??
যন্ত্ৰণাৰ হলাহল পী
কিয় হ'ব খোজা নীলকণ্ঠ ??

তুমি ৰজা নাছিলা , অথচ
ৰাজত্ব কৰিছিলা জনতাৰ হৃদয়ত
তোমাৰ সাম্ৰাজ্যৰ নাছিল কোনো
ভূগোল ,বুৰঞ্জী অথবা চাৰিসীমা
মানুহৰ বুকুৱে বুকুৱে লিখা আছিল
জুবিন দেশৰ ঠিকনা

তুমিতো জন্ম দিয়া নাছিলা
কোনো জৈবিক সন্তান ,অথচ
তুমি আছিলা এটা প্ৰজন্মৰ পিতা
ZG যুগৰ যুগস্ৰষ্টা
Gen Zৰ স্বপ্নদ্ৰষ্টা

ঈশ্বৰবাদী নাছিল তুমি
নাছিলা অদৃষ্টবাদী
অথচ আৰ্তজনৰ বাবে
তুমিয়েই আছিলা স্বয়ং ঈশ্বৰ
দৃশ্যমান ভগবান
তেজ মঙহৰ দেবতা

ৰক্ষণশীলতাৰ বোৰ্খা পিন্ধা মানুহে
সহ্য কৰিব নোৱাৰে
জুবিন নামৰ 'ৰিভ'লিউশ্যন' ।

ভদ্ৰতা আৰু শালীনতাৰ মুখা পিন্ধা
সংস্কাৰীসকলে হজম কৰিব নোৱাৰে
জুবিন নামৰ নগ্ন সত্যক ।

বিবৰ্তনে সৃষ্টি কৰা কৃত্ৰিম শিষ্টাচাৰেই যদি
সংস্কাৰ আৰু সভ্যতা হয়
তেন্তে ভদ্ৰতাৰ অন্য নাম ভণ্ডামী
তেনে ভুৱা ভদ্ৰতাতকৈ আবুৰহীন আদিমতাক
আদৰি ল'ব পৰাকৈ
তুমি আছিলা সৎ আৰু সাহসী ।

তোমাৰ মৃত্যু হ'ব পাৰেনে ?
জুবিন নামৰ বিশাল সত্বাক
সময়ে সমৰি ল'ব পাৰেনে?
কাৰ এনে মনসাহ আছে
যে জুবিন নামৰ জ্বলন্ত অগ্নিকুণ্ডক
নিৰ্বাপিত কৰিব পাৰে?

মৃত্যুহীন মহাকালৰ নাম ZG
প্ৰতি টোপাল ৰক্তৰ পৰা গজি উঠা
ৰক্তবীজৰ নাম ZG
ক্ষুদ্ৰতাৰ পৰা সমগ্ৰতালৈ
ৰূপান্তৰৰ নাম ZG
একক সত্বাত পৰা লক্ষ্য লক্ষ্য জনৰ
আত্মাত বিলীণ হৈ যোৱা
বিপুল শক্তিৰ নাম ZG

ZG জিন্দাবাদ !!◆

## সমন্বয়

কিৰণ চমুৱা

দুৱাৰ খুলিছোঁ হৃদয়ৰ
সৰ্বত্ৰস্তে পাওঁ
পোৱা উমান
অন্তঃসাৰ শূণ্য থাপনাত
লক্ষ্য কৰিলে পাওঁ
প্ৰকৃতিৰ সুবাস
সীমাহীন...
আঁহা এই পথেৰে
আঁহা এই দুৱাৰেই
উত্তৰণৰ বাবে
ৰাজ আলিৰে
খোজ দি
আগবাঢ়ো
খুপি-খুপি
জীপাল হওক
সুন্দৰ পূজাৰ বেদী
ধ্বনিত আজি
খোঁজ...
হৃদয়ৰ মঙ্গল উৰুলি।◆

## ওপজা দিনৰ ওলগ

✍ ইন্দিৰা গগৈ

ঐকৈশ ফুট ওখ হ'বা তুমি আজি
ইমান ওপৰৰ পৰা চাৰিকড়ীয়াৰ গোন্ধ কেনেকৈ লবা?
পানীত মুখ নেদেখিলে
তুমি জানো স্বস্তিৰ নিশ্বাস ত্যাগ কৰিব পাৰিবা বাপুকণ!!
তোমাৰ চাৰিকড়ীত মাছ পানী নাইকিয়া ......
কংক্ৰিটৰ জন সমূদ্ৰ।
আজি তুমি ঐকৈশ ফুট ওখ হোৱা চাবলৈ
সেই কংক্ৰিট জন সমূদ্ৰৰ
চুবীয়াৰ বৰফেৰৰ
দীঘ-বাণী হ'ব
তোমাৰ বুকুৰ চাৰিকড়ীয়াই
গোপনে উচুপিব ।
কাৰণ তাই তোমাৰ কাষলৈ
যাবলৈ টালি টোপাল বান্ধিছে
মাত্ৰ শেষ হ'ব শেষ হ'ব....
ৰাগৰ আখৰা কৰি আছে।
যাবক....
তোমাক চাৰিকড়ীয়াই এৰিব জানো পাৰে!!◆

## বন্দন

✍ পৰমা নন্দ ফুকন

চাৰিকড়ীয়া পাৰৰ
সোণসেৰীয়া পথাৰৰ
তুমি খোজ...
কাৰোবাৰ চিনাকী
হেপাহভৰা বিশালতাৰ অনন্যা...
কাৰোবাৰ অচিনাকী
অথচ অমৃত ভূঞ্জ
তুমি খোজ...
সময়ৰ্বয়ৰ প্ৰতীক...
মমতাৰ এনাজৰী...
তুমি খোজ
চাৰি বছৰীয়া ন-কুঁহি
অথচ চিৰ বসন্ত
তোমাৰ ভৰোণ হৃদয়
বেষ্টিত মধুকৰৰ পাপৰি
তুমি খোজ...
শস্য শ্যামলা
ৰস স্পন্দনৰ
তুমি ৰত্ন ভাণ্ডাৰ...
তাৰেইতু কামনাৰে
বালিময় বতাহে
কৰিব নোৱাৰে যেন
তোমাক প্ৰদাঘাত...
তুমি কালজয়ী, যুগজয়ী
অপ্ৰদানত
ভাষাজননীৰ সুবাস।◆

# ৰাস্তা

✍ পদ্ম কান্ত দলে

পকা ৰাস্তা হৈ নুঠাৰ আগতে
ৰাস্তা আচলতে কেঁচাইচোন হয়

এটা দীঘলীয়া পৰিক্ৰমাৰ আহ-যা
বিৰামহীন গতিৰ মিঠা মিঠা অনুভৱ

পকা-কেঁচা বুলি ৰাস্তাৰ কোনো কথা নাই
খোজকাঢ়ি যোৱা সকলৰ বাবে একেই

কাৰো ভৰিৰ খোজ ৰাস্তাত জিলিকি নুঠে
কাৰোবাৰ তাগিদাত সপোনহে দুলি থাকে

ৰাস্তাৰ মাজে মাজে দলঙবো প্ৰয়োজন হয়
কেঁচা দলং কিম্বা পকা দলং যিয়েই নহওঁক

ভগা দলংৰ বাবেই উপ-পথবোৰ নিৰ্মাণ হয়
বাধ্য হৈ ওপৰৰ পৰা তললৈ নামিব লগা হয়

আকৌ তলৰ পৰা ওপৰলৈ উঠি গৈ ৰাস্তাতে
কোনোবাই পল-অনুপলৰ ধুনীয়া অংক কৰে

ৰাস্তা হৈ নুঠাৰ আগতে আবেলি আবেলিৰ
কাৰোবাৰ খোজ কঢ়াৰ সম্ভেদ পোৱা যায়

কোনো কথা নাই এতিয়া ৰাস্তা হ'ল
দীঘলীয়া কেঁচাৰ পৰা গৈ পকা।

◆

# সাগৰ ভালপোৱা মানুহজন

✍ তপন কুমাৰ চন্দ্ৰ

তুমি নাই যেতিয়া
এইবাৰ ব'হাগ নাহিলেই ভাল
সুৰৰ আচল ধৰি গুচি যোৱা দিন ধৰি
শিলৰ বুকুতেই শুই আছে গানবোৰ
গছবোৰে ল'ব পৰা নাই উশাহ
নিৰ্বাক মানুহৰ পৃথিৱী
পাৰ হৈ গৈছে ক'ত উজাগৰী নিশা
হেৰাই যোৱা সূৰ্যৰ দুখত।

সাগৰে তোমাক শংখ বজাবলৈ মাতিলে
পিন্ধিবলৈ মাতিলে হাজাৰ যুগৰ মুকুতা
তুমি সাগৰত শংখ বজাবা
আমি তোমাৰ গীত বোৰ বুকুত সাৱতি
শুনিম শংখধ্বনি
তুমি সাগৰ ভালপোৱা মানুহ
তুমিতো জানা—
সাগৰে কেতিয়াও নকয়
দুখৰ গদ্য
বুকুত লৈ ফুৰে সুখৰ মুকুতা শংখ

নালাগে হ'ব যন্ত্ৰ
এইবাৰ জোনৰ দেশতে
সাজিবা ঘৰ
কোনোবা জোনাক ৰাতি
বাঁহীৰ মাতত
অৰঙে দৰঙে ঘূৰিবা
লগত হীৰু দাকো নিবা
এপিয়লা জোনৰ জোনাক পান কৰি
দুয়ো একেলগে শুনিবা
" হেৰ বাঁহী তোক বৰ ভাল পাওঁ দেহি...'

◆

## আধুনিক অসমীয়া আমি

বিদ্যাৱতী শইকীয়া

পুহৰ ঠেঁটুৰৈ লগা ৰাতিবোৰত
সাৰপাই উঠিছিল
আইৰ বাকচৰ বৰকাপোৰ, জোঠাৰী কাপোৰে
কলহত তাহোন গলাই
ক'ত যতনেৰেয়ে থৈছিল এইবোৰ
ৰাতি দুপৰলৈ সূতলাইীত
মেৰাই লৈছিল জীৱনৰ সুখ-দুখ
মাঘ বিহুত কলথাৰৰ পানীত সিজাই
এছাৰি-এছাৰি ধুওঁতে
গোটা গাওঁ খন ৰজনজনাইছিল।
মোৰ বিয়াত
এনে শালেকটা দুখনমান
বাকচৰ তলত জাপি-দি
গাত হাতবুলাই
আয়ে কৈছিল
এই কেইখন হাড়-কাপোৰ
যতনেৰে ৰাখিবি।
এতিয়া সময় সলনি হ'ল
বাকচৰ এৰী কাপোৰ, বৰ কাপোৰ
ৰূপ সলাই হ'লগৈ
এৰীকোট, নাইবা কামিজ
বিচনালৈ আহিল উমাল নিহালী
বিসৰ্জন দিছো আমি
হালবোৱা, ধান বনা, সূতা কটা
আৰু যে ক'ত পৰম্পৰা
আইৰ মুখৰ মাতষাৰ দলিয়াই পেলাই
আদৰিছো পশ্চিমীয়া সংস্কৃতি
সকলো হেৰুৱালেও
অনুতপ্ত নহওঁ কাহানিও
আধুনিকতাৰ বতাহত উটিযোৱা
আধুনিক অসমীয়া আমি।

◆

## শিল

অমৰজ্যোতি ঘোষ

শিলবোৰো মানুহ
শিলেও কথা কয় সময়ে সময়ে
মৌনতাৰ ভাষাত

খোদিত থাকে শিলবোৰৰ বুকুত
বহু যুগ-যুগান্তৰৰ অলিখিত দুখ-যন্ত্ৰণাৰ কথা,
ঘাত-প্ৰতিঘাতৰ কথা,
সুখ-সমৃদ্ধিৰ কথা

খোদিত থাকে শিলবোৰৰ বুকুত
ভাষা-কলা-সংস্কৃতিৰ কথা

শিলবোৰে কথা কয় মানৱ সভ্যতাৰ
কথা কয় পুৰণি ইতিহাসৰ

যি ইতিহাসে
পৰিচয় দিয়ে মানৱ জাতিৰ
পৰিচয় দিয়ে মানৱ সভ্যতাৰ উত্থান-পতনৰ

সেয়েহে...
শিলবোৰো মানুহ
কথা কয় সময়ে সময়ে মৌনতাৰ ভাষাত
সাক্ষী থৰে
মানৱ সভ্যতাৰ দস্তাবেজ...!!

◆

# তোমাৰ বাবে সী দিম ভমকাফুলীয়া টিচাৰ্ট ...

অপৰাজিতা বুঢ়াগোহাঁই

সাগৰ তলিত শুবৰ মন বুলিয়েই শুই থাকিলা
তোমাৰ এযাৰি মাতৰ বাবে কিমান মানুহ চোৱা
তোমাৰ প্ৰ'গ্ৰামৰ প্ৰথম শাৰীত বহি থকা জনৰ পৰা
বোকা ডাঙ্গ দিয়া কেইটা লৈকে
তোমাক খং কৰা মানুহ বোৰৰ পৰা
তীক্ষ্ণ সমালোচকৰ লৈকে
পলকতে মচি দিলা তুমি
জাতি-বৰ্ণ- ধৰ্ম -ধনী- দুখীয়াৰ প্ৰাচীৰ

তুমি এবাৰ চকু মেলি চাব পাৰিলাহেতেন
তিনি দিন শুই থকা মানুহ নহয় তুমি
উঠা ,
তোমাৰ বাবে সী দিম ভমকাফুলীয়া টিচাৰ্ট
সাগৰ তলীৰ পৰা আনি দিম মুকুতাৰ এধাৰি মালা
প্ৰিয় গীতৰ এটি কলিৰে গুণগুণাই উঠি আহা

বগা সাজযোৰ একেবাৰে মিলা নাই তোমাৰ সৈতে
তোমাৰ আপোন মানুহবোৰে এই কথা বুজিছে চোৱা ,
তোমাৰ প্ৰিয় ড্ৰেগন ড্ৰেছযোৰ পিন্ধাই দিছে
তথাপিও তুমি উঠা নাই কিয়
কোনখন চিনেমাৰ প্ৰম' দিছা ? বৈ বৈ ৰিনালে ?
আমি সকলোৱে চাম নহয়
উঠাছোন তুমি
চোৱা
তোমাৰ প্ৰাণৰ গীতটি প্ৰাৰ্থনা হৈছে অসমৰ আকাশে বতাহে
সমস্বৰে কাকুতি কৰিছে
মায়াবিনী ৰাতিৰ বুকুত...

তোমাৰ বাবে সকলোৱে প্ৰাৰ্থনা কৰিছে
ভাবিছে পলম হোৱা এটা অনুষ্ঠানত
শেষ ৰাতি সকলোৱে তোমাৰ গীতৰ চন্দনত
নাচিব, গাব, চিঞৰিব

তোমাৰ নশ্বৰ দেহ পঞ্চভূতত মিলি গৈছে
অসমখন চকু পানীৰ সাগৰ হৈছে
তুমি সাগৰ ভালপোৱা নহয়
চকুলোৰে নিমখীয়া হৈছে অসম...

তুমি মানৱৰ পৰা
ক্ৰমান্বয়ে ঈশ্বৰ হৈছা
এতিয়া আমি তোমাক প্ৰাৰ্থনা কৰিছোঁ
আমাৰ ভগৱান
আমাৰ হিয়াৰ আমঠু
আমাৰ প্ৰাণৰ জুবিন দা

তোমাৰ গানে আমাক প্ৰেমত পৰিবলৈ শিকাইছিল
তোমাৰ গানে আমাক মানুহ ভালপাবলৈ শিকাইছিল
তোমাৰ গানে আমাক প্ৰকৃতি ভালপাবলৈ শিকাইছিল
তোমাৰ গানে আমাক জন্ম ভূমিক ভাল পাবলৈ শিকাইছিল
তোমাক খং কৰা মানুহ বোৰেও জনা নাছিল
তেওঁ লোকেও যে তোমাক ভালপায়
তোমাক সমালোচনা কৰা মানুহ বোৰেও জনা নাছিল
তেওঁ লোকবো যে তোমাৰ পৰা শিকিব লগা আছে.... ◆

# শিল্পী মোৰ প্ৰাণৰো প্ৰাণৰ

অঞ্জলি শইকীয়া গগৈ

কি যাদু আছে
তোমাৰ কণ্ঠত শিল্পী মোৰ
প্ৰাণৰো প্ৰাণৰ
তোমাৰ গানৰ কথাত
একোটা উদিত সূৰ্য
পোহৰ বিলোৱা
অনাদি অনন্ত
জীপাল হৈ উঠে দুখে ধোৱা সপোন
জীয়াই থকাৰ হেপাহেৰে
প্লাবিত হয় উদাসী বুকু
আউসী বুকুত বাজী উঠে
সূৰ্য উঠা গান
প্ৰতিটো শব্দই একোটা সূৰ্য
পোহৰ বিলোৱা অনাদি অনন্ত
অন্তৰতে বিছাৰি পাওঁ
স্বদেশ প্ৰেমৰ বন্দনা
বিভেদ বিহীন সম্প্ৰীতিৰ বতৰা
বিছাৰি পাওঁ নিভাঁজ প্ৰেমৰ
মাটিৰ গোন্ধ,
জীৱনৰ শাশ্বত সত্যতা
আকাশৰ দৰে উদাৰ
সাগৰৰ দৰে উদাৰ
সাগৰৰ দৰে সুবিশাল হৃদয়
আৰ্তজনলৈ প্ৰসাৰিত দুহাত
জীৱৰ প্ৰতি অসীম প্ৰেম ভাল পোৱা
মানৱতাৰ মূৰ্ত্ত প্ৰতীক
তোমাৰ কালজয়ী গীত
শিপাই আছে তেজে তেজে
সাগৰ প্ৰেমী সূৰ্য
ডুব গ'ল সাগৰত অনাকাংক্ষীত ভাৱে
পোহৰ খেপিয়াই
লৰনে সপোনে এতিয়া
"মায়াবিনী ৰাতিৰ বুকুত
দেখা পালো তোমাৰ ছবি...
বৈ বৈ কিনালে অনুৰাগী হৃদয়
তোমাৰ বন্দনাৰে মুখৰিত
আজি আকাশ বতাহ
তুমি অমৰ
তুমি অমৰ। ◆

# চিএৱৰ

দেৱযানী চমুৱা

আকাশ বতাহ চৌদিশে
আজি কিহৰ বিছাৰ
ৰক্ত নে উপাসনাৰ ঠাইৰ
তোমাৰ আৰু মোৰ ভূমিষ্ঠ
আইৰ গৰ্ভতে নহয়?
একেই বতাহ, একেই বায়ু
একেই দেহ সৃষ্টি কৰ্তাৰ দান
ইউনিফৰ্ম পৰিধানকৰীয়ে যদি ভ্ৰষ্টাচাৰ হয়
সীমাৰ চিন দিবা ক'ত
সাগৰত নে আকাশত
তেজ যদি একে হয়,
উপসনাৰ স্থান বেলেগ কিয়?
মানুহ যদি পাশান হয়? দানৱৰ প্ৰয়োজন ক'ত?
যুগে যুগে ধিক্কাৰ দিব
কোনে কাক?
প্ৰতিবাদ কৰিব উৰি যোৱা ধোঁৱাই
আৰু পৰি ৰোৱা ছায়-বোৰে।
সাক্ষী হৈ ৰম তুমি, মই আৰু সময়
মন্দিৰ, মছজিদৰ পৰা
নিৰগত হওঁক একেই বাণী
"আমি একেখন নাৱৰে যাত্ৰী।"
◆

## সময়ৰ পৰিচ্ছদ

✍ দিবা ফুকন

সজল নয়নত উৎভাসিত
উন্মুক্ত নীলিম আকাশ
বিনন্দীয়া ধৰিত্ৰীৰ বুকুত
ঢেওদি ঢেওদি দোলা দি গুচি যায়
প্ৰভাতৰ সোণোৱালী শৈশৱ।

কৈশোৰৰ আলিৰ কেঁকুৰিটোত
এজাক বাধৰুৱা বৰষুণত,
জীপাল হ'ল সেউজীয়া হৃদয়
উৰ্ব্বৰা হ'ল কল্পনাৰ পথাৰ ।

মানিকী মধুৰী, ৰঙাজহাবোৰেও
প্ৰকৃতিৰ মাধুৰীপৰশত গৌৰৱী হয়
লাহে লাহে থোৰ মেলি গাথীৰতী হয়
সোণবৰণীয়া বসন পিন্ধি
সুদীপ্ত জেউতি বিলায়

সোণোৱালী ধাননি পথাৰত
হালে জালে সীমাহীন আনন্দত
পুবেৰুণৰ কাঁচিয়লি ৰ'দত।
কনজহা, ৰঙাজহাৰ সুগন্ধি
চৌপাশে সিঁচৰিত এচাতি মলয়া

ঋতুৱে বেশ সলায়
বছৰেও বাগৰ সলায়
সৃষ্টিৰ বৰ্ণিল জীৱন বৃত্তত

লাহে লাহে—
দুপৰৰ সুদীপ্ত তেজাল বেলিটো
শীতলা প্ৰচ্ছায়াত বিলিন হয়
সুনিৰ্ণীত যাত্ৰাত সহযাত্ৰী হয়
অতিক্ৰমী সীমাৰেখাৰ দিগন্তলৈ—
সময়ৰ পৰিচ্ছদত ইয়েই শ্বাশ্বত সত্য

◆

## নিয়ৰৰ ফুল

✍ অভিজিৎ বুঢ়াগোহাঁই

আহিন আহিল, মোৰ শেৱালী জোপা ফুলিল,
সৰি পৰা শেৱালীবোৰ নিয়ৰে তিয়ালে,
বুকুত অ-প্ৰেমৰণ্ডী তাড়না লৈ
নিয়ৰে বিলাই তাৰ দুখ, তাৰ সুবাস।
নিয়ৰ সিক্ত ফুলবোৰ চুবলৈ ভয় হয়,
আৰু দুবৰিবোৰ গচকিবলৈ ভয় হয়, কবিতাৰ চন্দ হেৰাই
যোৱাৰ দৰে জানোচা শেৱালীৰ সুবাসৰ পৰা বঞ্চিত হওঁ,
কিন্তু মই নুচুলেও যে সি ৰ'দত শুকাই যাব।
ৰাতি ফুলা শেৱালীৰ লগত নিয়ৰে কথা পাতে,
গায় বিষাদৰ গান, উৰুৱাই নতুন সুবাস।
বছৰৰ মুৰত নিয়ৰ এবাৰেই আহে পৃথিৱীলৈ
নিয়ৰক মোৰ শেৱালী জোপাই আদৰণি জনাই
তাকে দেখি চোতালৰ দুবৰিবোৰে অট্টহাস্য কৰে।
ৰাতিপুৱা শেৱালী জোপাক সোধোঁ নিয়ৰৰ ঠিকনা,
ক'ত থাকে মেঘ কাগজৰ নীলাৰ মাজত ?

নিয়ৰৰ ফুলবোৰে পৃথিৱীত পৰি
ৰাতিপুৱা বেলিৰ পোহৰত জিক্ মিক্ কৰি কয়...
মোক ফুলি থাকিবলৈ দিয়া।।

নিয়ৰক দেখোঁ মই জোনাকী ৰাতি
জিকমিকাই থাকে ফুলত,
তাতেই তাৰ প্ৰকৃত সৌন্দৰ্য্য।

নিয়ৰৰ ফুলবোৰ পৃথিৱীত পৰাৰ পৰা,
মোৰ দুখবোৰ ক্ৰমাৎ উজাইছে বুকুৰ মাজলৈ
নিয়ৰে মোৰ দুখবোৰৰ লগত মিতিৰ পাতি
দুখৰ বন্যা নমাই হৃদয়ৰ কঠীয়াতলীত!!

◆

# ভাষাৰ গৌৰৱ

✍ বিকুমণি ফুকন

ব্ৰহ্মপুত্ৰৰ পাৰত থিয় হৈ
মই শুনোঁ
এটা নীৰৱ ভাষাৰ শ্বাস,
যি টোৰ শব্দত নহয়
শব্দ ই ইতিহাসৰ স্মৃতিত বাচি থকা।
খোদিত সময়ে মোক কৈ যায়—
এই ভাষাই কেৱল জন্ম লোৱা নাছিল,
ই যুঁজিছিল,
ই আগবাঢ়িছিল।
শংকৰ-মাধৱৰ শব্দ
আজিও বতাহে কয়,
ধৰ্মৰ নামত নহয়
মানৱতাৰ নামত।
সময় সলনি হৈছে,
আঙুলিৰ স্পৰ্শত শব্দ জন্ম লয়,
পৰ্দাৰ পোহৰে
কাগজৰগোন্ধ ম্লান কৰিছে।
বিদেশী শব্দে
আক্ৰমণ নকৰে—
তেওঁলোকে মাথোঁ ঠাই লয়,
আমি যেতিয়া নিজৰ শব্দ এৰি দিওঁ।
শিশুৰ মুখত
মাতৃভাষা ক্ৰমে ক্ষীণ হয়,
কিন্তু নষ্ট নহয়,
কাৰণ ভাষা
শিকাই দিয়া বস্তু নহয়— উত্তৰাধিকাৰ।

◆

# জয় জুবিন দা

✍ মিনু দাস

জুবিন দা আমাৰ হিয়াৰ আমঠু
অসমৰ ৰাইজৰ বুকুৰ আপোন।
জাতি উপজাতিক একতাৰে বান্ধি
গুচি গলা অসমীয়াক নিঠৰুৱা কৰি।
তোমাৰ গানৰ কলি আকাশে বতাহে
সকলো জীৱ জন্তুৱে শুনে কান পাতি।
তুমি বাৰু জুবিন দা কিয় গুচি গলা
গৰিমা বৌৰ কথা এবাৰো নাভাবিলা।
তোমাৰ অবিহনে বৌয়ে দেখে অন্ধকাৰ
চকুৰ পানীয়ে নিতে বোৱাই ধৰা।
অসমৰ ৰাইজে তোমাক দিয়া নাই বিদায়
শ্মশানক মন্দিৰ ৰূপত তুলিছে সজাই।
প্ৰতি দিনে জ্বলাই বন্তি তোমাৰ নামত
জাতি ভেদ নাৰাখি একে খনি স্থানত।
তোমাৰ প্ৰতিটো গানে হৃদয় কপাই
কান্দি কান্দি ভাগৰিলেও আকৌ শুনা যায়।
জয় জুবিন দা বুলি পানীত দিলে জাপ
মায়া মোহ ত্যাগিলে বহু জনে তাত।
কেইবা জনেও প্ৰান দিলে তোমাৰ নামত
সিঁহতক তুমি বাৰু পাইছানে লগ।
কিমান ভাল পালে আনৰ বাবে মৰে
সেইয়া বাস্তৱ জুবিন দা তোমাৰ বাবে।
তোমাক যে সিঁহতে ইমান ভাল পায়
মাক দেউতাকে কিন্তু গমকে নাপায়।
তোমাৰ গানক আমি ৰাখিম জীয়াই ◆

## বন্ধু

✍ ৰাজু চুতীয়া

বাটৰ কচু গাত সানিলে বন্ধু
খাজুৱালেহে গম পাবা ।

নলগা জেঙত লাগিলে বন্ধু
পিছতহে মজাটো পাবা।

পৰৰ নতুনক আদৰিবলৈ গৈ
ঘৰৰ পুৰণিক এলাগী কৰি বন্ধু
পিছত বৰ অনুতপ্ত হ'বা।

নহে বেয়া বোলাজনক বন্ধু
তুমি ভাল বুলি কলে;
ঘৰতে এলাগী হ'বা

পাইও হেৰুৱাৰ বেদনা বন্ধু
কিমান যে গভীৰ

হেৰুৱালেহে বুজি পাবা।

কথাবোৰ কোৱাৰ বাবে বন্ধু
হয়তো বেয়া পাবা কিছুদিন
কিন্তু পিছত সকলো বুজি পাবা।

◆

## কবিতাৰ কাঁইটীয়া খোজ

✍ ময়ূৰ কুমাৰ বৰা

লক্ষ্মণ ৰেখাত আবদ্ধ
সহস্ৰ কবিতাৰ আস্ফালন
ৰেহ ভাঙি ওলাই আহিব কোন...??
এতিয়া.....
অব্যক্ত ভাবৰ গুম্‌গুমনিত
শব্দক ভাঙি শব্দৰ কচৰৎ
সাৱধানে ....সন্তৰ্পণে...।

◆

## দেও লগা নদী

✍ বুবুল চমুৱা

উঁৰিকণা মাছৰ দেও লগা
গাভৰু নদীৰ ঘাট

আকাশ আগুৰি ধৰা
ঘন ঘোৰ কুঁৱলিৰ তুহিন বতাহ, বিবস্ত্ৰ বতাহ

দুপৰ বেলিত ছাঁই সানি
ধোঁৱা যেন ধূসৰিত মেঘ

নদীৰ উঠন বুকুৰেদি
নামি আহে বাৰিষাৰ ধল

ভৰ বাৰিষাই তচ-নচ কৰে
ৰঙা-নীলা মাছৰ সপোন

ৰঙৰ ফাকু খেলি
নিৰবধি বৈ থাকে নৈ।

◆

# মল্লিকা তুমি কি কৰিছা

✍ বিনোদ ফুকন

মল্লিকা তুমি কেনে আছা?
ভাৰৰীয়া বতৰত
ডাগেৰা, হাঁহচৰা, দলনি, টকৌ পুখুৰীত
চেচুক বিচাৰি ভাঙিছা নেকি
আলটিয়া মাটিৰ চপৰা?

গেলা আমৰ তলৰ
চোমনিৰ কাষৰ বৰপুখুৰীত
টুপাইছা নেকি বৰশী?
শিঙৰাই চতুৰাব,
দেৱতাই ভয় খুৱাব
গেলা আমৰ তললৈ অকলে নাযাবা।

শুকান নৰাৰে ঢাকি লোৱা দেহত
পাতিছা নেকি হাই গুদু, ৰজা-ৰাণী,
নে অচলাই পচলাই ঢেকীত খুন্দু?
ডাক এইবাৰ কাৰ
ৰজাৰ নে প্ৰজাৰ?

তোমাৰ বুকুতে মোৰ প্ৰেমৰ ঠিকনা
পাতিছানেকি ৰাকন বধৰ ভাওনা?
ভাওনাখলিত মোৰ বাবে আগতিয়াকৈ
ঢাৰি পাৰি ৰাখিবা
মল্লিকা তুমি কি কৰিছা?

◆

# তোমাক বিচাৰি

✍ সীমা ফুকন

নৈখন ভটিয়াই বৈছিল
বুকুখনত যেন পথালিকৈ একোটা বিষ
কিয় এনেদৰে আহিছিলা
তোমাৰ শূণ্যতাই আজি
উলং কৰি থৈছে মোক
তুমি মোৰ চকুৰ পতাত
সিঁচি গুচি গ'লা
এমুঠি কবিতাৰ শব্দ
হাজাৰটা ছন্দৰ ঢৌ
আজি তোমাৰ অস্তিত্বই দুখৰ ভুখৰ কৈ
থেকেচি ভাঙিছে কলিজাৰ আখল
এডুখৰ এতিয়াও আশাৰে
ৰাখিছোঁ সাঁচি!
বিচাৰি ফুৰিছো তুমি হেৰাই যোৱা
বাটৰ পুৰণি খোজবোৰ।

◆

## আগমন

অভ্ৰনীৰজ কোঁৱৰ

অষ্টম শ্ৰেণী

নিশাৰ আকাশত উৰিছে চৰাই
প্ৰকৃতিয়ে যাচিছে এখনি শৰাই।
পাৰিজাত ফুলে
বিৰিষৰ পাত লৰে।
আহিল এজাক শীতল পছোৱা
লৈ আনিল এজাক ধুমুহা।
উৰোৱাই নিলে য'ত আৱৰ্জনা
থৈ গ'ল তাত মুকুতাৰ মালা..
দি গ'ল এটি আগমনৰ বতৰা।
এই আগমন....
জ্ঞানৰ আগমন।
এই আৰম্ভণি
এক নতুন জীৱনৰ আৰম্ভণি
অন্ধকাৰ পৃথিৱীৰ পৰা
পোহৰৰ স্বৰ্গ লৈ ।
এই ৰূপ অদৃষ্টৰ..
এই ৰূপ প্ৰকৃতিৰ। ◆

## আমাৰ বিদ্যালয়

প্ৰাণপ্ৰতীম পেগু

৪ৰ্থ শ্ৰেণী

আমাৰ বিদ্যালয়খন বৰ আপোন
আমি ছাত্ৰ-ছাত্ৰী থাকো মিলি-জুলি।
ছাৰ-বাইদেৱে যি শিকায়
মন দি শিকো
ঘৰলৈ আহি মনত পেলাই থাকো।
আমাৰ বিদ্যালয়ৰ পদুলিত ফুলনি বাগিচা
ফুলে ফুলে পৰে পখিলা
কিনো মনোমোহা
শিকো তাৰ পৰাও বহু কথা।
আমাৰ বিদ্যালয় পৰিষ্কাৰ-পৰিচ্ছন্ন
সকলোৱে গঢ়ে, হতে-কামে কৰে
আমাৰ বিদ্যালয়ৰ আমি হ'ম
দেশৰ সুনাগৰিক। ◆

## আইতাৰ মুখৰ সাধুকথা

খ্যাতি বাগিনী দত্ত

শ্ৰেণী ঃ সপ্তম

বৰ ভালপাওঁ শুনি মই
আইতাৰ মুখৰ সাধুকথা
তামোলৰ পিকেৰে ৰঙীণ মুখৰ পৰা নিগৰা
এটাৰ পাছত আন এটা
শুনি কি যে লাগে মজা।
নালাগে আমনি মোৰ শুনি
ৰজা-ৰাণী, পশু-পক্ষী
দৈত্য-দানৱ, ভূত-পিশাচৰ কথা,
আৰু কোৱা আৰু কোৱা
বুলি কৈ মই আইতাক
কৰো কি যে আমনি।
শুনিলো বহুত পৰী-অপেশ্বৰীৰ সাধু
কাৰণ ভাল লাগে মোৰ
আইতাৰ মুখৰ ৰসাল সাধুবোৰ।
◆

## আধৰুৱা মোৰ জীৱন

নিয়ৰ গগৈ

ষষ্ঠ শ্ৰেণী

আধৰুৱা মোজ জীৱন
আধৰুৱা মোজ জীৱন
ভাৱনাৰ সাগৰত ডুব গৈ
ৰচিঠিলোঁ বহু সপোন
হঠাৎ
ফাগুনৰ পচোৱাই ভাঙি নিয়া
ঘৰ-দুৱাৰবোৰৰ দৰে
ভাঙি-চিঙি চুৰমাৰ হ'ল
মোৰ হেঁপাহৰ সপোন
প্ৰতিটো দুখ ক্ৰয় কৰি
পুনৰ ৰচোঁ এৰেটি সুন্দৰ সপোন
সিও হৈ পৰে আধৰুৱা
নিজৰ মাজতেই হেৰাই গৈছো
বিচাৰি জীৱনৰ উত্তৰ
সিও আধৰুৱা । ◆

# জুবিন গাৰ্গ

মৃন্ময় জোনাক দাস
ষষ্ঠ শ্ৰেণী

কিনো মায়াময় কণ্ঠ তোমাৰ
সুৰেৰে মোহিলা সকলোকে
একতাৰ বান্ধোনে আগুৰাই নিলা।
তুমি ঈশ্বৰ পুত্ৰ
তুমিয়েই মায়াবিনী
তোমাৰ চিন্তা-ভাৱনা সকলো উচ্চ
গছ-লতা, চৰাইয়েও দিলে পৰিচয়।
দানৱৰ জালত পৰি তুমি
আমাক এৰি গুচি গ'লা
উন্নতি নহাৰ বাটেৰে
মায়াবিনী মাথো মায়াবিনী গীত
আমাক গাবলৈ কৈ...
আমি তোমাৰ দুখত দুখী।◆

# ফুল

অৰ্পিত ঘোষ
চতুৰ্থ শ্ৰেণী

ধুনীয়া পৃথিৱীৰ আমি
নানা ৰঙী ফুল
অকালতে নিচিঙিবা আমাক
কৰি তুমি ভুল

হাঁহি-ধেমালি ৰং-তামাচা
কৰি ভালপাওঁ আমি
সেই হেতুকে
কোনেও আমাক নকৰিবা আমনি

ফুল ফুলি ফুলি
চৌদিশে বিলাই সুগন্ধি সুবাস
সেইবাবেই...
পৃথিৱী সুবাসিত কৰিবলৈ
কোনেও নকৰিবা আমাৰ বিনাশ...!!◆



অংকন ঃ সুদীপ্তা নয়না চমুৱা, ষষ্ঠ শ্ৰেণী

অনুগল্প

# পিঞ্জৰা

✍ ৰমেন দাস

বাৰন্দাত থিয় হৈ তাই উচুপি উঠিল। কেনেকৈ বাৰু ভিতৰলৈ সোমাই যাব। কাৰ সৈতে কথাৰ বিনিময় কৰিব। এই মাজনিশা নিৰৱ নিস্তব্ধতাত ভিতৰত সাৰে আছে মাথোঁ তাইৰ একমাত্র সন্তান চিন্ময় আৰু বৃদ্ধ শহুৰ-শাহুৰ। সিহঁতৰ অপেক্ষা কেৱল তাইলৈ।

ৰূপে-গুণে জিলিকা, সু-শিক্ষিতা মণিকা আনদিনাৰ দৰে আজিও হোটেলত কাম কৰিবলৈ গৈছিল। তাই ভুলতো ভৱা নাছিল যে বতৰে এনে গতি ল'ব আৰু দস্যুৰ গ্ৰাসত ডুব যাব লাগিব। দুবছৰ আগতে আজি দিনটোতেই তাইৰ স্বামীক এখন আচিনাক্ত বাহনে মহটিয়াই গ'ল আৰু পলকতে তাই স্বামীহাৰা হ'ল। ন্যায় বা ক'ত পাব !

বাৰান্দাত মণিকাই উচুপিছে মাথোঁ উচুপিছে। হোটেলৰ মালিকজনেও আজি দেৰিকৈ ছুটী দিয়া বাবেই বাটত বতাহ-ধুমুহাজাকৰ সন্মুখীন হ'ব লগা হ'ল। তাই কিছুসময়ৰ বাবে এখন বন্ধ দোকানৰ বেলকনিত আশ্ৰয় ল'ব খোজোতেই হঠাৎ এখন ক'লা ৰঙৰ সৰু গাড়ী আহি তাইৰ সন্মুখত ৰৈ গ'ল। তাইক সহায় কৰিব........। চিনাকী মুখৰ মানুহজনে স্বামীৰ মৃত্যু পিছত তাই পৰিয়ালটোক সহায়ৰ বাবে প্ৰায়েই হাত আগবঢ়াব খুজি আহিছে। তাই অস্বীকাৰ কৰে। মানুহজনে স্বামীৰ কলেজীয়া বন্ধু বুলি পৰিচয় দিয়ে। অৱশ্যে তাই আজি মানুহজনৰ সহায় ল'ব লাগিবই হয়তো। তাই নিশ্চুপ ! গাজনি আৰু বৰষুণ, আন্ধাৰ, ক্ৰমশঃ জয়াল হৈ আহিছে।

গাড়ীখনে নিৰ্দিষ্ট দিশৰ পৰিৱৰ্তে গতি সলালে।

ঃ এইফালে কিয় ? - কৌতুহলেৰে মণিকাই সুধিলে।

ঃ তুমি ভয় নকৰিবা। দুই মিনিট পলম হ'ব পাৰে। - মানুহজনৰ প্ৰত্যুত্তৰ।

এটা কোঠাত তাই প্ৰৱেশ কৰিবলৈ বাধ্য হ'ল।

ঃ তোমাক কি লাগিব ? চাকৰি, টকা নে জীৱন ? - ভদ্ৰ সদৃশ মানুহজনে কাঢ়া কৈ তাইক সুধিলে।

ৰৌদ্ৰসম যৌৱন তাৰ। দুচকু ৰঙা হৈ আহিল। পলক নভঙাকৈ তাইৰ বুকুলৈ চাই ৰ'ল। মণিকাই সকলো বুজি পালে। তাইৰ দুচকুত বাঘ এটাৰ প্ৰতিচ্ছবি জিলিকি উঠিল। তাই অসহায়। বেলিহীন তাইজনীয়ে ঘৰখনৰ দায়িত্ব ল'বলৈ জীয়াই থাকিব লাগিব আৰু এই মানুহজনৰ কবলৰ পৰা মুক্ত হ'বলৈ আজি নিজ সতীত্ব ত্যাগ দিব লাগিব। অথচ তাই বেশ্যা নহয়.......! তাই নিৰৱে মানুহজনলৈ চাই ৰ'ল।

তাই দুহাত আগবঢ়াই দিলে। মানুহজন দানৱলৈ ৰূপান্তৰ হ'ল। তাইৰ কপালত এটা পাছত আন এটা চুমা গুজি দিলে আৰু তাইক হেঁপাহ পলোৱাই নিজৰ কৰি ল'লে। কিছু সময়ৰ বাবে....।

মণিকা এখোজ দুখোজ কৈ তাৰ পৰা আঁতৰি আহিল। সেমেকা মুখখনত এটা দাগ, বুকুত এখন ক'লা ফলক....।

তাই এইবাৰ বাঘ ধৰিবলৈ পিঞ্জৰা সাজিব। তাই নিজেই ন্যায় হাতত তুলি ল'ব। নাৰীক সৰলমনা আৰু সুযোগ বুজি প্ৰবঞ্চনা কৰিব খোজা এই মানুহজন তাইৰ স্বামীক হত্যা কৰি যোৱা বাহনখনৰ গৰাকী নহয়তো (?)। অলেখ ভাৱনাই তাইক জুমুৰি ধৰে।

মণিকা, মণিকা হৈয়ে ৰ'ব। লাহেকৈ দুৱাৰখন খুলি ভিতৰলৈ সোমাই যায় আৰু দেখে শহুৰ-শাহুৰ মজিয়াত অপেক্ষাৰে ৰৈ আছে। পুত্ৰ চিন্ময় দৌৰি আহি তাইক সাবটি ধৰিলে। ◆

# ঢকুৱাখনা শাখা সাহিত্য সভাৰ সম্পাদকৰ একলম...

সকলোলৈ নতুন বছৰ আৰু ভোগালী বিহুৰ শুভেচ্ছা যাচিলোঁ। অসমীয়া ভাষা আৰু স্বদেশ, স্বজাতিৰ হকে প্ৰাণ আহুতি দিয়া অমৰ শ্বহীদ সকললৈ প্ৰণিপাত জনাইছোঁ। অসম সাহিত্য সভাৰ লক্ষীমপুৰ জিলা সাহিত্য সভাৰ অন্তৰ্গত ঢকুৱাখনা শাখাটি ১৯২০ চনতে প্ৰতিষ্ঠিত শতবৰ্ষ গৰকা এটি পুৰণি শাখা। আমি দায়িত্বভাৰ গ্ৰহণ কৰি ১২/০৪/২০২৫ তাৰিখে সভাত কেইটিমান গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

১) কাৰ্যালয় গৃহৰ বাবে এডোখৰ মাটি, বেংক পাছবুক খোলা সিদ্ধান্ত। ছাত্ৰ-ছাত্ৰী সকলৰ মাজত প্ৰতিযোগিতা আয়োজন আদি।

পহিলা ব'হাগত অসম সাহিত্য সভা স্থায়ী কাৰ্যসূচীত সাহিত্যিক, সাংস্কৃতিক, শিক্ষাবিদ, সমাজকৰ্মী পাঁচজন বিশিষ্ট ব্যক্তিক ওলগনি পত্ৰ, চেলেং চাদৰ আৰু গ্ৰন্থৰে সম্বৰ্ধনা জনোৱা হয়। তেখেতলোকে হৈছে ক্ৰমেঃ- সৰ্বশ্ৰী কনক বৰগোহাঁই, দিলীপ গগৈ, কামাখ্যা প্ৰসাদ শইকীয়া, নৰেন্দ্ৰ দাস (নন্দেশ্বৰ) আৰু মাইটী চুতীয়া।

০১/০৬/২০২৫ তাৰিখে ঢকুৱাখনা শংকৰদেৱ শিশু নিকেতনত গুৰুত্বপূৰ্ণ কাৰ্যনিবাহক সভা অনুষ্ঠিত হয়। ইয়াত বিষ্ণুপ্ৰসাদ ৰাভা দিৱসটি ১৩ নং বান্তৌ প্ৰাথমিক বিদ্যালয়ৰ সহযোগত ২০ জুন' ২০২৫ তাৰিখে আয়োজন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উক্ত তাৰিখত সফলভাৱে উদ্‌যাপন কৰা হয়। উক্ত তাৰিখত ৰাভা দিৱস সফল উদ্‌যাপন কৰা হয়।

৯০ জুন' ২০২৫ তাৰিখে সাহিত্য সভাৰ এটি সজাতি দলে ঢকুৱাখনা বিধানসভা সমষ্টিৰ, সম্মানীয় বিধায়ক শ্ৰীযুত নবকুমাৰ দলে, সমজিলা আয়ুক্ত, ঢকুৱাখনা ৰাজহ চক্ৰ বিষয়াৰ ওচৰত অসম সাহিত্য সভা, ঢকুৱাখনা শাখাৰ স্থায়ী কাৰ্যালয়ৰ বাবে এডোখৰ মাটি আবণ্টন দিবলৈ পৃথকে পৃথকে আবেদন জনোৱা হয়।

০৯ জুন' ২০২৫ তাৰিখে কেন্দ্ৰীয় উপ-সমিতি আহবায়ক শ্ৰীযুক্তা মানসী শইকীয়াসহ এটি দলে ঢকুৱাখনালৈ আহি এক আলোচনাত মিলিত হয়।

১০ জুন' ২০২৫ তাৰিখে লক্ষীমপুৰ জিলা সাহিত্য সভাৰ সভাপতি শ্ৰীযুত সঞ্জীৱ উপাধ্যায়, সম্পাদক শ্ৰীযুত প্ৰবীণ হাজৰিকা জিলা সাহিত্য সভাৰ কৰ্মসূচী লৈ ঢকুৱাখনাত উপস্থিত হৈ জিলা কৰ্মসূচী প্ৰদান কৰে। উক্ত কৰ্মসূচীত জিলা সাহিত্য সভাৰ উদ্যোগত ঢকুৱাখনা শাখা সাহিত্য সভাৰ সহযোগত অসমীয়া প্ৰথম আলোচনী আৰু কাকত 'অৰুনোদই' দিৱস উদ্‌যাপনৰ বাবে দায়িত্ব প্ৰদান কৰে।

৮ ছেপ্তেম্বৰ, ২০২৫ তাৰিখে অসম সাহিত্য সভাৰ আহবান মৰ্মে ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ কাৰ্যসূচী শাখাৰ বিষয়- ববীয়া, সদস্য-সদস্যা সকলৰ লগতে অসম সাহিত্য সভাৰ আজীৱন সদস্য সকলৰ নিজা ঘৰৰ পদুলি মুখত কলপুলি সহ বন্তি প্ৰজ্বলন কাৰ্যসূচীৰে হাজৰিকাদেৱক শ্ৰদ্ধাঞ্জলি জনোৱা হয়।

চলিত বৰ্ষত শাখা সাহিত্য সভাই আজীৱন সভ্য বৃদ্ধি কৰে- সৰ্বশ্ৰী লিখন চন্দ্ৰ বুঢ়াগোহাঁই, মঞ্জু গগৈ, নন্দেশ্বৰ দাস, কামাখ্যা শইকীয়া, সীমা ফুকনক সদস্য অৰ্ন্তভুক্তি কৰে।

১১/১০/২০২৫ তাৰিখে ঢকুৱাখনা বালিকা জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত শাখাৰ সাহিত্য সভাৰ স্থায়ী সভাপতিত্বত অনুষ্ঠিত হোৱা সভাই ড° গৰ্কী বৰগোহাঁই লক্ষীমপুৰ জিলাৰ সাহিত্য সভাৰ কৰ্মসূচীৰ অসমীয়া ভাষা মাহেকীয়া কাকত, আলোচনী অৰুনোদই দিৱসটি উদ্‌যাপন কৰিবলৈ দিহা কৰা হয়। লগতে উদ্‌যাপন সমিতি আৰু ঢকুৱাখনা শাখা সাহিত্য সভাৰ বছেৰেকীয়া মুখপত্ৰ

'খোজ' প্ৰকাশ কৰা সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত উদ্‌যাপন সমিতি সভাপতি হিচাপে সন্মানীয় শিক্ষাবিদ, লেখক, সমাজ সেৱক শ্ৰীযুত ডিম্বেশ্বৰ গগৈদেৱক সভাপতি আৰু কাৰ্যকৰী সভাপতি নৱকান্ত চুতিয়া, সম্পাদক বাবলী বৰা চমুৱাক দায়িত্ব অৰ্পণ কৰা হয়। 'খোজ' সম্পাদনা সমিতিৰ সভাপতি সৰ্বেশ্বৰী পেগু, মুখ্য সম্পাদক লেখক কবি, সাংবাদিক, ঢকুৱাখনা প্ৰেছ গীল্ডৰ সভাপতি তোলন চন্দ্ৰ দত্তক সম্পাদকৰ বাবে সাহিত্যিক ড° জিতু কুমাৰ চমুৱা আৰু নবীন কবি ৰমেন দাস সহ এখন পূৰ্ণাঙ্গ এখন কমিটি গঠন কৰা হয়।

অসম সাহিত্য সভা, লক্ষীমপুৰ জিলা সাহিত্য সভা লগতে ঢকুৱাখনাবাসীৰ বাবে গৌৰৱৰ বিষয় যে ঢকুৱাখনা শাখা সাহিত্য সভাৰ কাৰ্যালয়ৰ বাবে দুলীয়া পেৰাভাৰী মেপৰ ২ কঠা ১০লোচা মাটি গৃহীত কৰি সাহিত্য সভা দখললৈ অনা হয়। বিভাগীয় কৰ্তৃপক্ষ, সন্মানীয় বিধায়ক শ্ৰীযুত নৱ কুমাৰ দলে ডাঙৰীয়ালৈ ঢকুৱাখনা শাখা সাহিত্য সভা তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলো।

১৩/১১/২০২৫ তাৰিখে সাহিত্যজ্যোতি ড° চন্দ্ৰধৰ চমুৱাদেৱৰ মৃত্যু বাৰ্ষিকী গভীৰভাৱে শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ০৭/১২/২০২৫ তাৰিখে ঢকুৱাখনা শাখা সাহিত্য সভাই প্ৰজ্ঞাসাধক অসমৰ বিশিষ্ট সাংবাদিক হোমেন বৰগোহাঞিদেৱৰ জন্ম বাৰ্ষিকী আন্তৰিকতাৰে শ্ৰদ্ধা জনোৱা হয়। তেখেতৰ স্মৃতি ন্যাস সমিতিয়ে প্ৰতিমূৰ্ত্তি উন্মোচন অনুষ্ঠানত ঢকুৱাখনা শাখা সাহিত্য সভাৰ বিষয়ববীয়া কৰ্ম-কতা উপস্থিত থাকি অনুষ্ঠানটিৰ সৌষ্ঠব বৃদ্ধি কৰা হয়।

জন্ম মানে মৃত্যু পথৰ পথিক! এই চিৰন্তণ সত্যক কোনেও মানি ল'ব নোৱাৰে। কাৰোবাৰ অকাল, অপক্ক বিয়োগে সমাজলৈ বিষাদৰ ক'লা ডাৱৰে আগুৰি আনে। পশ্চিম ঢকুৱাখনা শাখা সাহিত্য সভাৰ সভাপতি প্ৰয়াত ভৱেন কলিতাদেৱৰ আৰু ঢকুৱাখনাৰ সু-সন্তান নৰ্থ বেংক মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক, সমাজপ্ৰিয় শুভ দাসদেৱৰ মৃত্যুত ঢকুৱাখনা শাখা সাহিত্য সভাই গভীৰ শোক প্ৰকাশ কৰি পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰা হয়।

১৯/০৯/২০২৫ তাৰিখে হঠাৎ খবৰ আহিল যে ছিংগাপুৰত সকলোৰে মৰমৰ বিখ্যাত সংগীতজ্ঞ, শিল্পী, বোলছবি নিৰ্মাতা জুবিন গাৰ্গৰ মৃত্যুত আমি মৰ্মাহত হওঁ। উক্ত দিনাই সন্ধিয়ালৈ ঢকুৱাখনা চাৰিআলিত বন্তি প্ৰজ্বলেনেৰে ঢকুৱাখনা শাখা সাহিত্য সভাই গভীৰ শোক প্ৰকাশ কৰা লগতে শ্ৰদ্ধাঞ্জলি জনোৱা হয়।

আই ঘৰলৈ যাম!
দুই হাতেৰে খাম।
বিধাতাই বোলে
পিছে পিছে যাম।

উক্ত বাক্যশাৰীয়ে যেন আমাকো লগ নেৰা হৈছে। তথাপিও বহু বাধা-বিঘিনী নেওচি অসম সাহিত্য সভা আৰু লক্ষীমপুৰ জিলা সাহিত্য সভাৰ কাৰ্যসূচীত সহযোগ আগবঢ়াই আহিছো। গুৱাহাটীস্থিত অসম সাহিত্য সভা ভৱনৰ সংগীতাচাৰ্য্য লক্ষ্মীৰাম বৰুৱা সদনত অনুষ্ঠিত অসমীয়া সাহিত্য সংস্কৃতিৰ বিকাশ মঞ্চ, অসমৰ দ্বাৰা ৰাজ্যিক ভিত্তিত আয়োজিত কবিতা প্ৰতিযোগিতাৰ বঁটা প্ৰাপ্ত কাব্যশ্ৰী গগৈক ঢকুৱাখনা শাখা সাহিত্য সভাই আন্তৰিক অভিনন্দন জনায়।

বিশিষ্ট সাহিত্যিক, সাংবাদিক, ঢকুৱাখনা প্ৰেছ গীল্ডৰ সভাপতি তোলন চন্দ্ৰ দত্তদেৱক কদম শতদল শাখা সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত হোৱা সভাত "আমাৰ গৌৰৱ" বঁটা প্ৰদান কৰে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীদেৱে।এই আপাহতে দত্তদেৱক আন্তৰিক অভিনন্দন জনালো। অসম সাহিত্য সভাৰ ঢকুৱাখনা শাখাৰ প্ৰথম সভাপতি ফণীধৰ বৰগোহাঞি আৰু সম্পাদক, সমাজসেৱক চন্দ্ৰশেসৰ দাসদেৱলৈ শত-সহস্ৰ প্ৰণাম যাচিছোঁ।

অসম সাহিত্য সভা লক্ষীমপুৰ জিলা সাহিত্য সভাই ঢকুৱাখনা শাখা সাহিত্য সভাক

অসমীয়া প্ৰথম বাতৰি কাকত, আলোচনী 'অৰুনোদই' দিৱসটি উদযাপন কৰিবলৈ সুযোগ দিয়াৰ বাবে আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো।

অৰুনোদই দিৱসটি সাফল্যমণ্ডিত কৰি তোলাৰ ক্ষেত্ৰত বিভিন্ন দল, সংগঠন, সদাশয় ব্যক্তিয়ে আমাক পৰোক্ষ অথবা প্ৰত্যক্ষভাৱে সহায় সহযোগিতা কৰিলে লগতে ঢকুৱাখনা বালিকা জেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত কবিন্দ্ৰ চেতিয়াদেৱৰ লগতে ঢকুৱাখনা শাখা সাহিত্য সভাৰ বিষয়ববীয়া, কৰ্মকৰ্তা, আজীৱন সভ্য, শুভাকাংক্ষী সকলোকে শ্ৰদ্ধা আৰু কৃতজ্ঞাতা জ্ঞাপন কৰিলো।

অসম সাহিত্য সভা সপ্তিতিতম দ্বি-বাৰ্ষিক পাঠশালা অধিৱেশন, বজালী' ২০২৫ ত ঢকুৱাখনা শাখা সাহিত্য সভা তৰফৰপৰা আগন্তুক অসম সাহিত্য সভাৰ পূৰ্ণাঙ্গ অধিৱেশন ঢকুৱাখনালৈ পুনৰ আমন্ত্ৰণ জনাই প্ৰতিনিধি সভাত প্ৰস্তাৱ দাখিল কৰা হয়। আমন্ত্ৰণ ক্ৰমে উক্ত অধিৱেশনত প্ৰতিনিধিত্ব কৰে ক্ৰমে ৰাজেন্দ্ৰ প্ৰসাদ গগৈ, নৱকান্ত চুতীয়া, বিল্যা দত্ত, অমৰজ্যোতি ঘোষ, মৃদুল চুতীয়াই।

ঢকুৱাখনাবাসীৰ সাহিত্য চেতনা আৰু দায়বদ্ধতাৰ ক্ষেত্ৰত যেনেকৈ অসমত নাম আছে, বিখ্যাত সাংবাদিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হোমেন বৰগোহাঞিদেৱৰ লগতে পাপৰি কবি গণেশ গগৈ, চহাকবি সৰ্বেশ্বৰ জালভাৰী ফুকন, শিক্ষাবিদ টাবু টাইদ, আনন্দ পেগু, শিৱ প্ৰসাদ গগৈ, সাহিত্যজ্যোতি ড' চন্দ্ৰধৰ চমুৱাকে ধৰি বিখ্যাত সাহিত্যিক, সাংস্কৃতিককৰ্মীৰ জন্ম স্থান ঢকুৱাখনা সমজিলাৰ ৰাইজ আৰু ঢকুৱাখনা শাখাৰ সাহিত্য সভাই আগন্তুক দিনত অসম সাহিত্য সভাৰ পূৰ্ণাঙ্গ অধিৱেশন অনুষ্ঠিত কৰিবলৈ আশাৰে বাট চাই আছে। হেতুকে অসম সাহিত্য সভাৰ সভাপতি ড' বসন্ত কুমাৰ গোস্বামী মহোদয়ৰ লগতে সম্পাদক শ্ৰীযুত দেৱজিৎ বৰাকে ধৰি কেন্দ্ৰীয় সমিতিক বিশেষভাৱে ঢকুৱাখনা শাখা সাহিত্য সভা তৰফৰপৰা কাতৰ অনুৰোধ জনালো।

এই আপাহতে ঢকুৱাখনা সমষ্টিৰ বিধায়ক শ্ৰীযুত নব কুমাৰ দলে ডাঙৰীয়াক আৰু লক্ষীমপুৰ জিলা পৰিষদৰ সভানেত্ৰী শ্ৰীযুক্তা চোনিয়া বৰগোহাঁই ডাঙৰীয়ানীক তেওঁলোকৰ বহুমূলীয়া দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতাৰ বাবে আন্তৰিক কৃতজ্ঞতা আৰু শলাগ ল'লো।

আমাৰ শাখাৰ সক্ৰিয় কৰ্মী তথা অসম সাহিত্য সভাৰ আজীৱন সভ্য শ্ৰীযুক্তা শান্তনা বৰুৱাৰ আশু-আৰোগ্য আৰু সু-স্বাস্থ্য কামনা কৰিলো।

পুনৰবাৰ মাতৃভাষাৰ বেদীত প্ৰাণ আহুতি দিয়া ভাষাৰ শ্বহীদ অনিল বৰা, মুজাম্মিল হক, ৰঞ্জিত বৰপূজাৰীলৈ সহস্ৰ প্ৰণিপাত জনালো। লগতে অৰুনোদই দিৱসটি উদযাপন কৰোতে হৈ যোৱা ভুল-ক্ৰটীৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা মাগিছো।

মাতৃভাষাৰ সেৱাৰ কাৰণে আমাৰ হিয়াত, প্ৰাণত নতুন উদ্দীপনাৰ উন্মেষণ হওঁক।

চিৰ চেনেহী মোৰ ভাষা জননী

ধন্যবাদে সহকাৰে-

শ্ৰীৰাজেন্দ্ৰ প্ৰসাদ গগৈ
সম্পাদক
ঢকুৱাখনা শাখা সাহিত্য সভা।

# অসম সাহিত্য সভাৰ আজীৱন সভ্যৰ তালিকা

## ঢকুৱাখনা শাখা

বিদ্যা দত্ত, ভূধৰ দাস, ছবিলাল জৈন, শিৱ প্ৰসাদ গগৈ, শিশুৰাম দত্ত, পুষ্পা গগৈ, পৰমশংকৰ দত্ত, চেনীৰাম বৰুৱা, জিতু কুমাৰ চমুৱা, ৰাজেন্দ্ৰ প্ৰসাদ গগৈ, জয়চন্দ্ৰ হাজৰিকা, প্ৰবোধ বৰগোহাঞিং, জিতু দত্ত, তোলন চন্দ্ৰ দত্ত, চিত্ৰ কুমাৰ কোঁচ, মনোজ দলে, ৰাজীৱ দলে, বাসন্তী মৰাং, ধৰণীধৰ কলিতা, জয়ন্তী ভূএগ্ৰা, অপৰাজিতা বুঢ়াগোঁহাই, মহেশ দলে, ক্ষীৰোদ গগৈ, ৰাণুপ্ৰভা দেউৰী, ৰম্যনাথ পেগু, সৰ্বেশ্বৰী পেগু, ডিম্বেশ্বৰ গগৈ, কুল গগৈ, চিত্ৰৰঞ্জন চেতিয়া, গীতাৰ্থী বৰগোহাঞিং, বিদ্যাধৰ বৰুৱা, মুখ্যনাথ দলে, সৰ্বেশ্বৰ সূতবৰুৱা, মহেন্দ্ৰ ভৰালী, ঘনশ্যাম দত্ত, ভুবন চমুৱা, ভবেন গগৈ, গোবিন দত্ত, চেনীৰাম বৰুৱা, বিজয় কোঁৱৰ, যোগানন্দ সূত, পৰমানন্দ ফুকন, বিদ্যাৱতী গগৈ, কাব্যশ্ৰী গগৈ, প্ৰদীপ ভুএগ্ৰা, জিনু কোঁৱৰ গগৈ, ৰেখামাই বড়া গগৈ, বিদ্যাবতী শইকীয়া, নবনীতা গগৈ, নবীন চন্দ্ৰ দাস, শান্তনা বৰুৱা, সত্যজিত বৰপাত্ৰ, বনমালী সূত, স্বৰ্ণলতা গগৈ চমুৱা, কুমুদ চন্দ্ৰ গগৈ, সদানন্দ চমুৱা, বাবলী বৰা চমুৱা, জিতেন গগৈ, দিলীপ গগৈ, দিপ্তী শইকীয়া, পদ্মা বড়া দাস, নন্দ চুতীয়া, লোহিত কুমাৰ চমুৱা, নৱজ্যোতি দাস, নবীন চন্দ্ৰ গগৈ, তৰুণ শৰ্মা, ভদ্ৰ শৰ্মা, গায়ত্ৰী চুতীয়া, মিনু দাস বড়া, কিৰণ চমুৱা, পৰশ বড়া, মৌচুমী হাতীবৰুৱা, ৰুণু বৰা চুতীয়া, ময়ূৰকৃষ্ণ বৰা কোঁৱৰ, দিব্য ফুকন বুঢ়াগোহাঁই, বানীমাধৱ ফুকন, ড° গৰ্কী বুঢ়াগোহাঁই, আনন্দ গগৈ, অঞ্জলী শইকীয়া, ৰমেন দাস, স্নেহলতা গগৈ, প্ৰিয়লতা শইকীয়া বৰুৱা, ইন্দিৰা কোঁৱৰ, বাবুল দাস, কমল দাস, জিতেন্দ্ৰ কুমাৰ গগৈ, লিখন চন্দ্ৰ বুঢ়াগোহাঁই, নন্দেশ্বৰ দাস, মঞ্জু গগৈ, কামাখ্যা শইকীয়, সীমা ফুকন, অমৰজ্যোতি ঘোষ।

# উদযাপন সমিতি, ২০২৫-২০২৬ বৰ্ষ



নৱ কুমাৰ দলে
মুখ্য পৃষ্ঠপোষক



ছোনিয়া বৰগোহাঁই
পৃষ্ঠপোষক



ভুবন চমুৱা
উপদেষ্টা



আনন্দ গগৈ
উপদেষ্টা



কুমুদ চন্দ্ৰ গগৈ
উপদেষ্টা



দিলীপ গগৈ
উপদেষ্টা



ৰম্য নাথ পেগু
উপদেষ্টা



বজ্ৰ দলে
উপদেষ্টা



কবিন্দ্ৰ চেতিয়া
উপদেষ্টা



ভুপেন দুৱৰা
উপদেষ্টা



ডিম্বেশ্বৰ গগৈ
সভাপতি



নবকান্ত চুতীয়া
কাৰ্যকৰী সভাপতি



ক্ষীৰ চুতীয়া
উপ-সভাপতি



ৰাৱলী বৰা চমুৱা
সম্পাদক



পংকজ গগৈ
সদস্য



সীমা ফুকন
সদস্যা



ৰাণী মাধৱ ফুকন
সদস্য



নিতুমণি গগৈ
সদস্যা



টুটুমণি ফুকন
সদস্যা

সদস্য/সদস্যা ঃ- অৰুপ গগৈ, আস্থা বড়া, মৃদুজ্যোতি গগৈ, মহেন্দ্ৰ চমুৱা, মৃদুল চুতীয়া, মৃদুল গগৈ, পবিত্ৰ গগৈ, মহেন্দ্ৰ গগৈ, ৰঞ্জিত চমুৱা, পবিত্ৰ কোঁৱৰ, লখিমী চুতীয়া, জোনাকী নাথ, জয়শ্ৰী বড়া, দিপশিখা বৰুৱা, ৰীমা বৰুৱা, টুটুমণি গগৈ আৰু প্ৰিয়াশ্ৰী গগৈ ।



সঞ্জীৱ উপাধ্যায়
সভাপতি
লক্ষীমপুৰ জিলা সাহিত্য সভা



প্ৰবীণ হাজৰিকা
সম্পাদক
লক্ষীমপুৰ জিলা সাহিত্য সভা



ড° জিতু কুমাৰ চমুৱা
কেন্দ্ৰীয় পত্ৰিকা সদস্য
অসম সাহিত্য সভা



সৰ্বেশ্বৰী পেগু
সদস্যা
লক্ষীমপুৰ জিলা সাহিত্য সভা

## ঢকুৱাখনা শাখা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতি



ডিম্বেশ্বৰ গগৈ
উপদেষ্টা



বিদ্যা দত্ত
উপদেষ্টা



পুষ্পা গগৈ
উপদেষ্টা



মনোজ দলে
উপদেষ্টা



জয়চন্দ্ৰ হাজৰিকা
উপদেষ্টা

ড° গৰ্কী বুঢ়াগোহাঁই
সভাপতি



পদ্মা বৰা
উপ-সভাপতি



কিৰণ চমুৱা
উপ-সভাপতি



ৰাজেন্দ্ৰ প্ৰসাদ গগৈ
সম্পাদক



ৰমেন দাস
সহঃ সম্পাদক



ৰাজীৱ বৰুৱা
সহঃ সম্পাদক



তোলন চন্দ্ৰ দত্ত
পত্ৰিকা সম্পাদক



পৰমানন্দ ফুকন
কোষাধ্যক্ষ



ইন্দিৰা কোঁৱৰ
আহ্বায়ক-আকাশ



মযুৰ কুমাৰ বড়া
আহ্বায়ক-কৃষি



অমৰজ্যোতি ঘোষ
আহ্বায়ক-ৰামধেনু



কুমুদ চন্দ্ৰ গগৈ
সদস্য



কাব্যশ্ৰী গগৈ
সদস্যা



ৰাবনী বৰা চমুৱা
সদস্যা



মিনু দাস বড়া
সদস্যা



ৰাহুল চুতীয়া
সদস্য



টুটুমণি ফুকন
সদস্যা



অঞ্জলী শইকীয়া
সদস্যা



নিতুমণি গগৈ
সদস্যা

মোহন লাগাছু
সদস্য